
মাতৃ আৰু পৃথিৱী

[উপ



কুমাৰী অনুৰাধা দেৱী



১৯৯৫ ইং চ

প্ৰকাশক :

মেধী প্ৰিণ্টাৰ্চ

বৰপেটা।

শ্ৰীমতী ৰাধে দেৱী

বাউসী বাণীকান্ত কাকতি মহাবিদ্যালয়

নগাওঁ, বৰপেটা

বেটুপাত :

ধ্ৰুৱ কুমাৰ তালুকদাৰ

বৰপেটা।

প্ৰথম প্ৰকাশ

ডিচেম্বৰ, ১৯৯৫

বেচ :

চল্লিশ টকা মাথোন

ছপা :

মেধী প্ৰিণ্টাৰ্চ,

বি, বি, ৰোড, বৰপেটা।

পিন নং— ৭৮১৩০১

উৎসৰ্গা

অশোকৰ হাতত

মৰমেৰে

অৰ্পণ কৰিলোঁ।

—লেখিকা

আগলতিপাত

নাৰীত্ব পুৰুষত্বৰ ওচৰত এক নিষ্ক্ৰিয় যন্ত্ৰচালিত আসক্ত নহয়। পিতৃত্বৰ প্ৰাধান্য অপসৰণ কৰাত, পিতৃত্বক পদ-দলিত অথবা পিতৃ-প্ৰধান সমাজ এখনক মাতৃ-প্ৰধান সমাজলৈ ৰূপান্তৰ কৰাতো নাৰীত্বৰ মহত্ব ফুটি নুঠে, নাইবা নাৰীত্বৰ বিকাশ সাধন নহয়। নাৰীত্ব প্ৰকৃতিৰ উদ্দেশ্য প্ৰণোদিত এক মহীয়সী সৃষ্টি। নাৰী যিদৰে ভোগ-বিলাসৰ সামগ্ৰী হব নোৱাৰে, সেইদৰে হব নোৱাৰে উশৃঙ্খল, অথবা প্ৰভুত্ব-বিলাসী, নাৰীত্ব হ'ল এক অন্তৰ্দৃষ্টিসম্পন্ন, প্ৰজ্ঞাবুদ্ধি [intuition] প্ৰণোদিত শক্তি অথবা প্ৰেৰণা। নাৰীত্বৰ উজ্জ্বল উদাহৰণ হ'ল ৰামৰ প্ৰেম প্ৰেৰণা লক্ষ্মী ৰাধা, পঞ্চপাণ্ডৱৰ দ্ৰৌপদী, ইতিহাসৰ জয়মতী, শ্বেক্সপীয়াৰৰ ডেসডিমোনা, টলষ্টয়ৰ আনা কাৰেনিনা আৰু হথৰ্নৰ হেষ্টাৰ। বুদ্ধি আৰু প্ৰবৃত্তিৰ, যুক্তি আৰু আবেগৰ, প্ৰকৃতি আৰু কল্পনাৰ সমন্বয় ঘটিছে বিশ্বব্ৰহ্মাণ্ডৰ ঐশ্বৰিক সৃষ্টিত। একেধৰণৰ সমন্বয়ৰ প্ৰয়োজনীয়তা নিহিত হৈ আছে নাৰী চৰিত্ৰত। নাৰীত্ব হ'ল প্ৰকৃতিৰ মহান উদ্দেশ্যৰ — সৃষ্টিৰ — আধাৰ। নাৰীত্বৰ বিকাশ আৰু প্ৰগতিয়ে হ'ল সমাজৰ বিকাশ আৰু প্ৰগতি।

ঊৰ্ধ্ব ৰথে সঞ্চাৰ হোৱাৰ কাৰক সৃষ্টি কৰা পুঞ্জ। পুৰুষত্বৰ প্ৰধান গুণ যিহেতু দৰ্শন প্ৰৱণতা আৰু চিন্তাশীলতা [যিবোৰ পুৰুষ প্ৰকৃতাৰ্গত শিক্ষিত আৰু বৌদ্ধিক শক্তিৰে বলীয়ান], পুৰুষত্ব সদায় প্ৰগতি আৰু বিকাশৰ চিন্তাত নিৰ্ব্বিকাৰ। কিন্তু জীৱন, চিৰ-বহমান, গতিশীলতা জীৱনৰ ধৰ্ম আৰু এই গতিশীলতা ৰক্ষা কৰি চলে নৱ নৱ জীৱনৰ নৱ নৱ সৃষ্টিৰে। এই গতিশীলতা ৰক্ষা কৰাৰ লগতে গতিশীল মানৱ সমাজক প্ৰগতিমুখী আৰু সচেতন কৰাৰ দায়িত্ব নাৰী আৰু পুৰুষ উভয়ৰে। জীৱন স্থবিৰ হৈ যাব নোৱাৰে বাবে নিৰ্ব্বিকাৰ নীৰস পুৰুষৰ কৰ্ণধাৰ প্ৰেৰণাদায়িনী শক্তি হ'ল

নাৰী। গতিকে গতিশীল মানৱ সমাজৰ সৃষ্টিধৰ্মী ক্ৰমবিকাশৰ পথত পুৰুষতকৈ নাৰীৰ অৱিহণা বেছি। সমাজৰ অপৰিহাৰ্য্য একো একোজন মহান ব্যক্তিৰ জীৱন স্থবিৰ হৈ যোৱাৰ অৰ্থ হ'ল যুগ যুগ ধৰি হবলগীয়া আকাঙ্খিত প্ৰগতিৰ পৰা মানৱক বঞ্চিত কৰা। ইয়াৰ প্ৰতিকাৰৰ উপায় নাৰীয়ে কৰিব পাৰে। সৃষ্টিশীল প্ৰগতিৰ উদ্দেশ্যত অগ্ৰসৰ হোৱা নাৰীয়ে পুৰুষৰ বয়সক পৰোৱা নকৰে, নিজৰ শক্তি অনুসাৰে সময় থাকোতে ভৱিষ্যত উন্নতিৰ [future betterment] কল্পে সৃষ্টিকামী কৰ্ত্তব্যত অগ্ৰসৰ হয়। আৰু নিৰ্ব্বিকাৰ নিষ্পন্দিত একো একোজন পুৰুষক নীৰস স্থবিৰতাৰ বান্ধোনৰ পৰা মুক্ত কৰি লৈ আগত মানৱৰ সমাজত জ্ঞানৰ ভাণ্ডাৰ বিলাবলৈ, মানৱ জাতিক নতুন নতুন গৱেষণা আৰু নতুন নতুন চিন্তাধাৰাৰে আপ্যায়িত কৰিবলৈ সৃষ্টিৰ হেপাহত নাৰী আগুৱাই যায়।

নাৰী অকল নাৰীয়ে নহয়, মাতৃও। ভৱিষ্যত দেশৰ নাগৰিকবোৰক সৎসাহসী, আত্মনিৰ্ভৰশীল স্বাধীনমনা, পৰহিতৈষী, সমাজসেৱী আৰু দাৰ্শনিক মনোবৃত্তিৰ কৰি গঢ়ি তোলাত মাতৃৰ প্ৰেৰণাই যিমান সফল হব পাৰে, পিতৃৰ কৰ্ত্তব্যই সিমান নোৱাৰে। গতিকে বিবাহিত স্ত্ৰীয়ে বৃত্তিৰ [চাকৰিৰ] অজুহাতত সন্তানৰ প্ৰতি মনযোগ নিদিয়াটো অথবা সন্তান নিবিচৰাটো দুখেৰ অন্যায়। সন্তান পিতৃ আৰু মাতৃ উভয়ৰে— উভয়ৰে দায়িত্ব আৰু কৰ্ত্তব্যও সমান। কিন্তু নাৰী আৰু পুৰুষৰ প্ৰকৃতি আৰু শাৰীৰিক সামৰ্থ্যৰ স্বৰূপ পৃথক হোৱা বাবে অৰ্থাৎ কম আৰু বেছি হোৱা বাবে কৰ্ত্তব্য আৰু দায়িত্বৰ ধাৰাও পৃথক পৃথক হব পাৰে। নাৰী পুৰুষতকৈ শাৰীৰিক ভাৱে দুৰ্ব্বল অথচ বহুতো ক্ষেত্ৰত আন্তৰিক আৰু আধ্যাত্মিক শক্তিৰে মহীয়সী হয় বাবে সন্তানৰ আত্মিক আৰু মানসিক প্ৰগতিও মাতৃয়ে-পিতৃতকৈ বেছিকৈ সহায় কৰিব পাৰে। পুৰুষ নাৰীতকৈ শাৰীৰিক আৰু বৌদ্ধিক বলত বলীয়ান; কিন্তু প্ৰেৰণাৰ অভাৱত জয় পৰি যোৱাৰ সম্ভাৱনা থাকে যিহেতু নাৰীৰ প্ৰেৰণাই পুৰুষক অসাধ্য সাধন

কৰিবলৈ, সমাজক স্বৰ্গৰাজ্যত পৰিণত কৰিবলৈ উদ্‌গণি যোগাব পাৰে। সেয়েহে সন্তানৰ প্ৰতি দায়িত্ব পালনৰ ক্ষেত্ৰত পুৰুষে সন্তানক শাৰীৰিক, বৌদ্ধিক আৰু বাস্তৱিক দিশবোৰত জীৱন সংগ্ৰামৰ পথত সাহসেৰে অগ্ৰসৰ হোৱাত সহায় কৰা প্ৰয়োজন, আৰু মাতৃয়ে সন্তানৰ মানসিক তথা আধ্যাত্মিক ভেটি বলিষ্ঠ কৰিবলৈ যত্নপৰ হোৱা নিতান্তই প্ৰয়োজন।

স্বাধীনতা শব্দৰ অন্তৰ্নিহিত অন্য এক তাৎপৰ্যপূৰ্ণ গুণ হ'ল ত্যাগ। স্বাধীনতা লাভ কৰাৰ অৰ্থ পুৰুষৰ সম্পূৰ্ণ অবাধ্য হোৱাটো নিশ্চয় নুবুজায়, ঠিক সেইদৰে সমাজখন পিতৃ প্ৰধান হ'ল বুলি নাৰীক পদদলিত কৰাটো নুবুজায়। নাৰী আৰু পুৰুষৰ স্বাধীনতাৰ অৰ্থই ইজনে সিজনৰ হকে কৰা ত্যাগ আৰু পৰস্পৰ বুজাবুজিৰহে স্পষ্টকৈ আঙুলিয়াই দিয়ে। বৃত্তিধাৰী নাৰী আৰু পুৰুষৰ মাজত সাধাৰণতে বিশৃঙ্খলতা দেখা যায় এইবাবেই যে স্বাধীনতাৰ অজুহাতত বৃত্তিৰ দোহাই দি কোনো কাৰো বাধ্য হব নোখোজে। অথচ বন্ধুত্ব শব্দৰ অৰ্থই ইজনে সিজনৰ প্ৰতি বাধিত হোৱাটোহে বুজায়। পৰিবেশৰ জটিলতা তথা আৱশ্যক অনুসাৰে পুৰুষে নাৰীৰ কাম কৰা অথবা নাৰীয়ে পুৰুষৰ কাম কৰাটো অশোভনীয় কথা হব নোৱাৰে। দৈনন্দিন জটিল পৰিবেশৰ পৰিপ্ৰেক্ষিতত পাৰস্পৰিক সহযোগিতাৰে পৰিবেশ নিয়ন্ত্ৰণ তথা শৃঙ্খলিত সাফল্যৰ কথা চিন্তা নকৰি মৰ্য্যাদাহানিৰ প্ৰশ্ন উত্থাপনেৰে পৰিবেশক বিতৰ্কৰ বিষয় হিচাবে লৈ সন্তানৰ মানসিক শান্তি ভঙ্গ কৰাটো মূৰ্খামি, প্ৰকৃতিৰ উদ্দেশ্যৰ পৰিপন্থী। এইধৰণৰ মত্তচাৰীতাই বিভাজন অনাৰ উপৰিও সন্তানৰ শাৰীৰিক আৰু মানসিক প্ৰগতিৰ প্ৰতিবন্ধক হৈ থিয় দিয়ে। নাৰী বৃত্তিজীৱি হৈও সন্তানৰ বিকাশ আৰু প্ৰগতিত বাধা নপৰাকৈ সন্তানক সু-নাগৰিক, জ্ঞানী, দাৰ্শনিক কৰি গঢ়ি তুলিব পাৰে। এই প্ৰচেষ্টা তথা সৃষ্টিকামী সংগ্ৰামত মাতৃত্বৰ সাফল্যমণ্ডিত কৃতিত্ব বিদ্যমান।

এই উপন্যাসৰ নাৰী শক্তি কোনো অশিক্ষিত, অদাৰ্শনিক, অনুস্তপীয়া মনোবৃত্তিৰ, নাইবা কেবল যান্ত্রিকভাৱে কর্ত্তব্য পালনত ব্রতী হোৱা সর্ব্বসাধাৰণ নাৰী শক্তি নহয়। যি পাত্রতে থোৱা যায়, সেই পাত্রৰ গচ লোৱা তৰল নাৰী প্রাণে এই উপন্যাসৰ সাৰমৰ্ম্ম উপলব্ধি কৰিবলৈ অপাৰগ হোৱাৰ আশঙ্কা থাকিলেও ঔপন্যাসিক নিজৰ মতত অচল। নাৰী স্বাধীনতাৰ অজুহাতত নাৰী শক্তিৰ অপচয় সাধন কৰা এচাম নাৰীযেও এই পুথিৰ ফালে কুটিল দৃষ্টিপাত কৰাৰ আশঙ্কা আছে। লিখিকাই ইযাক সামাজিক ভেটিৰ ওপৰত থিয কৰাব বিচাৰে অন্তৰত গুজৰি-গুমৰি থকা কিছুমান ভাবাদৰ্শক বেলিৰ পোহৰেৰে আলোকিত কৰিবলৈ বুলি। এই মতাদৰ্শক যি দৃষ্টিভঙ্গিতেই চোৱা যাওঁক, আপত্তি নাই, এনে উদ্দেশ্যৰে এই উপন্যাসৰ জন্ম দিয়া হ'ল। আৰু ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰাৰ অপচেষ্টা কৰা হ'ল।

পাণ্ডুলিপিটো পুঙ্খানুপুঙ্খ পটি ভুল-ক্রুটিবোৰ শুধৰাই দি আখৈজবোৰ আঙুলিয়াই দি প্ৰকাশৰ উপযোগী কৰি তুলিবলৈ সহায়ৰ হাত আগবঢ়োৱাৰ উপৰিও উৎসাহ উদ্দিপনাৰে সাহিত্য চৰ্চ্চা কৰি যাবলৈ মোক পৰামৰ্শ দিয়াৰ বাবে গুৱাহাটী বিশ্ববিদ্যালযৰ লোকসাহিত্য [Folklore] বিভাগৰ মুৰব্বী শ্ৰদ্ধাভাজন শ্ৰীযুত ড° নবীন শৰ্ম্মা মহোদয়লৈ মই সশ্রদ্ধ প্ৰণিপাত সহ ভক্তি অৰ্ঘ্য নিবেদন কৰিলোঁ। লগতে তেখেতৰ সহধৰ্ম্মিনী শ্ৰীযুতা বাসন্তী শৰ্মা লৈ মৰম সহকাৰে শ্ৰদ্ধাৰ শৰাই নিবেদন কৰিলো; কিয়নো পাণ্ডুলিপিটোৰ সন্দৰ্ভত তেখেতৰ ঘৰলৈ অহাযোৱা কৰা কাল-ছোৱাত তেখেতৰ পৰাও অপৰ্যাপ্ত প্ৰেৰণাসম্বলিত সঙ্গ-সুখ লাভ কৰিছিলোঁ।

ইতি—

বিনয়াবনত

—লেখিকা

মাহ আৰু পৃথিৱী

[এক]

হাতত তিনিটা থেছিছৰ একেলগে লৈ শুধ মিল ডিংটোৰ থট থটীয়েদি উঠি গৈ অপৰাজিতাই ফিজিক্স ডিপাৰ্টমেণ্টৰ ছুখন জমা দি এখন ওভোটাই লৈ আহিল। পাইত প্ৰফেছৰ অৰুণ-জ্যোতি মহন্তৰ কোৱাৰ্টাৰটোলৈ বুলি তাই ঢাপলি মেলিলে। উদ্বিগ্নতা আৰু উচপিচনিৰ মাজত খোজ কাঢ়ি গৈ থকা অপৰাজিতাৰ মনত তৰঙ্গায়িত হ'বলৈ ধৰিলে প্ৰফেছৰ অৰুণ জ্যোতিৰ কল্পনাপ্লুত চেহেৰা, তেওঁৰ স্বপ্নালু নিৰ্বিকাৰ চলন ফুৰণ তেওঁৰ কৌতুকাভিনয় কৰুণ ৰসিকতাপূৰ্ণ কথা-বতৰা আৰু তেওঁৰ নিৰ্জন দৈনন্দিন জীৱনৰ অসন্তুষ্টিৰ অভিব্যক্তিবোৰ।

প্ৰায় চুকুৰি আঠবছৰমান বয়সৰ প্ৰৌঢ় মানুহজন অবিবাহিত অকলশৰীয়া। তেওঁ কিয় বিয়া নকৰালে সেই কথা অনুমান কৰিব পাৰিলেও প্ৰকৃত তথ্য কি অপৰাজিতাই তাক এতিয়ালৈকে জানিব নোৱাৰিলে। ব্যক্তিগতভাৱে মানুহজন বৰ অসহায়, বৰ অসুখী। বাৰ্দ্ধনি ল'ৰা এটা আছে যদিও ঘৰখনৰ কোনো বস্তু পৰিপাটি হৈ নাথাকে কোনো কাম ঠিকমতে কৰা নহয়। সদায় নিজৰ পঢ়া শুনাত ল'ৰা ছোৱালীক থেছিছ লিখিবলৈ সহায় কৰাত আৰু কাগজে পত্ৰই আলোচনীয়ে লিখা-লিখি কৰাত ব্যস্ত হৈ থকা ড° অৰুণজ্যোতি মহন্ত পিছে ঘৰুৱাভাৱে [illegible] নংপেও নিৰ্বিকাৰ হৈ থাকে। মাজে মাজে খাবলৈ, তথাপি পাহৰি গ'লেও জোৰ কৰি খুৱাওঁতা অথবা শোৱাৰ কথা মনত পেলাই দিওঁতা কোনো নাই। বহুদিন কুটুম্বীয়াৰ সমাজত উপস্থিত হৈ অপৰাজিতাই দেখিছে যে তেওঁ [illegible] আহিছে আৰু ওই, মনত তাইক এতিয়া [illegible]

মাৰি কৈছে: "অপৰাজিতা, মোক ভাল ৰান্ধনি এটা বিচাৰ কৰি দিবা; নহ'লে আৰু খোঁজাপোৱা পৰিত্যাগ কৰিব লাগিব।"

বহুদিন চাহৰ কাপটো দুবাৰমান ওঁঠত লগাই উঠি চাহবোৰ দলিয়াই পেলাই দিছে আৰু বিৰক্তিৰে কৈছে: "কোনো টেষ্ট, নাই।"

এইবোৰ দেখি অপৰাজিতাৰ হৃদয়ৰ অব্যক্ত বেদনাৰে আৰ্দ্ৰ হৈ উঠে। তেখেতে তাইক ইমান মৰম-স্নেহ কৰে যে বহুত সময়ত তাইকেই তেওঁৰ পাকঘৰলৈ গৈ খোৱাবস্তু যতনাই আনিবলৈ কয়। বহুদিন অপৰাজিতাই তেখেতক ৰান্ধি খুৱাইছে, চাহ কৰি খুৱাইছে আৰু নিজঘৰৰ পৰা বিভিন্ন বস্তু প্ৰস্তুত কৰি পেকেটৰ ভিতৰত ভৰাই আনি খাবলৈ দিছে। কিন্তু মাক আৰু দেউতাকৰ আপত্তি থকা হেতুকে তেখেতক অপৰাজিতাই নিজৰ ঘৰলৈ নিমন্ত্ৰণ কৰিবলৈ সুবিধা পোৱা নাই। এক কথাত অপৰাজিতা ড° অৰুণজ্যোতি মহন্তৰ নিঃসঙ্গ জীৱনৰ এটা অপৰিহাৰ্য্য অঙ্গ হৈ পৰিছে।

অপৰাজিতা অৰুণজ্যোতিৰ ছাত্ৰী আছিল। কেইবা বছৰো আগেয়ে অৰুণজ্যোতিয়ে বিশ্ববিদ্যালয়ৰ চাকৰিত সোমাইছিল যদিও কোনো বিশেষ কাৰণত তেওঁ এই চাকৰি পৰিত্যাগ কৰি কলিকতালৈ গুচি গৈছিল। তেওঁ পুনৰ গুৱাহাটী বিশ্ববিদ্যালয়লৈ আহি চাকৰিত সোমোৱা প্ৰায় সাত বছৰমানহে হৈছে। অপৰাজিতাই কটন মহাবিদ্যালয়ত স্নাতকোত্তৰ পঢ়ি উত্তীৰ্ণ হোৱা বাবে থেছিছ লিখিবলৈ আৰম্ভ কৰাৰ আগমুহূৰ্তলৈকে অৰুণজ্যোতিৰ লগত তাইৰ চিনাকী হোৱা নাছিল। তাইৰ দেউতাকে গৱেষণাৰ বাবে তাইক অৰুণজ্যোতিৰ ওচৰলৈ পঠিয়াই দিছিল। কিন্তু দেউতাকে নিজে অৰুণজ্যোতিক লগ ধৰিবলৈ অকণো ইচ্ছা প্ৰকাশ নকৰা আৰু তেখেতক নিজৰ ঘৰলৈ নিমন্ত্ৰণ কৰিব নিদিয়া কাৰণেই অপৰাজিতাক বিস্মিতা কৰি তোলে। তাইৰ দেউতাই বিশ্ববিদ্যালয়ৰ এজন অৱসৰপ্ৰাপ্ত অধ্যাপক বুলি অৰুণ-

জ্যোতিয়ে এতিয়ালৈকে নেজানিয়ে। তাইৰ দেউতাক, এয়েহে জ্ঞানদীপ হাতীবৰুৱাই ড° অৰুণজ্যোতি মহন্তক ভালদৰে জানে বুলি কয় আৰু নথৈ প্ৰশংসা কৰে। অথচ অৰুণজ্যোতিক নিমন্ত্ৰণ কৰাৰ কথা উলিয়ালে তাইৰ দেউতাকে পাকে-প্ৰকাৰে অসন্মতি প্ৰকাশ কৰে। ইয়াৰ বাবে তাই দেউতাকৰ ওচৰত খং-অভিমান কৰিলে তেওঁ তাইক হেপাহ পলুৱাই বোৱাৰত এইদৰে "কবি অৰুণজ্যোতিৰ ওচৰলৈ নৈ যাবলৈ পৰামৰ্শ দিয়ে। "কৰু হলেও অপৰাজিতাই ভাবে কলে। আমনি ইংলণ্ডত থাকি বিজ্ঞানৰ ছাত্ৰ হিচাবে কৃতিত্ব অৰ্জন কৰি ইংলণ্ডতে চাকৰি জীৱন আৰম্ভ কৰা তাইৰ ককায়েক ছানদীপ যেতিয়া এবছৰ আগেয়ে আলোকগৃহলৈ উভতি আহিল, দেউতাকে ছানদীপকো অৰুণজ্যোতিৰ বিষয়ে কোনো সম্ভেদ নিদিলে— কোনো সম্ভেদ নিদিবলৈ তাইক [illegible] দিলে। দেউতাকে লণ্ডনত "ডক্টৰ অব লিটাৰেচাৰ" উপাধিৰ বাবে গৱেষণা চলাই থাকোঁতে তাইৰ লণ্ডনতে জন্ম হৈছিল। দেউতাকৰ গৱেষণাৰ অন্তত ছানদীপক লণ্ডনতে অধ্যয়নৰ বাবে এৰি থৈ মাক আৰু তাইক লগত লৈ দেউতাক অসমলৈ উভতি আহিছিল। আৰু তাইৰ মাক গুৱাহাটীৰে এখন চেণ্ট্ৰেল স্কুলত সোমাই লৈ এতিয়ালৈকে শিক্ষয়িত্ৰীৰ কৰ্তব্য কৰি আছে। অথচ ড° অৰুণজ্যোতি মহন্তই এতিয়ালৈকে কোনো কথা নাজানিলে। তেওঁৰ ওচৰত তাই মাথো এজন স্কুল শিক্ষক আৰু এজনী ঘৰুৱা গৃহিনীৰ সন্তান হিচাবে নিজকো প্ৰকাশ কৰিবলগীয়া হ'ল। দেউতাকৰ বাধ্য-বাধকতাত অপৰাজিতাই অৰুণজ্যোতিক ফাঁকি দি থাকিব-লগীয়া হোৱাটো তাইৰ বাবে এক মহাপৰাধমূলক 'প্ৰৱঞ্চনা'। কিন্তু তাই নিৰুপায়।

অৱশেষত আজি তাইৰ গৱেষণাৰ অন্তত, দেউতাকে তাইক তেওঁৰ লিখা ডায়েৰী এখন 'পঢ়িবলৈ দিছে'। [illegible] দুপৰীয়ালৈ ডায়েৰীখন পঢ়ি "পাচি তাই [illegible]

[illegible]

শদি হৈ পৰিশ। তাই জানিব পাৰিলে তাইৰ মাক দেউতাক আৰু অৰুণজ্যোতিৰ মাজৰ অতীত সম্পৰ্কৰ বিষয়ে– জানিব পাৰিলে মাক দেউতাকৰ নাম অৰুণজ্যোতিৰ আগত প্ৰকাশ নকৰিবলৈ দেউতাকে তাইক কিয় নিৰ্দেশ দিছিল। কিন্তু ইমান দিনে অৰুণজ্যোতিক কেৱল গাইড হিচাবে নহয় তাইৰ জীৱনৰ একমাত্ৰ কাম্য পুৰুষ হিচাবে মনে মনে (অৰুণজ্যোতিৰ অজ্ঞাতে) অন্তৰৰ গভীৰতম আসনত বহুৱাই আহি অপৰাজিতাই আজি দেউতাকৰ ডায়েৰীখন পঢ়া সত্ত্বেও নিজৰ সিদ্ধান্তত অচল অটল হৈ থাকিল। স্বয়ং অৰুণজ্যোতিয়েও তাইৰ সিদ্ধান্তৰ বিষয় জানিবলৈ কোনো উপায় পোৱা নাই। তাইক সদায় সৰু ছোৱালীৰ আসনত বহুৱাই মৰম স্নেহ কৰি অহা অৰুণজ্যোতিয়ে ভুলতেও কাহানিও তাইৰ অন্তৰৰ হেপাহৰ বিষয়ে অনুসন্ধান কৰা নাই। অথবা তাইৰ অন্তৰতো যে প্ৰেম মন্দাকিনী বৰ ।াবে তাক বিচাৰ কৰি চোৱা নাই।

কিন্তু গৱেষণা চলাই থকা ছোৱালী এজনী কেনেকৈ সৰু ছোৱালী হ পাৰে? অৰুণজ্যোতিৰ ধাৰণা বাৰ ইমান আচহুৱা কিয়? অপৰাজিতাৰ মনত পৰিল তেওঁৰে সৈতে চিনাকী হোৱাৰ দিনৰে পৰা তাইৰ মনোজগতত আলোড়নৰ সৃষ্টি কৰি অহা ঘটনাবোৰ ...

অপৰাজিতাই গৱেষণাৰ বাবে ফেলোশ্বিপ পোৱাৰ খবৰ অহাৰ লগে লগে দেউতাকৰ নিৰ্দেশমতে প্ৰফেছৰ অৰুণজ্যোতিৰ ওচৰলৈ গল। তেওঁৰ ডিপাৰ্টমেণ্টৰ চেম্বাৰৰ দুৱাৰৰ ওচৰত বৈ লাহেকৈ ভুমুকিয়াই চাই তাই দেখিলে যে এজন সুন্দৰ সুঠাম চেহেৰাৰ প্ৰৌঢ় মানুহ; কঁপালৰ ওচৰৰ কেইডালমান চুলি ক্ৰমিক মাজে মাজে কেইডালমান বগা চুলি বহস পাকিছে ... কঁপালত ... গাম্ভীৰ্য্যপূৰ্ণ নাক আৰু ওঁঠৰ মাজ; ... কৰি ফাইলৰ কামত ব্যস্ত হৈ আছে। তাইৰ

বুকুখন চপ্‌চপাইছে ; ধীৰে ধীৰে কাষ চাপিলে :

"Excuse me ! May I come in ?"

মাত শুনিয়েই তেওঁ লিখাৰ পৰা থাই উঠা যেন লাগিল তাই সাউতকৈ আঁতৰি দুৱাৰৰ বাহিৰত ৰৈ থাকিল। কন্তেক নীৰৱতা, অৱশেষত তেওঁ মাতিলে : "Yes come in."

কিন্তু অপৰাজিতা সোমাই গৈ তেওঁৰ সমুখত থিয় হোৱা মাত্ৰকে তেওঁৰ কি হ'ল তাই ধৰিব নোৱাৰিলে। মানুহজন চকীৰ পৰা জপিয়াই উঠি চকী ঠেলা মাৰি দি আইৰ ফালে বিস্ময়ৰ দৃষ্টিৰে চাই চকু আৰু আঙুলিৰে দেখুৱাই দিলে ; আৰু পিছুৱাই গৈ গৈ কোঠাটোৰ একোণত থিয় হৈ প্ৰস্তৰ মূৰ্ত্তিৰ দৰে ৰৈ থাকিল। তাকে দেখি অপৰাজিতাই নিজেও বহু সময় খালে আৰু জঠৰৰ দৰে তেওঁৰ তেওঁকৰ ওচৰত থিয় হৈ থাকিল। অৱশেষত তেওঁ লাহে লাহে আগবাঢ়ি আহিল আৰু নহাকুল চাৰিনিৰে চাই কঠোৰ স্বৰত দাবী কৰিলে :

"কোন তুমি ? কি নাম তোমাৰ ? ক'ৰ পৰা আহিছা ?"

অপৰাজিতাৰ বুকুৰ চপ্‌চপনি বহুগুণে চলিবলৈ ধৰিলে। এজন প্ৰৌঢ়ৰ, অথচ ইমান নিঠুৰ ব্যৱহাৰ ! যেন চকি তাই উত্তৰ দিলে : "মোৰ নাম — অপৰাজিতা। এই কটন মহা-বিদ্যালয়ৰ পৰা ফিজিক্‌চত প্ৰথম শ্ৰেণী লৈ মাষ্টৰ্চ ডিগ্ৰী লৈছোঁ। গৱেষণাৰ বাবে ৰেজিষ্টাৰ্ড কৰিব খুজিছোঁ ; টেলিগ্ৰাম পাইছোঁ। আপুনি মোক সাক্ষাৎ কৰিবলৈ কৈ আহিছে।"

উত্তেজিত ও উদ্‌ভ্ৰান্ত হৈ চকীত বহি অকণমান জিৰাই প্ৰশ্ন কৰিলে : ভাল আছিল ? ভাল আছিলা ? ঘৰ কত তোমাৰ ? কোনে পঠিয়াইছে মোৰ ওচৰলৈ ?"

অপৰাজিতা কঁপিবলৈ ধৰিলে: "মুই-মই নিজেই আহিছোঁ, ঘৰ গুৱাহাটীত।"

"নিজেই আহিছা ? নিজেই আহিছা ? কিয় কিয় ?" [illegible]

তোমাক গাইড কৰিব নোৱাৰিম; মোৰ সময় নাই।"

অপৰাজিতাৰ মুখমণ্ডল বাখিষাৰ ক'লা ডাৱৰে ছানি পেলালে। থৰক-বৰককৈ তাই মাতিলে: "প্লীজ, মই কাৰো ওচৰলৈ যাব নোৱাৰোঁ।"

ৰিভলভিং চকীখনৰ ওপৰত অৰুণজ্যোতি ঘূৰি তৎক্ষণাত পিছ মুখ দিলে। আৰু কঠোৰভাবে প্ৰশ্ন কৰিলে: "কিয় নোৱাৰা তুমি আন কাৰো ওচৰলৈ যাব?"

দুখ আৰু হতাশাৰে অপৰাজিতা চেম্বাৰৰ পৰা ওলাই আহি নিৰ্জ্জন ক'ৰিদৰটোৰ বেৰত আউজী ৰ'ল। তাইৰ চকুপো ওপাও ওলাও হ'ল। এজন নিষ্ঠুৰ মানুহৰ ওচৰলৈ দেউতাকে তাইক কিয় পঠিয়াইছিল? দেউতাকে এইজন মানুহৰ ওপৰত দিয়া প্ৰসংশাসূচক ভাষণৰ এওঁ দেখোন সম্পূৰ্ণ বিপৰীত। এনেতে অৰুণজ্যোতিৰ চেম্বাৰৰ পৰা কলিংবেলৰ শব্দ ভাঁহি আহিল। চকিদাৰ এটা তাইৰ সমুখেৰে পাৰ হৈ গ'ল। তাই লাহে লাহে বিলডিংটোৰ পৰা বাহিৰ ওলাই আহিবলৈ খোজ পেলালে। এনেতে পাছফালৰ পৰা চকিদাৰটো বেগাই আহি তাইক প্ৰফেছৰ অৰুণজ্যোতিয়ে মাতিছে বুলি ক'লে। ভয়ে ভয়ে পুনৰ তাই তেওঁৰ ওচৰ পালেগৈ। এইবাৰ তাইক বহিবলৈ দি এবাৰ তাইৰ মূৰৰ পৰা ভৰিলৈ লক্ষ্য কৰিলে; আৰু অৱশেষত ক'লে:

"আপোনাৰ গৱেষণাৰ গাইড, হবলৈ মোৰ আপত্তি নাই। মোক ক্লাছৰ সময়খিনিৰ বাহিৰত মোৰ কোৱাৰ্টাৰতে লগ ধৰিব পাৰিব নেকি?

অপৰাজিতা থতমত খালে। এবাৰ সম্বোধন 'তুমি' ৰ পৰা আঁতৰি আহি 'আপুনি' হ'ল! তাই পাৰিব বুলি সংক্ষেপে উত্তৰ দিয়াত তেওঁ পুনৰ ক'লে: "মোক বেয়া নাপাব; আপোনাক দেখি মই বৰ ভয় খাই উঠিছিলো; কিয় ভয় খাইছিলো মই এতিয়া কব নোৱাৰো; হয়তো এদিন আপুনি নিজেই জানিব

পাৰিব। আপোনাৰ গৱেষণাৰ Topic টো যদি বাছনি কৰি লৈছে তেন্তে Synopsis এখন লিখি এনপ্লাইব ভিতৰত মোৰ যদি ওচৰলৈ লৈ আহিব। আৰু যদি Topic বাছনি কৰা নাই—

"কেইটামান Topic যুগুতাই ৰাখিছো। আপোনাৰ পৰামৰ্শৰ বাবে—।" "বাৰু। তেন্তে পৰহিলৈ আহক।"
সেৰাগৰোকৈ অপৰাজিতাই কলে: "মোক 'তুমি' বুলি মাতিলে বেয়া নাপাওঁ। যিহেতু মই আপোনাতকৈ— "

অৰুণজ্যোতিয়ে হাঁহিলে; আপোনমনে হাঁহি হাঁহি তেওঁ হঠাতে চেয়াৰৰ এফালে বেৰৰ ওচৰৰ খিয় হৈ থকা ইম্‌ট্ৰেণ্টৰ ৰেক এখনৰ ওচৰলৈ গৈ ৰেকখনৰ গাত ভেঁজা দি কৌতুকেৰে নিজকে বোৱাৰ দৰে কলে: মোতকৈ বয়সত ইমান সৰু যে পুনৰ্জন্ম যেনহে অনুমান হৈছে। সাইপাথ—।" অপৰাজিতাৰ মুখেৰে আশ্চৰ্য্য প্ৰকাশ পালে: "পুনৰ্জন্ম?"

"ঠিক আছে তোমাক তুমি বুলি মাতিম। তুমি অপৰাজিতা; সেয়েহে আজি তোমাৰেই জয় হ'ল।"

মনটো ফৰকাল লাগি গ'ল অপৰাজিতাৰ। তাই নিঃশব্দে বেৰৰ ফালে চাই কৌতুকৰ হাঁহি মাৰিবলৈ ধৰিলে। তাকে লক্ষ্য কৰি অৰুণজ্যোতিয়ে বগৰ কৰি ক'লে: "ইমান বেটি বয়সৰ এজন মানুহক ভয় খুৱাই পৰাভূত কৰি অপৰাজিতাই আমোদ পাইছে।"

"বয়স বিমানেই নহলেও আকস্মিক অভাৱনীয় সাক্ষাতত ভয় খোৱাটো আচৰিত কথা নহয়। কিন্তু চকী মেজ দলিয়াই উধাতু খাই লুকাব বিচৰাটোহে।"

"হাঃ হাঃ হাঃ Unnatural, নতুবা Abnormal, নহয় জানো? কিন্তু unnatural তুমিহে মিছ, অপৰাজিতা! যদিও তুমি abnormal নোহোৱা!"

"মই ? Unnatural ?"

"Yes! My dear girl! এতিয়া যোৱা; পৰহিলৈ লগ ধৰিবা।"

এইদৰে অপৰাজিতাৰ গৱেষণা আৰম্ভ হ'ল। এসপ্তাহৰ ভিতৰতে অপৰাজিতাই আবিষ্কাৰ কৰি পেলালে যে অৰুণজ্যোতি মহন্তৰ ভিতৰৰ মৰমিয়াল মানুহজন তেনেই কোমল, অমায়িক আৰু ন্যায়পৰায়ণ। অপৰাজিতা অভিভূতা হৈ গ'ল। পঢ়াৰ বাহিৰেও তেওঁতে তাইৰ মন আৰু শৰীৰৰ সদায় খবৰ লয়, তাইৰ লৈতে ওমলে ৰসিকতা কৰে, হাঁহে আৰু ধমকিয়ায়। দিন বাগৰি যোৱাৰ লগে লগে তাই তেওঁৰ মনোজগত এনেদৰে অধিকাৰ কৰি পেলালে যে অৰুণজ্যোতিয়ে প্ৰকাশ্যে মন্তব্য দিলে:

"অপৰাজিতা! ধন্য তোমাৰ পিতৃ-মাতৃ যিয়ে তোমাক এই নামেৰে বিভূষিতা কৰিছে।"

"কেলেই? নামটোৱনো কি অৰিহণা?"

সকলো পৰিস্থিতিতে দেখোন তোমাৰ জয় অনস্বীকাৰ্য। জীৱনত এয়া প্ৰথমবাৰৰ বাবে অৰুণজ্যোতি নামৰ বিজ্ঞ প্ৰাণীটোৱে নিজকে সুখী যেন অনুভৱ কৰিছে। প্ৰশাসনত ব্যস্ত থকা মানুহে উপযুক্ত নাম বিচাৰি নাপায়। সেয়েহে মোৰ দেউতাই কি ভাবি মোক নামাকৰণ কৰিছিল, সেই উদ্দেশ্য মই সাধন কৰিব নোৱাৰিলো।"

"আপুনি মাজে মাজে বৰ চেণ্টিমেণ্টেল হয়। আচলতে অৰুণে মানে সূৰ্যই নিজে নাজানে যে তেওঁৰ জ্যোতিয়ে পৃথিৱী পোহৰাই থকাৰ উপৰিও অযুত নিযুত প্ৰাণীৰ পুষ্টিসাধন কৰি আছে।"

"তুমি সঁচাকৈ সেইদৰে ভাবা নেকি?"

"অকল মইয়েই নহয়; নহলেনো মই গৱেষণাৰ বাবে আইনৰ ওচৰলৈ আহিলো কিয়? বহুতৰ ভিতৰত মোৰ দেউতাও এজন!"

"তুমিতো তেনেই সক ছোৱালী। লোকৰ কথা শুনামাত্ৰকে

পৌৰি আহিছা। পিছে **Little one**, তোমাৰ সংস্পৰ্শত অকণে নিজ ৰশ্মিক চিনিব পাৰিলে। তোমাৰ গৱেষণা পূৰ্ণ হোৱাৰ পাছত সেয়েহে মইও 'ডি. লিট' অধ্যয়ন কৰিবলৈ মন মেলিছোঁ।"

"সচাঁকৈনে? আপোনাৰ এই সিদ্ধান্ত যে কিমান শান্তি-দায়ক। **Really, I love these words! "Arunjyoti Mahanta, Doctor of Literature!"** আহ্! মোৰ নিজকে স্বৰ্গত থকা যেন লাগিছে!"

"মোৰ সিদ্ধান্ত শুনি "তুমি ইমান আনন্দিত হৈছা? তেন্তে এই সিদ্ধান্ত অনড় অচল!" **Little one**, তোমাৰ ভিতৰত এই মহীয়সী শক্তিয়ে মোক অতুলনীয় প্ৰেৰণা দিছে।"

কোৱাৰ্টাৰত সম্পূৰ্ণ নিঃসঙ্গ জীৱন-যাপন কৰা, ঘৰুৱাভাৱে অসহায় এই প্ৰৌঢ় পণ্ডিতজনৰ জীৱনৰ নিৰ্জন গতিপথত একমাত্ৰ তাইৰ প্ৰেৰণা অমৃত-নিজৰা হৈ বয়— এইকথা ভাবি অপৰাজিতাৰ নাৰীসুলভ হৃদয় বিগলিত হ'বলৈ ধৰিলে। তাই অৰুণজ্যোতিৰ ঘৰুৱা জীৱনটো প্ৰেৰণাদায়িনী শক্তি হ'বলৈ প্ৰয়াস কৰিলে।

অৰুণজ্যোতিৰ কোৱাৰ্টাৰৰ প্ৰতিটো কোঠাত অপৰাজিতাৰ অবাধ চলন ফুৰণ হ'ল। প্ৰায়ভাগ সময়তে তেওঁৰো তাইৰ বাবে অপেক্ষা কৰি থকা হ'ল। কিন্তু মাজে মাজে মানুহজন বৰ আচৰিত ধৰণে আঁথৰ হৈ পৰে— যেন কোনোবা স্বপ্নপুৰীত বিচৰণ কৰি থাকে। তাই তেওঁৰ ওচৰত বহি পঢ়াবিষয়ক উপদেশ লৈ থকাৰ মাজতে হঠাতে কেতিয়াবা তেওঁ বৰ অন্যমনস্ক হৈ পৰে আৰু মন্ত্ৰমুগ্ধৰ দৰে উঠি গুচি যায়। অন্তেক পাছত শোৱাকোঠাৰ পৰা ওলাই আহি ভয় আৰু আশ্বৰ্যবে অভিভূতা হৈ বহি থকা অপৰাজিতাৰ মূৰত হাত এখন থাপি হাঁহি মাৰি কয়: "কি হ'ল **Little one**? 'ভয়' খাইছা কিয়?"

তেওঁৰ মৰমস্নেহবোৰ এজনী সৰু ছোৱালীৰ প্ৰতি থকা

মৰম-চেনেহৰ মাজতে সীমাবদ্ধ হৈ থাকে। অপৰাজিতা অৰুণ-জ্যোতিৰ মন-কাণনত কুলু কুলু সুৰে নাচি থকা এটি অৰুণমানি নিজৰা যাৰ পানীত তেওঁ দুব মাৰিব নোখোজে; মাথো পাৰত বহি বহি নিজৰাৰ হাঁহিৰে অনাবিল শান্তি লাভ কৰে!

[দুই]

এদিনাখন লাইব্ৰেৰীত অপৰাজিতাক লগ ধৰি অৰুণজ্যোতিয়ে ক'লে: "কাইলৈ নিচেই-পুৱাতে তুমি মোৰ কোৱাৰ্টাৰলৈ আহিব লাগিব; পঢ়িবলৈ নহয়; এনেয়ে!" হাঁহি মাৰি অপৰাজিতাই প্ৰশ্ন কৰিলে: "এনেয়ে? মনোজগতৰ কোনো অজান স্বপ্নপুৰীত থিয়হৈ আপুনি মোক মতা নাইতো?"

"মাতিলোঁৱেইবা স্বপ্নপুৰীৰ কোনোবা হংসযানৰ পৰা তুমিও তাতে এবাৰ থিয় হৈ চাবা।"

আনন্দেৰে তাত থিয় হ'লোঁহেতেন! পিছে মোৰ বাস্তৱ ৰূপ দেখাৰ লগে লগে আপুনি স্বপ্নপুৰীৰ পৰা যদি জপিয়াই পৃথিৱীত পৰে। মই কি দৰে তাৰ সন্ধেদ পাম?"

"তেন্তে মোক বাস্তৱ পৃথিৱীলৈ ওভোটাই অনাৰ বাবে হ'লেও আহিব লাগিব, অ-পৰাজিতা।"

নিৰ্দিষ্ট সময়ত অপৰাজিতা আহি তেওঁৰ দুৱাঁৰদলিত উপস্থিত হ'ল। দেখিলে যে ড্ৰইংৰুমৰ দুৱাঁৰমুখতে 'স্বাগতম' বুলি ধুনীয়া চিকমিকিয়া আখৰেৰে লিখা আছে। প্ৰবেশদ্বাৰ ফুলৰ মালাৰে সজোৱা হৈছে। ড্ৰইংৰুমৰ ভিতৰখনো ফুল, ৰঙীন কাগজৰ ডিজাইন কটা মালা আৰু ৰঙীন বিজুলী-বাতিৰে সজাই নতুন ফুলদানি, নতুন টেবুলক্লথ আৰু ধূপধূনাৰে আলোকিত কৰিছে। আচৰিত হৈ অপৰাজিতা সোমাই গৈ শোৱাকোঠালৈ জুমুকিয়াই চালে। শোৱাকোঠাটো চালে চকুৰোৱা কৰি সজাইছে যদিও বিচনাখন পৰা

হোৱা নাই। কিতাপ এখন খোলা অৱস্থাত বিচনাতে পৰি আছে। অপৰাজিতা ভিতৰ সোমাই গৈ কিতাপখন সামৰি মেজৰ ওপৰত ৰাখিলে। পঢ়া টেবুলখনত এখন নতুন টেবুলক্লথ দেখা পাই তাই কিতাপবোৰ আঁতৰাই মেজৰ ওপৰত নতুন টেবুলক্লথখন পাৰি দিলে আৰু কিতাপবোৰ সজাই দিলে। হঠাৎ পাছফালে দিয়াশলাইৰ কাঠি জ্বলোৱা শব্দ শুনি ঘূৰি চাই দেখে যে অৰুণজ্যোতিয়ে বগা ধুতী এখন লুঙীৰ দৰে পিন্ধি তিতিক টাবেল এখন মেৰিয়াই লৈ কোঠাটোৰ একোণত থাপনা কৰা তেওঁৰ পিতৃ-মাতৃৰ যুগল ছবিখনৰ ওচৰত ধূপ জ্বলাই দি সেৱা কৰিছে। সেৱা কৰা হোৱাৰ পাছত তেওঁ তাইলৈ চাই মিচিকিয়াই হাঁহি কলে: "পঢ়ামেজ পৰিপাটি কৰিছানে? কৰা, সেয়া তোমাৰ বাবে ৰাখি থৈ গা-ধুবলৈ গৈছিলো।"

তেওঁ বাহিৰ ওলাই গ'ল। অপৰাজিতাই বিচনাখনো পাৰি দিবলৈ বুলি বেডক'ভাৰখন আঁতৰাই বগা বেডচিটখন টানি-টুনি দিলে। কিন্তু গাৰু দুটা পৰিপাটি কৰিবলৈ তুলি ধৰাৰ লগে লগে ফেমৰে সৈতে ৰঙীন ফটো এখন ওলাই পৰিল। অপৰাজিতাৰ বুকুৰ চপ্‌চপনি উঠিল। এইখন দেখোন তাইৰেই ফটো! এখেতৰ গাৰুৰ তললৈ কেনেকৈ আহিল? কন্তেক ডেক মাৰি তাই ফটো-খন পৰীক্ষা কৰিলে। কিন্তু এনেকুৱা এখন ফটো তাই কেতিয়া উঠিছিল মনত নপৰিল। এয়া তাইৰ হালধীয়া চেলোৱাৰ, নীলা কামিজৰ ওপৰত বগা দোপাট্টাখন; হাতত কিতাপ এখন লৈ হাঁহি হাহি উঠা ফটো। হাত, ভৰি, চকু, কাণ, নাক, চুলিৰ ভাঁজ, ওঁঠ সকলো তাইৰ নিজৰ। ফটোখন অলপ পুৰণি হৈছে; কিন্তু এইখন তাইৰেই ফটো হয়, এখেতে ক'ত পালে? কোনে দিলে ফটোখন এখেতক? অপৰাজিতা থৰ লাগিল। কিন্তু হঠাতে অৰুণজ্যোতি আহি তাইক সেই অৱস্থাত ধৰা পেলাব বুলি ভয়ত লৰালৰিকৈ ফটোখন গাৰুৰ তলত থৈ বিচনাখন পৰিপাটি কৰিদি তাই বহাকোঠাত

বহি থাকিলগৈ। ক্ষন্তেক পাছত অৰুণজ্যোতি সোমাই আহি সুধিলে :

"কি হ'ল? চুপ, হৈ আছা যে? এখন্তেক ৰ'বা। একেলগে ব্ৰেকফাষ্ট কৰিম।"

তেওঁ খোৱাকোঠালৈ সোমাই যোৱাৰ পাছত আচৰিত হৈ অপৰাজিতাই পাকঘৰলৈ দৌৰ মাৰিলে। দেখিলে কাঞ্চাই কেইবাখনো ডাঙৰ প্লেটত আপেল, আঙুৰ, ক'ল কেক, তিনিবিধমান উৎকৃষ্ট মিঠাই, ফুলি থকা লুচি আৰু ফুলকবি ভাঁজি, কণীৰ পোচ, সাজু কৰি লৈ খোৱাকোঠালৈ আহিবলৈ উদ্যত হৈছে। বিস্মিতা অপৰাজিতাই কাঞ্চাক সুধিলে; "তোৰ ছাৰে আজি কিয় এতিয়ালৈ ব্ৰেকফাষ্ট কৰা নাই? আৰু, ইমানবোৰ খোৱাবস্তু, নতুন টি চেট, ঘৰখনো ফুল আৰু লাইটেৰে সজ্জিত কি কথা?"

'ছাৰে আপোনাক কোৱা নাই? আজি ছাৰৰ জন্মদিন। আবেলিলৈ কিছুমান বন্ধু-বান্ধৱ মাতিছে। কিন্তু আপোনাক এতিয়া মাতিছে।'

আনন্দৰ মাজতো অপৰাজিতা বিমৰ্ষ হ'ল। কিয় বাৰু তেওঁ তাইক জানিবলৈ নিদিলে? তাই সুধিলে: "কোনে ইমান সুন্দৰকৈ লুচী, ভাঁজি, কণীৰ পোচ, প্ৰস্তুত কৰিলে? তইনে?"

"ছাৰে মোৰ ওচৰত বহি বহি শিকাই দিছে। নিজেও কৰিছে। সন্ধিয়াৰ বাবে পাকৈত ৰান্ধনি মাতিছে।"

তাই কাঞ্চাৰে সৈতে খোৱা বস্তুবোৰ খোৱা টেবুললৈ আনিলে। খোৱা টেবুলত নতুন টেবুলক্লথ, দৰজা খিৰিকিত ফুলৰ মালা ধূপ ধূনা ইত্যাদি। গোমোঠা মুখেৰে তাই ওলাই আহিব খোঁজোতে অৰুণজ্যোতি সোমাই আহি হাঁহি মাৰি সুধিলে: "What up little one? Aren't you happy?

মুখ ওন্দোলাই তাই উচ্চাৰণ কৰিলে: "আপুনি মোক আজি জন্মদিন বুলি নকলে!"

এঠ চেপি হাঁহি তেওঁ তাইৰ কান্ধত ধৰি চকীত বহুৱাই দি

কলে : "তোমাক ছাৰ্‌প্ৰাইজ দিছো। মোৰ ঘৰখন ভাল লাগিছেনে ?"

"অপূৰ্ব ! কিন্তু জন্মদিনত মোৰ হাত যে খালী ?" তাইক খাবলৈ নিৰ্দ্দেশ দি নিজেও খাই খাই তেওঁ বৰ্ণালে : "মোৰ এই জন্মদিনত কিমান বছৰ পূৰ্ণ হ'ল জানা ? সাতচল্লিছ বছৰ। তুমি এজনী তেনেই সৰু একৈশ-বাইশ বছৰ বয়সৰ ছোৱালী। মোৰ দৰে ইমান বয়সীয়াল [illegible] মানুহ এজনলৈ সৰু ছোৱালী এজনীয়ে হাতত কিবা বস্তু অনাটো মই নিবিচাৰোঁ।"

তেওঁৰ চকুমুখৰ অনাবিল পৱিত্ৰ হাঁহিবোৰ চাই চাই মন্ত্ৰমুগ্ধৰ দৰে অপৰাজিতাই হাঁহি হাঁহি খাবলৈ ধৰিলে।

পাছত বহাকোঠাত বহি অপৰাজিতাই হঠাৎ প্ৰশ্ন কৰিলে :

আপুনি মোৰ ফটোখন ক'ত পালে ?"

অৰুণজ্যোতি খতমত খাই "তোমাৰ ফটো ?" বুলি উচ্চাৰণ একমুহূৰ্ত্ত মৌন হৈ কিবা চিন্তা কৰিলে তাৰ পাছত মুখ জোকাৰি কৌতুকৰ হাঁহি মাৰি উত্তৰ দিলে : "অৰ্থাৎ পাকৰ তলখনো ঘুৰুকটিছা! কোনো কথা নাই; দেখিবলৈ পাইছা যদি ভালেই হৈছে। তোমাৰ ফটোখন মই চুৰ কৰিছো। তোমাৰ কিতাপৰ ভিতৰৰ পৰা উলিয়াই ৰাখিছিলোঁ। কেতিয়া তুলিছিলা এইখন ফটো ? ইমান ভাল লগা হৈছে ?

"কেতিয়া তুলিছিলোঁ মোৰ মনত নপৰে। দেউতাই তুলিছিল নেকি কেতিয়াবা।"

"হাঃ হাঃ হাঃ। অকণমানি ছোৱালী. ক'ত মনত থাকিব ? তেওঁৰ মনত খোপনি পুতি বহা এই অকণমানি ছোৱালীৰ ভাবনাটোৱে অপৰাজিতাৰ মনোকষ্টৰ কাৰণ। কিয় বাৰু তেওঁ তাইক ডাঙৰ ছোৱালী বুলি ভাবিব নোৱাৰে ? পোমোঠা অপৰাজিতাই অভিমান কৰি বহি থাকিল। তেওঁ উঠি গৈ তাইৰ চুলিৰ ওপৰত হাত থৈ মাতিলে :

" Unconquerable little one, আজি তুমি আৰু এই [illegible]

প্ৰস্তুত কৰিম। তোমাৰ মাৰাই তোমাক কেনো তৰহ তৰহ বন্ধা কাম শিকাইছে।"

এইবাৰ উৎফুল্লিতা অপৰাজিতাই আনন্দত জপিয়াই উঠি কলে: "এৰা! মই সকলোধৰণৰ বন্ধা কাম শিকিছোঁ। আজি দেখিব; মই প্ৰমাণ কৰি দিম।"

অপৰাজিতাই আনন্দতে এপাক ঘূৰি গুণ-গুণাই গীত গোৱা শুনি অৰুণজ্যোতি ভিতৰ সোমাই গ'ল আৰু হাতত এখন ভায়োলিন লৈ ওলাই আহি তাইৰ হাতত তুলি দি কলে: "তুমি ভায়োলিন বজাই গীত গাব জনা বুলি কৈছিলা নহয়। এতিয়া গীত এটা গোৱা।"

তেওঁ পুনৰ ভিতৰ সোমাই গৈ টেপৰেকৰ্ডাৰ এটা হাতত লৈ উভতি আহি অপৰাজিতাৰ সমুখত পাতি থৈ দিলে আৰু তাইক গীত গাবলৈ সঙ্কেত দিলে। অপৰাজিতাৰ গীত আৰম্ভ হ'ল। অৰুণ-জ্যোতিয়ে আৰামী চকীত সুৰ পেলাই বহি চকুমুদি তেওঁৰ স্বকীয় স্বপ্নপুৰীলৈ প্ৰত্যাবৰ্ত্তন কৰিলে। গীতৰ লহৰে নিৰ্জ্জন ঘৰখনক যেন এক স্বপ্নালয়লৈ পৰিণত কৰিলে। গীত শেষ হোৱাৰ পাছতো টেপৰেকৰ্ডাৰ বন্ধ কৰিবলৈ পাহৰি তেওঁ বহি থকা দেখি অপৰাজিতাই টেপটো বন্ধ কৰি দি খুকুখুকুকৈ হাঁহিবলৈ ধৰিলে। থতমত খাই তেওঁ চকু মেলি চালে। হাঁহি পৰি পৰি হাহি হাহি উচ্চাৰণ কৰিবলৈ ধৰিলে: "ৰিভীয়জন আইনষ্টাইনৰ আৰ্বিভাব হোৱা বুলি ভাবি-ছিলোঁ! নাইট গাউন পিন্ধি চহৰ ঘূৰি ফুৰিব লাগিলে যে কি হব?....।"

অৰুণজ্যোতিৰ আশ্চৰ্য্য আৰু কৌতুহলৰ চাৱনিয়ে অপৰাজিতাৰ মুখৰ পৰা ভৰিলৈ আঁৱৰি পেলালে। হঠাৎ তেওঁৰ মুখমণ্ডল বিস্ময়ৰ আভিজাই ছানি পেলালে। তাইৰ কাণে হাত আগবঢাই দি তেওঁ চিঞৰি প্ৰশ্ন কৰিলে: "কোন তুমি? সঁচা কথা কোৱা।"

নিৰিষতে কাঁহ পৰি জীণ গ'ল। অপৰাজিতা বিমূঢ়, বোবা। এয়া কিহৰ সাঁথৰ? অৰুণজ্যোতিৰ চকুবোৰ বিস্ময়ৰ ধুমুহাত যে

মূৰিব লাগিছে ; ওঁঠৰ ভাঁজত যেন কিবা এক অমূল্য সম্পদ হেৰুৱাৰ জ্বলন্ত বেদনা প্ৰকট হৈ উঠিছে। অপৰাজিতাই জুত দেখাব নোৱাৰি নিস্তেজ হৈ ঢোক গিলি গিলি উত্তৰ দিলে : "ম-মই-আপোনাৰ অপৰাজিতা !"

অৰুণজ্যোতি জিকাৰ খাই উঠিল। মুখ খোকাৰি তৎক্ষণাত বহি লৈ চাহিবৰ চেষ্টা কৰি কলে :

"ভয় খাইছা! কিয় অপৰাজিতা ?

"এইমাত্ৰ আপুনি মোক চিনি পোৱা নাছিল। আপুনি মোক গীত গাবলৈ কোৱা নাছিল জানো ? তেন্তে কিয়—।"

"আকৰি ! তোমাৰ গীত শুনি মই অতীতলৈ উভতি গৈছিলোঁ। তোমাৰ সঙ্গীত আৰু কণ্ঠ মই বহুবছৰ আগেয়ে শুনিছিলোঁ।

"বহু বছৰ আগেয়ে ? কিমান বছৰ আগেয়ে ?"

"এই ধৰা পঁচিশ বছৰমান আগেয়ে।"

"কোনে গাইছিল ?"

"তুমি গাইছিলা।"

"প্লীজ ডগলগা ৰসিকতা নকৰিব। পঁচিশ বছৰ আগেয়ে মোৰ জন্মই হোৱা নাছিল।"

"এৰা। তুমি তেনেই অকণমানি হৈ থাকিলা।"

"মই অকণমানি নহয় ; ডাঙৰ হৈছোঁ ; গৱেষণা কৰি আছোঁ।"

অপৰাজিতাই নৈৰাশ্যৰে ডাঙৰ ডাঙৰকৈ উশাহ লবলৈ ধৰিলে। তাইৰ ফালে লক্ষ্য নকৰি অৰুণজ্যোতিয়ে টেপৰেকৰ্ডাৰৰ কেছেটটো খুলি আঁতৰাই থৈ অইন এটা কেছেট লগাই লৈ ব্যক্ত কৰিলে :

"এইবাৰ মই তোমাক এটা ইংৰাজী গীত শুনাম ; শুনি উত্তৰ মন্তব্য দিবা।" তেওঁ টেপটো খুলি দিলে। কিন্তু গীতটো শুনি শুনি আশ্চৰ্যত অপৰাজিতাৰ চকু কাণ থিয় হ'ল। ধৈৰ্য্য ধৰি শুনা হোৱাৰ পাছত তাই উদগ্ৰীৱ হৈ উচ্চাৰণ কৰিলে : এইটো মই গোৱা গীত নহয় জানো ? এইটো প্ৰথম ইংৰাজী গীত মই কলেজত

ভৰ্ত্তি হোৱাৰ প্ৰথম বছৰতে শিকিছিলোঁ আৰু কলেজ ফাংশনত গাইছিলোঁ। কিন্তু আপোনাৰ কেছেটত কেনেকৈ আহিল ? আপুনি।"

"এৰা! সেই সময়ত মই গুৱাহাটীত নাই; কলিকতাতহে আছিলোঁ। কিন্তু ধৰি লোৱা যে তোমাৰ গীতটো কোনোবা এজনে মোৰ হৈ ৰেকৰ্ড কৰি ৰাখিছিল।" অপৰাজিতা নিৰ্ব্বাক!

"কি ভাবি আছা? এতিয়া আহা, 'লান্স' প্ৰস্তুত কৰো।"

"মই কাপ্তাৰে সৈতে সকলো সাজু কৰিব পাৰিম। দৰকাৰ হলে আপোনাক মাতিম।"

অপৰাজিতা পাকঘৰলৈ গ'ল। কিন্তু ৰান্ধি থাকোঁতে তাইৰ সমস্ত সত্তা অৰুণজ্যোতিৰ ব্যক্তিত্ব ও দেহাৱয়বৰ স্বপ্নালু প্ৰতিমূৰ্ত্তিত বিচৰণ কৰিব ধৰিলে। তাই জানে যে তেওঁ তাইতকৈ প্ৰায় পঁচিশ ছাব্বিশ বছৰৰ ডাঙৰ। তথাপি তেওঁৰ নিঃসঙ্গ নীৰস জীৱনটোৰ এটা অঙ্গ হৈ তেওঁৰ জীৱন ভৰাই তুলিবলৈ তাইৰ প্ৰবল হেপাঁহ জন্মিল। প্ৰথম চিনাকীৰ সময়ৰ পৰা তেওঁৰ কল্পনাপ্ৰসূত অসাধাৰণ অন্যমনস্কতাই, তেওঁৰ স্বপ্নালু আওঁভাওঁ আৰু বচনভঙ্গী আৰু তেওঁৰ নিৰ্জ্জন পৱিত্ৰ জীৱনটোৱে এক অসামান্য প্ৰতীক হিচাবে তাইক আকৰ্ষণ কৰি আহিছে। আজি যেন এই আকৰ্ষণ তীব্ৰ হৈ উঠিছে। এক কথাত অপৰাজিতাই অৰুণজ্যোতিক ভাল পাবলৈ কেতিয়াবাই আৰম্ভ কৰিছে। কিন্তু তাই সেই কথা তেওঁক ঘুণাক্ষৰেও জানিব দিব নোৱাৰে—জানিব দিব নোৱাৰে তেওঁ তাইক বেয়া পোৱাৰ ভয়ত, তাইক তেওঁৰ ওচৰলৈ আহিবলৈ নিষিদ্ধ কৰি দিয়াৰ আশঙ্কাত। তাই ভাবিলে যে প্ৰথমে গৱেষণাৰ কাম সম্পূৰ্ণ হৈ উঠক। তেওঁ যিহেতু তাইক কেৱল সক ছোৱালী হৈ থকাটো বিচাৰে, গৱেষণাৰ শেষলৈকে তাই সক ছোৱালীৰ ভাওঁ লৈ আগুৱাই গৈ থাকিব লাগিব। অৰুণজ্যোতিৰ সম্মুখত তাইৰ অন্তৰৰ হেপাঁহ আৰু অনুভূতি প্ৰকাশ নকৰিবলৈ অপৰাজিতা দৃঢ় প্ৰতিজ্ঞ হ'ল। গৱেষণাৰ শেষলৈকে তেওঁ যাতে তাইক আৱিষ্কাৰ কৰিব নোৱাৰে তাৰ বাবে অপৰাজিতা বদ্ধ পৰিকৰ হ'ল।

কিন্তু অপৰাজিতাৰ বাবে আশ্চৰ্য্যৰ বিষয় হ'ল— তাইৰ জন্ম হোৱাৰ আগেয়ে তেওঁ তাইৰ সঙ্গীত আৰু তাইৰ কণ্ঠ শুনা কথাষাৰ, তেওঁৰ কেছেটত তাই এসময় গোৱা ইংৰাজী গীতটোৰ আৱিৰ্ভাৱ আৰু প্ৰথম চিনাকীৰ দিনাখন তেওঁ তাইক দেখি চকু খোৱা ৰহস্যজনক ঘটনা। তাই বুজি পায় যে তেওঁৰ তাইৰ প্ৰতি থকা অকপট মৰম-চেনেহৰ বাবে, তেওঁ অতিকৈ নিঃসঙ্গ বাবে, আৰু তাইৰ উপস্থিতিয়ে তেওঁৰ জীৱনলৈ সজীৱতা আনিছে বাবে তেওঁ তাইৰ ফটো এখন ৰাখিছে। সেইবাবে তাই ভালেই পাইছে। ফটোখন তেওঁৰ গাৰুৰ তলত ৰখা বাবে অপৰাজিতাৰ চকু-মুখ আবেগৰ উষ্ণতাই ৰঙীন কৰি পেলালে। এৰা, জন্মদিনৰ বিষয়ত ছাৰ্প্ৰাইজ্ দিয়াৰ দৰে ফটোখনৰ সন্দৰ্ভতো তেওঁ তাইক ছাৰ্প্ৰাইজ্ দিছে। তাই হঠাতে ভাবিলে যে তেওঁ নিজে কেতিয়াবা মনে মনে তাইৰ ফটো লৈছিল চাগৈ। কিন্তু — কিন্তু — সন্মুখৰ পৰা হাহি থাকোতে লোৱা ফটো মনে মনে তোলা সম্ভৱনে? হয়তো তাই কিতাপ হাতত লৈ হাঁহি হাঁহি তেওঁৰ পদূলিৰে সোমাই আহোঁতে গছৰ আশ্ৰয় লৈ তেওঁ ফটো তুলিছিল— সেয়েহে চুৰ কৰা বুলি কৈছে। কথাখিনি ভবাৰ লগে লগে অপৰাজিতাৰ শৰীৰৰ তেজ চলাচল ক্ৰিয়া খৰগতিত চলিবলৈ ধৰা যেন অনুমান হ'ল। তাইৰ কাণ দুখন গৰম হৈ উঠিল। কিন্তু অৰুণজ্যোতি সোমাই আহি তাইৰ অৱস্থা দেখা পায় বুলি ততাতৈয়াকৈ তাই সহজ হবলৈ চেষ্টা চলালে। এনেতে অৰুণজ্যোতি সোমাই আহি অপৰাজিতাক চকীত বহি পৰিচালনা কৰিবলৈ নিৰ্দেশ দিলে আৰু তাইৰ চেহেৰাৰ ফালে অকণো দৃষ্টিপাত নকৰাকৈ নিজেও কামত ব্যস্ত হৈ পৰিল।

[তিনি]

কিন্তু এদিনাখনৰ ঘটনাত অপৰাজিতা শুদ্ধ হৈ গ'ল ; আৰু ইমান দিনে তাইৰ মনোজগত উদ্বাউল কৰি ৰখা প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি পালে। সেই বছৰৰ শেষৰফালে এদিন আহিল অপৰাজিতাৰ জন্মদিন। অৰুণজ্যোতিক তাইৰ ঘৰলৈ নিমন্ত্ৰণ কৰিব নোৱাৰা দুখত ৰাতিপুৱা তাই কান্দি থকা দেখি মাক-দেউতাকে তাইক পঠিযাই দিলে অৰুণজ্যোতিৰ ওচৰলৈ — তাইৰ লগত দি পঠিযালে কিছুমান মিঠাই আৰু অন্যান্য খোৱাবস্তুৰ পেকেট। সন্ধিযা তাই মাক-দেউতাক আৰু বন্ধু-বান্ধৱৰ সৈতে জন্মদিন পালন কৰাৰ ব্যৱস্থা কৰা হ'ল। কিছুমান ৰং-বিৰঙৰ ফুলৰ থোপা আৰু প্ৰায় সাত-আঠবিধ মিষ্টান্ন আদিৰ পেকেটৰ সৈতে অপৰাজিতা আহি অৰুণজ্যোতিৰ চোতালত হাজিৰ হ'ল। কিন্তু ড্ৰইংৰুমৰ দুৱাৰমুখত থিয় হৈয়েই তাই দেখিলে যে তেওঁখেতে চুৰীয়া এখন পিন্ধি, গাত বগা পাঞ্জাৱী এটা পৰিধান কৰি কান্ধত এখন গামোছা লৈ কোঠাৰ মজিযাত কঠ পাৰি বহি ধ্যানমগ্ন অৱস্থাত বৈ আছে। অপৰাজিতা হতভম্ব হ'ল ; অতি সন্তৰ্পনে আঁতৰি আহি পাকঘৰত প্ৰবেশ কৰিলে ; তেখেতে কিয় তেনেকুৱা কৰি আছে কাকো তাই অস্পষ্ট সুৰত সুধিলে। ল'ৰাটোৱে উত্তৰ দিলে যে তেখেতে প্ৰত্যেক বছৰে এই তাৰিখত ৰাতিপুৱা গা ধুই উঠি তেনেকুৱা কৰে ; কিয় কৰে সি নাজানে ; এইসময়ত তেখেতক মতা নিষেধ। অপৰাজিতাই পেকেটবোৰ পাকঘৰত ৰাখি থ'লে ; ফুলৰ থোপাবোৰ সাৱটি ধৰি ওলাই আহি সাৱন্থৰ নোহোৱাকৈ তাই দুৱাৰদলিতে থিয়হৈ তেওঁলৈ চাই থাকিল।

পোন্ধৰ মিনিটমান অতিক্ৰম কৰাৰ পাছত প্ৰকেছাৰ অৰুণজ্যোতিয়ে চকুমেলি চালে ; কিন্তু অপৰাজিতাক দেখিয়েই অভিভূত হৈ খপ্‌কৈ থিয় হ'ল। ইমান দিনৰ চিনাকী অপৰাজিতাৰ ফালে তেওঁ কেতিয়াও নেদেখাৰ দৰে তথালাগি চাবলৈ ধৰিলে। তেওঁ

মন্ত্রমুগ্ধৰ দৰে আগুৱাই আহিল। আশ্চৰ্য্যাভিভূতা সন্ত্ৰস্তা অপৰাজিতা আঁতৰি যাব খোঁজাৰ লগে লগে তেওঁ তাইৰ হাতত খাপ মাৰি ধৰি উশাহ লৈ লৈ অস্ফুট স্বৰত উচ্চাৰিলে:

"ডা'য়না! ডায়েনা!"

শঙ্কাকুলা অপৰাজিতাৰ কণ্ঠ শুকাল। তাই আতঙ্কৰ অস্ফুট চিঞৰে চিঞৰিলে: "ম-মই ডায়েনা নহয়। মই-অপৰাজিতা।"

"নহয়। তুমি ডায়েনা। এয়া—এইযুৰি ডায়েনাৰ চকু. এই-যুৰি ডায়েনাৰ চেলাউৰী, এই হাত-ভৰি, এয়া ওঁঠৰ ভাঁজ, এই কঁপাল, এয়া গাৰ বং সকলো ডায়েনাৰ! কিমান দিন কিমান বছৰ যে পাৰ হৈ গ'ল, মই অকলশৰে আছোঁ ডায়েনা, তুমি গুছি নাযাবা। মোক অকলশৰে এৰি থৈ নাযাবা।"

বলপূৰ্ব্বক অপৰাজিতাই নিজৰ হাত মোকোলাই দুৱাৰৰ পাছ-ফালৈ গৈ থিয় হ'ল। তাইৰ বুকু ধান বনাদি বানিছে। তাইৰ শৰীৰ কঁপিছে। দেখিলে যে অৰুণজ্যোতিয়ে ডায়েনা বুলি চিঞৰ মাৰি দৌৰি গৈ খিৰিকিৰ গ্ৰীলত কঁপালখন খুন্দিয়াব ধৰিছে। ভয়ে ভয়ে অপৰাজিতা তেওঁৰ ওচৰ চাপি গ'ল। আৰু তেওঁৰ পাছফালে থিয় হৈ সাহস গোটাই লৈ মাতিলে: "মাজে মাজে মোক আপুনি চিনি নোপোৱা হয় কিয়? মোৰ উপস্থিতিয়ে আপোনাক আমনি দিয়ে নেকি? আজি মোৰ জন্মদিন; মই আপোনাৰ লৈতে জন্মদিন পালন কৰিবলৈ আহিছিলোঁ।"

অপৰাজিতাৰ কথাখিনি মনযোগেৰে শুনি আৰু তাইৰ মৃদু উচুপনি শুনিবলৈ পাই অৰুণজ্যোতি তৎক্ষণাত ঘূৰিল; উচপ্‌খাই উঠি চকু ডাঙৰ ডাঙৰ কৰি তেওঁ প্ৰশ্ন কৰিলে: "হু? তুমি? অপৰাজিতা?"

"এৰা। মোৰ জন্মদিনটোৰ বাবে আজি মই আপোনাৰ আশীৰ্ব্বাদ লবলৈ আহিছিলোঁ। আজিৰ দিনটো আপোনাৰ লগত—।"

"কি কলা? তোমাৰ জন্মদিন? আ আজি? অৰ্থাৎ — অৰ্থাৎ

আজিৰ পৰা তেইশ বছৰ আগেয়ে তোমাৰ জন্ম হৈছিল নেকি? তেন্তে? তেন্তে তুমিয়েই! হয়, তুমিয়েই ডায়েনা। মোৰ ভুল-হোৱা নাই। তুমি ডায়েনা।"

প্ৰফেছাৰৰ মনৰ অৱস্থা স্বাভাৱিক নহয় বুলি বুজিব পাৰি অপৰাজিতা বৰ বিমৰ্ষ হ'ল। তাই গুছি যাবলৈ বুলি বাহিৰৰ ফালে মুখ কৰিলে। কিন্তু অৰুণজ্যোতিয়ে চকুৰ পচাৰতে অপৰাজিতাক আগ ধৰি ব্যক্ত কৰিলে: "নহয়। তোমাক মই এইদৰে গুছি যাবলৈ নিদিওঁ। অপৰাজিতা, তুমি মোক খং নকৰিবা। সঁচাকৈ কোৱাচোন তোমাৰ আজিৰ তাৰিখত জন্ম হৈছিলনে? আৰু যদি হৈছিল, সন্ধিয়া পৰত হৈছিল নে নিশা তোমাৰ জন্ম হৈছিল?"

আশ্চৰ্য্যত অপৰাজিতাৰ চকু কঁপালত উঠিল। এইবোৰ আকৌ কেনে প্ৰশ্ন? ঢোক গিলি গিলি তাই উত্তৰ দিলে: "জন্মদিনটো কেনেকৈ মিছা হব পাৰে? মায়ে কোৱামতে মোৰ জন্ম নিশা হৈছিল।"

"এৰা! মই যদি সেই সময়তে জানিলোহেঁতেন যে মোৰ ডায়েনা দোকমোকালিতে অন্তৰ্দ্ধান হৈ সন্ধিয়া তোমাৰ মাৰ ওচৰ পাবহি, কেচুঁৱা অৱস্থাত মই তোমাক হাতত তুলি লবলৈ দৌৰি আহিলো-হেঁতেন। কিন্তু! এয়া যে অসম্ভৱ কথা। ফিজিক্সৰ প্ৰফেছাৰে এইবোৰ বিশ্বাস কৰা মানে বিজ্ঞানৰ ভেটি শিথিল কৰাহে হব। কিন্তু। কিন্তু। এই অতুলনীয় সাদৃশ্য। তুমি মোক এটা প্ৰশ্নৰ উত্তৰ দিব পাৰিবানে?"

এক অজান পুলকৰ উন্মাদনাৰে স্বপ্নালু ভঙ্গিমাৰে তেওঁ অপৰাজিতাৰ মুৰৰ পৰা ভৰিলৈ দৃষ্টি নিক্ষেপ কৰি কৰি হঠাতে অদমিত উত্তেজনাত বহি পৰিল; তেওঁৰ মুখমণ্ডল অব্যক্ত ছাঁয়াঘন ক্লেশাগ্নিয়ে ছানি ধৰিলে। মুহূৰ্ত্ততে থিয় হৈ তেওঁ বুৰ্ব্বকৰ দৰে চাই থকা অপৰাজিতাৰ কান্ধত ধৰি জোকাৰি প্ৰশ্ন কৰিলে: "এটি শিশুৰ জন্মৰ আগেয়ে শিশুটি ধুনীয়া হবনে কুৎসিত হব, পিতৃৰ দৰে হবনে মাতৃৰ দৰে হব, নে সম্পূৰ্ণ বেলেগ গঢ়ৰ হব তাক বিজ্ঞানে কব পাৰিবনে? বিজ্ঞানে বুজাই কব পাৰিবনে কি পদাৰ্থ ভিত্তিক শক্তিৰ প্ৰভাৱত

তুমি অবিকল ডায়েনাৰ ৰূপ আৰু ডায়েনাৰ মুখৰ মাত্ লৈ জন্মিছা? এই প্ৰশ্নৰ উত্তৰ কিজিকৃছ আৰু জেনিন'হঁতে দিব পাৰিবনে?"

অপৰাজিতাৰ কণ্ঠ শুকাই গ'ল। ভয়বিহ্বলা হৰিণীৰ দৰে তাই তেওঁৰ হাত দুখন নিজৰ কান্ধৰ পৰা আঁতৰাই পিছুৱাই পিছুৱাই গৈ তাই পলাব বিচাঁৰিলে। তাকে দেখি অৰুণজ্যোতিয়ে মুখ জোকাৰি নিজক প্ৰস্তুত কৰাৰ দৰে ভঙ্গিমাত বৈ মাতিলে: "অপৰাজিতা আহা! ঠিক আছে, তুমি বেয়া পাইছা যদি মই এই কথা মুলিয়াওঁ। আজিৰ জন্মদিনত তোমাৰ কিমান বছৰ পূৰ্ণ হব? মই ভবামতে তেইশ বছৰ হয়নে?

"হয়!"

"ইয়াৰ দুগুণৰ সৈতে দুইবছৰ বেছিকৈ যোগ দিলে মোৰ বয়স হব। তথাপি মই তোমাক ডায়েনা বুলি মাতিলে বেয়া পাবা নেকি?"

"উহু! আপোনাৰ যি বুলি মাতিবৰ মন যায় সেই বুলি মাতিব পাৰে। কিন্তু—!"

'ডায়েনা কোন সেই প্ৰশ্নই তোমাক ব্যতিব্যস্ত কৰিছে, ডায়েনা এজনী ছোৱালী আছিল যাক মই সৰ্বান্তঃকৰণে ভাল পাইছিলো। তেওঁ পৃথিৱীৰ পৰা প্ৰস্থান কৰিছিল, হয়তো বহু বছৰৰ মূৰত মোৰ ওচৰলৈ দ্বিতীয় সংস্কৰণ হৈ পুনৰ আহিবলৈ বুলি। কিন্তু তেতিয়াৰ ডায়েনা মোতকৈ মাথো দুই তিনি বছৰৰ সৰু আছিল— এতিয়াৰ অপৰাজিতাৰূপী ডায়েনা কিন্তু তেনেই সৰু ছোৱালী— ইমান সৰু যে- মোৰ বৰ আচৰিত লাগিছে।"

অপৰাজিতাই বুজি পালে যে কোনোবা অজ্ঞাত ডায়েনাই তেখেতক মানসিক বিকাৰগ্ৰস্ত কৰি থৈ স্বৰ্গবাসী হৈছে।

অৰুণজ্যোতি উঠি শোৱাকোঠালৈ গ'ল। আৰু সিদিনা অপৰাজিতাই দেখা পোৱা ফটোখন হাতত লৈ আহি তাইক দেখুৱাই কলে:

"এইখন চোৱা! তুমি ভাবিছিলা, এইখন তোমাৰ ফটো। তোমাৰ কিতাপৰ পৰা চুৰ কৰি ৰখা বুলি কৈ মই ৰসিকতা কৰিছিলোঁ। কিন্তু তুমিয়েই যদি নিজক চিনিব নোৱাৰিলা, তেন্তে মই ডাযেনাৰ দ্বিতীয় সংস্কৰণ এটি সৌ-শৰীৰে মোৰ সমুখত দেখা পাই কেনেকৈ ধৈৰ্য্য ধৰিম কোৱা? এইখন ডাযেনাৰ ফটো; আজি-কালি মই ভাবো যে ডাযেনাজনী অকণমানি হৈ থাকিল। ডাঙৰ হব নাজানিলে। কিন্তু, আচলতে তুমি ডাযেনা হব নোৱাৰা, তুমি অপৰাজিতাহে (জেনিল'জিৰ কোনো দোষ নাই। তুমি নিশ্চয় তোমাৰ মা, দেউতা নতুবা তোমাৰ পূৰ্ব্বপুৰুষৰ কাৰোবাৰ ৰূপ ধাৰণ কৰিছা। তোমাক ডাযেনা বুলি ভবাটো নিতান্তই 'চাইল্ডিছ' কথা।"

অপৰাজিতাৰ কলিজাৰ ভিতৰৰ শিৰা উপশিৰাবোৰ যেন কিহবাই খামুচি আঁজুৰি আনিব খুজিছে। এৰা! মাক-দেউতাকে কোৱামতে মাকৰ দৰে মুঠেই নহয। তাই কিছু গ্ৰহণ কৰিছে দেউতাকৰ পৰা আৰু কিছু তাইৰ দেউতাকৰ মাকৰ পৰা। কিন্তু তাই হৈ পৰিল কোনোবা অজ্ঞাত ডাযেনাৰ হুবহু প্ৰতিচ্ছবি। কিন্তু ডাযেনাৰ স্মৃতিৰে [illegible] আৱৰি থকা এই মানুহজনে তাইক ডায়েনা বুলি মাতি সান্ত্বনাহে লাভ কৰিব বিচাৰে; তাইক তেওঁ ডাযেনা হিচাবে গ্ৰহণ কৰিব নোখোজে। কিন্তু! কিন্তু! তেওঁৰ গাৰুৰ তলত সোমাই থকা সেই ফটোখনৰ জীৱন্ত ৰূপটো তাই নিজে হব বিচাৰিছিল!

অপৰাজিতাৰ কান্দিবৰ মন গ'ল। এয়া কিয় হবলৈ পালে? কাৰ ওচৰত তাই তাইৰ মনৰ বেদনা প্ৰকাশ কৰিব? উত্তেজনাক থমাব নোৱাৰি অপৰাজিতাই দুহাতৰ তলুৱাৰে মুখ ঢাকি ফেকুৰিবলৈ ধৰিলে। অব্যক্ত প্ৰেমৰ আৰ্ত্তনাদবোৰ নিগৰি নিগৰি যেন মুকুতা হৈ সৰিবলৈ ধৰিলে। বিস্ময়াভিভূত অৰুণজ্যোতি উঠি গৈ ফটোখন নিৰ্দ্দিষ্ট ঠাইত সযতনে ৰাখি পুনৰ ঘূৰি আহি কলে: 'মোৰ কথাবোৰে তোমাক বিব্ৰত কৰিছে যেন পাওঁ। বাৰু, আহা, তোমাৰ জন্মদিন পালন কৰোঁ।"

অপৰাজিতাই হুমুনিয়াহ কাঢ়িলে। অৰুণজ্যোতিয়ে অপৰাজিতাক সন্তুষ্ট কৰিবলৈ হাঁহি হাঁহি তাইক ফুলেৰে বিভূষিতা কৰি পেলালে আৰু বেহেলাখন তাইৰ হাতত তুলি দি ক'লে : "এয়া তোমাৰ জন্মদিনত মোৰ ক্ষুদ্ৰ উপহাৰ।"

আনন্দোল্লাসেৰে বেহেলাখন লিৰিকি বিদাৰি তাই উচ্চাৰিলে : আপোনাৰ উপহাৰ মই সাদৰেৰে গ্ৰহণ কৰিলোঁ। কিন্তু বেহেলাখন আপোনাৰ কাষতেই থাকক। বেহেলাৰ বুকুত মোৰ কৰুণ সংগীতৰ অপূৰ্ব্ব মূৰ্চনা সৃষ্টি কৰি আপোনাকেই শুনাম।"

ইয়াৰ পাছৰ পৰা অৰুণজ্যোতিয়ে অপৰাজিতাক ডায়েনা বুলি মাতিবলৈ ল'লে। তেওঁ স্বকীয় স্বপ্নমুখৰ কাল্পনিক জগতৰ পৰা বহু পৰিমাণে বাস্তৱ জগতৰ পৰা আঁতৰি আছিল। তথাপি অপৰাজিতাক তেওঁ অন্তৰ জোনালীৰ আসনত বহুৱাবলৈ টান পালে। আনহাতে ডায়েনাৰ ভূমিকাত অৱতীৰ্ণ অপৰাজিতা তেওঁৰ অজ্ঞাতে উন্মাদনাৰ লহৰত সাঁতুৰিব ধৰিলে। নিজকে অজ্ঞাত ডায়েনাৰ প্ৰতিৰূপ হিচাবে প্ৰতিভাত কৰি এক কল্পনা-প্ৰসূত সুখানুভূতিত নিমজ্জিত হৈ অপৰাজিতাই ভাবিলে যে অপৰাজিতা ৰূপেৰে বিষ্টু মহ'ল, ডায়েনা ৰূপেৰে তাই তেওঁৰ অন্তৰাত্মাত প্ৰৱেশ কৰিবলৈ সক্ষম হ'ব।

এদিনাখন নিজৰ ঘৰত অপৰাজিতাই লিখা কামত ব্যস্ত হৈ থাকোঁতে কোনো এক প্ৰসঙ্গৰ সূত্ৰ বিচাৰি দেউতাকৰ পঢ়াকোঠালৈ ঢাপলি মেলিলে। আলমাৰীৰ ভিতৰত কিতাপ এখন বিচাৰি থাকোঁতে কোঠাৰ আনটো মূৰে পিৰিকিত ওচৰত বহি থকা মাক আৰু দেউতাকৰ কথা কেইষাৰমান তাইৰ কাণত সোমাল। দেউতাকে কোনো এক মেধাৱী ছাত্ৰৰ বিষয়ে কৈ আছে যিয়ে অধ্যয়নৰ বাবে বিদেশলৈ গৈ তিনিবছৰৰ পাছত এতিয়া উভতি আহিছে আৰু তাৰ দেউতাকে অপৰাজিতাক ল'বালৈ বিয়া কৰোৱাৰ প্ৰস্তাৱ দিছে। দেউতাকৰ মন্তব্য তাই কাণ পাতি শুনিলে : "তেওঁলোকক এদিন নিমন্ত্ৰণ কৰোঁ।

ল'ৰাজন দেখিলে তুমিতো পছন্দ কৰিবাই মোৰ বোধেৰে অপুৰেও লগে লগেই—।"

অপৰাজিতাই কিতাপখন আলমাৰীৰ ভিতৰত থেকেচা মাৰি থৈ দেউতাকক উদ্দেশ্য কৰি প্ৰকাশ কৰিলে: "কেতিয়াও নহয়। কাকো নিমন্ত্ৰণ কৰাৰ প্ৰয়োজন নাই।"

তাই দৌৰি নিজৰ কোঠালৈ আহি বিচনাত দীঘল দি পৰিল। বাগৰি থাকোঁতে বিচনাৰ ওপৰত পৰি থকা অৰুণজ্যোতিৰ হাতেৰে লিখা কিছুমান কিতাপৰ নাম থকা কাগজ কেইখিলামান তাইৰ হাতত লাগিল। তাই উবুৰি খাই পৰি সেই কাগজ কেইখিলাৰ তলৰ কালৰ খালী ঠাইত লিখিবলৈ ধৰিলে: "I love Arunjyoti! I love Arunjyoti। I love Arunjyoti। I cannot leave him। I cannot leave him! I cannot leave him।"

অপৰাজিতাৰ মাক সোমাই আহি তাইক তেনেকৈ পৰি থকা দেখি আৰু কাগজত লিখা তাইৰ বক্তব্যখিনি পঢ়ি তাইক হাতত ধৰি টানি তুলিলে। তাইৰ চকুমুখ পৰীক্ষা কৰি কৰি মাকে কলে: "অৰুণজ্যোতিৰ বয়স কিমান হৈছে তোৰ খেয়াল আছে জানো? এইবোৰ তোৰ চিন্তাহীন আনুভূতিক অভিব্যক্তি। আবেগৰ বশৱৰ্ত্তী হৈ জীৱনৰ সিদ্ধান্ত লোৱা উচিত নহয়। দেউতাৰে এজন তৰুণ উচ্চ শিক্ষিত ডেকা ল'ৰাৰ সৈতে তোৰ বিয়া হোৱাটো বিচাৰে।"

"মা, নিজৰ জীৱনৰ সিদ্ধান্ত লোৱাৰ বাবে মই যথেষ্ট উপযুক্ত হৈছোঁ। হুজুগৰ বশৱৰ্ত্তী হৈ কাম নকৰিবলৈ মই তোমালোকৰ পৰা শিক্ষা পাইছোঁ। তথাপি তুমি বয়সৰ প্ৰশ্ন তুলিছা যেতিয়া মোকো এটা প্ৰশ্নৰ উত্তৰ দিয়া মা। কাৰণ, এটা কথা তোমালোকে বাজ নকৰিলেও মই অনুমান কৰিব পাৰোঁ। কোৱা মা, দেউতা তোমাতকৈ বয়সত যথেষ্ট বেছি ডাঙৰ নহয়নে? মই ভাবো, মোমাইদেৱে তোমাক তোমাৰ ইচ্ছাৰ বিৰুদ্ধে বিয়া দিছিল। হয়নে নহয় কোৱা?" মাকে মন্দভাৱে কলে: "হয়! তোৰ দেউতাৰৰ বয়স মোৰ বয়সৰ দুগুণতকৈ

তিনি বছৰমান থৈছি, কিন্তু মোৰ কথা লুকীয়া ; মই দেউতাৰক ভালদৰে জানিছিলোঁ।।"

অপৰাজিতাই উল্লাসেৰে মাকক সাৱটি ধৰি থৰমেৰে সুধিলে : "মা, মই জনাত তুমি সুখী, নহয়নে ? মোৰ মা-দেউতাৰ সুখীৰ আৰু সুখী সংসাৰ দেখি মই নিজে আপ্লুত হৈ যাওঁ। মোৰ ককাইদেউৰ দৰে প্ৰতিশ্ৰুতি পৰায়ণ আদৰ্শ চৰিত্ৰ যুৱ সমাজত বিৰল— ককাইদেউ সঁচাকৈয়ে দেউতাৰ শুদ্ধ সংস্কৰণ। মা, মইও তোমাৰ দৰে সুখী হ'ব বিচাৰোঁ ; পৃথিৱীত নতুন নতুন চিন্তাধাৰাৰ পাতনি মেলিব বিচাৰোঁ।"

"কিন্তু মই একেদিনাই সিদ্ধান্ত লোৱা নাছিলোঁ। অসাধাৰণ ব্যক্তিত্বক চিৰজীৱন কৰাটো নাৰীৰ ধৰ্ম হোৱা উচিত। কিন্তু তাক সম্পূৰ্ণৰূপে চিনি পোৱাৰ আগেয়ে সিদ্ধান্ত লোৱাটো—।"

"মা— মোৰ শিক্ষা-দীক্ষা আৰু মস্তিষ্কৰ পৰিচয় তোমাৰ অৰ্থলে গ'ল বুলি নাভাবিবা। একেদিনাই মই সিদ্ধান্ত লোৱা নাই ; আৰু অৰুণজ্যোতিক দেউতাইও দেখোন প্ৰশংসা কৰে। দেউতাই মোক গৱেষণাৰ বাবে অইনৰ ওচৰলৈ যাবলৈ দিদি অৰুণজ্যোতিৰ ওচৰলৈ নিজে পঠিয়াইছিল।"

'আমাৰ একমাত্ৰ উদ্দেশ্য আছিল, তই এজন বিজ্ঞলোকৰ পৰিচালনাত গৱেষণা কৰি উন্নতি লাভ কৰা ; তেওঁৰে সৈতে বৈবাহিক সম্পৰ্ক স্থাপন কৰাটো নহয়। প্ৰফেছৰ হিচাপে উজ্জ্বল আৰু প্ৰশংসনীয় লোকৰো ব্যক্তিগত জীৱনটোৰ কথা লুকীয়া হ'ব পাৰে।' দেউতাৰে তেওঁক প্ৰফেছৰ হিচাবেহে জানে।"

"মা, ড° অৰুণজ্যোতি মহন্তৰ ব্যক্তিগত জীৱনটোৰ বিষয়ে মই নাজানিলেও তেখেতৰ ব্যক্তিত্বক মই চিনি পাওঁ। তদুপৰি আজি আঁক বৈয়াৰ সংমিশ্ৰণেই জীৱন। ব্যক্তিগত জীৱনৰ কাৰ্যাৱলী বহু পৰিমাণে পাৰিপাৰ্শ্বিকতাৰ ওপৰত নিৰ্ভৰ কৰে। তেওঁ অকলশৰীয়া হৈ জীৱনৰ আধাবয়স পাৰ কৰি দিয়া খাতে একমাত্ৰ তেওঁ

নিজে দায়ী হ'ব পাৰে। সৎ আৰু দৃঢ়মতাৱলম্বী পুৰুষ যাৰেই তেওঁ বিজ্ঞ পুৰুষ।"

অপৰাজিতাৰ মাক বিমূঢ়। তাইৰ চুলিত হাতবুলাই তেওঁ ব্যক্ত কৰিলে: "আৰু এবাৰ ভাবি চা মা-জনী! "অৰুণজ্যোতিয়ে তোৰ প্ৰকৃত পৰিচয় নাজানে।"

"পৰিচয় বিচাৰি মানুহক আপোন কৰাৰ প্ৰকৃতি তেওঁৰ নাই মা। আৰু মোৰ বোধেৰে দেউতাৰ পৰিচয় পালে তেখেত আনন্দিত হ'ব। দেউতাক কৈ দিবা, মই অৰুণজ্যোতিৰ বাহিৰে আইন কাকো বিয়া কৰিব নোৱাৰোঁ। মোক তৰুণ যুৱক নালাগে।"

এনেতে দেউতাক উপস্থিত হৈ গহীনভাবে প্ৰকাশ কৰিলে:

"হু? এয়াই তোৰ নিজৰ সিদ্ধান্ত! তেন্তে শুন — অৰুণ-জ্যোতিয়ে যদি জানে যে তই মোৰ ছোৱালী, তেন্তে তোৰ ইচ্ছাত সহাঁৰি দিয়াৰ পৰিবৰ্তে, তেওঁ গুৱাহাটী বিশ্ববিদ্যালয় পৰিত্যাগ কৰি গুচি যোৱাৰহে সম্ভাৱনা বেছি। অৰুণজ্যোতিয়ে প্ৰথম শ্ৰেণীত প্ৰথম স্থান লাভ কৰি স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ সময়ত বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাই তেওঁক কলেজো যাবলৈ এৰি নিদি ফিজিক্স ডিপাৰ্টমেণ্টত নিযুক্তি দিছিল। কিন্তু মোৰ সৈতে মুখামুখী হৈ থাকিব লগীয়া হোৱা বাবে ছমাহৰ ভিতৰতে তেওঁ চাকৰি ইস্তাফা দি কলিকতালৈ গুচি গৈছিল। যাওঁতে মোক জনাই থৈ গৈছিল যে মোৰ অৱসৰৰ পাছতহে তেওঁ পুনৰ ইয়ালৈ উভতি আহিব; কাৰণ তেওঁ মোৰ ঠাটোকো চাবলৈ ইচ্ছা নকৰে। সেয়েহে মই তোৰ গৱেষণা শেষ নোহোৱা পৰ্যন্ত তোৰ চিন্তাকী দিবৰ ইচ্ছা কৰা নাই। গৱেষণাৰ শেষত মই নিজে তোৰে সৈতে তেওঁৰ ওচৰলৈ গৈ—।"

ভয় আৰু বিস্ময়ত বিবৰ্ণ হৈ পৰা অপৰাজিতাই কম্পিত স্বৰে ব্যক্ত কৰিলে:

"দেউতা, এইবোৰ মই কি শুনিবলৈ পাইছো? অৰ্থাৎ

অৰুণজ্যোতিয়ে আপোনাক ভালদৰে চিনি পায়! এয়া কিহৰ শত্ৰুতা? গৱেষণা শেষ হোৱাৰ পাছত তেওঁক মোৰ পৰিচয় জনাই দি তেন্তে তেওঁক মই খেদিবলৈ লাগিব নেকি? মোৰ গৱেষণাৰ বাবেহে তেওঁক ফাঁকি দি ৰাখি থৈছো নেকি? তেওঁ গুৱাহাটীৰ পৰা বিদায় নলৈ যদি জীৱনৰ পৰা চিৰ বিদায় লয়। মই নিজৰ অজ্ঞাতে ইয়াৰ কাৰণৰ হ'বলগীয়া হ'লো কিয়? মই অনিচ্ছাকৃত প্ৰৱঞ্চনা কৰিব লগীয়া হ'লো কিয়?"

"অৰুণজ্যোতিক মইও ভাল পাওঁ, মা জনী। আৰু মই ভাবোঁ অৰুণজ্যোতিৰ তুলনাত অইন কোনো তৰুণ যুৱকৰ প্ৰস্তাৱ নিষ্প্ৰয়োজন। কিন্তু—।"

দেউতাক নিৰ্বাক হৈ থকা দেখি অপৰাজিতাৰ কোমল অভিব্যক্তি বিস্ফুৰিত হ'ল: "কিন্তু কি? যদিহে আপোনাৰ সৈতে শত্ৰুতা আছিল মোক কিয় পঠিয়াইছিল তেখেতৰ ওচৰলৈ।"

এইবাৰ মাকে মাতিলে: 'মা-জনী! তেওঁৰ সৈতে আমাৰ কোনো শত্ৰুতা নাই। আচল কথা হ'ল অৰুণজ্যোতিয়ে এসময়ত —তোৰ জন্মৰ আগেয়ে— প্ৰতিজ্ঞা কৰিছিল যে মোৰ ভৱিষ্যা গৰ্ভজা ছোৱালীক তেওঁ বিয়া নকৰায়।"

হঠাৎ হিংস্ৰ জন্তুৰ সন্মুখত পৰি উধাতু খোৱাৰ দৰে অপৰাজিতাই জপিয়াই উঠিল আৰু বিচনাত পৰি ডাঙৰকৈ কেঁকুৰিব ধৰিলে। মাকে তাইৰ মূৰত হাত থৈ ক'লে: "তই যদি তেওঁৰ প্ৰতিজ্ঞা ভঙ্গ কৰিব পাৰ আমি সুখী হ'ম।"

"এজন পৰ্বতৰ দৰে অচল-অটল মানুহৰ দুটা চাৰিত্ৰিক দিশৰ পৰিবৰ্তন অথবা বিকাশ সাধন কৰাটো কিমান কঠিন কাম তাক তোমালোকে কেনেকৈ বুজিবা মা?"

দেউতাকে প্ৰশ্ন কৰিলে: "দুটা চাৰিত্ৰিক দিশ?

"এৰা। এটা এইমাত্ৰ আপোনালোকে উল্লেখ কৰা প্ৰতিজ্ঞা, আৰু আনটো হ'ল মোক দেখেই সকলো ছোৱালীৰ আদৰ্শ 'দাদাই'

খোৱা চৰিত্ৰ। মই জেখেতৰ মনত 'অৰুণমালি' ছোৱালীৰ বাহিৰে আইন একো নহয়।"

অপৰাজিতাই দেখিলে যে তাইৰ পিতৃ-মাতৃয়ে দুজনে সিজনৰ ফালে কৌতুহলেৰে চাইছে। চকুৱে চকুৱে প্ৰশ্ন কৰিছে অথবা সমিধান দিছে। অপৰাজিতাই কৈ গ'ল: "কিন্তু মই সিদ্ধান্ত লৈছোঁ যে মোৰ গৱেষণা শেষ নোহোৱালৈকে মই তেওঁক এই কথাৰ সম্ভেদ ঘূণাক্ষৰেও নিদিওঁ। এই সময়ত তেওঁ বিব্ৰত হোৱাটো অথবা কোনো পৰিস্থিতিৰ সন্মুখীন হোৱাটো মই নিবিচাৰোঁ; কাৰণ, পৰিস্থিতি চম্ভালিবলৈ মোৰ হাতত সময় নাথাকিব। কিন্তু গৱেষণা সম্পূৰ্ণ হোৱাৰ দিনাখন তেওঁৰ এই সৰু ছোৱালীৰ ভ্ৰমটো আঁতৰ কৰিবলৈ নতুবা পৰিস্থিতি চম্ভালিবলৈ মই যথেষ্ট সময় পাম।"

আচৰিত হৈ দেউতাকে প্ৰশ্ন কৰিলে: "কি? অৰ্থাৎ এইবোৰ চিন্তা তইহে মনত খুমুৰাই লৈ আছ? অৰুণজ্যোতিৰ অজ্ঞাতে? তই জাননে ইয়াৰ পৰিণাম কি হব পাৰে? এৰা, তোৰ মাৰে এসময়ত যি বিচাৰিছিল সেইটোৱে হৈছেগৈ। কিন্তু তোৰ মাৰে জনা উচিত যে পৃথিৱীৰ সকলো মানুহে তোৰ দেউতাৰৰ দৰে নহয়।"

স্বামীৰ কথাৰ প্ৰত্যুত্তৰ স্বৰূপে অপৰাজিতাৰ মাকে কলে:

"মই তাইক কোনো কথা শিকোৱা নাই।"

"তাই দেখিছেতো! তাই তোমাক দেখা পাইছে; মোকো দেখা পাইছে। তোমাৰ will power এ তোমাতকৈ শক্তিশালী intellect ৰ জীয়ৰী জন্ম দিছে। কিন্তু বহিৰ্জ্জগতৰ মানুহ ইয়াৰ শক্তিশালী হৈ উঠা নাই।"

"দেউতা, মোৰ সমস্যাৰ সমাধান মই আনিব পাৰিলোঁহেতেন যদিহে আপোনাৰ আৰু অৰুণজ্যোতিৰ মাজত এই প্ৰতিজ্ঞাৰ হেতাৰ নাথাকিলহেঁতেন। তথাপি মই নিৰাশ নহওঁ। কাৰণ, লোক জনেই সৰু ছোৱালীৰ দৰে ব্যৱহাৰ কৰিলেও জেখেতে মোৰ মানসিক সন্তুষ্টিৰ প্ৰকাৰত সময় অনুকূ দিয়ে। কাৰণ, 'জেখেতৰ মতে মই ইডায়েনা'।"

উচপ্‌খাই উঠি দেউতাক আৰু মাকে একেলগে প্ৰশ্ন কৰিলে:

"ডায়েনা? ডায়েনা??

"এৰা, তেখেতে কলিকতাত থাকোঁতে ডায়েনা নামৰ খ্ৰীষ্টিয়ান ছোৱালী এজনীক ভাল পাইছিল। কিন্তু ছোৱালীজনীৰ মৃত্যু হ'ল। মৃত্যুৰ তাৰিখত তেখেতে ডায়েনাক স্মৰণ কৰে। আৰু সেই মৃত্যুৰ দিনাখনেই মোৰ জন্ম হ'ল। সেই ডায়েনা আৰু মোৰ চেহেৰাৰ আশ্চৰ্যজনক সাদৃশ্য লক্ষ্য কৰি কৰি আৰু ডায়েনাৰ মৃত্যুৰ তাৰিখটোত মোৰ জন্ম হোৱা কথা শুনি তেখেত অস্বাভাৱিকভাৱে উত্তেজিত হৈ পৰিছিল। তেখেতে কয় যে ডায়েনাজনী ডাঙৰ হব নাজানিলে; সৰু ছোৱালী হৈয়েই থাকিল।"

এইকথা শুনি দেউতাকে স্বস্তিৰ নিশ্বাস পেলালে, আৰু মন্তব্য কৰিলে: "I am relieved! মা-জনী, কোনোবা ডায়েনাৰ অভাৱ যদি তই পূৰ্ণ কৰিব পাৰিছ; তেন্তে অৰুণজ্যোতিয়ে হয়তো আমাক ক্ষমা কৰিছে। কাৰণ কোনোবা ডায়েনাক চিৰস্মৰণীয় কৰিব খোজা মানে পুৰণি দিনৰ অৰ্থপূৰ্ণ ঘটনা এটিৰ স্মৃতিজ্বাৰ কৰাটো বুজায়। নতুবা আমি ভয় কৰি থকা এই প্ৰতিজ্ঞাকো ল'ৰামতীয়া প্ৰতিজ্ঞা বুলি পাহৰি যোৱাটো বুজায়। মাৰৰ মুল্য তোৰ অপূৰ্ব মানসিক শক্তিক মই প্ৰশংসা নকৰি নোৱাৰোঁ। মই আৰু তোৰ স্বাধীনচিন্তীয়া উদ্দেশ্যৰ প্ৰতিবন্ধক নহওঁ। Be prosperous, darling daughter!"

মাক-দেউতাকৰ চকুত অপৰাজিতাই সন্তোষজনক হাঁহি দেখিবলৈ পালে।

[চাৰি]

দেউতাকে পঢ়িব দিয়া ডায়েৰীখনৰ পৰা অপৰাজিতাই আজি বুজিব পাৰিছে তাইৰ মাক আৰু দেউতাকে এসময়ত অৰুণজ্যোতিক কি

দোষ কৰিছিল। কিন্তু সেইবোৰ ঘটনাই অৰুণজ্যোতিৰ জীৱনত মাক-দেউতাকে ভয় কৰি থকা হিচাবে [illegible] কোনো ৰেখাপাত কৰা নাই। তেওঁৰ জীৱনৰ ওপৰত অবৰ্ণনীয় প্ৰভাৱ পেলাইছে একমাত্ৰ স্বৰ্গবাসী ডায়েনাই। তত্ৰাছ মাক আৰু দেউতাকৰ কাহিনীটো তাইৰ বাবে আৰু সমগ্ৰ নাৰী জাতিৰ বাবে প্ৰগতিৰ এক উজ্জ্বল চানেকী। তদুপৰি তাইৰ মাক আৰু দেউতাকৰ প্ৰতি ইমান বছৰে পোষণ কৰি অহা অৰুণজ্যোতিৰ ভুল ধাৰণা তথা আখেজৰ পৰিসমাপ্তিৰ বাবে এই কাহিনী এক আপুৰুগীয়া সম্পদ। এতিয়া অৰুণজ্যোতিয়ে বুজা উচিত যে তাইৰ মাক এজনী প্ৰকৃতাৰ্থত মহীয়সী নাৰী।

কিন্তু প্ৰথমে সৰু ছোৱালীৰ ভ্ৰম আঁতৰ হব লাগিব। মনো-জগতত এবোজা বেদনা কঢ়িয়াই লৈ ফুৰা এই মানুহজন ইমান অকল-শৰীয়া! প্ৰায়ভাগ সময় সভা-সমিতি, চাকৰি আৰু লিখা পঢ়াত ব্যস্ত থাকিলেও তেওঁ বৰ অসহায়। এই অসহায়তাৰ ওৰ পেলাব লাগিব। আজিয়েই। তাই তেওঁৰ কোনো আপত্তি নুশুনে; তাই সকলো ঠিকঠাক কৰি আহিছে, কাৰণ আজি গৱেষণা সম্পূৰ্ণ হোৱাৰ শেষ দিন। তেওঁৰ চোতালত থিয় হৈয়েই অপৰাজিতাই ভাবিলে—"তেখেতৰ বয়স মোৰ বয়সৰ দুগুণ হোৱাত মোৰ ভাবিবলগীয়া একো নাই। মাথোন তেখেতক প্ৰস্তুত কৰাব লাগিব। তেখেতে মোক সৰু ছোৱালী বুলি ভাবে কিয়? মোক ভালপাব নোৱাৰে কিয়? But I must marry him! He should not spoil his life!"

বাহুনি লখাটোৱে চোতালতে খবৰ দিলে যে মোৱানিশাৰ পৰা প্ৰফেছাৰৰ গা অসুখ হৈ আছে; আজি ডিপাৰ্টমেণ্টলৈকো নগ'ল। কাজা দৌৰি গৈ অপৰাজিতা আহিছে বুলি খবৰ দিলেগৈ আৰু মুহূৰ্ততে ওলাই আহি তাইক ভিতৰলৈ মাতি লৈ গ'ল। অপৰাজিতা লাহে লাহে তেখেতৰ শোৱাকোঠা পালেগৈ।

অৰুণজ্যোতিৰ ওচৰত থিয় হৈ অপৰাজিতাই, যেতিয়া কৰা নি

অহা বুলি জনালে। তেওঁ হাঁহি মাৰি হাত এখন আগবঢ়াই দিলে। অপৰাজিতাই থেচিছৰ কপিটো তেওঁৰ হাতত দিয়াত উঠি বহি তেওঁ কপিটোৰ পাত লুটিয়াই চালে আৰু হাঁহি হাঁহিয়েই কপিটো আলমাৰীৰ ভিতৰত সুমুৱাই থবলৈ অপৰাজিতালৈ পুনৰ আগবঢ়াই দিলে। তাৰ পাছত অৰুণজ্যোতিয়ে তাইক মেজৰ ওচৰৰ চকীখনত বহিবলৈ আঙুলিয়াই দেখুৱাই কলে: "মোৰ কোনো অসুখ হোৱা নাই। মই তোমালৈহে বাট চাই আছিলোঁ। তুমি আহিবলগীয়া থাকিলেও বা নাথাকিলেও তোমালৈ বাট চোৱাটো মোৰ এটা অভ্যাসত পৰিণত হৈছে।"

তেখেত খাটত থিয় হ'ল। অপৰাজিতাই সাউতকৈ গৈ বেতৰ কুছনযুক্ত চকীখন আনি পাৰি দিলে। কিন্তু তেওঁ থিয় হৈয়েই কলে:

"ইয়াৰ পাছত আৰু তুমি মোৰ ওচৰলৈ আহিবানে? হয়তো তোমাৰ কোনোবা দূৰ ঠাইত চাকৰি হৈ যাব; হয়তো তোমাৰ বিয়া হৈ যাব। তুমি বহু দূৰলৈ গুচি যাবা!"

"চাহ অকণ কৰি আনিম নেকি? আপুনি আবেলিৰ চাহ খাইছেনে?"

"আনিব পাৰা। ল'ৰাটোৱে চাহ একাপ দিছিল। কিন্তু পেলাই দিলোঁ; অকণো চেষ্টা নাই।"

অপৰাজিতা দৌৰি পাকঘৰলৈ গ'ল। নিজহাতে একাপ চাহ কৰি তাই একপ্লেট খোৱাবস্তুসহ অৰুণজ্যোতিৰ ওচৰলৈ লৈ আহি মেজৰ ওপৰত থলে। অৰুণজ্যোতিয়ে তাইক বহিবলৈ ইংগিত দি খাবলৈ আৰম্ভ কৰিলে। অপৰাজিতাই তেওঁৰ কাষে তাই চাই নিৰ্বাক হৈ ৰৈ থকা দেখি তেওঁ কলে:

"তুমি কৈছিলা নহয় যে দিনে নিশাই পৰিশ্ৰম কৰি হলেও বিশ্ৰাম পাবা যায় কিমান লোমকালে: যেতিয়া লিখা শেষ কৰিব লাগিব: কি হল পাৰিলে এতিয়া দিব তুমি মোৰ ওচৰলৈ আহিবা। এতিয়া আহিবানে?"

অপৰাজিতাই ক'ব খুজিলে যে তাই আজিয়েই আহিছে, আৰু কেতিয়াও ঘূৰি নাযায়, কেতিয়াও। তেওঁ আৰু টেষ্ট নোহোৱা চাহ খাবলগীয়া নহয়; অসন্তুষ্টিত ডাইনিং টেবুলত বহি ভাতবোৰ লাৰিচাৰি পেলাই দিবলগীয়া নহয়; নিঃসঙ্গ অৱসাদেৰে ভৰা দিন কটাবলগীয়া নহয়। কিন্তু অপৰাজিতাই মুখেৰে মাতিব নোৱাৰিলে, মাথোন তাইৰ ওঁঠজুৰি কঁপি উঠিল আৰু তাই বহি থকা ফোল্ডিং চকীখনৰ প্লাষ্টিকবোৰ আঙুলিৰে লিকিৰি বিদাৰি থাকিল। তাইলৈ লক্ষ্য কৰি কৰি অৰুণজ্যোতিয়ে পুনৰ কলে: "এৰা। মোৰ ওচৰলৈ যদি আহি থাকিব লাগে, তুমি থেছিছখননো লিখিব লাগিছিল কিয় ? তোমাৰ যদি ইয়াতে— মোৰ ওচৰতে চাকৰি হৈ গ'লহেঁতেন। কিন্তু, তোমাৰ বিয়াও হব লাগিব নহয়। সে কৰবাত মন মনে ঠিক কৰি থৈছা?

অপৰাজিতাই গোমোঠা মুখেৰে তললৈ চাই থাকিল। অৰুণজ্যোতিয়ে এইবাৰ আপেল এডোখৰ তাইৰ ওঁঠৰ ওচৰলৈ নি কলে: "তোমাৰ বাবে চাহ নানিলা কিয়? আজি মোৰ হাতেৰে আপেল এডোখৰ খোৱাচোন; আৰু তোমাক কেতিয়া লগ পাম নাজানো নহয়। দ্বিতীয়জনী ডায়েনা মোৰ ওচৰৰ পৰা আঁতৰি যাবলৈ ওলাইছে।"

উত্তেজনাৰ দমাব নোৱাৰি তাই তেওঁৰ হাতখন খামুচি ধৰি নিজৰ গালে, মুখে, কঁপালে লগাই শীৱৰে হেঁচুকিলে। আপেল-ডোখৰ সৰি পৰিল। অৰুণজ্যোতিয়ে নিজৰ হাতখন টানি একেবাৰে আনি খিৰিকিৰে বাহিৰলৈ চাই থাকিল। তেওঁৰ হৃদযন্ত্ৰটো যেন বিশ্ৰী বিষণ্ণতাৰে নিবল কৰি পেলাইছে। অপৰাজিতাই মাটিত পৰা আপেলডোখৰ তুলি লোৱা দেখি তেওঁ তাইৰ হাতৰ পৰা আপেলডোখৰ আঁজুৰি আনি খিৰিকিৰে দলিয়াই পেলালে। অপৰাজিতাই তেওঁৰ চকুলৈ চাই হেঁকুৰিলে। তেওঁ ম্লান হাঁহি

ঐটো মাৰি আন এডোখৰ আপেল লৈ তাইৰ ওঁঠত লগাই দিলে। তাই আপেলডোখৰ চোবাই খালে। অৰুণজ্যোতি [illegible] খোৱাত ব্যস্ত হৈ পৰিল।

হঠাৎ অপৰাজিতা উঠি অৰুণজ্যোতিৰ পঢ়া মেজৰ [illegible] পৰিপাটি কৰিবলৈ ধৰিলে তাৰ পাছত বিছনিৰ [illegible] আলনাৰ কাপোৰবোৰ বিচনাৰ বেডকভাৰ সকলো টানি টুনি ঠিকঠাক কৰি দিলে। অৱশেষত একাষৰ বেলৰ ওচৰত মাটিতে বহি তেওঁৰ জোতা একোৰত লাগিছ লগাবলৈ খুলি তাই হাত আগবঢ়াই দিলে। ইয়াৰ পাছত তাইক লক্ষ্য কৰি বহি থকা অৰুণজ্যোতি মুহূৰ্ততে উঠি লৈ তাইৰ হাতত ধৰি ক'লে "ঐ দিয়া; এই কেনো পাৰ কিন্তু। তুমি এইবোৰ কৰিলে কাকাই কি কাম কৰিব?"

তাই মাটিতে বহি থাকি তেওঁৰ চকুলৈ শিচ চাবনিৰে চাই তলমূৰ কৰিলে। অৰুণজ্যোতিয়ে দিয় হৈয়েই ক'লে

মোৰ ওচৰলৈ আৰু কেইবাজনো ল'ৰা-ছোৱালী বোৰিছি শিকাৰ বাবে আহে। কিন্তু সিহঁত কোনেও মেধোৰ তোমাৰ দৰে নহয়। সিহঁতে বিদিয়া বি উৎকণ্ঠা লৈ আহে সেই উৎকণ্ঠা পূৰণ হোৱাৰ লগে লগেই গুচি যায়। আহিলেই সিহঁতে তোমাৰ দৰে মোৰ শৰীৰৰ আৰু খোৱা-লোৱাৰ খবৰ নলয়। এই সিহঁতৰ বাবে কোনোবাও অপেক্ষা নকৰে। কিন্তু তোমাৰ বাবে এই সময় অপেক্ষা কৰে। সেইবুলি এইবোৰ কাম কিয় কৰিবা তুমি? তদুপৰি তোমাৰ এক সুকীয়া ব্যক্তি-সত্তা অস্তিত্ব আছে। আমি এনে কৰি হোৱাৰ সত্তাত [illegible] ক্ষতিপূৰণ আনিবৰ চেষ্টা কৰাটো [illegible] কথা [illegible] অস্তিত্ব প্ৰতিষ্ঠাত কৰিবলৈ [illegible]?"

তলৈ মূৰ কৰি থকা [illegible] অপৰাজিতা অস্তিত্ব আপোনাতো [illegible] শৰীৰা জীৱন-যাপন কৰি কিয় [illegible]? আপোনাৰ সমাজে দিয়নিয় জীৱনই [illegible]

অৰুণজ্যোতি উত্তৰ আহি কৰীত বহি কৌতুকৰ । কি মাৰি ক'লে কোনোৱা। মানুহ চিৰদিন তাতেই থাকে নেকি অকবি? অলপ ডাঙৰ হোৱা বুলি মনে ধৰিছিল— কিন্তু নাই, তেনেই সৰু ছোৱালী।

থিয় হৈ গোমোঠা মুখেৰে অপৰাজিতাই ক'লে আপোনাহঁতকৈ মই বেঁচিকৈ চিন্তা কৰিব পাৰোঁ।

অৰুণজ্যোতিয়ে ডাঙৰকৈ হাঁহিলে আৰু কৌতুকেৰে তাইলৈ চাবলৈ ধৰিলে। অপৰাজিতাই খং আৰু অভিমানত তললৈ মূৰ কৰি মুখ ওফন্দাই বৈ থাকিল। অৰুণজ্যোতি এইবাৰ তাইৰ ওচৰ চাপি আহি তাইৰ কঁপালত ধৰি মুখখন দাঙি নিজৰ ফালে হাঁহি সুধিলে বাৰু বাৰু কোৱাচোন মোক কেনেকৈ চিৰদিন তোমাই ৰাখিব খুজিছা?

এটা শৰীৰৰ [illegible] হোৱাৰ পাছত আন এটা শৰীৰৰ মাজেৰে আত্মাক এৰি থৈ যোৱা হয়। মোৰ দেউতাই যিদৰে মোৰ আৰু মোৰ ককাইদেউৰ মাজেৰে নিজক এৰি থৈ যাবলৈ ওলাইছে, আপুনি কিদৰে আৰু মানুহৰ আপোনাৰ সত্তাক এৰি থৈ যাব? আপোনাৰ continuation-ৰ কাৰণে আপোনাৰ ব্যক্তিসত্তাক এইদৰে নিশ্চিহ্ন হৈ যাবলৈ দিব কিয়? মানুহ ব্যক্তিক যদি আপুনি ভাল পায় মানুহ হিচাপে আপুনি কি হৈ যাব? আপুনি কোনো ব্যাপক বা ব্যক্তি-[illegible] কিয়? কেৱল প্ৰকৃতিৰ [illegible] অৰ্থে নহয় মানৱৰ ঐতিহাসিক প্ৰগতিৰ অৰ্থে [illegible] continuation অপৰিহাৰ্য্য।

[illegible] হৈ [illegible] তাইৰ কালে [illegible] দৰে মোৰ ওপৰৰ [illegible] মুক্তি প্ৰকাশ কৰিলে [illegible] এৰি থৈ [illegible]। তোমাৰ বৌ[illegible] এৰি থৈ [illegible]।

[illegible]

সেইখোৰ এটা স্থগত পুৰণি হৈ যাব। নতুন নতুন ফুলক নতুন নতুন নাম ধাৰণাৰ [illegible] হয়। পৰিৱেশ বা আৱহাৱাৰ পৰিবৰ্তন হৈ থকা বাবে চিন্তাধাৰাৰো পৰিবৰ্তন হৈ থাকে [illegible] চৈতন্যৰ হিচাবে হৈ যায়। পৰিবৰ্তনশীল সময়ৰ বিকাশ সকল চৈতন্যৰে আনিব নোৱাৰে; চৈতন্যৰ সৈতে হাত মিলাব [illegible] ধৰ মন ব্যক্তিৰ মন [illegible]। জীৱনৰ গতি যদি চিৰপৰিবৰ্তমান, চৈতন্যৰ এই গতিৰ সৈতে সমন্বয় স্থাপন কৰা দৰ্কাৰ। আপোনাৰ মৃত্যুৰ পাছত আলোচনাৰ [illegible] থাকিব? অ-আপোনাৰ [illegible] [illegible] হৈ হৈ [illegible] নোৱাৰে। [illegible] আপুনি বাধা দি ৰাখিব নোৱাৰে।

" তোমাৰ আজি কি হৈছে? এই দাৰ্শনিক তত্ত্বৰে মোক মনত পেলাই আছা কিয়? [illegible] প্ৰতি চিৰবৰ্তমান হোৱাটো এৰিয়া তুমি বিচাৰিলেও [illegible]। এয়াহে মই ও বিচাৰিছিলো। কিন্তু বিচৰাৰ [illegible] পৰিল। তোমাৰ সৈতে আজি বিদায়ৰ বেলিকা [illegible] কথা মনত পেলাই দি আছি যে তুমি আৰু কাৰো [illegible]। [illegible] উচিত যে এইটো জীৱনৰ প্ৰতি মোৰ [illegible] আছো মাথো মোৰ কৰ্তব্য কৰিছোঁ — মোৰ [illegible] আগত শিখনিৰ ভবিষ্যতে উজলাই দিছেন। [illegible] জীৱনৰ কৌতিয়াবাই বাধি পৰিল।

কেনেকৈ বাধি পৰিল? কিয় বাধি পৰিল?

"প্ৰায় পঁচিশ বছৰ আগেয়ে [illegible] মহাবিদ্যালয়ত [illegible]। তেতিয়া তেওঁৰ বয়স তেইশ বছৰ আছিল। [illegible] বিয়াৰ সময়ৰ বান্ধোৱত হৈ গৈছিল যদিও [illegible] কৰোৱাব [illegible] বাবিব [illegible] কথাবাৰ্তাৰে [illegible] [illegible] হৈছিল। কিয় দিয়া [illegible]

[illegible]

পিতৃ-মাতৃয়ে তেওঁক যোৰে সৈতে বাৰলৈ নিদিলে। সেয়েহে সাত-দিনৰ ভিতৰত বিয়াৰ বন্দোবস্ত হ'ল। কিন্তু বিয়াৰ দুদিন আগেয়ে ভায়েনাই— মোক ঠেসুৱিপা কৰি— এৰি থৈ গুছি গ'ল।

প্ৰৰেছৰ অৰুণজ্যোতিয়ে বিৰিকিৰ লোহাত নিজৰ কঁপালখন খুন্দিয়াৰ ধৰিলে। অপৰাজিতা দৌৰি গৈ তেওঁক একৰাই আৰি সজল নয়নে তেওঁৰ চকুৰ ফালে চাই ব্যক্ত কৰিলে বি কাৰ্যাত মানুহৰ হাত নাই তাক কিদৰে প্ৰতিকাৰ কৰিব? কিন্তু প্ৰতিবোধ নাই যদিও প্ৰতিকাৰৰ উপায় আছে।

কোনো প্ৰতিকাৰৰ উপায় নাই। আৰু কোনো প্ৰতিকাৰৰ বাবে মোৰ স্পৃহাও নাই।

'But your life does not belong to you alone

এই পৃথিৱীত তেনেই [illegible] মানুহৰ অসাধাৰণ জন্মলাভ হয়। আৰু এই [illegible] জন্মকোষৰ অন্তৰ্নিহিত ৰহস্যটোৱে হ'ল প্ৰকৃতিৰ মহান উদ্দেশ্য— অবিচ্ছিন্ন অনন্ত জীৱন প্ৰবাহ। সেই উদ্দেশ্যক ধ্বংস [illegible] কৰাৰ আপোনাৰ নাই।

[illegible] বাবে মই আইন কি কৰিব পাৰো? মই [illegible] পালন নকৰাকৈ থকা নাই। কিন্তু মোৰ [illegible] শৰীৰটো মোৰ নিজৰ।"

তেওঁ-[illegible] শৰীৰটোৱেইটো অকলে আপোনাৰ নিজৰ নহয় আত্মাটো আপোনাৰ নিজৰ। সেয়েহে নিজ বিবেচনা মতে আপুনি আত্মপ্ৰকাশৰ ভৱিষ্যতে অগণন জনগণৰ বৰ্তমানৰ যুগোপযোগী বিকাশৰ পথ দেখুৱাব লাগিছে। কিন্তু শৰীৰ অবিচ্ছেদ্য কৰ্তব্য দিব লাগ। প্ৰাকৃতিক উদ্দেশ্য প্ৰণোদিত এই শৰীৰ [illegible] বৰ্তমানৰে নহয় অনন্ত ভৱিষ্যত প্ৰসাৰিত [illegible]?"

এৰা! কিন্তু বিবেক-অবিচ্ছ[illegible] কৰ্তব্য মানব [illegible] পাৰিবলৈ [illegible] [illegible] দেখিছো নাইকিয়া [illegible] [illegible]।

ৰাইফিং নে গোলী নে বাৰাহু খৰ দৰ্শন ?

দৰ্শন মোৰ নিজৰ। তথেমধে কিয় কৰ্ত্তব্য কৰিব লাগে? বিবেকে শৰীৰৰ প্ৰয়োজনীয়তাক অস্বীকাৰ নকৰে। এজনী ছোৱালীৰ বাবে সমাজৰ লক্ষ লক্ষ জনগণ বঞ্চিত হব নোৱাৰে। এজনী ছোৱালীয়ে [illegible]বি পৈছে আৰু বহুত ছোৱালী আছে।

অৰুণজ্যোতিয়ে হাঁহিলে। ক্ষুণ্ণ হৈ অপৰাজিতা ৰহি যাবলৈ ওলাল। তেওঁ তাইক আগচি ধৰি লাহে লাহে তাইৰ চকুলৈ চাই ৰসিকতা কৰিলে "দ্বিতীয় পুৰুষ মোক সংসাৰ কৰাৰ বাবে উপদেশ দি যাব খোজা? কলা মোৰ হৃদয় ধাতু— যাৰ বুকুত জন্মলাভ কৰিছে এই মহীয়সী নাৰী— অপৰাজিতা!"

মোক যাবলৈ দিয়ক, আপুনি মোৰ কোনো কথা ছিৰিয়াচলি নলয়!

"ছিৰিয়াচলি লৈছো [illegible] মেয়ে তোমাৰ পৰামৰ্শক প্ৰতিকাৰ আশা নিদি অন্যায় [illegible] দিয়া [illegible] খুজিছো। এহাতে আঠেকুৰি বছৰীয়া বুঢ়াই একুৰি বছৰীয়া [illegible] ছোৱালীক বিয়া কৰাব পাৰিব। তেতিয়া [illegible] উদ্দেশ্য পূৰণ নহব। আনহাতে তৰুণ [illegible] আহিব বিচাৰিব? আৰু কোনোবা আহিলেই বা এই ইমান ডাঙৰ অন্যায় কেনেকৈ কৰিব?

"এয়া অন্যায় নহয়। এয়া নিৰিহলৈ ওলোৱা সুবুজায এয়া আত্মোপুৰুষাৰ্থ, জীৱন ৰক্ষাৰ এয়া প্ৰতিকাৰ। ইয়াৰ বাবে মই প্ৰস্তুত আছো। মই আপোনাৰ ছোৱালী। আপোনাৰ বাবে সকলো কৰিবলৈ প্ৰস্তুত।"

বিস্ময়ত থাই উঠি অৰুণজ্যোতি বহিয়াই উঠিল। পিছুৱাই লৈ লৈ তেওঁ ডাঙৰ ডাঙৰ চকুৰে [illegible] বাবে কৰুণাতুৰ দৃষ্টিৰে চাবলৈ ধৰিলে। অপ[illegible] তাৰ পিছতেই থাকিল আৰু তেওঁ পিছুৱাই [illegible] [illegible] অপৰাজিতাৰ মুখ আৰু ওঁঠ [illegible] কৰি দুলিছে। [illegible]

[illegible]

বিচ্ছুৰিত হ'বলৈ ধৰিলে নহয়! আপুনি অস্বীকাৰ নকৰিব— আপুনি মোৰ প্ৰস্তাৱ মানি লব লাগিব। আজি মই আপোনাৰ ওচৰলৈ আহিছো। মই আপোনাক জীয়াই ৰাখিব লাগিব।

দুৰ্দ্দমনীয় হেপাঁহৰ বন্যাই তাইৰ মুখমণ্ডল গৌৰাই পেলাইছে। তাই সাউতকৈ গৈ অৰুণজ্যোতিৰ দুয়োখন হাত জপটিয়াই ধৰিলে। অৰুণজ্যোতিয়ে তাইৰ হাত দুখন এছাৰ মাৰি খঙেৰে কঁপি গ বলিয়া হৈছা নেকি? আঁতৰি যোৱা মোৰ সন্মুখৰ পৰা— learning to fly by instinct?

কিন্তু অপৰাজিতাই তেওঁৰ ভৰি দুখন খামুচি ধৰি চলচলীয়া চকুৰে তেওঁলৈ চাই কবলৈ ধৰিলে No! I am guided by intuition আপুনি মোক আঁতৰাই পঠিয়াব নোৱাৰিব! মই নাযাওঁ! মই নাযাওঁ।

অৰুণজ্যোতিয়ে তেওঁৰ [illegible] মোৰোলাই লৈ দৌৰ মাৰি বহাকোঠা পালেগৈ; আৰু চকী এখনত বহি ওপৰলৈ মুখ কৰি চকু মুদি উশাহ লবলৈ [illegible]। তেওঁৰ [illegible] দুল হৈ গল নেকি? সব ছোৱালীৰ [illegible] আহা প্ৰাণীটিৰ মুখৰ পৰা আজি এয়া কি [illegible] পালে— continuation লাগে? আৰু এতিয়া [illegible] মাই বাবে তাই নিজৰ জীৱন আহুতি দিব বিচাৰিছে? তেওঁৰ continuation ৰক্ষা কৰাৰ বাবে তাই নিজৰ যৌৱন আশা আকাঙ্ক্ষা বাঞ্ছা সব অগ্নিত আহুতি দিব বিচাৰে? এয়া কি ৰকম will? will? এৰা will? [illegible] তাই বিচিত্ৰা! তাইৰ মগজুৱে চিন্তা কৰিব পাৰে? তাই [illegible] শিখিছে! — তাই— তাই [illegible] হব পাৰে। [illegible] তাই প্ৰকৃতি! [illegible]! অজানি— অজানি, [illegible] [illegible]। তাইৰ [illegible]! তাইৰ [illegible] [[illegible]] [illegible] পায়!

[illegible]

মাতিলাত— তেওঁ নিজেহে বুজক বহুত বেচি ডাঙৰ। তাইক তেওঁ মৰম কৰে অপৰিমাপ্ত মৰম কৰে। তাইৰ অন্তৰৰ সাইলাখ আয়নাৰ দৰে কোৱা বাবেই তাইক তেওঁ বেছিকৈ মৰম কৰে। সেই বুলি এই অসহজ প্ৰশ্নৰ তাইৰ মগজুৱে কেনেকৈ কিয় আহিল? হঠাতে অ বালিকাক প্ৰকৃতিৰ অকণমানি তেওঁ বিজয়গৰ্ব অনুভৱ কৰেন অনুমান কৰিলে।

তেওঁ বাহিৰত থকি যেনেকৈ থকা অপৰাধীতাৰ ওজন পালেগে। তাইক তুমি বহি তাইৰ চকুমুখ পৰ্যবেক্ষণ কৰি কৰি তেওঁ বুজিবৰ চেষ্টা কৰিলে। তাৰ পাছত কলে তোমাক আমাৰ এনেকুৱা ধৰণেৰে হয়তো ভুল কাৰণো। কিন্তু তুমি কি ভুল কৰিব পাৰিবা নিজ চকুৰে চোৱাকি।

তেওঁ তাইক গছবেৰটোত লাগি থকা ডেচিং আয়নাখনৰ ওচৰলৈ লৈ গৈ তাইৰে সৈতে একেলগে থিয় হৈ ছবি দুখনৰ ফালে আঙুলিয়াই দেখুৱাই বুজালে মোৰ কঁপালৰ কাষৰ বগা চুলি কেইডাল দেখিছা নহয়? তোমাৰ সতেজ চুলিখিনিৰ সৈতে মিলাই চোৱাচোন! মোৰ কঁপালৰ সেই ৰেখাবোৰ, মুখমণ্ডলৰ বলীৰেখা তোমাৰ সুকোমল মুখ-প্ৰত্যংগৰ সৈতে মিলাই চোৱা। আয়নাৰ বশৱৰ্তী হৈ কোনো কাম কৰা উচিত নহয়।

কিন্তু অপৰাধৰ ভাবটো কোনো কথাই নামানি তেওঁৰ বুকুৰ ওপৰত শিলৰ মূৰ্তিটো হেনোই যি তেওঁৰ মানসিক শান্তি থেতেলি দিলে। তাইৰ মুখেৰে নিৰ্দোষ হাঁহি [illegible] কেনেকুৱা হৈছে। মানসিক সুস্থতাৰে শৰীৰ [illegible] পাৰিব। [illegible] প্ৰত্যেক এই [illegible] পাৰো।

[illegible] যাৰ কাৰণেতাই এই বিষয়ে ভাবিলে মোৰ চাকৰি জীৱনৰ [illegible] পৃথিৱী [illegible] যাৰে নিশ্চয় উপযুক্ত পাত্ৰ হিচাপে দিব। [illegible] তেওঁলোকে তোমাক [illegible]

মোৰ [illegible] প্ৰথমে আতংকিত হৈছিল কিন্তু শান্তি হৈ গৈছে।

কি ? অৰ্থাৎ মোৰ অজ্ঞাতে তুমি তোমাৰ মা-দেউতাকো সন্মত কৰাইছা ? তুমি জানানে কি কৰিবলৈ ওলাইছা তুমি ?

জানো। মোৰ মায়ে তেওঁৰ এইকেশ বছৰ বয়সত পঞ্চাশ বছৰীয়া দেউতাক বিয়া কৰোৱাৰ সময়ত যি কৰিছিল মইও সেয়াই কৰিছোঁ। আপুনি নাজানে মোৰ মা দেউতা সুখী !

অৰুণজ্যোতি চিঞৰি খাই উঠিল— মা এইকেশ বছৰীয়া দেউতা পঞ্চাশ বছৰীয়া ? চকু বিস্ময় কৰি তেওঁ উচ্চাৰণ কৰিলে : কি ? তুমি—? কোন তোমাৰ মা ? তোমাৰ দেউতা কোন ? নাম কি তেওঁলোকৰ ? উত্তৰ দিয়া !

অপৰাজিতাই উত্তৰ দিবলৈ অনিচ্ছুক হোৱাত অৰুণজ্যোতিয়ে তাইৰ কান্ধত জোৰেৰে খামুচি ধৰি দাবী কৰিলে অবাধ্য হৈছা কেলৈ ? মই শুনি যাব লাগিব নেকি ? সমস্ত বাধিবা মোক বাধি ৰাখোতা মানুহ পৃথিৱীত নাই। তুমি যদি আঁতৰি যাব নোখোজা মই আঁতৰি যাম।

ভয় খাই অপৰাজিতাই তেওঁৰ কান্ধত খামুচি ধৰি কলে মই আপোনাক কলৈকো যাবলৈ নিদিওঁ। আপুনি যেতিয়া তায়েনাক বিয়া কৰাবলৈ ওলাইছিল তেতিয়া আপুনিও নিজৰ দেউতাকৰ অবাধ্য হৈছিল। সময়ত মই সকলো জনাম।

তুমি তায়েনা নহয় আৰু হব নোৱাৰা। তোমাৰ জীৱনৰ ইতিবৃত্ত জানিলেও বা নাজানিলেও মোৰ কোনো ক্ষতি নহয়। এজন স্কুল শিক্ষকৰ সন্তান হিচাপে মোৰ ওচৰলৈ যি উদ্দেশ্য লৈ আহিছিলা সেই উদ্দেশ্য পূৰণ হৈছে। এতিয়া তুমি উঠি যাব পাৰা [illegible] যোৱা ! আজিৰ পৰা তোমাৰ লগত মোৰ কোনো সম্পৰ্ক নাই।

অসহায় অৰুণজ্যোতি [illegible] যাবলৈ [illegible] অপৰাজিতা [illegible] বাউল হৈ মুহূৰ্ততে [illegible] আহি ধৰি চকুলোৰ বান পেলাই [illegible] কৰিলে "সম্পৰ্ক নাই বুলি আপুনি কেনেকৈ কব পাৰিলে ? কেনেকৈ আপুনি আমাৰ আগতে কিয় কৈছিল যে মই

আপোনাৰ ওচৰতে আহি কথাটো আপুনি [illegible] আপোনাৰ মত মোৰ [illegible] কথাটো বিচাৰিছিলোঁ

'তুমি বিচাৰৰ মতে [illegible] সম্পৰ্ক [illegible] সেই কথা কোৱা নাছিলো


স্বামী স্ত্ৰীৰ সম্পৰ্ক [illegible] সম্পৰ্ক [illegible] বোৱাবে [illegible] কৰি লৈ বিচাৰিছে। সকলো আপোনাৰ [illegible] কেৱল আপোনাৰ [illegible] আ [illegible] আপোনাৰটো মোৰ [illegible] [illegible]

h t up ; you are expecting too much of me!

[illegible] সুবিধা এৰি [illegible] কথা তোমাৰ [illegible] যাতে মোৰ [illegible] সেই [illegible] [illegible] [illegible] কৰাৰ বাবে মই তোমাক ক্ষমা কৰিব [illegible]।

অন্যপক্ষে [illegible] [illegible] [illegible] [illegible] নাথিকিব [illegible] [illegible] [illegible] [illegible] [illegible] থিয় হৈ থাকি [illegible] [illegible] [illegible] পাছতে [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] বুজিব [illegible] [illegible] কিন্তু তাই [illegible] [illegible] বুজি পাব নাপাৰিব [illegible]

[illegible]



আৰু শৰীৰ ভাগৰুৱা হৈ পৰিছে নে?

অপৰাজিতাই যোগেশৰ [illegible] ধৰি ক'লে, "আৰু এটি [illegible] বাৰিকলৈকে আপুনি কেনেকৈ অপেক্ষা [illegible] মিছামিছি লেখিছিল। শৰীৰ হৈ যাব তোমাৰ আপোনাক?"

যোগেশে তাইৰ মুখখন দাঙি ধৰি অলপ সময় চাই থাকিল [illegible] প্ৰেমৰ কণ্ঠেৰে মৃদু স্বৰে ক'লে, "I love you, I love you! তোমাৰ পাছে পাছে ফুৰিছো মই আজি আহিছোঁ, তুমি [illegible] আকাশ বুলি মনা নাছিলোঁ। তোমাক একেটাই বিশ্বাসক মই আছিলোঁ। বাহুৰ মাজত তুমি সোমাই [illegible] পাৰ হৈ এইখিনি আহিলা [illegible] বুজিছোঁ যে তুমি মনৰ মাজ বাচি লৈছা। আহা, [illegible]।"

যোগেশৰ চকু-মুখৰ অসহায় অপৰাজিতাই হঠাৎ বুজিলে। এইবাৰতো যোগেশৰ আবেগ আৰু তাইৰ বোধগম্য হ'ল। তথাপি যোগেশৰ কণ্ঠত প্ৰেমাসক্ত আকৰ্ষণৰ সুৰ [illegible] তাইৰ অনুমান হ'ল। তাই নিশ্চিত হ'ল। অৰুন্ধতিয়ে তাইক খবৰ লৈ আহিল।

পোৱাৰ সময়ত অপৰাজিতাই অৰুন্ধতিৰ মুখত ভাবেৰে এখন চিঠি দিলে, "এইখন পঢ়ি চাওক। মই আৰু [illegible]"

কি এইখন?

"আপোনাৰ প্ৰশ্নৰ উত্তৰ— মোৰ ইচ্ছিত। [illegible] অপৰাজিতাৰ তাইৰ কাণে চাই চাই [illegible] [illegible] ক'লে— "ইচ্ছিতৰ হৈছে মোৰ কোনো [illegible] তোমাৰ হৈছে মোৰ সম্মতি।

"সম্মতি আছে। মই [illegible] [illegible] [illegible] আপোনাৰ [illegible] [illegible] মোক আপোনাৰ [illegible] [illegible]। মোৰ প্ৰেম [illegible] [illegible]

[illegible]

অৰুণজ্যোতিয়ে এখ পূৰ্ণ চাৱনিৰে অপৰাজিতাৰ অৱয়ৱ পৰীক্ষা কৰিব ধৰিলে। তাৰ পাছত মাতিলে হু? অৰ্থাৎ আত্মজীৱনী মই পঢ়িব লাগিব। বহুখনৰ বলি হ মোই যেতিয়া—।

মা আৰু দেউতাৰ কোনো দোষ নাই। তেওঁলোকে মোৰ বাবে ব্যৱস্থা কৰা পাত্ৰক মই অস্বীকাৰ কৰিছোঁ।

এখা! পিছে জীৱনৰ বিয়লি মফচল স্কুল শিক্ষকৰ ভাউ গ্ৰহণকাৰী তোমাৰ দেউতাই ইমান সহজে তোমাৰ ইচ্ছা মঞ্জুৰ কৰিছিলনে ?'

উচপ খাই উঠি অপৰাজিতাই বুজাব বিচাৰিলে আপোনাক সকলো কথা কমাৰলৈকে—।

মনে মনে শুই থাকা। একেশ বছৰীয়া মা আৰু পঞ্চাশ বছৰীয়া দেউতাৰ কথা শুনিয়েই মই বুজিব পাৰিছিলোঁ! এতিয়া পিছে তোমাৰ ভয় খাবলগীয়া একো নাই। তোমাৰ প্ৰেম আৰু [illegible]তৰ গুচৰত মই হাৰ নামানি নোৱাৰিলোঁ। সেয়ে তোমাৰ চাতুৰীক মই ক্ষমা কৰি দিলোঁ। তোমাৰ অমূল্য জীৱনটোতকৈ মোৰ প্ৰতিজ্ঞা ডাঙৰ হব নোৱাৰে।

অপৰাজিতাই টেবুল লাগি চাই থকা দেখি তেওঁ তাইৰ গভ-শিত ধৰি চাহি মাৰি কলে "মুনীৰ চৰিত্ৰ এতিয়াহে মোৰ বোধগম্য হৈছে! আপোনাৰ মৃত্যুৱে মুনীক মোৰ মা ৰূপেৰে ৰূপান্তৰিত কৰিলে। সেয়েহে এই আত্মজীৱনী মই পঢ়িবই লাগিব।

অপৰাজিতা শুই পৰিল। অৰুণজ্যোতিয়ে আত্মজীৱনীৰ পাত লুটিয়াই দেখা পালে তেওঁৰ পৰিচিত নাম দুটা— ডঃ প্ৰকেছৰ জ্ঞানদীপ হাজৰিকা আৰু 'মুনী'! তেওঁ পঢ়ি যাবলৈ ধৰিলে

শীত

[illegible] বাহৰৰ আগ্ৰি [illegible] [illegible] লগে লগে [illegible] পৰিল [illegible] [illegible] [illegible] [illegible] [illegible]।

[illegible] আৰু [illegible]।

মূলতঃ সিদ্ধাৰ্থ ঘৰলৈ উভতিছে। আজি বা এয়াৰপোৰ্টৰ পৰা সিদ্ধাৰ্থই ট্ৰেইন সফাৰ কৈছিল উত্তৰ ভাৰতৰ কোনো এক এয়াৰপোৰ্টলৈ। পঞ্জাৱ আৰু কাশ্মীৰ উপত্যকাত সংঘটিত হোৱা কিছুমান ঘটনাৰ [illegible] যোগ আৰু হীৰা আগ লাব ধৰিলৈ সিদ্ধাৰ্থ ঘূৰি ফুৰিব লগীয়া হৈ ছিল আৰু কোনো বিশেষ কাৰণত সি থাকিবলৈ বাধ্য হ'বলগীয়াও হৈছিল। এইদৰে প্ৰায় তিনিবছৰ কাল সিদ্ধাৰ্থ নিজ ঘৰৰ পৰা আঁতৰি থাকিবলগীয়া হ'ল। সিদ্ধাৰ্থৰ চাকৰিৰ এক ঠাইত স্থায়িত্ব নথকাৰ বাবে ঘৰত যুৱতী পত্নীয়েক মৃণালীৰ অভিভাৱক আৰু পৰিচালক হিচাপে সি তাৰ বিশ্বাসী গুণ্ডা এজনৰ দায়িত্ব দি গৈছিল। এই তিনিটা বছৰৰ ভিতৰত সি ঘৰলৈ কৈ গৈছে তাৰ পৰা টেলিগ্ৰামসহ মৃণালীলৈ চিঠি টেলিগ্ৰাম আদি পঠিয়াই আছিল অথচ সি মৃণালীৰ আজিলৈ কোনো খবৰ পোৱা নাই।

এই তিনি বছৰৰ আগৰ ঘটনা কিছুমানে আজি সিদ্ধাৰ্থৰ মনত পৰিল। তাৰ পত্নী মল্লিকা নাৰী শিক্ষা নাৰী স্বাধীনতা আৰু নাৰী প্ৰগতিৰ হকে কাম কৰি থকা মহিলা সংস্থা এটাৰ এগৰাকী সদস্যা। যদিও তাৰ বিয়া হৈ যোৱা পাঁচ বছৰ পূৰ্ণ হ'ল এতিয়ালৈকে সিহঁতৰ কোনো সন্তান সন্ততি নাই। কিন্তু স্ত্ৰী স্বাধীনতাৰ পক্ষ লয়েও তাৰ পত্নীৰ মৃণালীৰ প্ৰতি কথা কিছুমান ব্যৱহাৰ সি মুঠেই ভালপোৱা নাছিল। সেয়েহে সি মৃণালীৰ বাবে বৰ চিন্তিত হৈ আছে। বৰ্তমান এইকণ বছৰীয়া মৃণালীয়ে এতিয়া বাবে [illegible] লাগিছিল। তাই উচ্চতৰ মাধ্যমিক বিভাগৰ শাখাৰ পৰীক্ষাৰ পৰীক্ষাৰ্থী হৈ থাকোঁতে সি ঘৰ এৰি আহিব বাধ্য লগীয়া হৈছিল। তাৰ পঠিওৱা তালৈ লিখা চিঠিত মৃণালীৰ কোনো খবৰেই তাই নপঠিয়ালে। সেয়েহে সিদ্ধাৰ্থ আজি বৰ অধিৰ!

[illegible]

ভিতৰি সি শিয়ঁৰি উঠিল। এবাৰ তাই কৈছিল: "ককাইদেউ, তিৰোতাৰ শত্ৰু তিৰোতা হোৱা দেখা পালে বৰ বেয়া লাগে। গাঁৱৰ পৰা পঢ়িবলৈ অহা আমাৰ ক্লাছৰ বনলতা নামৰ ছোৱালী এজনীক সম্পত্তিৰ লোভত দুখীয়া মাকে এজন ধনী বুঢ়া মহাজনৰ ওচৰত জোৰজুলুমকৈ বিয়া দিলে। সিহঁত দুখীয়া দৰিদ্ৰ হোৱা বাবে বনলতা কেনেকৈ জগৰীয়া হ'ল? আৰু সেই বুঢ়া মহাজনো হেনো ধুৰন্ধৰ লোক।"

হাঁহি মাৰি সিদ্ধাৰ্থই ক'লে: "ধুৰন্ধৰ হওঁক নহওঁক, সি বুঢ়া। সি মৰি থাকিলে তাই দেখোন বিধৱা হব।"

"কিছুমান ডেকা মানুহো দেখোন সোনকালে মৰে ককাইদেউ? আৰু কেতিয়া কাৰ এক্সিডেণ্ট হয় কোনে জানে? গতিকে বুঢ়া হলেও আপত্তি কৰিব লগীয়া নাই, যদিহে মানুহজন সৎ, গুণী আৰু জ্ঞানী হয়। মাথো ছোৱালীজনী নিজে শিক্ষিতা আৰু অৰ্থোপাৰ্জ্জন সক্ষম হব লাগে।"

"ঐ, কি কৈছ তই? বুঢ়া হলে আপত্তি নাই? তোৰ পাছত মই গুপ্তচৰ লগাম।" হাঁহি হাঁহি ঘূৰি ঘূৰি মুন্নীয়ে ক'লে: "কেলেই? আমাৰ গণিতৰ বাইদেউজনীৰ চফল ডেকা গিৰিয়েক হেনো বিয়াৰ দুবছৰ পাছতেই এক্সিডেণ্টত ঢুকাইছিল। বাইদেউৰ ছোৱালীজনীয়ে নাম কৰি বি, এ, পাছ কৰিছে আৰু বাইদেউৰ দৰে গুণী-শিক্ষয়িত্ৰী আমাৰ কলেজত আন এজনী নাই। ঠিক সেইদৰে অসৎ ডেকা ল'ৰাতকৈ বুঢ়া বা জ্ঞানী প্ৰৌঢ় মানুহো বহুত ভাল।"

মুন্নীৰ বিচাৰ শক্তি দেখি সিদ্ধাৰ্থ আচৰিত হ'ল। আন এদিনাখন মুন্নীয়ে ক'লে: "ককাইদেউ, এটা শোকাবহ ঘটনা শুনা। দুজনী ছোৱালী চহৰৰ সীমাৰ বাহিৰৰ কলেজলৈ আহে। এজনী বৰ সহজ-সৰল, সৎ, নিষ্ঠাৱতী; কিন্তু বৰ দুখীয়া ঘৰৰ জীয়াৰী। আনজনী বৰ চতুৰ, ষ্টাইলিষ্ট আৰু ধনী ঘৰৰ জীয়াৰী। চতুৰ-

জনী সদায় ল'ৰা কিছুমানৰ লগত ঘুৰি ফুৰে আৰু ল'ৰা-ছোৱালীৰ সমান অধিকাৰ, সমান সাহস হ'ব লাগে বুলি বক্তৃতা মাৰি থাকে। পিছে তাই এদিন আবিষ্কাৰ কৰিলে যে দুখীয়া ঘৰৰ সহজ-সৰল ছোৱালীজনীক ওপৰৰ শ্ৰেণীৰ চোকা বুদ্ধিৰ ল'ৰা এজনে ভাল পায়, আৰু দামী দামী বস্তু, কিতাপ পত্ৰ, কলম আদি উপহাৰ দি থাকে, মাজে মাজে চিনেমা দেখুৱায় আৰু দামী ৰেষ্টোৰাত খুৱাবলৈ লৈ যায়। ল'ৰাজনৰ নাম জয়ন্ত। ছোৱালীবোৰৰ মাজত এই কথা জনাজাত হৈ পৰাত চতুৰজনীয়ে এদিন সহজ-সৰল অনিতাক জোকাহি মাৰি ক'লে: "এ, চহৰৰ' ল'ৰাৰ লগত মনে মনে প্ৰেম কৰিছ? পস্তাবি' তোৰ সি কি বিয়া কৰাব চাবি-চোন। এইবোৰ ল'ৰা ঠগ, বুজিছনে নাই?" কিন্তু দেখা গ'ল যে তাই নিজে ক্লাছৰ পাছত সদায় জয়ন্তক লগ ধৰিবলৈ খাপ লৈ থাকে। পিছে এদিন ছোৱালীবোৰৰ আগত তাই জয়ন্তক গুণ্ডা, অসভ্য আদি আখ্যাৰে গালি পাৰিবলৈ ধৰিলে; আৰু জয়ন্তৰ লগ পৰিত্যাগ কৰিব লাগে বুলি অনিতাক সাৱধান কৰি দিবলৈ ধৰিলে। জয়ন্তই কিন্তু অনিতাক সদায় লগ ধৰিবলৈ আছে। এদিন চতুৰজনীয়ে সহজ-সৰল অনিতাক ক'লে যে জয়ন্তৰ মাকৰ এক্সিডেণ্ট হৈছে, আৰু সি এজন বন্ধুৰ ওচৰত হৈ অনিতাৰ বাবে অপেক্ষা কৰি আছে। আঁজলি অনিতাই তাইৰ লগতে জয়ন্তক লগ পাবলৈ গ'ল। কিন্তু তাইক নি চতুৰজনীয়ে এখন সস্তীয়া হোটেলৰ এটা কোঠাত সুমুৱাই দি গুচি আহিল। হোটেলৰ সেই কোঠাটোৰ ভিতৰত কোনোবা দুজন গুণ্ডা সোমাই আছিল। বেচেৰী অনিতাৰ চিঞৰ-বাখৰ আৰু দৰজা খিৰিকিৰ ভাঙৰ ভাঙৰ শব্দ শুনি মানুহ গোট খালে। দুৱাৰ ভাঙি মানুহে ভিতৰ সোমাই গুণ্ডা দুটাক ধৰি পুলিচত দিলে; আৰু জীৰ্ণশীৰ্ণ হৈ পৰি থকা অনিতাক হস্পিতাললৈ পঠিয়ালে। হস্পিতালৰ পৰা কলেজলৈ খবৰ পঠিওৱাত কেইজনমান প্ৰফেছৰ আৰু আমি

কেইজনীমান ছোৱালী লৰি গলোঁ। জ্ঞান ফিৰি আহাৰ পাছত অনিতাই সেহাই সেহাই সকলো কথা ক'লে। কিন্তু চতুৰ ছোৱালীজনী অন্তৰ্দ্ধান হ'ল।"

''অযন্ত ল'ৰাজনে কি কয় ?"

"তাইৰ অৱস্থা দেখি সি কান্দিছে আৰু তাইৰ ওচৰত বহি আছে। সি প্ৰতিশোধ লব আৰু তাইকেই বিয়া কৰাব বুলি কৈ আছে।"

অন্য এদিন সন্ধিয়া বাগিছাত বহি মুন্নীৰে সৈতে চাহ খাই থাকোঁতে তাইৰ উদাসীনতাখিনি লক্ষ্য কৰি সিদ্ধাৰ্থই কি হৈছে সুধিলে। কিন্তু তাইৰ উত্তৰ শুনি সিদ্ধাৰ্থ চকখাই উঠিল : "ককাইদেউ, স্ত্ৰী স্বাধীনতাৰ হৈ কাম কৰি ফুৰা সংস্থাবোৰে কোনো নাৰীৰ অমঙ্গল কামনা নকৰে ; নহয় জানো ?"

'কু ? নাৰীৰ উন্নতিকাৰণী সংস্থাই নাৰীৰ অমঙ্গল কামনা কিয় কৰিব ? এইবোৰ কি ভাবি আছ তই ?"

মুন্নীৰ চিন্তাক্লিষ্ট মুখমণ্ডল অকাৰণতে নিস্তেজ হৈ যোৱা দেখি সিদ্ধাৰ্থই প্ৰশ্ন কৰিলে ; "কি হৈছে মুন্নী ? খুলি কচোন।"

"মোৰ সহপাঠী এজনীৰ গাঁৱৰ এটি শেৰকাৰহ ঘটনা। এজনী নবোৱেকে নিজৰ ননদজনীক ওচৰৰে ব্যৱসায়ী এজনৰ পুতেকলৈ বিয়া দিয়াৰ বাবে সদায় চেষ্টা চলাই থাকে— ননদজনীক মান্তি কৰাবলৈ ফুচুলাই থাকে। এদিন নবোৱেকে তাইৰ সমুখত নতুন টেপৰেকৰ্ডাৰ এটা ৰাখি ক'লে যে তেওঁৰ দূৰ সম্পৰ্কৰ ভায়েক এজনে সেইটো উপহাৰ লৈ আহিছে। এই বুলি ননদজনীক চাহ-জলপান দিবলৈ কৈ নবোকে ওলাই গ'ল। ননদজনীয়ে চাহ-জলপান লৈ আহি বহাকোঠাত সোমাই ব্যৱসায়ীৰ পুতেকক দেখি বিচুৰ্ত্তি খালে আৰু ট্ৰেখন থৈ ভিতৰ সোমাই বাব খুজিলে। কিন্তু ব্যৱসায়ীৰ পুতেকে অট্টহাসা কৰি তাইৰ হাতত খপিয়াই ধৰিলে। তাই অৰ্ত্তনাদ কৰিব বিচৰাত ব্যৱসায়ীৰ

পুতেকে হেনো তাইৰ মুখখন হাতেৰে বন্ধ কৰি ধৰি আছিল এখন দুৱাৰেৰে তাইক উলিয়াই নিবলৈ উদ্যত হ'ল। টনা-আঁজোৰা চলি থাকোঁতে ছোৱালীজনীৰ ককায়েক ক'ৰবাৰ পৰা আহি বাহিৰৰ ফালৰ দুৱাৰত টুকিয়াবলৈ ধৰিলে। ব্যৱসায়ীৰ পুতেকে নিজে দুৱাৰ খুলি দিলে। ভিতৰ সোমায়েই ককায়েকে ভনীয়েকৰ চুলি আৰু কাপোৰ কানি অসংলগ্ন অৱস্থাত দেখি খঙতে ভনীয়েকক চৰিয়ালে। তেতিয়া নবৌয়েকে সোমাই আহি ক'লে যে সিহঁতে ইজনে সিজনক ভাল পায়; গতিকে বিয়া পাতি দিব লাগে। ভনীয়েকৰ কোনো কাকুতি মিনতি, কোনো ওজৰ আপত্তি শুনিবলৈ ইচ্ছুক নহৈ ককায়েকে মন্দিৰলৈ তাইক টানি লৈ গৈ খং আৰু অপমানত জৰ্জ্জৰিত হৈ সিহঁতৰ বিয়া পাতি দিলে। বিয়াৰ দিনা নিশাতেই মদ খাই মাতাল হৈ আহি সি হেনো তাইক বৰ বেয়াকৈ প্ৰহাৰ কৰিছে। এদিন তাই গম পালে যে সি স্মাগ্লিং কৰে আৰু তাৰ জৰিয়তে তাইৰ নবৌয়েকে বহুত বিদেশী বস্তু নিজৰ ঘৰ সুমুৱাইছে। সিহঁতৰ বিয়াৰ দুমাহমান পাছত তাই দেখিবলৈ পালে যে স্মাগ্লাৰে লগত এজনী ছোৱালী ঘৰলৈ লৈ আহিছে; আৰু কেইবাদিন ধৰি সিহঁতৰ ঘৰতেই ৰাখিছে। সেইজনী হেনো কোনো সমাজ-সেৱিকাৰ জীয়েক-স্মাৰ্ট আধুনিকা। স্মাগ্লাৰ সেই ছোৱালীজনীৰ লগত দিনে নিশাই ঘূৰি ফুৰিছে। স্ত্ৰীৰ কোনো ধৰণৰ প্ৰশ্ন সি শুনিবলৈ প্ৰস্তুত নহ'ল। আনকি ছোৱালীজনী গুচি যোৱাৰ পাছত স্মাগ্লাৰে তাৰ স্ত্ৰীক আচুতীয়াকৈ এটা বাহিৰৰ কোঠাত থাকিবলৈ দিলে। এইদৰে এবছৰ পাৰ হৈ গ'ল। সি তাইক পত্নীৰ পৰিৱৰ্ত্তে বান্দী হিচাবহে ৰাখিলে। এদিন হঠাতে স্মাগ্লাৰৰ ঘৰৰ সকলো মানুহ অন্তৰ্দ্ধান হ'ল আৰু পিছদিনাখন আটাইকেইজন উভতি আহিল। কিন্তু উভতি আহিল স্মাগ্লাৰে এটা দ'ৰাৰ ৰূপত আৰু সেই আধুনিকাজনী এটি কইনাৰ ৰূপত।"

"কি? এনেকুৱাও মানুহ আছেনে?"

বেচেৰী ননদজনী সিংহতৰ চাকৰণী। মোৰ সহপাঠীজনীৰ আগত তাই হেনো কান্দি কান্দি সকলো কথা বৰ্ণাইছে। স্মাগলাৰ আৰু তাৰ ঘৰৰ সকলোৱে হেনো তাইক বিয়া কৰাই নিয়া বুলি নকয়, টকাৰে কিনি নিয়া বুলিহে কয়।”

“তাইৰ ককায়েকজনে কিয় আদালতৰ সহায় নললে?”

“বিয়া কৰাই নিয়া কোনো প্ৰমাণ নাই। মন্দিৰত বিয়া পাতি দিওঁতে মাথো ককায়েক আৰু নবৌয়েকহে আছিল। পুৰোহিতটোক স্মাগলাৰে টকাৰে কিনি ৰাখিছিল হবলা। সি গাওঁ এৰি পলাইছে। তদুপৰি গোচৰ তৰিবলৈ ককায়েকৰ টকা নাই। আনহাতে তাইক আৰু কতো বিয়া দিব নোৱাৰিব বুলি ককায়েকে তাইক নিজৰ ঘৰলৈ ঘোতাই নানে।”

“ৰাস্কেল!”

সিদ্ধাৰ্থই দুখ আৰু আশঙ্কাত জঠৰ হোৱাৰ দৰে বহি থাকিল। সি তাৰ পত্নীৰ কথা ভাবিলে— দেউতাকৰ বাধ্যত পৰি সি বিয়া কৰাইছিল। কিন্তু বিয়াৰ পাছতে দেউতাকৰ মৃত্যু হ'ল। তাৰ পত্নীৰ্য কোনো দিনে তাৰ লৈতে খাপ খাব নোৱাৰিলে। নাৰী স্বাধীনতা আৰু নাৰী প্ৰগতিৰ হৈ বক্তৃতা দি ফুৰা তাৰ পত্নীয়ে এইখন ঘৰলৈ দেৱশিশুৰ আগমন পছন্দ নকৰে; ঘৰৰ কোনো কাম বন নকৰে, পাকঘৰৰ ফালে নাযায়; মুন্নী আৰু লগুৱাটোক কেৱল আদেশ দি দি ঘৰত থকা সামান্য সময়খিনিত মহাৰাণীৰ দৰে বহি থাকে। দেউতাকৰ ধনৰ গৰ্ব্বত গৰ্ব্বী হৈ নানান ফেশ্বন কৰি কেইজনীমান আলট্ৰামডাৰ্ণ স্বাধীন নাৰীৰ লৈতে সভা সমিতি পাতি আৰু কথাৰ মহলা মাৰি ঘূৰি ফুৰে। তাৰ পত্নীয়ে নাৰী প্ৰগতিৰ বাবে কি সাংগঠনিক কাম কৰিছে তাকেহে সিদ্ধাৰ্থই বুজি নাপালে। তাৰ দেউতাকে হেনো তাৰ শহুৰেকৰ পৰা কোনো এক বিপদৰ সময়ত কেইহাজাৰমান টকা লৈছিল। সিদ্ধাৰ্থই সেই ধাৰ অলপ অলপকৈ সুঁজিব লগীয়া হোৱাত তাৰ পত্নীয়ে তাক ইতিকিং কৰিছিল। আজিকালি তাৰ

পত্নীয়ে তাইৰ চাকৰি অবিহনে সেইখন ঘৰৰ ষ্টেণ্ডাৰ্ড ধূলিসাৎ হৈ যাব বুলি বঢ়াই কৰিলে সিদ্ধাৰ্থই তাইক স্বাধীন ভাবে পৃথক হৈ থাকিবলৈ পৰামৰ্শ দিয়ে।

কিন্তু সিদ্ধাৰ্থৰ সততা আৰু কৰ্ত্তব্যপৰায়ণতাৰ বাবেই হওঁক বা সিদ্ধাৰ্থক এৰি গুছি গলে বদনাম হোৱাৰ ভয়তেই হওঁক মল্লিকাই সেই ঘৰ এৰিব নোৱাৰে। স্বামীৰ শাৰীৰিক তথা মানসিক সুস্থতা বা অসুস্থতাৰ খবৰ লবলৈ মল্লিকাৰ সময় নাথাকিলেও সিদ্ধাৰ্থই পত্নীৰ খবৰ লয়, তাইৰ চাকৰিটো পোৱাৰ সন্দৰ্ভতো সি যথেষ্ট কষ্ট স্বীকাৰ কৰিছিল; চাকৰিত অসুবিধা হব বুলি হবত লওৱা এটাও ৰাখি দিছে আৰু তাইৰ অসুখৰ সময়ত সি নিজহাতে তাইৰ যত্ন লৈছিল। মল্লিকাই নাৰী প্ৰগতিৰ কৰ্ম্মকৰ্ত্তী সকলৰ ইতিকিঙৰ পাত্ৰী হোৱাৰ ভয়ত সিদ্ধাৰ্থতকৈ ওপৰত অৱস্থান কৰিব বিচাৰে। আচৰন্ত দেউতাকৰ জীয়াৰী মল্লিকাৰ ধনৰ গৰ্ব্বৰ প্ৰতি সিদ্ধাৰ্থ তেনেই উদাসীন হোৱা কথাটোৱে আৰু ঘৰৰ বিপদে আপদেও সি তাইৰ অথবা তাইৰ দেউতাকৰ ওচৰত সহায় নিবিচৰা কাৰ্য্যই মল্লিকাৰ জেদৰ জুইত ঘিউ ঢালে; কিন্তু একো কৰ নোৱাৰি তাই নিজৰ উপাৰ্জ্জনৰ টকা কেৱল নিজৰ পোচাক-পৰিচ্ছদ আৰু প্ৰসাধনৰ সামগ্ৰীৰ নামত খৰচ কৰে। মাজে মাজে নাৰী প্ৰগতিৰ মুখাক্ৰা মহিলা সদস্যা সকলৰ বাবে মল্লিকাই পাৰ্টি দিয়ে।

• • • •

মুন্নীয়ে বৰ্ণনা কৰা তাইৰ সহপাঠী কিছুমান ছোৱালীৰ কাহিনী-বোৰ মনত পৰি পৰি সিদ্ধাৰ্থ অস্থিৰ হৈ পৰিল; অস্থিৰ হৈ পৰিল মুন্নীৰ সহিষ্ণুতা আৰু ধৈৰ্য্যৰ কথা ভাবি। এবা, মুন্নীয়ে কাহানিও নবৌৱেকৰ দুৰ্ব্ব্যৱহাৰৰ বিষয়ে ককায়েকৰ আগত নকয়, বৰং লওৱা-টোৱে গোনে গোনে নকলেও আওপকীয়াকৈ তাৰ আগত মুন্নীয়ে সহি থকা যন্ত্ৰনাৰ বিষয়ে কয়। এদিন দুপৰীয়া ঘৰ সোমাই সিদ্ধাৰ্থই দেখিলে যে ডাইনিং টেবুলৰ ওপৰত মূৰ পেলাই মুন্নী পৰি আছে। তাইৰ দুয়ো হাতত এসোপামান চাৰ্কৰ কেন। আচৰিত হৈ সি তাইৰ

মুৰটো দাড়ি ধৰিলে। সি চক্ খাই উঠিল — মুন্নীৰ গা জুঁইৰ দৰে গৰম। তুৰাৎ-খিৰিকি আৰু ড্ৰেইন চাফ্ কৰি থকা লগুৱাটোক বিড়িয়াই মাতি সি গালি পাৰিলে। লগুৱাটোৱে জনালে যে মল্লিকাৰ শাৰীকেইখন সি নিজে ধুব খুঁজিছিল; কিন্তু তেওঁ হেনো মুন্নীকহে ধুবলৈ আদেশ দি গৈছে — লগুৱাটোৱে ধুলে মল্লিকা সন্তুষ্ট নহয়; মাছৰ তৰকাৰীখন আৰু ভাতখিনি মুন্নীক বান্ধিবলৈ আদেশ দি গৈছে; লগুৱাটোৱে হেনো ভালকৈ বান্ধিব নাজানে। লগুৱাটোৱে কলে: "জ্বৰ উঠা বাবে বাইদেউ কলেজলৈ নগ'ল। মই সেই কথা আইদেউক কৈছিলোঁ। মই সকলো কাম নিজে কৰিম বুলি কৈছিলোঁ। কিন্তু আইদেৱে মোক চৰিয়ালে। ক'লে যে সমান্য গা গৰম হওঁতে জ্বৰ উঠা বুলি কোৱা উচিত নহয়; মই হেনো আপোনাৰ দৰে বাইদেউক আসৈ দি আছো।"

সিদ্ধাৰ্থই মুন্নীক শুৱাই থৈ লগুৱাটোক দৰৱ আনিবলৈ পঠালে। আৰু পাকঘৰত আধাৰন্ধা অৱস্থাত বৈ থকা মাছৰ তৰকাৰীখন আৰু ভাতখিনি বান্ধিলে। মুন্নীৰ বাবে গাখীৰ আৰু ব্ৰেড সাজু কৰিলে। মল্লিকা ভাত খাবলৈ আহোঁতে এখন থৈয়া নথৈয়া ৰণ লাগিল।

মল্লিকাৰ সৈতে সিদ্ধাৰ্থ'ৰ প্ৰায়ে কাজিয়া লাগে। আৰু কাজিয়াৰ দিনাখন তাৰ সম্পূৰ্ণ এটা দিন অপব্যয় কৈ যায়। মাজে মাজে মল্লিকাই ভাত নোখোৱাকৈ ঘৰৰ পৰা ওলাই গুচি যায়। মুন্নীয়ে নবৌৱেৰৰ সৈতে কাজিয়া নকৰিবলৈ ককায়েকক অনুৰোধ কৰে। তাই কয় যে তাই নবৌৱেকৰ সকলোধৰণৰ আলপৈচান ধৰি আনন্দত চলিব পাৰে, পঢ়া শুনাও কৰিব পাৰে। আচাৰস্ত ঘৰৰ ছোৱালী বিয়া কৰাব লগীয়া হোৱা বাবে সিদ্ধাৰ্থ অনুতপ্ত হয়।…

সিদ্ধাৰ্থৰ মনত পৰিল সি ঘৰ এৰি যোৱাৰ আগমুহূৰ্ত্তত ঘটা এটা ঘটনা। তাৰ পত্নী মল্লিকাই প্ৰস্তাৱ দিছিল যে মুন্নীৰ বিয়া হ'ব লাগে; ভাল ল'ৰা এজন আছে। ল'ৰাজন মল্লিকাৰ সম্বন্ধীয় ভাই, সম্পত্তিশীল, স্বাস্থ্যবান ধুনীয়া ল'ৰা; বিশেষ পঢ়াশুনা

নাই যদিও ভাল চাকৰি আছে। সিদ্ধাৰ্থই ল'ৰাজনক মতাই আনিবলৈ পত্নীক পৰামৰ্শ দিলে। কিন্তু যিজন ল'ৰা আহি উপস্থিত হ'ল তাক দেখিয়েই সিদ্ধাৰ্থৰ ভিতৰত ৰোষৰ অগণি জ্বলিল। লগে লগেই ল'ৰাজনক ঘৰৰ পৰা আঁতৰাই পঠিয়াবলৈ সি তাৰ পত্নীক আদেশ দিলে। কাৰণ, সিদ্ধাৰ্থ নিজে 'কাষ্টম' বিভাগত কাম কৰে, আৰু সেই ল'ৰাজনক কোনো এক স্মাগ্‌লাৰৰ হৈ চোৰাং বস্তু অপহৰণ কৰি থকা সময়ত সি এবাৰ ধৰিছিল। সি তাক জেললৈ পঠিয়াবৰ বাবে উদ্যত হৈছিল ; কিন্তু কাষ্টম বিভাগৰ অইন কিছুমানে তাক ৰক্ষা কৰিলে। পত্নীৰ দায়িত্বজ্ঞানৰ অভাৱ কাৰণে সিদ্ধাৰ্থই ঘৰ এৰি গুছি যোৱাৰ সময়ত তাৰ সম্বন্ধীয় বিশ্বাসী খুড়ায়েক এজনক মুন্নীৰ ৰক্ষনাবেক্ষনৰ বাবে নিজৰ ঘৰত ৰাখি থৈ গৈছিল।

সিদ্ধাৰ্থই বেগাবেগীকৈ খোজ ললে। হঠাতে এখন বৃহৎ ঘৰৰ সন্মুখত মুন্নী ক'ৰবাৰ পৰা দৌৰি আহি তাক সাৱটি ধৰি কান্দিবলৈ ধৰিলে। হতভম্ব হৈ সি চুটকেছটো মাটিত থৈ মুন্নীক আকোঁৱালি লৈ ঘৰখনৰ ফালে চালে। এইখন দেখোন প্ৰফেছৰ জ্ঞানদীপ হাজৰিকাৰ ঘৰ ! লোহাৰ গেটখনত তাঙৰ নেমপ্লেট এখন লগাই থোৱা আছে ; লগুৱা নতুবা দাৰোৱান এটাও থিয় হৈ আছে। প্ৰফেছৰ জ্ঞানদীপ তাৰ এসময়ৰ শিক্ষক আছিল। দেৱতাৰ দৰে স্বভাৱ চৰিত্ৰৰ এই প্ৰফেছৰজনক তাৰ ঈশ্বৰ যেন লাগিছিল। কিন্তু মুন্নী এইখন ঘৰৰ পৰা কিয় ওলাই আহিল ? তাই ইমানকৈ কান্দিছে কিয় ? মুন্নীক জোকাৰি জোকাৰি সুধিও সি কোনো উত্তৰ নাপালে। মাথোন তাই তাৰ গাত খামুচি ধৰি ঢাকুৰি ঢাকুৰি কান্দিলে। অৱশেষত তাই সুস্থিৰ হ'ল ; আৰু ঘৰখনৰ ভিতৰলৈ তাক হাতত ধৰি মাতি লৈ গ'ল। গেটৰ ভিতৰ সোমাওঁতে দাৰোৱানটোলৈ চাই কন্দাৰ মাজতে হাঁহি মাৰি তাই কলে : "মোৰ ককাইদেউ !"

ভিতৰত বহি সিদ্ধাৰ্থই চাৰিওফালে চকু ফুৰাই চালে। এই ঘৰখন আগেযে সি বাহিৰৰ পৰাহে দেখিছিল। আশ্চৰ্য্যৰ মাজত সি মুন্নীক সুধিলে: "তই মোক বিয়োৰত লগাইছ মুন্নী। তিনিবছৰ পাৰ হৈ গ'ল। তই মোলৈ কিয় একো খবৰ নপঠিয়ালি? তোলৈ কিমান চিঠি দিলোঁ, টেলিগ্ৰাম পঠিয়ালোঁ; বিদেশৰ ঘড়ী পঠিয়াই দিলোঁ। তই এইখন ঘৰলৈ কিয় আৰু কেনেকৈ আহিলি? এইখন দেখোন এসময়ৰ মোৰ ছাবৰ ঘৰ!"

"ককাইদেউ, তুমি পঠোৱা কোনো বস্তু মই দেখা নাই। আৰু এইখন ঘৰ আৰু এইজন ঈশ্বৰৰ তুল্য মানুহ নাথাকিলে আজি তুমি মোৰ অস্তিত্ব নেদেখিলাহেঁতেন।"

"মুন্নী! এইবোৰ কি কৈছ তই? ঘৰত কি হৈছিল? কোনে তোৰ অস্তিত্ব নাইকিয়া কৰিব খুজিছিল?"

সিদ্ধাৰ্থৰ চকুমুখ বিবৰ্ণ হ'ল। মুন্নী সচেতন হৈ পৰিল; আৰু খপ্‌কৈ কলে: "মই প্ৰায়ছ্বৰক মাতি লৈ আহোঁ ককাইদেউ!"

"নহয়! আগতে তই ক তোৰ কি হৈছিল। খুড়া ঘৰত নাছিল নেকি? নবৌৰেৰাই তোৰ কি কৰিছিল?"

সিদ্ধাৰ্থৰ মুখৰ ভাষা কঁপি কঁপি গ'ল। হতাশা আৰু নৈৰাশ্যই তাৰ অৱয়ব যেন এডাৱৰ দৰে ক'লা কৰি পেলালে। মুন্নী অপ্ৰস্তুত! নবৌৰেকৰ দুষ্কাৰ্য্যৰ কথা শুনিলে ককায়েক যে মানসিক ভাবে যন্ত্ৰনাগ্ৰস্ত হৈ পৰে সেই কথা তাই জানে; তাই নীৰৱে ৰ'ল। কিন্তু সিদ্ধাৰ্থ অস্থিৰ হৈ পৰিল; সি তাইৰ মুখটো টানি লৈ থোকাথুকি মাতেৰে সুধিলে: "মুন্নী, সকলো কথা মোক খুলি-ভাঙি ক। মই নবৌৰেৰাক লৈ ফালৰি কাটি থোৱা তই জানো কাহানিবা দেখা পাইছিলি? তই যদি নকর মই ধৰি লম যে তই মনে মনে মোক ঘৃণা কৰ।"

"ককাইদেউ, মই সদায় লোহাৰ গেটখনৰ ওচৰত থিয় হৈ তুমি আহিবা বুলি আশাপালি থাকোঁ।"

"তেন্তে সকলো কথা নিজে যে কৈ দে। মই এইবাৰ উচিত ব্যৱস্থা হাতত লম।"

এইবাৰ মুন্নীয়ে সাহসেৰে কবলৈ ধৰিলে: "তোমাৰ আশীৰ্বাদত মই কথমপি ৰক্ষা পৰিছোঁ ককাইদেউ। তুমি গুছি যোৱাৰ এমাহ পাছতে আমাৰ ঘৰলৈ নবৌৰ মাক আৰু এজন সম্বন্ধীয় ভায়েক আহিছিল। সেই ভায়েকজনক মই আগেয়ে কেতিয়াও দেখা নাছিলোঁ। মাকজনী আহিয়েই ঘৰৰ সমস্ত দায়িত্ব হাতত ললে। নবৌ প্ৰায়ভাগ সময় বাহিৰত সভা সমিতিত ব্যস্ত থাকে। মাথোন নিশাৰ ভাগতে ঘৰলৈ ঘুৰি আহে। লগুৱাটোক ৰাখিবলৈ টকা নাই বুলি নবৌয়ে তাক বিদায় দিলে। মই অকলশৰীয়া হ'লোঁ; কাৰণ সিহে বহুত সময়ত মোৰ সহায়ত আহিছিল। মই ঘৰৰ সমস্ত কাম-বন কৰিব লগীয়াত পৰিলোঁ। নবৌয়ে কৈছিল যে তুমি হেনো বিদেশৰ পৰা ঘুৰি আহি ক'ত ঘুৰি ফুৰিছা তেওঁ নাজানে। তুমি হেনো টকা-পইছা পঠিয়াবলৈ এৰি দিছিলা।"

সিদ্ধাৰ্থই মাতিলে: "হু? মোৰ মানিঅৰ্ডাৰবোৰ নৈ মাক আৰু ভায়েকৰ সন্মুখত চাকৰি আৰু পঁজিছনৰ দাম বঢ়োৱা নাইতো।"

"কাম-বন কৰাত মোৰ আপত্তি নাছিল। নিশাৰ ভাগত হলেও পঢ়িবলৈ সময় উলিয়াইছিলোঁ। কিন্তু খুড়াদেউৰ সন্মুখত নবৌয়ে সদায় ঘৰৰ অভাৱ-অভিযোগৰ কথা বলকি থাকে, খোৱা-লোৱাবোৰ খুড়াদেউক ভালদৰে নিদিয়ে। খুড়াদেৱে মোৰ বাবে সকলো সহি আছিল। কিন্তু নবৌয়ে এদিন খাটাংকৈ কৈ দিলে যে তেওঁ আৰু কেৱল নিজৰ উপাৰ্জনেৰে ঘৰ চলাব নোৱাৰে; খুড়াদেৱে নিজ ঘৰলৈ গুছি যোৱা উচিত। মনত আঘাট পাই বৃদ্ধ খুড়াদেৱে মোক মোৰ কোনোবা বন্ধুৰ ঘৰত থাকিবলৈ পৰামৰ্শ দি গুছি গ'ল। তাৰ পাছত নবৌয়ে মোক তেওঁৰ সেই ভায়েক-টোৰ লগত বিয়া সোমাবলৈ বাধ্য কৰিবলৈ ধৰিলে। ভায়েকটোৱে

প্ৰত্যেক দিন ঘৰৰ পৰা ওলাই গৈ সন্ধিয়া পৰত্ত মদ খাই ঘূৰি আহে আৰু মোক আগচি ধৰি তাৰ ওচৰত বহিবলৈ বাধ্য কৰি থাকে। মই নবৌক এইবোৰ ভালপোৱা নাই বুলি কোৱাত নবৌ মোৰ প্ৰতি কঠোৰ হবলৈ ধৰিলে, কখলৈ ধৰিলে যে মইহে হেনো ড্ৰাইভাৰ ভায়েকটোক ভেনেবুৰা কৰিলোঁ। মই নবৌক বুজাব নোৱাৰিলোঁ; মই হেনো কলেজত পঢ়ি অযথা টকা পইচা খৰচ কৰি আছোঁ। মোৰ পৰীক্ষাৰ ফৰ্মফিলআপৰ বাবে মোৰ বান্ধৱী অনুপমাৰ পৰাহে মই টকা ধাৰ লৈছিলোঁ।

"পৰীক্ষাৰ বাবে নাম পঠোৱাৰ দিনাখন কলেজৰ পৰা উভতি আহি দেখো যে নবৌৰ মাকজনীয়ে মোৰ কিতাপ পত্ৰবোৰ খিৰিকিৰে বাহিৰলৈ দলিযাই পেলাই আছে। মই মনৰ দুখত সেইবোৰ গোটাই আনিলোঁ, কিন্তু চাহ খাম বুলি পাকঘৰলৈ যাওঁতে চেনী নাই বুলি মাকজনীয়ে মোক পাকঘৰ সোমাব নিদিলে। মই খং কৰি ক'লোঁ যে এইখন মোৰ দেউতা আৰু ককাইদেউৰ ঘৰ, মোক চাহ খাবলৈ বাধা দিয়াৰ বাবে আন মানুহৰ অধিকাৰ নাই। মই জোৰকৈ সোমাই চাহ কৰি খালোঁ। কিন্তু নিশা নবৌয়ে মোক ইমান কটুৱা কথা শুনালে যে মই ভাত নোখো-ৱাকৈ কান্দি কান্দি শুই থাকিলোঁ।

"পিছদিনাখন বৃত্তিৰ টকা আনিবলৈ গলোঁ। অনুপমাৰ ধাৰ পৰিশোধ কৰি ঘূৰি আহি ঘৰ সোমাই দেখোঁ যে ঘৰত কোনো নাই। মই ভবি হাত ধুই পাকঘৰত সোমালোঁ। হঠাতে কোনোবাই মোক আগচি ধৰিলে, দেখোঁ যে নবৌৰ সেই মদাহী ভায়েকটো। তাক মই আঁতৰি যাবলৈ নিৰ্দ্দেশ দিলোঁ; কিন্তু সি মোৰ হাত এখনত ধৰি টান মাৰিলে। মই হাতখন আঁজুৰি আঁজুৰি নবৌক চিঞৰিলোঁ; কোনো আগবাঢ়ি নহা দেখি মই কোনোমতে আনখন হাত মেলি কাঁচৰ গিলাচ এটা টানি ললোঁ আৰু তাৰ মুখলৈ মাৰি পঠিয়ালোঁ। পাতল আয়নাৰ গিলাচ

দাড়ি তাৰ কঁপাল আৰু গালত কাটিলে। মই দৌৰি বাহিৰ ওলাই পদূলি মুখত থিয় হলোঁগৈ। এন্ধাৰ হোৱাৰ পাছত নবৌহঁত আহিলত মইও মোৰ কোঠাত সোমালোঁ। কিন্তু নবৌৱে মোক আক্রমণ কৰি ক'লে: "এইখন তোৰ ককায়েৰৰ ঘৰ হব পাৰে, কিন্তু ভনীয়েকতকৈ পত্নীৰ অধিকাৰ বেছি। মোৰ মা আৰু ভাইক অপমান কৰি, অত্যাচাৰ কৰি তই ভাল কাম কৰা নাই।"

মই প্রতিবাদ কৰি কলো: "নবৌ, মই মাথো নিজক ৰক্ষা কৰাৰ বাবে প্রতিৰোধ কৰিছিলো, মই কাকো অপমান কৰা নাই।"

"এৰা। প্রতিৰোধ। কিন্তু শুন, তোৰ ককায়েৰে তোৰ পঢ়া খৰচ যোগোৱা দূৰৰ কথা, ঘৰখনৰ বাবেও কোনো পইচা-পাতি পঠিওৱা নাই। এইখন ঘৰ যদি মোৰ উপাৰ্জনেৰে চলিব লাগে, তেন্তে তইও মোৰ সিদ্ধান্তমতে কাম কৰিব লাগিব। তই জীতুৰ সৈতে বিয়া হব লাগিব। তাক অস্বীকাৰ কৰি কৰি মদ খাবলৈ তইহে বাধ্য কৰি আছ।"

"নবৌ, তুমি নাৰী জাতিৰ মঙ্গল কামনা কৰা। মোৰ দুখ তুমি বুজিবা বুলি আশা কৰিছিলোঁ।"

"নাৰী স্বাধীনতাৰ অজুহাত দেখুৱাই তই মোক ব্লেকমেইল কৰিবলৈ চেষ্টা নকৰিবি। এইখন ঘৰত মই তোৰ ককায়েৰৰ মই-মতালিৰ বাবে বহুত সহিব লগীয়া হৈছে। পত্নীৰ যে এটা স্বাধীন মন আছে তাক তোৰ ককায়েৰে কেতিয়াও স্বীকাৰ নকৰিলে। মই যদি ঘৰৰ কোনো কথাত অংশগ্রহণ কৰিব নোৱাৰো তেন্তে মোক বিয়া কৰায় লাগিছিল কেলেই? মোৰ দেউতাৰ পৰা টকা খাব লোৱাৰ বিনিময়তহেনে? দেউতাই টকা খাব দি ইমান সহায় কৰাৰ পৰিণাম এয়াইনে? দেউতাৰ ছোৱালী হৈ মই দুর্ভোগ ভুগিব লাগে?"

"নবৌ, ককাইদেৱে তোমাক ভাল পায়। তোমাৰ ইচ্ছাৰ বিৰুদ্ধে মই জনাত ককাইদেৱে কোনো কাম কৰা নাই। ঘৰুৱা কাম-কাজৰ পৰাও তোমাক অব্যাহতি দিছে।"

" এটা লগুৱা ল'ৰা ৰাখি দিলেই স্বাধীনতা দিয়া সুবুজায়। নাৰী হিচাবে এইখন ঘৰত মইও সন্মান পাব লাগে। নাৰী হৈ তইও এইখন ঘৰত মোৰ সন্মান আৰু অস্তিত্ব ধূলিসাৎ কৰিবলৈ ওলাইছ।"

" মই তোমাৰ কি সন্মান ৰক্ষা কৰা নাই নবৌ ? মই দেখোন নিজ ঘৰতেই নিজক ৰক্ষা কৰাৰ বাবে এতিয়া – ।"

"জীতুৰ লগত তোৰ বিয়াৰ প্ৰস্তাৱ মই ককায়েৰক দিছিলো, ককায়েৰে মোৰ প্ৰস্তাৱক গ্ৰাহ্য নকৰিলেই, জীতুকো অপমান কৰি খেদি পঠিয়ালে। এতিয়া মোৰ প্ৰতিশ্ৰুতিক তইও সন্মান কৰিব জনা নাই। ককায়েৰ উন্নতি অহাৰ আগেয়ে তোৰ বিয়া হব লাগিব।"

"নবৌ, মোৰ একমাত্ৰ ককাইজনক আঁতৰ কৰি তুমি মোৰ বিয়া পাতিব নোৱাৰা। ন্যায়-অন্যায় বিচাৰ কৰি চোৱা নবৌ।"

"জীতুক মই কথা দিছো। বিয়া হবলৈ যদি আপত্তি আছে জীতুৰ চকুৰ আগৰ পৰা আঁতৰি আন কৰবাত থাকগৈ। এইখন ঘৰত নহয়।"

"নবৌ, মই তোমাক কাকুতি কৰিছো, ককাইদেউক উন্নতি আহিবলৈ দিয়া।"

"কিন্তু নবৌ উচাত্ মাৰি গুচি গ'ল। মনৰ দুখত মই বাৰান্দাত বহি থাকিলো। কিন্তু কন্তেক পাছত দুৱাৰখন বন্ধ হৈ গ'ল। ভিতৰ সোমাবলৈ বুলি মই বহুত সময় ধৰি দৰজা খুলি দিবলৈ অনুৰোধ কৰিলো; সিহঁতে দৰজা খুলি নিদিলে। নিশা প্ৰায় এঘাৰমান বজাত সকলোবোৰ লাইট নুমাই গ'ল। মোৰ ভয় লাগিবলৈ ধৰিলে। এনেতে ভিতৰৰ পৰা নবৌৰ এষাৰ কথা আহি ঠেহৰকৈ মোৰ কাণত বাজিল : "ভাই ক'লৈ যাব ? দেখিবিচোন। বাধ্য হৈ ভাই বিয়া হবলৈ মান্তি হব। নহলে তই তোৰ উপায় অবলম্বন কৰিবি। অকঁৰাব দৰে পিছ হুহকি নাথাকিবিচোন।"

"জিকাৰ খাই উঠি মই পদূলিলৈ ওলাই আহিলোঁ। কিন্তু ক'লৈ যাম? গেটৰ ওচৰতে বেৰত আউজী বহি পৰিলোঁ। কিন্তু কন্তুক পাহতে গেটখন খোল খোৱা যেন পাই এন্ধাৰ পোহৰৰ মাজতে দেখো যে নবৌৰ ড্ৰায়েকটোৱে কুটিল চাহি মাৰি মোৰ ওচৰত থিয় হৈছেহি। এই চেগতে মই থিয় হৈ ঘৰৰ ফালে পিছুৱাই গৈ দৌৰ মাৰি ড্ৰইংৰুমৰ ভিতৰ সোমালোঁ। মোৰ কোঠাত সোমাব বিচাৰি দেখো যে মোৰ কোঠাৰ দুৱাৰত তলা লগোৱা আছে। আনবোৰ কোঠা ভিতৰৰ পৰা বন্ধ। ড্ৰইংৰুমত গুণ্ডাটোৱে মোক খুচুলাবলৈ মৰমসনা কথা কৈ কৈ মোক ধৰিবলৈ চেষ্টা বিচাৰি আছে। মই চোফা, মেজ আদি তাৰ ফালৈ বগৰাই দি দি ঘূৰি ঘূৰি আত্মৰক্ষাৰ উপায় চিন্তিলোঁ। সেইঘৰত আৰু মোৰ নিৰাপত্তা নাই দেখি চকুৰ পলকতে ফুলদানি এটা খামুচি ধৰি তাৰ চকুলৈ মাৰি পঠিয়ালোঁ, আৰু বাহিৰ ওলাই দৌৰিলোঁ। বাহিৰত ইতিমধ্যে বৰষুণ পৰিছিল। তথাপি মোৰ বান্ধৱী অনুপমাৰ ঘৰলৈ গৈ তাইক জগাই লৈ তুমি উভতি অহালৈ তাইৰ লগত থাকিম বুলি মুহূৰ্ত্ততে ঠিক কৰিলোঁ। গুণ্ডাটো মোৰ পাছে পাছে খেদি আহিছে। কিন্তু হঠাতে গাড়ী এখন গুণ্ডাটোক পাৰহৈ আহি মোৰ ওচৰ পোৱাত মই ৰাস্তাৰ দাঁতিলৈ একাষৰীয়া হৈ যাব খুজিলোঁ। কিন্তু উজুটি খাই মই পৰি গলোঁ। গাড়ীখনৰ ভিতৰৰ পৰা এজনী ছোৱালী আৰু মানুহ এজন নামি মোক তুলি গাড়ীৰ ভিতৰত বহুৱালে। মই ঠাণ্ডাত কঁপি থকা দেখি ছোৱালীজনীয়ে খ'ল এখন মোৰ গাত মেৰিয়াই দি তিতা শাৰীখন আঁতৰাই দিলে। তেওঁলোকে মোক মোৰ ঘৰত থৈ আহিবলৈ ঠিকনা খুজিলে। মই কান্দিবলৈ ধৰিলো আৰু ঘৰত থৈ আহিলে মোৰ মৃত্যু হব বুলি ক'লো। তেওঁলোকে মোক ইয়ালৈ লৈ আহিল। সেয়া আছিল প্ৰফেছৰ জ্ঞানদীপ হাজৰিকা আৰু তেওঁৰ ভনীয়েক জ্যোতিৰূপা। জ্যোতিৰূপাই

কলে যে মই এইখন ঘৰক নিজৰ ঘৰৰ দৰে ভাবি থাকিব লাগে। প্ৰফেছৰে কলে যে পৰীক্ষা দিবলৈ ওলোৱা ছোৱালীজনী পৰীক্ষা নিদিয়াকৈ থাকিব নোৱাৰে। জ্যোতিয়ে তাইৰ কিতাপ-পত্ৰ কিছুমান আনি মোৰ হাতত দিলে, বিয়া হৈছে যদিও জ্যোতি স্নাতক মহলালৈ উঠিছিল। প্ৰফেছৰে মোৰ নামটো ট্ৰেন্সফাৰ কৰোৱাই ইয়াৰ ওচৰৰ কলেজ এখনলৈ লৈ আহিল। মই পৰীক্ষা দিলো; আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হলো। উৎসাহিত হৈ প্ৰফেছৰে মোক বি, এচ, চিত নাম লগাই দিলে, আৰু এতিয়া মই বি, এচ, চিৰ শেষ পৰীক্ষা দি আঁতালো। এই তিনি বছৰৰো অধিক কাল জ্যোতি আৰু তাইৰ ককায়েকে মোক নিজৰ মানুহৰ অভাৱ অনুভৱ কৰিব দিয়া নাই। কিন্তু ককাইদেউ, তোমাক হেৰুওৱাৰ দুখত মই কান্দিবলৈ বাধ্য হওঁ।”

সিদ্ধাৰ্থ থিয় হৈ মুন্নীক আকোঁৱালি লৈ থোকাথুকি মাতেৰে কলে: “মুন্নী, ব'ল ঘৰলৈ যাওঁ। মই সিহঁতক এটা এটাকৈ খেদিম। মই তাইক ডাইভোৰ্চ কৰিম।”

“নহয় ককাইদেউ, নবৌৱে তোমাক ভয় কৰে; তেওঁৰ এদিন ভুল ভাঙিব।”

[ছয়]

জ্যোতিৰূপাই “মুন্নী, কাৰ লৈতে কথা পাতিছা?” বুলি মাতি মাতি সোমাই আহিল। বিবাহিতা ছোৱালী এজনী দেখি সিদ্ধাৰ্থই মুন্নীক এৰি দি নমস্কাৰ জনালে। মুন্নীয়ে চিনাকী কৰি দিয়াৰ পাছত জ্যোতিয়ে মুন্নীক কলে:

“মুন্নী, ককাইদেৱে ফাইল এটা বিচাৰি আছে; তোমাক মাতিছে।” আনন্দিত মুন্নী দৌৰ মাৰি ভিতৰ সোমাই গ'ল। সিদ্ধাৰ্থক বহিবলৈ কৈ জ্যোতিয়ে কলে:

"মুন্নীয়ে অনৰ্গল আপোনাৰ কথাকে কৈ থাকে; প্ৰায় প্ৰত্যেক দিনে গেটৰ ওচৰলৈ গৈ ইফালে সিফালে চাই থাকে। মুন্নীক ভুভুৱাবলৈ ককাইদেৱে যে কিমান নাটক কৰিব লগীয়া হয়! কিন্তু তাইৰ দুৰ্ভাগ্য আমাৰ বাবে সৌভাগ্য হৈ পৰিল। তাই এইখন ঘৰৰ বাবে অপৰিহাৰ্য্য হৈ পৰিছে।'

সিদ্ধাৰ্থই মুন্নীক নিজ ঘৰলৈ লৈ যোৱাৰ প্ৰস্তাৱ দিয়াত উচপ খাই উঠি জ্যোতিয়ে কন্তেক তভক মাৰিলে। তাৰ পাছত ঠেৰাগেৰাকৈ ক'লে: "মুন্নীক লৈ যাব? কিন্তু— কিন্তু তাই কলেজলৈ গৈ আছে, তাইৰ কিবা বিপদ হব বুলি ভাবি ককাইদেৱে ডিপাৰ্টমেন্টলৈ যোৱাৰ সময়ত তাইক নিজেই গাড়ীৰে কলেজত থৈ যায় আৰু অহাৰ সময়ত লৈ আহে।"

এনে উশাহতে কথাখিনি কৈ মানুহজনী যেন কোনো এক অজান ভয়ত শেঁতা পৰি গ'ল; চকু মুখৰ চেহেৰা নিস্তেজ হৈ পৰিল। আচৰিত হৈ সিদ্ধাৰ্থই সুধিলে:

"কি হ'ল? আপুনি অসুস্থ নেকি?"

সেপাহকি জ্যোতিয়ে কলে: "মুন্নীয়ে মোৰ ককাইদেউক জীয়াই ৰাখিছে। নবৌৰ শোকাবহ মৃত্যুৰ পাছত এইখন ঘৰত সূৰ্য্যৰ কিৰণ পৰা নাছিল। ককাইদেউৰ বিয়াৰ এবছৰ নৌ হওঁতেই আকস্মিক দুৰ্ঘটনাত নবৌৰ জীৱন বন্তি নুমাই গ'ল। দুবছৰ পাছতেই মা আৰু দেউতাইও আমাক এৰি গুচি গ'ল। মই ককাই-দেউক পুনৰ বিবাহ কৰাবলৈ খুতুৰি থকা স্বত্বেও ভাল ল'ৰা এজন পাই মোকহে জোৰকৈ বিয়া দি দিলে। ককাইদেউ তেতিয়াই অকল শৰীয়া হ'ল। নিশাৰ পাছত নিশা উজাগৰে থাকি লিখা-পঢ়া কৰি কৰি নিঃসঙ্গ জীৱনটোক তিল তিলকৈ আগুৱাই নিবলৈ ধৰিলে। চাকৰ-নাকৰবোৰে বাছিবাচিহে দিয়ে; যত্ন সহকাৰে পৰিচৰ্য্যা কৰিব নাজানে। মোৰ বিয়াৰ পাছত ককাইদেউৰ স্বাস্থ্যৰ অৱনতি হ'ল। মই কি কৰিম? কোনফালে চাম? মই মাথো ঈশ্বৰক সকলো সমৰ্পণ

কৰি দিছিলোঁ। কিন্তু ঈশ্বৰে মুন্নীক পঠিয়াই দিলে — শান্তিদূত হিচাবে। মুন্নীয়ে ঘৰখন উজ্জ্বলাই ৰাখিছে। ককাদেউৰ স্বাস্থ্য ভাল হ'ল, হাঁহি-ফুৰ্তি কৰা হ'ল, ফুৰাচকা কৰা হ'ল; নিশা ভালদৰে শোৱা হ'ল। এতিয়া মুন্নী গুছি গ'লে যে আকৌ — ।"

"বুজিছো। ছাৰৰ জীৱনৰ বাবে মোৰ মুন্নী অপৰিহাৰ্য্য হৈ পৰাটো মোৰ বাবেই গৌৰৱৰ কথা। কিন্তু তাই নিজৰ ঘৰ এৰি সদায় ইয়াত কেনেকৈ থাকিব? তাইৰ বিয়া হব লাগিব নহয়।"

"এৰা।" বুলি জ্যোতিয়ে হুমুনিয়াহ ছাৰিলে। প্ৰফেছৰ জ্ঞানদীপ আৰু পাছে পাছে মুন্নী সোমাই আহিল। সিদ্ধাৰ্থই থিয় হৈ নমস্কাৰ দিলে। প্ৰফেছৰে সিদ্ধাৰ্থক নিৰীক্ষণ কৰি কৰি উচ্চাৰণ কৰিলে: "তুমি—। তুমি—! সিদ্ধাৰ্থ নহয় জানো?"

"হয় ছাৰ!"

"অৰ্থাৎ তুমিহে মুন্নীৰ ককায়েক। বহা, বহা। মুন্নীযে ককায়েকৰ নাম সিদ্ধাৰ্থ বুলি কৈছিল। কিন্তু তুমি হবা বুলি মোৰ খেয়ালেই নাছিল। তোমাক বহুত বছৰ ধৰি দেখা নাই নহয়। এৰা, কিছুমান দুৰ্ঘটনাও মঙ্গলজনক হৈ পৰে। মুন্নী. ককায়েৰাৰ বাবে খোৱাৰ দিহা কৰিবলৈ কোৱাগৈ। অ' তুমি হেনো ঘৰ পোৱাগৈ নাই; ভাতকে খাবা। এতিয়া দুপৰীয়া দুই বাজিছে।"

" নহয় ছাৰ, ডেৰঘণ্টামান আগেয়ে মই কলিকতাতে খোৱালোৱা কৰি আহিছোঁ।"

"অৰ্থাৎ তুমি প্লেইনত আহিলা। বাৰু অইন কিবা বস্তু খাবা।"

মুন্নী ভিতৰ সোমাই গ'ল। ককায়েকৰ ফালে চাই জ্যোতিয়ে ক'লে: "মুন্নীক লৈ যাব খোজে ককাইদেউ!'

অকস্মাত কথাষাৰ শুনাৰ বাবে হয়তো প্ৰফেছৰ উচপ্‌খাই উঠিল; জ্যোতিৰ দৰেই মুহূৰ্ত্ততে তেওঁৰ মুখমণ্ডল বিবৰ্ণ হৈ পৰিল। কিছু-সময় ধৰি মৌন হৈ থাকি তেওঁ অৱশেষত আড়ষ্টভাবে ক'লে: "মুন্নী বৰ ভাল ছোৱালী। মানুহক বশ কৰিবও জানে; নিজে মৰম লবও

জানে। আচলতে মুন্নীৰ হাতৰ স্পৰ্শত মোৰ ঘৰৰ বেৰবোৰ, বাগিছাৰ গছ-গছনিবোৰ, সকলো জীৱন্ত হৈ উঠিছে। তুমি মহান, সিদ্ধাৰ্থ; তুমি এজনী অনন্যা ছোৱালী গঢ় দি তুলিছিলা। লৈ যোৱা বাৰু; কিন্তু মাজে মা'জে আহিবলৈ দিবা।" প্ৰবেছৰৰ ভৰি চুই প্ৰণাম কৰি সিদ্ধাৰ্থই ক'লে:

"ছাৰ নিৰাশ্ৰয়া মুন্নীৰ জীৱন ৰক্ষা কৰি আপুনি মোক মহাপাপৰ পৰা উদ্ধাৰ কৰিলে। এই ঋণ মই কেতিয়াও পৰিশোধ কৰিব নোৱাৰো। মুন্নীয়ে আপোনাৰ ঘৰত স্বৰ্গসুখত আছে, আপুনি তাইক কলেজৰ শিক্ষাও দিছে। মুন্নীৰ লগতে মইও আজীৱন আপোনাৰ সেৱক হৈ থাকিম। তাই যেতিয়াই মন কৰে, আপুনি যেতিয়াই বিচাৰে তাই আপোনাৰ ওচৰলৈ আহি থাকিব। আনকি তাইৰ বিয়া হলেও এই কথা মই তাইৰ গিৰিহঁতৰ লৈতে বুজাপৰা হৈ ল'ম। কিন্তু ছাৰ, মোৰ বৰ্ত্তমানত এতিয়া মই কেনেকৈ তাইক ইয়াত এৰি থৈ যাওঁ?"

মুন্নীয়ে চাহ-জলপান আনি ককায়েকৰ সমুখত থলে। সিদ্ধাৰ্থই চাহ খাই থাকোতে প্ৰফেছৰে অন্যমনস্ক ভাবে খোজ কাঢ়ি কাঢ়ি খিৰিকিৰ ওচৰত থিয় হ'লগৈ। তেওঁৰ দৃষ্টি অৰণ; আননৰ অস্থিৰ। তেখেতে ব্যক্ত কৰিলে:

"যেতিয়া মুন্নীৰ বিয়া পাতা, মোক খবৰ দিবা। মুন্নীয়ে মোৰ বাবে যিমান শ্ৰম কৰিছে তাৰ বিনিময়ত মইহে তেওঁক একো দিবলৈ সুবিধা নাপালো।"

মুন্নী উচপ্ খাই উঠিল। তাইৰ বিদায়ৰ ক্ষণ উপস্থিত হৈছেহি বুলি বুজিব পাৰি কোনোঠা মুখেৰে থিয় হৈ থাকিল। চকুলো দুটোপাল সৰি পৰাত জাঁতৰি লৈ তাই ভিতৰৰ কাৰৰ দুৱাৰৰ ওচৰলৈ আঁতৰাই গ'ল। খোৱা শেষ কৰি সিদ্ধাৰ্থই ক'লে: "ভাল ল'ৰা এজন পাইছো। তাইৰ বিয়াৰ বাবে মই অলঙ্কাৰ পাতি লৈ আহিছো ছাৰ। এতিয়া তাইৰ সম্মতি পালেই—।" মুন্নীৰ মুখেৰে

অসম্মতিৰ সুৰ নিৰ্গত হ'ল: 'নহয়!'

"থাক, থাক, হয়নে নহয় সেয়া পিছত ঠিক কৰা হ'ব। এতিয়া ব'ল ঘৰলৈ যাওঁ।"

"ঘৰলৈ? কিন্তু—।"

"কিন্তু কি? উচপ্ খাই উঠিলি যে ঘৰলৈ নাযাৱ তই?"

"যাম ককাইদেউ। কিন্তু ঘূৰি আহি মই ইয়াতে থাকিম।"

"ইয়াতে? অৰ্থাৎ তই নিজ ঘৰত থাকিবলৈ ইচ্ছা নকৰ? —এৰা, তোৰ ককায়েৰা নবৌয়েৰাই তোক নিৰাপত্তা নিব নোৱাৰিলে। তই সিহঁতৰ ওচৰত থাকিব নোখোজাটো স্বাভাৱিক। কিন্তু মুন্নী, মই এতিয়া ঘৰতে থাকি চাকৰি কৰিম; মই পুনৰ ট্ৰেন্সফাৰ লৈ আহিছো। তোৰ আৰু কোনো ভয় নাই।"

মুন্নী নিমাতে ৰ'ল; কোনো লৰচৰ নকৰিলে। তাকে দেখি বিষাদ মনেৰে সিদ্ধাৰ্থ উঠি যাবলৈ বুলি সাজু হৈ ক'লে: "তেন্তে তই নাযাৱ! ঠিক আছে, মই যাওঁ। তই যদি নিবিচাৰ, মই আৰু তোৰ ওচৰলৈ কেতিয়াও নাহো।"

মুন্নীয়ে ককায়েকক আগচি ধৰি ক'লে: "ককাইদেউ, মই ঘৰলৈ নাযাওঁ বুলি কোৱা নাই। কিন্তু মই সদায় থকাকৈ যাব নোৱাৰো। কিছুমান কাৰণত মই সদায় ইয়াত থকাটো বৰ প্ৰয়োজন।"

"কি কাৰণত? অলপ আগতে যে তই ৰাস্তাত মোক সাৰটি ধৰি ঢাকুৰি ঢাকুৰি কান্দিছিলি, সেয়া তেন্তে এই ঘৰৰ পৰা আঁতৰি যোৱাৰ সময় উপস্থিত হোৱা বাবেহে আছিল? — তোৰ ককায়েৰাৰ বাবে নহয়? আজি মোক তোৰ হৈ কিবা কৰাৰ সুবিধাকণো তই দিবলৈ ইচ্ছা নকৰ! মই আজি তোৰ ঘৃণাৰ পাত্ৰ!"

মুন্নীয়ে ককায়েকৰ গাত খামুচি ধৰি কম্পিত কণ্ঠেৰে কবলৈ চেষ্টা কৰিলে: "ককাইদেউ! ককাইদেউ! ম — ম্ ম্ই — !" তাই উচুপিব ধৰিলে। এইবাৰ প্ৰকেছৰে আদেশৰ সুৰত ক'লে: "মুন্নী, তুমি নিজৰ ঘৰত থাকিব লাগিব; ইয়াত নহয়!"

সিদ্ধাৰ্থ ই মুন্নীৰ দুয়ো কান্ধত ধৰি ব্যক্ত কৰিলে: "তই কি কাৰণত নিজৰ ঘৰত থাকিবৰ ইচ্ছা নকৰ মই বুজিছোঁ। কিন্তু মুন্নী, তোৰ বিয়া হব লাগিব। বিয়াৰ পাছত জানো তই এইখন ঘৰত থাকিব পাৰিবি? আৰু তেতিয়া জানো ছাৰৰ যত্ন লোৱাৰ বাবে কোনো অল্‌টাৰনেটিভ নোলাব?" মুন্নীৰ মুখেৰে বিস্ফোৰিত হ'ল:

অল্‌টাৰনেটিভ নাই! মই কেতিয়াও বিয়া নহওঁ। ককাইদেউ, তুমি মোৰ বিয়াৰ কথা ভুলি যাবা।"

প্ৰফেছৰৰ বাবে মুন্নীৰ ত্যাগ দেখা পাই আটাইকেইজনে স্তম্ভিত হ'ল। প্ৰফেছৰে বিমোৰত পৰাৰ দৰে ইকাষৰ পৰা সিকাষলৈ খোজ কাটিবলৈ ধৰিলে। সিদ্ধাৰ্থৰ মুখৰ পৰা নিৰ্গত হ'ল: কি? মুন্নী? তই আজীৱন এইদৰে থাকিবি? নহয়! মই নিজে ছাৰৰ বাবে কিবা ব্যৱস্থা কৰিম; মই তোক কথা দিলোঁ। তোৰ নিজৰ ভৱিষ্যত এটা আছে।"

উচুপনি বন্ধ কৰি গহীনভাৱে মুন্নীয়ে মন্তব্য দিলে: "তুমি একো কৰিব নোৱাৰা! তেখেতৰ হৈ কাম কৰা, তেখেতৰ আলপৈচান ধৰা মানুহৰ অভাৱ নাই। অভাৱ উপলব্ধিৰ প্ৰেৰণাৰ আৰু—।"

অতিষ্ঠ হৈ প্ৰফেছৰ চিঞৰি উঠিল: "মোৰ জীৱনৰ কোনো অভাৱৰ বাবে তোমাক নিযুক্তি দিয়া হোৱা নাই! মই মাথো তোমাৰ প্ৰতি কৰ্তব্য কৰিছিলোঁ। তুমি ককায়েৰাৰ বিবেচনামতে কাম কৰিব লাগিব!"

"ককাইদেউ! যিমানেই ভাল মানুহ নহওঁক বিয়া হোৱা মানে স্বাধীনতা বিসৰ্জন দিয়া; কাৰণ স্বামী-স্ত্ৰী দুয়োজনে ইজনে সিজনৰ বাবে ত্যাগ স্বীকাৰ কৰিব লগীয়া হয়। ত্যাগ নাথাকিলে সংসাৰ যন্ত্ৰণাময় হয়। তোমাৰ সংসাৰখনৰ কাৰণে মই আৰু নিয়াই বিয়াৰ আৱশ্যক নাই। এৰা। মইও কাৰো কাৰণে ত্যাগ কৰিব নোৱাৰিম। অন্য এজন মানুহে তোমাৰ দৰে কিয় অশান্তি ভোগ কৰি থাকিব লাগিব?"

সিদ্ধাৰ্থই হতভম্ব হৈ মুন্নীৰ কান্ধত ধৰি জোকাৰি জোকাৰি প্ৰশ্ন কৰিলে : "মুন্নী, এইবোৰ কি কৈ আছ তই ? তই কেলেই ত্যাগ কৰিব নোৱাৰ ? মুন্নী ভাগিং, বলিয়াৰ দৰে কথা নকৰি ; ছোৱালীয়ে অকলশৰীয়া জীৱন-যাপন কৰিব নোৱাৰে ; ছোৱালীৰ নিৰাপত্তাৰ্থে প্ৰয়োজন হয়।"

মুন্নী গোমোঠা মুখেৰে থিয় হৈ থাকিল। ইমানপৰে মুন্নীৰ বেহৰূপ লক্ষ্য কৰি থকা প্ৰেকেছৰে দেখিলে যে সিদ্ধাৰ্থৰ চকুমুখৰ চেহেৰা বাৰিষাৰ তাৰৰৰ দৰে ক'লা পৰিছে, আৰু কাৰো বাবে ত্যাগ কৰিব নোৱাৰা মুন্নীয়ে এতিয়া একমাত্ৰ তেওঁৰ বাবে পৃথিৱীৰ সকলো সুখভোগ বিসৰ্জ্জন দিয়াৰ বাবে প্ৰস্তুত হৈছে। কিন্তু সেইটো হ'বলৈ দিয়া উচিত নহয়। সিদ্ধাৰ্থই ব্যৱস্থা কৰা মতে মুন্নীৰ বিয়া হ'ব লাগিব। তেওঁৰ ওচৰৰ পৰা আঁতৰি গলেহে মুন্নীৰ আত্ম-বিসৰ্জ্জনৰ চিন্তাও আঁতৰ হ'ব। গতিকে প্ৰেকেছৰে মাতিলে :

"সিদ্ধাৰ্থ, এজনী তেনেই ফুলকলীয়া ছোৱালীৰ হুজুগৰ ওপৰত তুমি গুৰুত্ব নিদিবা। মোৰ ইয়াত আৰু বেচিদিন থাকিলে তেওঁৰ হুজুগ বৃদ্ধি পাব। তেওঁৰ অন্তৰ বেলেগ ধাতুৰে গঢ়া। মোৰ ইয়াত থাকি তেওঁ নিজৰ জীৱনটোক তুচ্ছজ্ঞান কৰিবলৈহে শিকিলে। ভাগ্য ভাল যে তুমি অহালৈ মই আৰু বেচিদিন বাট চাবলগীয়া নহ'ল। এতিয়াও পলম হোৱা নাই ; তেওঁক লৈ যোৱা আৰু সোনকালে বিয়াৰ ব্যৱস্থা কৰা।"

ইমান পৰে কৌতুহলেৰে বৈ থকা জ্যোতিয়ে মাতিলে : "মুন্নীয়ে নিজৰ ইচ্ছামতে থাকক কৰাইদেউ। সুবছৰমান পাৰ হ'লে নিজেই বিয়া হোৱাৰ বাবে মন মেলিব।"

"জোতি. মনে মনে থাক। মুন্নী মোৰ ঘৰত থকাটো মই পছন্দ নকৰো— এতিয়া কৰায়েক ভতি আহিছে।"

এইবাৰ মুন্নীয়ে প্ৰেকেছৰ মুখামুখী হৈ প্ৰশ্ন কৰিলে :

"মই গুচি গ'লে আপোনাৰ অলটাৰনেটিভ কি থাকিব ? ইয়াৰ

উত্তৰ পাবে এই প্ৰশ্নটি-যাৰ ”

“সেই প্ৰশ্নৰ উত্তৰ তুমি জনাৰ দৰকাৰ নাই। তুমি এইখন ঘৰলৈ অহাৰ আগেয়েও এই জীয়াই আছিলোঁ। কেতিয়া তুমিহে মোক জীয়াই ৰাখিছা বুলি কিয় ধৰি লৈছা ?”

“মৃত্যুৰ দিনটোলৈকে কেৱল জীয়াই থকাৰ বাবে অলটাৰনেটিভৰ প্ৰয়োজন নাই। কিন্তু তাৰ পাছত ?' তাৰ পাছত কি হব ?”

আচহুৱা প্ৰশ্ন শুনি সকলোৱে তবধ মানিলে। মুন্নীৰ মগজু নষ্ট হৈছে বুলি ভাবি সিদ্ধাৰ্থই মূৰে কঁপালে হাত দিলে। এবা, তাইৰ ওপৰত অমানুষিক অত্যাচাৰ কৰি তাইক বিপদৰ গহ্বৰলৈ গতিয়াই দিয়াৰ বাবে আজি হয়তো তাই মানসিকভাবে বিকাৰ গ্ৰস্তা হৈছে। মল্লিকা ইয়াৰ বাবে সম্পূৰ্ণৰূপে জগৰীয়া। ইয়াৰ সমুচিত বিচাৰ কৰিব লাগিব।

প্ৰফেছৰে অনুসন্ধিৎসাৰে মুন্নীক পৰ্যবেক্ষণ কৰি প্ৰশ্ন কৰিলে: “মৃত্যুৰ পাছত আৰু কম্পেনিয়নৰ কি প্ৰয়োজন, বুঢ়ী ছোৱালী ? নে মোৰ লগত মৰিবও খুজিছা ?”

“আপোনাৰ লগত মৰিব পাৰিলেতো স্বৰ্গ পালোহেঁতেন ! কিন্তু এই মুহূৰ্তত আপোনাক চিৰঞ্জীৱী কৰি ৰাখিব খুজিছিলোঁ।”

শুনিছানে ভনীয়েৰাৰ কলিয়ালি সিদ্ধাৰ্থ ? তেওঁক লৈ যোৱা আৰু লোনকালে বিবাহৰ বন্দোবস্ত কৰা। Very strange girl !”

সিদ্ধাৰ্থই মুন্নীৰ ওচৰ চাপি গৈ তাইৰ কান্ধত ধৰি মাতিলে: “মুন্নী, বুলিয়াৰ দৰে এইবোৰ কি বলকি আছ ? ব'ল ঘৰলৈ যাওঁ।”

মুন্নীয়ে চলচলীয়া চকুৰে সিদ্ধাৰ্থৰ মুখলৈ মূৰ মেলাই দিলে। প্ৰফেছৰে ব্যক্ত কৰিলে: “সিদ্ধাৰ্থ, তোমাৰ মনঃপুত ল'ৰা পাইছা যেতিয়া আৰু পলম কৰা উচিত নহয়; টকা-পইচাৰ চিন্তা নকৰিবা।”

হঠাৎ মুন্নীয়ে ককায়েকক এৰি দি বেৰৰ কাণে মুখ কৰি ফেকুঁৰি ফেকুঁৰি কবলৈ ধৰিলে: "নহয়, সেয়া হব নোৱাৰে! মোৰ বিয়া পতাৰ বাবে আপুনি কিয় ইমান জোৰ কৰিব লাগে? মই যদি থুবি আছিব নালাগে, মোক আপুনি আশ্রয় দিছিল কিয়? মোক মৰি যাবলৈ নিদিলে কিয়?"

প্রফেছৰে নামাতিলে। মুন্নীয়ে পুনৰ ক'লে: 'এবা! ককাই-দেউ উভতি আহিছে যেতিয়া মোৰ বিয়া সম্পাদন কৰিব। ঠিক আছে; কিন্তু মোৰ পছন্দমতে হব লাগিব।"

প্রফেছৰ যেন শিয়ৰি উঠিল। সিদ্ধাৰ্থই মাতিলে: "মুন্নী, ভাল ল'ৰা বিচাৰ কৰাটো মোৰ দায়িত্ব। সেইবুলি তোৰ মতামতক প্রাহ্য নকৰাকৈ মই কাকো কথা দিয়া নাই; তোৰ পছন্দ মতেই হব। এতিয়া আহ।"

এনেতে প্রফেছৰে প্রশ্ন কৰিলে: "তেওঁৰ ছজুগে এটা অপদাক পছন্দ কৰিব পাৰে। তুমি তাতেই মান্তি হবানে সিদ্ধাৰ্থ?

উত্তৰটো ততাতৈয়াকৈ মুন্নীয়ে দিলে: "মান্তি হব; কাৰণ আপুনিয়ে মোক বিয়া কৰাব লাগিব— আপুনি, আন কোনোৱে নহয়! মই আপোনাক এৰি কলৈকো নাযাওঁ।"

উচপ্ খাই উঠি প্রফেছৰ চিটিকি পৰিল। সিদ্ধাৰ্থ আৰু জ্যোতিয়ে বাকৰুদ্ধ হৈ চকুযোৰ বহল কৰি চাবলৈ ধৰিলে। সিদ্ধাৰ্থৰ মগজু টিন্ টিনাইছে— এয়া মুন্নীৰ ললাট! সি দেখিলে প্রফেছৰে নিজৰ হাত এছাৰি এছাৰি খোজ কাঢ়ি কাঢ়ি চিঞৰি উঠিছে: "Mad! Mad! This is total madness!"

মুন্নী দৌৰী গৈ তেওঁৰ কামিজত খামুচি ধৰি অনুনয়ৰ সুৰত ক'লে: "নহয়, মই বলিয়া হোৱা নাই! মোক আপুনি আঁতৰাই নপঠিয়াব!"

"Don't touch me; you shameless girl!"

সিদ্ধাৰ্থই খং, অপমান আৰু বিবুধিত জৰ্জৰিত হৈ দৌৰি

গৈ মুন্নীৰ বাহুত ধৰি টানি প্ৰচণ্ড জোকাৰণি এটা মাৰি খঙৰ ভমকত ক'লে :

"তই বলিয়া হোৱা নাই ? তই এইজন দেৱতুল্য মানুহক অপদস্থ কৰিবলৈ কুণ্ঠাবোধ নকৰিলি ? আৰু ইয়াত এক মুহূৰ্তও থাকিব নোৱাৰি। এৰা। দোষ মোৰেই ; মই চাকৰিৰ প্ৰতি অধিক গুৰুত্ব নিদিয়াহেঁতেন আজি এইবোৰ ঘটিবলৈ নাপালেহেঁতেন।"

প্ৰফেছৰৰ ফালে চাই সিদ্ধাৰ্থই বিনয়েৰে ক'লে : "ছাৰ মই বৰ দুখিত ; মোক ক্ষমা কৰিব ছাৰ ; লগতে মুন্নীৰ অজ্ঞতা আৰু স্পৰ্দ্ধাৰ বাবে মই ক্ষমা বিচাৰিছোঁ।" প্ৰফেছৰে সিদ্ধাৰ্থৰ কান্ধত মৃদু থাপৰ মাৰি হাঁহিবৰ চেষ্টা কৰি ক'লে : "মই তোমাক বেয়া পোৱাৰ কোনো যুক্তি নাই ; তুমি তোমাৰ কৰ্ত্তব্য কৰি গৈছা, সেয়া দোষণীয় কাম হ'ব নোৱাৰে। কিন্তু মুন্নীক এতিয়া মই হাঁহিমুখে বিদায় দিব নোৱাৰিলোঁ। তেওঁক লৈ ঘৰলৈ যোৱা।"

প্ৰফেছৰ ঘৰৰ ভিতৰলৈ সোমাই যাব ধৰাৰ লগে লগে মুন্নীয়ে বলিয়াৰ দৰে চিঞৰি উঠিল : "মই এইদৰে গুহি নাযাওঁ ; মই ঘুৰি আহিম ; মই কোনো দোষনীয় কাম কৰা নাই।"

সিদ্ধাৰ্থই মুন্নীৰ গালতে প্ৰচণ্ড চৰ এটা মাৰি দিলে। প্ৰফেছৰে ভিতৰৰ দুৱাৰমুখত থিয় হৈ মুন্নীৰ ফালে চালে। মুন্নীয়ে গৈ মাটিতে বহি তেওঁৰ ভৰি দুখনত খামুচি ধৰি কান্দি কান্দি কবলৈ ধৰিলে : "এয়া মোৰ বলিয়ালি নহয় ; মই সঁচাকৈ কৈছোঁ। মই জানো, আপুনি মোক মাথো এজনী সৰু ছোৱালীৰ দৰেহে মৰম-স্নেহ কৰে। কিন্তু মই ইমান সৰু নহয় ; মই সকলো বুজি পাওঁ ; চিন্তা কৰিব পাৰো। স্নাতকৰ শেষ পৰীক্ষা দি উঠা ছোৱালী এজনী সৰু হৈ নাথাকে।"

ভৰি এৰুৱাবলৈ চেষ্টা কৰি কৰি প্ৰফেছৰে কবলৈ ধৰিলে :

"এওঁক বিপদৰ পৰা উদ্ধাৰ কৰি আনি পুনৰ বিপদত পেলালোঁ নেকি মই ? সিদ্ধাৰ্থ, পলম নকৰিবা; এওঁক একৰাই লৈ যোৱা। নহলে মোৰ ওচৰলৈ নানিবা, মোৰ মগজু নষ্ট হৈ যাব।"

কিন্তু এইবাৰ সিদ্ধাৰ্থ জঠৰ হোৱা মানুহৰ দৰে থিয় হৈ থাকিল। মুনীৰ মুখেৰে নিৰ্গত হোৱা কথাবোৰে তাক থাকৈকেয় বিব্ৰত কৰিলে:

"আপুনি মোক এটা প্ৰশ্নৰ উত্তৰ দিয়ক। আপোনাৰ মৃত্যুৰ লগে লগে আপোনাৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ মৃত্যু হৈ যাব লাগিব নেকি ? আপোনাৰ লিখনি, আপোনাৰ শিক্ষা আৰু গ্ৰন্থবোৰে আপোনাৰ যুগৰ ধ্যান-ধাৰণা আৰু তাৰ ভিত্তিত গৱেষণা কৰা আপোনাৰ আদৰ্শ বা মতাদৰ্শকহে কঢ়িয়াই লৈ যুগ যুগ ধৰি চলিব। কিন্তু ভবিষ্যতৰ বুকুত এইবোৰ ট্ৰেডিচন হৈ থাকিব। যুগৰ পৰিবৰ্ত্তনে সমাজবো অৱস্থান্তৰ আনে ; ভৱিষ্যতৰ নতুন নতুন সমাজ আৰু মানুহক অধ্যয়ন কৰি নতুন নতুন গ্ৰন্থ ৰচনা কৰাৰ বাবে আৰু হেজাৰ বিজাৰ ভবিষ্যত মানৱক শিক্ষা দিয়াৰ বাবেহে আপোনাৰ ব্যক্তিসত্তাৰ জন্ম হৈছিল। সেই ব্যক্তিসত্তাক এই এটা যুগতে শেষ হৈ যাবলৈ কিয় দিব লাগে ? যুগে যুগে আপোনাৰ এই ব্যক্তিসত্তাক দেশে বিচাৰিব, ছাত্ৰ-ছাত্ৰীয়ে বিচাৰিব, সমাজে বিচাৰিব। ইয়াৰ বাবে আপুনি কি ব্যৱস্থা হাতত লৈছে ? কাৰ মাজেৰে এই ব্যক্তিত্বক আপুনি চিৰযুগমীয়া কৰি থৈ যাব ? আপুনি মানৱ জাতিক বঞ্চিত কৰিবলৈ ওলাইছে। এটা পৰিষ্কাৰ জীৱন খুঁতিক বন্ধ কৰি গতিবোধ কৰাৰ অধিকাৰ কোনো মানুহৰ নাই। মগজুবিহীন তেনে লোকসকল নিঃশেষ হৈ গলে মানৱ জাতিৰ কোনো অমঙ্গল নহয় ; কিন্তু আপোনাৰ অস্তিত্ব নিঃশেষ হোৱাটো অ-পূৰণীয় ক্ষতি ! এই শোকাবহ পৰিসমাপ্তিৰ পৰা আপোনাৰ শ্ৰেষ্ঠত্বক ৰক্ষা কৰক, বীজ ৰক্ষা কৰক। আপোনাৰ অস্তিত্ব

আপোনাৰ সন্তানৰ মাজেৰে ৰ্ত্তি থাকিব লাগিব !"

প্ৰফেছৰ স্তম্ভিত হৈ গ'ল। সিদ্ধাৰ্থ নিৰ্ব্বাক, নিস্পন্দিত, স্তব্ধ। এই সৰু ছোৱালীজনীৰ মগজুত এইবোৰ চিন্তাধাৰা কেনেকৈ সোমাল? এই প্ৰাণৱন্ততা যেখোন হেনৰি বাৰ্গচনৰ ক্ৰিয়েটিভ ইভোলিউখন'ৰ লেখীয়া দাৰ্শনিক অভীপ্সা! আচৰিত। কিন্তু কোনো উত্তৰ নিদি প্ৰফেছৰ থিয় হৈ থাকিল। সিদ্ধাৰ্থও প্ৰস্তৰৰ দৰে থিয় হৈ থাকিল। হঠাৎ জোৱাতিয়ে ক'লে: "মুন্নীৰ কথাবোৰৰ তাৎপৰ্য্য মই বুজিছো। অস্বাভাৱিক যেন লাগিলেও মুন্নীয়ে ঠিকেই কৈছে।"

কিন্তু প্ৰফেছৰে কঠোৰ স্বৰে নিৰ্দ্দেশ দিলে: জোৱাতি, এইৰ কাপোৰেৰে সৈতে চুটকেশ উলিয়াই আনি দে। তেওঁৰ কোনো দৰ্শন শুনাৰ বাবে মই প্ৰস্তুত নহয়। কৈ দে তেওঁ যাতে আৰু কেতিয়াও এইখন ঘৰলৈ নাহে।"

প্ৰফেছৰে ভিতৰৰ দুৱাৰখনলৈ পাৰ হবলৈ এখোজ দিওঁতে নৌ পাওঁতেই মুন্নী দৌৰি গৈ তেওঁৰ সন্মুখত থিয় হৈ বিনীত ভাবে সুধিলে: "মোক আৰু ঘুৰি আহিবলৈ নিদিয়ে? কিয় নিদিয়ে?

"তোমাক মই চকুৰে চাবলৈকো ইচ্ছা নকৰো। তোমাক মই ঘৃণা কৰো। I hate you! Impudent girl।"

প্ৰফেছৰ গোঁ-গোৱাই ভিতৰ সোমাই গ'ল। মুন্নী কান্দি কান্দি মাটিত বহি পৰিল। সিদ্ধাৰ্থ বজ্ৰ পৰা মানুহৰ দৰে ম ৰবো ন ভবো অৱস্থাত হৈ থাকিল। তাৰ মনত পৰিল এসময়ৰ মুন্নীৰ মুখৰ এষাৰ কথা— অসৎ চৰিত্ৰৰ চকল ডেকা দ'হাও অনুপযুক্ত হব পাৰে আৰু জ্ঞানী বৃদ্ধও উপযুক্ত হব পাৰে।

এতিয়া সি মুন্নীক কিদৰে বাধা দিব? এৰা, তাৰ পাহীৰ লেই গুণা জায়েকটো ক'ত, মুন্নীৰ বাবে সি ঠিক কৰি থোৱা বন্ধু ইঞ্জিনিয়াৰ ক'ত আৰু প্ৰফেছৰ জ্ঞানদীপ ক'ত। প্ৰফেছৰ জ্ঞান-

দীপৰ বয়সটো যদি কমি গ'লহেঁতেন ! কিন্তু, মুন্নীয়ে যদি বয়সক পৰোৱা নকৰে, তেন্তে চিন্তা কৰিব লগীয়া কি আছে ? তাইৰ উদ্দেশ্য মহান। বয়সৰ ইমান যেটি তাৰতম্যৰ বাবে প্ৰকেছৰ জ্ঞানদীপে থং কৰাটো স্বাভাৱিক। কিন্তু তেওঁ এক উজ্জ্বল বস্তু ; সমাজৰ গুৰুত্বৰ। এতিয়া কি কৰা যায় ! মুন্নীক সি লৈ যাব নে এৰি থৈ যাব ?

জ্যোতিয়ে মুন্নীৰ চুটকেশটো আনি মুন্নীক টানি তুলি ককায়েকৰ ওচৰত থিয় কৰাই দি ক'লে : "যোৱা মুন্নী ! কেতিয়াবা লেখা হোৱাৰ সুবিধা পাম বুলি আশা কৰিলোঁ। মুকন ডাঙৰীয়া, ককাইদেউক বেয়া নাপাব।"

মুন্নীয়ে জ্যোতিক সাৱতি ধৰি শব্দ কৰি কান্দিবলৈ ধৰিলে। ঠেৰোগেৰোকৈ সিদ্ধাৰ্থই ক'লে : "ম-মই মুন্নীক এৰি গলোঁহেতেন !'

হঠাৎ মুন্নীয়ে চুটকেশটো হাতত লৈ ঘৰৰ ভিতৰলৈ চাপৰি মেলিলে। জ্যোতি আৰু সিদ্ধাৰ্থই বিভ্ৰত হৈ চাই থাকোতেই মুন্নী পুনৰ ওলাই আহিল। তাইৰ চকুৰে ধাৰাসাৰ চকুলো বৈ আছে। কিন্তু তাইৰ হাতত চুটকেশ নাই ডিঙিৰ চেইন, হাতৰ খাৰু আৰু ব্ৰেচলেটও নাই। ভৰিৰ পাখলজোৰো নাই। ককায়েকৰ হাতত ধৰি তাই ঘৰৰ বাহিৰ হৈ গ'ল।

জ্যোতি দৌৰি ভিতৰ সোমাল। ককায়েকৰ কোঠালৈ গৈ দেখে যে তেওঁ এখন খিৰিকিৰ ওচৰত থিয় হৈ আছে। ভৰিৰ ওচৰত মুন্নীৰ চুটকেশটো পৰি আছে ; তাৰ ওপৰত মুন্নীৰ হাতঘড়ী, ব্ৰেচলেট আৰু পায়ল। চেইনদাল তেওঁৰ হাতৰ আঙুলিত ওলমি আছে। ঘৰগ পৰা মানুহৰ দৰে তেওঁ তাকে চাই ৰৈ আছে।

জ্যোতি ওচৰ চাপি গৈ তেওঁৰ মুখটো দাঙি ধৰিলে। দেখিলে, তেওঁৰ দুচকু চকুলোৰে সিক্ত হৈ উঠিছে। চেইনডাল সৰি মাটিত পৰি গ'ল।

[সাত]

সিদ্ধাৰ্থ ঘৰত উপস্থিত হৈয়েই মহিলাৰ সভা-সমিতিৰ পৰা পত্নীৰ সম্পৰ্কবোৰ ছিন্ন কৰিলে ; শাহুয়েক আৰু খুলশাহুয়েকক ঘৰৰ পৰা আঁতৰ কৰিলে আৰু শান্তনা আৰু বুজনি দি দি মুন্নীক আগতকৈও বেছি মৰমত ৰাখিলে। কিন্তু মুন্নীৰ মুখৰ হাঁহিবোৰ নাইকিয়া হ'ল, খোৱালোৱাৰ প্ৰতি তাইৰ মনযোগ নাইকিয়া হ'ল ; কুৰা চকা সম্পূৰ্ণৰূপে পৰিত্যাগ কৰিলে। নিৰ্ব্বিকাৰ, নিশ্চল, প্ৰস্তৰ সদৃশ যন্ত্ৰচালিতৰ দৰে মাথো চলি গৈছে ; আৰু অৱশেষত দিনটোৰ বেছিভাগ সময় নিজৰ কোঠালিত আৱদ্ধ হৈ থকা হ'ল। সিদ্ধাৰ্থ ভনীয়েকৰ সন্দৰ্ভত কিংকৰ্ত্তব্য-বিমূঢ়। প্ৰকেছৰে তাক স্বাৰ্থপৰ বুলি ভবাৰ আশঙ্কাত সি মুন্নীৰ নাৰীত্বক বুজি পালেও প্ৰকেছৰৰ ওচৰ চাপিবলৈ সাহস কৰা নাই। ছুমাহমান এইদৰেই পাৰ হ'ল। এনেতে মুন্নীৰ বিজাল্ট বাহিৰ হ'ল। তাই মেজৰসহ বি,এচ,চি পৰীক্ষাত উত্তীৰ্ণ হ'ল। সিদ্ধাৰ্থই নিজকে প্ৰকেছৰৰ ওচৰত চিৰঋণী অনুভৱ কৰিলে। আৰু এই ছেগতে সিদ্ধাৰ্থই কিছুমান মিঠাইসহ প্ৰকেছৰক লগ ধৰিবলৈ যাবলৈ সাঁজি কাঁচি ওলাল। সি ভাবিলে যে এই আপাহতে কিবা এটা মীমাংসা কৰা উচিত হব। কাৰণ, মুন্নীৰ আত্মবিশ্বাসৰ ওপৰত তাৰ আস্থা জন্মিছে। সিদ্ধাৰ্থই দুৱাৰদলিত খোজ দি বাহিৰ নৌওলাওঁতেই চিন্তা কৰিলে যে সি প্ৰকেছৰৰ ঘৰলৈ যাবলৈ ওলোৱা কথাষাৰ মুন্নীক জনোৱা দৰকাৰ। উভতি গৈ সি বন্ধ দুৱাৰখনৰ ওচৰত থিয় হৈ মুন্নীক জনালে। দুৱাৰ তৎক্ষণাত খোলা গ'ল। তাই ককায়েকৰ মুখৰ ফালে এক মুহূৰ্ত্ত চাই সাউতকৈ বাগিছাৰ ভিতৰলৈ চাপলি মেলিলে। ককায়েক পাছতে ঘূৰি আহি নিজৰ কোঠাৰ ভিতৰৰ পৰা এটা বগা খাম আনি ককায়েকৰ হাতত

দিলে। আঠা দি বন্ধ কৰি থোৱা খামটো লৈ সিদ্ধাৰ্থই নীৰৱে হাঁহি মাৰি প্ৰশ্ন কৰিলে:

"এইটো কি কৰিম? প্ৰফেছৰক দিম?"

মৃন্ময়ীয়ে মুৰ দুপিয়ালে। লেফাফাটো লাহি চাবি চাই সি অনুমান কৰিলে যে তাৰ ভিতৰত চিঠি নাই; অইন কিবা বস্তুহে আছে। সিদ্ধাৰ্থই তাইৰ চুলিত সহানুভূতিৰে হাত ফুৰাই দি ওলাই গ'ল।

প্ৰফেছৰৰ লগুৱা এটাই সিদ্ধাৰ্থক ড্ৰইং ৰুমৰ পৰা ওপৰ মহলাৰ পঢ়া কোঠালিলৈকে মাতি লৈ গ'ল। চিগাৰেটৰ ধোঁৱাৰ গধুৰ পৰিবেশ, বস্তুবোৰ থেলিয়ে তেলিয়ে পৰি আছে। প্ৰফেছৰে আৰামী চকী এখনত বহি বুকুৰ ওপৰত কিতাপ এখন পেলাই থৈছে; আৰু চিলিঙৰ ফালে চাই চাই কিবা যেন চিন্তাত নিমগ্ন হৈ আছে। তেওঁৰ চুলি অপৰিপাটি; পিন্ধি থকা বগা চোলাৰ কাফলিংকবোৰ ভাঁজে ভাঁজেও যেন নিঃসঙ্গ অৱসাদপূৰ্ণ নীৰস জীৱনৰ আহোঁৰ একটি হৈ আছে অন্ততঃ সিদ্ধাৰ্থৰ তেনেকুৱা অনুমান হ'ল। ওচৰৰ মেজৰ ওপৰত বহুতো কিতাপ সিঁচৰিত হৈ পৰি আছে। তেওঁৰ ভৰিৰ ওচৰতে টিপয় এখনৰ ওপৰত এটা গিলাছত আধাখোৱাকৈ এৰি থোৱা গাখীৰ আৰু এখন প্লেটত আধাখোৱাকৈ পেলাই থোৱা কিছুমান কেক আৰু আপেলৰ টুকুৰা। প্ৰবেশ পথত সিদ্ধাৰ্থ অপৰাধীৰ দৰে থিয় হৈ থাকিল। লগুৱাটো আগুৱাই গৈ টিপয়খন আঁতৰ কৰি কৰি সিদ্ধাৰ্থৰ খবৰ দিলে। প্ৰফেছৰ থপকৈ থিয় হ'ল আৰু কুশন-চেয়াৰ এখনত সিদ্ধাৰ্থক বহিবলৈ দি মঙ্গল বাত্তৰি সুধিলে। সিদ্ধাৰ্থই মৃন্ময়ীৰ বিকাল ট্ৰৰ খবৰটো দি মিঠাইৰ পেকেটটো আগবঢ়ালে। হাঁহি মাৰি প্ৰফেছৰে মিঠাই এটা মুখত ভৰাই সিদ্ধাৰ্থলৈকো মিঠাই এটা আগবঢ়ালে আৰু কলে:

"বাতৰিটো মই পাইছো, মিন সিপাহে কোনযোগে জনাইছিল। She is intelligent, she is exceptional also."

সিদ্ধাৰ্থই মন্তব্য দিলে: "মৃন্ময়ীৰ বৌদ্ধিক বিকাশ সাধন একমাত্ৰ

আপোনাৰ বাবেহে সম্ভৱ হ'ল ছাৰ।"

"কেনেকৈ? মই তেওঁক মাথো কলেজলৈকেহে পঠিয়াইছিলোঁ; যৰত একো শিকোৱা নাছিলো। তেওঁৰ ব্যক্তিত্ব জন্মগত। তদুপৰি, তুমিহে তেওঁক পথ দিছিলা; তেওঁৰ কৈশোৰতে তুমিয়েই তোমাৰ দেউতাক ঢুকাইছিল।"

"ছাৰ, ষোল্ল-বছৰ বয়স পাৰ হলে হেনো এডোলেচেন্ট পিৰিয়ড পাৰ হৈ যায়। মই ভাবোঁ, মুন্নীয়ে ওৱেলহুড কেতিয়াবাই পালে। তাই একুৰি দুই বছৰত ভৰি দিলেহি।"

"হু? এৰা! বি,এচ,চি পাছ কৰিলে যেতিয়া মুন্নী এতিয়া এজনী ছাত্ৰহিলা!"

"অৰ্থাৎ মুন্নী সৰু ছোৱালী নহয়!"

প্ৰফেচৰে সিদ্ধাৰ্থক তীক্ষ্ণভাৱে লক্ষ্য কৰিবলৈ ধৰিলে। তাৰ কথাৰ গূঢ়াৰ্থ বুজিবৰ তেওঁৰ যেতিয়াক বাকী নাথাকিল। কিন্তু ওলোটা অৰ্থ প্ৰকাশ কৰি তেওঁ কলে: এৰা! এতিয়া বিয়া দিয়াৰ উপযুক্ত সময়! তুমি যেতিয়া সাক্ষী হৈ আছিলা। কিমানদূৰ আগবাঢ়িলা?"

"সঁচা কথা কবলৈ গ'লে আগবাঢ়িবৰ মোৰ সাহস নহ'ল, ছাৰ। মই তাইৰ মৃত্যু কামনা কৰোঁ বুলি তাই মোক অভিযোগ দিছে। মোৰ বহোৱালী ভনীজনীক মই হেৰুৱালোঁ ছাৰ।"

প্ৰফেচৰ গোমোঠা। সিদ্ধাৰ্থই লেখাটো তেওঁৰ হাতত দিলে। তেওঁ সেইটো খুলি দেখে যে তাৰ ভিতৰত আছে। ৰজনীগন্ধাৰ অকণমানি পুলি এটা, এপাহ ৰজনীগন্ধাৰ সতেজ ফুল, এপাহ সাধাৰণভাৱে ৰখাহি যাৰ ধৰা ফুল আৰু কেইটামান ৰজনীগন্ধাৰ গুটি। এইবোৰ লাখি-চাপি চাই থাকোঁতে প্ৰফেচৰৰ চকুযুৰি বিস্ময়ত ভাৰ'বে আঁতৰি গ'লহে। কিছুসময় নিতব্ধ হৈ বহি থাকি তেওঁ হঠাতে সিদ্ধাৰ্থক হাতত ধৰি ভিতৰ কোঠালিলৈ লৈ আহিল আৰু টেবিলৰ একাষৰ চোকা এখনত তাক বহুৱাই দিলে। একালে যেতিয়া তেওঁৰ স্নেহ শান্তীৰ এখন

ডাঙৰ পেইণ্টিং ওলমি আছে। কিন্তু তেওঁৰ অপৰিপাটি বিচনা, যেনিয়ে তেনিয়ে ওলমি থকা তেওঁৰ পোছাকবোৰ আৰু এই কেইদিনতে মোপান পৰি যোৱা তেওঁৰ স্বাস্থ্য দেখি সিদ্ধাৰ্থৰ অন্তৰত গোকে খুন্দা মাৰি ধৰিলে। প্ৰফেছৰে কলে: "জ্যোতি গুচি যোৱাৰ পাছত কোঠাবোৰ বিশৃংখল হৈ পৰি আছে। ধনীৰামহঁতে এইবোৰ কৰিব নাজানে। জ্যোতি আহিলে পুনৰ ঠিক কৰি পেলাব।"

"ছাৰ, মোৰ চকু দুটাই দুৰ্ঘাকাশৰ অৱস্থা দেখা পাই আছে। ছাৰ, মই কবলৈ আহিছোঁ যে মুন্নী আপোনাৰ বাবে অপৰিহাৰ্য্য। আপুনি তাইক দূৰলৈ নেখেদিব ছাৰ, আপুনি তাইক গ্ৰহণ কৰক।"

প্ৰফেছৰে এইবাৰ উঠি গৈ গড্ৰেজ আলমাৰী এটাৰ ওচৰত থকা ৰেক এখনৰ পৰা চুটকেছ এটা আনি খুলি ভিতৰৰ পৰা শাৰী, চেলোৱাৰ কামিজ আৰু হাতঘড়ী, সোণৰ চেইন, ব্ৰেচলেট আদি উলিয়াই বিচনাত ওপৰত পেলাই দি কলে: "মইও তোমাক কবলৈকে এই কোঠলিটোলৈ মাতি লৈ আহিছোঁ। মুন্নীক খেদি পঠিওৱাৰ বাবে মোৰ অশান্তি হোৱা নাই। কাৰণ, তেওঁৰ উজ্জ্বল ভৱিষ্যত এটা মই কামনা কৰোঁ। কিন্তু—[ঘড়ী, চেইন আদি লাৰি চাৰি] এইবোৰ বস্তু তেওঁ মোৰ ভৰিৰ ওচৰত পেলাই থৈ গৈছে। মই তেওঁক কেৱল মোৰ যত্নত লৈ থকা বাবে এইবোৰ দিয়া নাছিলোঁ। মোৰ অশান্তি এই কাৰণেই যে এই বস্তুবোৰ মই পুনৰ তেওঁলৈ দি পঠিয়াব নোৱাৰোঁ। কাৰণ, মই বিচাৰোঁ যে তেওঁ মোক সম্পূৰ্ণৰূপে পাহৰি যাওঁক।"

"ছাৰ, পাহৰি যোৱাটো যদি ইমান সহজ হ'লহেঁতেন—।"

"মৰুভূমিৰ ক্লান্ত পথিকৰ বাবে মৰুদ্যানৰ চঞ্চল নিজৰা শান্তিৰ জলাধাৰ। কোনেকৈ জানিম যে পাৰত শুই থকা পথিকৰ লেহা তিয়াই দিবলৈ খুনি নিজৰাৰ বুকুতো জোৱাৰ উঠিব পাৰে? এতিয়া পথিক আঁতৰি গলেই হ'ল।"

প্ৰকেছৰে পকীষেৰত লাগি থকা ওখ আলমাৰী এটা খুলিলে। আলমাৰীটোৰ এটা ফালে চেলফ নাই, তাতে এখন তাঙৰ চেতাৰ খিয় হৈ আছে। চেতাৰখন আঙুলিয়াই সিদ্ধাৰ্থক দেখুৱাই তেওঁ কলে :

"মুন্নাৰ গীতৰ প্ৰতি স্পৃহা দেখি মই তেওঁক উপহাৰ দিয়া এই চেতাৰখন—যিখন তেওঁৰ বিয়া হলে স্বামী গৃহলৈ লৈ যাবলৈ দৈছিলোঁ।— এতিয়া মই নিদিওঁ, মোৰ হৃদয় দুৱাৰ তেওঁৰ বাবে বন্ধ হৈ যোৱা বুলি তেওঁ ভাবি লওঁক। তুমিও তেওঁক গ্ৰহণ কৰিবলৈ মোক অনুৰোধ নকৰিবা। তেওঁৰ যৌৱন শেষ নহওঁতেই মোৰ মৃত্যু নহব বুলি তুমি নিশ্চয়তা দিব পাৰিবানে ? তেওঁৰ পছন্দৰ এজন তৰুণৰ লৈতে বিয়া হৈ গলে প্ৰথমে কিছু অশান্তি হলেও পিছলৈ ঠিক হৈ যাব। স্বামীৰ মৰম-স্নেহ পালে তেওঁ মোৰ কথা পাহৰিব।"

"পছন্দৰ ব্যক্তি যদি পছন্দৰ বস্তুৰ দৰে সুলভ হ'লহেতেন! দুৰ্লভ কাৰণেই তাই অঘটন ঘটায় বুলি মোৰ শঙ্কা লাগিছে। তাইক যদি আপুনি এই অৱস্থাত এবাৰ দেখা পালেহেতেন হয়তো বুজিলেহেতেন।"

"মোক প্ৰলোভিত কৰিবলৈ অপচেষ্টা নকৰিব সিদ্ধাৰ্থ! ওমেনহুডত অৱতীৰ্ণ কৰিলেও মুন্নীৰ মস্তিষ্ক পুৰঠ হোৱা নাই।"

"কিন্তু তাই অপৰিণত হৈ থকা নাই। স্কুলত পঢ়ি থকাৰ পৰাই পিতৃ-মাতৃৰ মৰমৰ পৰা বঞ্চিতা হৈ তাই আত্মনিৰ্ভৰশীলা হৈ আহিছে। মহিলা সংস্থাবোৰৰ কিছুমান দুৰ্কাৰ্য্য তাই সমালোচনাও কৰিব পাৰে। কলেজত ভৰ্ত্তি হোৱাৰ পাছত তাইৰ সহপাঠী কিছুমান ছোৱালীৰ মৰ্মভেদ ঘটনা শুনি আৰু নিজ চকুৰে দেখি তাই অভিজ্ঞতা লাভ কৰিছে। নবৌৱেকৰ কিছুমান দোষ তাই শুধৰাব খুজিছিল— নোৱাৰিলে। সৰু বুলি ত'ইক কোনেও গ্ৰাহ্য নকৰে। এৰা! আপোনাৰ তুলনাত তাই কুকলীয়া! কিন্তু

বোধশক্তি তাইৰ বয়সৰ উৰ্দ্ধত— সৰ্ব্বসাধাৰণ হোৱালীৰ ঊদ্ধত।"

"তুমি তোমাৰ ভনীয়েৰাক অনন্য সাধাৰণ বুলি জাহিৰ কৰিব খোজা নেকি? সেয়া মোৰ ওচৰত নকৰিবা—।"

"তাই অনন্যা বুলি আপুনি নিজেই স্বীকাৰ কৰিছে। এইকথা একমাত্ৰ আপোনাৰ বাহিৰে অইন কোনেও নুবুজিব। তাইৰ উদ্দেশ্য যে মহান তাক আপুনি—।"

"বন্ধ কৰা। এই লেফাফাটো তেওঁক ঘূৰাই দিবা।"

"নহয় ছাৰ; এইটো আপুনি ৰাখি থওঁক। এইটো দিয়াৰ সময়তহে মই তাইৰ মুখত অকণ হাঁহি দেখিছিলো।"

'তুমি ইয়ালৈ আহিবা বুলি তেওঁক জনোৱাটো উচিত হোৱা নাছিল। ভনীয়েৰাৰ জীৱন যদি ৰক্ষা কৰিব খুজিছা, এইটো ঘূৰাই দিব লাগিব; তেওঁক বিশ্বাস জন্মাব লাগিব যে মই সঁচাকৈ তেওঁক ঘৃণা কৰোঁ।"

উত্তেজনাত প্ৰফেছৰৰ চকুমুখ বগা পৰি গ'ল। তেওঁ সিদ্ধাৰ্থৰ হাতত লেফাফাটো গুজি দি পুনৰ ব্যক্ত কৰিলে: "কিন্তু— ইয়াৰ ভয়াবহ প্ৰতিক্ৰিয়া হোৱাৰ উমান পালেই তুমি মোক জনাব লাগিব।"

কলিংবেল টিপি লগুৱাটোক মতাই আনি সিদ্ধাৰ্থৰ বাবে প্ৰফেছৰে চাহ-জলপানৰ ব্যৱস্থা কৰিলে। সিদ্ধাৰ্থই নীৰৱে খালে যদিও প্ৰফেছৰৰ অস্থিৰ উত্তেজনা তাৰ চকুত নপৰাকৈ নাথাকিল। হতাশ মনেৰে সিদ্ধাৰ্থ যাবলৈ সাজু হোৱা মাত্ৰকে একেই উত্তেজনাৰে তেওঁ ক'লে: "সিদ্ধাৰ্থ। মোক কথা দিয়া, মুন্নীয়ে যদি কোনো দুৰ্ঘটনা ঘটায়, মোক মাতি পঠিয়াবা।'

সম্মতি দি সিদ্ধাৰ্থ ওলাই গ'ল।

প্ৰফেছৰে কোঠাটোৰ ভিতৰত অস্থিৰ অশান্তভাবে খোজ কাঢ়িবলৈ ধৰিলে। লেফাফাটোৰ ভিতৰৰ বস্তুবিনিৰে মুন্নীয়ে কি বুজাব খুজিছিল? মুন্নীৰ মগজু ইমান উন্নত কেনেকৈ হ'ল? প্ৰত্যাখ্যান কৰাৰ পৰিণাম যদি ভয়াবহ হয়? মুন্নীৰ হৃদয় কি

ধাতুৰে নির্মিত, যে তাই তেওঁৰ ব্যক্তিত্বক অমৰ কৰি ৰাখিব বিচাৰে ? লেফাফাটো !— ফুল, গছ, পুলি, গুটি—! হঠাৎ তেওঁৰ মনত পৰিল আনন্দ্ৰ, মাৰ্ভেলৰ 'ভিজিটেব্‌ল লভ' ! স্তব্ধ হৈ তেওঁ নিজৰ ওঁঠত আঙুলি দি ক্ষন্তেক থিয়হৈ থাকিল। হে ঈশ্বৰ ! লেফাফাটো ঘূৰাই পঠিয়াব নালাগিছিল। অনাড়ম্বৰ, নিৰ্ভেজাল প্ৰেমৰ অধিষ্ঠাত্ৰী দেৱী, মুন্নী ! প্ৰফেছৰৰ মুখেৰে প্ৰকাশ পালে : Oh Munni. Eternal Mother ! Brave. Brave Munni !" তেওঁৰ মানস চক্ষুত প্ৰতিপাত হৈ উঠিল মুন্নীৰে সৈতে কটোৱা বহুবছৰেইটাৰ কিছুমান মোহনীয় দৃশ্য । চঞ্চলা-চপলা হৰিণা পোৱালিটিৰ প্ৰতিটো ব্যৱহাৰ, চলন, ফুৰণ, কথাৰ ভঙ্গিমা— সকলো এক অব্যক্ত হেপাহৰ অভিব্যক্তি— এক অনিন্দসুন্দৰ গাম্ভীৰ্যতা— তেওঁৰ সমতুল্য হোৱাৰ এক অনন্য বাসনা !

[আঠ]

প্ৰফেছৰে প্ৰায়ভাগ সময়তে ডিপাৰ্টমেণ্টৰ কাম, বন্ধু-বান্ধৱৰ লগত দেখা সাক্ষাৎ অথবা সভাসমিতিত ব্যস্ত থাকিব লগীয়া হোৱাত মুন্নী প্ৰায় ঘৰত অকলশৰীয়া হৈছিল। সেয়েহে বন্ধৰ দিনত তেওঁ কেতিয়াবা মুন্নীক ফুৰাবলৈ লৈ গৈছিল। কিন্তু তেওঁ মন কৰিছিল যে তেওঁৰে সৈতে ফুৰিবলৈ গলে মুন্নীয়ে চেলোৱাৰ কামিজৰ পৰিবৰ্তে সদায় শাৰী পিন্ধিছিল। এবাৰ পাৰ্ক এখনৰ বেঞ্চত বহি থাকোতে তেওঁৰ সন্মুখত থিয় হৈ থকা মুন্নীৰ ফালে চাই তেওঁ সুধিলে : শাৰী যে পিন্ধিছা চেলোৱাৰ কামিজবোৰ কি হ'ল ? তোমাক চেলোৱাৰ কামিজেহে শুৱায় !'

"শাৰী পিন্ধিলে মোক বেয়া দেখি নেকি ?"

"বেয়া ? উ-হু ! কিন্তু তোমাৰ বয়সৰ ছোৱালীবোৰে চেলোৱাৰ-কামিজ পিন্ধে। ডাঙৰ ডাঙৰ ছোৱালীহে শাৰী পিন্ধে। তোমাক জ্যোতিয়ে শাৰীবোৰ কিনি দিছে হবলা !"

মুখ ওন্দোলাই মুন্নীযে ক'লে: "তাতেনো কি হ'ল? জ্যোতিক মই চেলোৱাৰ-কামিজ নালাগে বুলি কৈছোঁ। মই সক হৈ থকা নাই। কলেজত মোৰ দুবছৰ পাৰ হ'ল।"

"হাঃ হ'ঃ হাঃ।"

লাজত ৰঙা পৰি মুন্নী আঁতৰি গৈ এজোপা সৰল গছৰ তলত আমন-জিমনকৈ থিয় হ'ল। প্ৰফেছৰে হাঁহি হাঁহিয়েই কৈ গ'ল: "নাম হ'ল 'মুন্নী' যাৰ অৰ্থ অকণমানি। কিন্তু নিজৰ বয়সতকৈ বহুত আগ্ৰাই যাব খোজে॥ বাৰু, ককাযেৰা আহিলে বিয়া পাতিব কম; হবনে?"

প্ৰযেছৰৰ কাণে পিঠি দি মুন্নীযে হঠাতে সুধিলে: "কেতিয়াবা যদি ককাইদেৱে মোক নিবলৈ আহে আপুনি মোক সচাঁকৈ নৈ যাবলৈ দিব নেকি?"

"নিশ্চয দিম।"

"কিন্তু আপুনি কেনেকৈ চলিব? বীকৰে কৈছে যে মই থাকিবলৈ লোৱাৰ আগতে বীকৰে মাতি থাকিলেও আপুনি হেনো খাবলৈ নামি নাহে; আপোনাৰ কোঠাত ভাত সাজি দি থৈ আহিলেও মাজে মাজে বাতিপুৱালৈ হেনো তেনেদৰে পৰি থাকে; বীকৰে নিশা উঠিও দেখে যে প্ৰাযভাগ নিশা আপুনি নোশোৱে। আপুনি কিয সেইদৰে চলিছিল?"

উঠি গৈ মুন্নীৰ চুলিৰ কোচাত খামুচি ধৰি তেওঁ ক'লে: "তোমাৰ দৰে উৎপতীযা ছোৱালী এজনী মোৰ ঘৰত নাছিল, সেই কাৰণে তেনেকুৱা কৰিছিলোঁ। বাৰু, মই নাখালে বা শুবলৈ নগ'লে তুমি ইমান উৎপাত কৰা কিয়? ঠেহ পাতা কিয? নিজে খাই লৈ শুই থাকিব নোৱাৰা?"

"নোশোৱা নোশোৱাকৈ মানুহ জীয়াই থাকিব পাৰে জানো? মই জানো, আপুনি কিয় সেইদৰে চলিছিল।"

"কোৱাচোন অকণমানি, কিয় সেইদৰে চলিছিলোঁ।

"জ্যোতিৰ নবৌৱেকলৈ আপোনাৰ মনত পৰিছিল। সেয়েহে

জ্যোতিয়ে আপোনাৰ যত্ন লবলৈ মোক কৈ গৈছে।"

"তেন্তে জ্যোতিৰ নবৌয়েৰকলৈ মোক মনত পেলাবলৈ তুমি বাধা দিয়া কিয ? তেওঁক মই কিয পাহৰি যাম ?"

"খোৱা-শোৱা কাম কৰি মনত পেলাব নোৱাৰি নেকি ?"

প্ৰকেছৰে কোনো উত্তৰ নিদিলে। মৃত পত্নীৰ স্মৃতিয়ে ক্ষণিকৰ বাবে হ'লেও তেওঁৰ মন গধুৰ কৰি তুলিলে; তেওঁ মুন্নীৰ অস্তিত্ব পাহৰি গ'ল। হঠাৎ হাতৰ তলুৱাত কাঁইটে বিন্ধা যেন পাই তেওঁ সম্বিত ঘূৰাই পালে। দেখিলে যে তেওঁ এডাল কাঁইটীয়া ফুলগছৰ তলত থিয় হৈ সৰু ডাল এটাত খামুচি ধৰিছে। মুন্নীয়ে তেওঁৰ হাতখন আঁতৰাই নি তেজ মচি দি ফিক্‌কৈ হাঁহি মাৰি ক'লে: "আপুনি ইমান অনামনস্ক! মই নাথাকিলে যে কি হ'লহেঁতেন।"

"ঠিক আছে, মোৰ যত্ন লৈ থাকা। তোমাক মই 'মা' বুলি মাতিম।"

"ধাঃ।" মুন্নী গোমোঠা মুখেৰে ঘাঁহনিত বহি পৰিল। মুখটিপি হাঁহি প্ৰকেছৰে ব্যক্ত কৰিলে: "বিয়া হ'লে তুমি এদিন 'মা' হব লাগিবই।"

"কোনো জনমতে মই আপোনাৰ 'মা' নহওঁ!

হলে আইন কিবা হব পাৰে।"

"আইন কিবা? কোৱাচোন কি হব খোজা?" কাহো নাহাঁহোকৈ মুন্নী দৌৰি গৈ গাড়ীত বহিল।...

আৰু এদিনাখন। গ্ৰীষ্ম বন্ধৰ সময়ত ডিপাৰ্টমেণ্টৰ পৰা উলটি আহি প্ৰকেছৰে পোনে পোনে নিজৰ কোঠাত সোমাল। তেতিয়া দিনৰ দুই বাজিছে। কিন্তু মুন্নী তেওঁৰ বিচনাত শুই আছে। আধাবেপা অৱস্থাত পৰি থকা স্নাতকোত্তৰ আলোচনী এখন শুই এখন হাতে খামুচি ধৰি আছে। প্ৰকেছৰৰ আচৰিত লাগিল। তেওঁ নিজে বহিব ক'লেহে মুন্নীয়ে তেওঁৰ বিচনাত বহে; কিন্তু আজি শুইছে। প্ৰথমে তেওঁ হাতমুখ ধুই ললে; তাৰ পাছত

তললৈ নামি আহি লগুৱাটোক মাতি মুন্নীয়ে নিজৰ বিচনাত কিয় শোৱা নাই সুধিলে। উত্তৰত পালে যে জ্যোতি আৰু জ্যোতিৰ গিৰিয়েক আহি সিহঁতৰ কেঁচুৱাটোৰ অন্নপ্ৰাসনলৈ নিমন্ত্ৰণ দি গুচি গৈছে; চিঠি এখন তেওঁৰ পঢ়া টেবুলতে আছে। পিছে জ্যোতিৰ কেঁচুৱাটোৱে মুন্নীৰ বিচনাত শৌচ-প্ৰস্ৰাৱ কৰি দিয়াত জ্যোতিয়ে সেইবোৰ ধুই দি গ'ল, আৰু মুন্নীক তেখেতৰ বিচনাত জোৰকৈ শুৱাই থৈ গ'ল। ওপৰলৈ উঠি আহি মুন্নীৰ ওচৰত বহি তেওঁ কন্তেক তাইৰ ফালে চাই থাকিল। এয়া যেন কোনোবা স্বৰ্গৰ দেৱদূতী তেওঁৰ ঘৰলৈ নামি আহি তেওঁৰ অন্ধকাৰ জীৱনটোক স্বৰ্গীয় দীপ্তিৰে পোহৰাই তুলিছে। তেওঁৰ গোটেই ঘৰখনতে মুন্নীৰ শিশু সুলভ হাঁহি আৰু উৎপাত লিপিবদ্ধ হৈ আছে। তেওঁৰ হৃদয় সেই সুৰত নিমগ্ন হৈ আছে। সেয়েহে আজি-কালি তেওঁ বাহিৰত অবাৰত ঘূৰি ফুৰি সময় নষ্ট নকৰে। মুন্নীয়ে পিন্ধি থকা হাউচ কোটটোৰ হাতৰ পাতলিটো দাঙি তেওঁ আলোচনীখন টানি তাইৰ হাতৰ মুঠিৰ পৰা ডাঙিয়াই আনিলে। দেখিলে যে আলোচনীত তাই পঢ়ি থকা প্ৰবন্ধটো তেওঁৰেই লিখা। মিচিকিয়াই হাঁহি তেওঁ অন্তৰ্পণে আঁতৰি আহি কাপোৰ সলাই ল'লে। পঢ়াকোঠাৰ ডিভানৰ ওপৰতে কন্তেক শুব বুলি ওলাই যাব খুজি তেওঁ দুৱাৰখন জপাই দিলে। কিন্তু মুন্নী সাৰ পাই উঠি দৌৰি বাহিৰ ওলাই আহি ক'বলৈ ধৰিলে: "মোক নজগালে কেলেই? ম-ম-ই—মা নে—মই ।"

"ম-ম-মই, মানে তুমি, শুই থাকা।"

"নোশোওঁ! আপোনাৰ গাখীৰ খোৱাৰ সময় হৈছে।"

"এতিয়া নহয়; শুই উঠি খাম।"

"তেন্তে শোৱাকোঠা এইটো বুলি পাহৰিলে নেকি?"

"আজি মোৰ বিচনাত তোমাৰ আধিপত্য; মই আহিলোঁ।" মুন্নীয়ে তেওঁক আগচি ধৰিলে।

"তোমাৰ টোপনি হৈ গ'ল তেন্তে ? ঠিক আছে ; মোৰ হাতৰ আঙুলি ফুটাব লাগিব কিন্তু।"

"হাতৰ কিয়, ভৰিৰো ফুটাম।"

মিচিকিয়াই হাঁহি একেছবে বিচনাত উঠি শুই পৰিল। মুন্নীয়ে থিয় হৈয়েই তেওঁৰ দুহাতৰ আঙুলি ফুটাবলৈ ধৰিলে। ভৰিৰ আঙুলি ফুটাই থাকোতে তেওঁৰ চিলমিল টোপনি আহিল। কিন্তু ক্ষন্তেক পাছত বাগৰ সলাওঁতে কিবা এটা তেওঁৰ বুকুৰ ওপৰত বাজি থকা যেন পালে। খক্‌মক্‌কৈ চকুমেলি দেখে যে তেওঁৰ স্বৰ্গীয়া পত্নীৰ ফটোখন তেওঁৰ বুকুৰ ওপৰত উবুৰি খাই পৰি আছে। মূৰ শিতানত মুন্নীয়ে খিল্‌খিল্‌কৈ হাঁহিবলৈ ধৰিলে। হাতমেলি তেওঁ তাইৰ নাকটোত ধৰি টানিবলৈ ধৰিলে। মুকলি হবলৈ চেষ্টা কৰি কৰি হাঁহিহাঁহি মুন্নীয়ে ক'লে : "সপোনত জেঠাতিৰ ৰবৌৰেকক দেখিবলৈ ইচ্ছা নকৰে জানো ?"

"Naughty child ! কৰোঁ ! লগতে কান্দি থকা ছোৱালী এজনীকো দেখিবলৈ ইচ্ছা কৰোঁ।"

এইবুলি তেওঁ ইমান জোৰেৰে তাইৰ নাকটো চিকুটি দিলে যে তাই সঁচাকৈ কান্দি কান্দি চিটিকি গৈ তেওঁৰ ভৰিত হামখুৰা খাই পৰিল। ফটোখন গাৰুৰ ওচৰত ৰাখি তেওঁ শুই পৰিল।

সাৰ পাই উঠি তেওঁ দেখিলে যে মুন্নী খিৰিকিৰ ওচৰত থিয় হৈ আছে। তেওঁ মাতিলে : "মুন্নী !"

তাই হাহি আছে। ধমকনি দি তেওঁ ক'লে : "এইকালে আহা ! তাই মিচিকমাচাককৈ হাহি ওচৰলৈ আহিল। তেওঁ আঙুলিৰে তাইৰ নাকটো চুই প্ৰশ্ন কৰিলে : নাকত বৰ দুখ পাইছিলা ?"

"দুখ পোৱা নাছিলো, ভাল লাগিছিল। মাজে মাজে মাৰ খাবলৈ মন যায়।'

"আচ্ছা। বঁধা জেনেহলে।"

তেওঁ থিয় হ'ল। কিন্তু তেওঁৰ পাছফালে কামিজত কিবা এটা ওলমি আছে। প্ৰফেছৰে তাইৰ কাণত ধৰি নিৰ্দ্দেশ দিলে: "খুলি দিয়া, নহলে কাণ মুচৰি দিম; চিঙি যাব। তেতিয়া কোনেও বিয়া নকৰাব।"

"বৰ ভাল হব; সদায় আপোনাৰ লগত থাকিম। হাঁহি হাঁহিয়েই তাই বস্তুটো খুলি তেওঁৰ হাতত দিলে। ৰুমালেৰে মেৰিওৱা এটা ফ্ৰেম। খুলি চাই দেখে যে সেইখন জ্যোতিৰ কেঁচুৱাটোৰ ফটো। প্ৰফেছৰে এইবাৰ দেখিলে যে মুন্নীৰ ওঁঠ দুটাই হাঁহি আছে, কিন্তু চকুহালি চকুলোৰে সিক্ত হৈ উঠিছে। তেওঁ ব্যক্ত কৰিলে: "হাঁহিৰ অন্য এক নাম কান্দোন। জ্যোতিয়ে কেঁচুৱাটো লৈ গ'ল বাবে কান্দিছা? লোৱা ফটোখন চাই থাকা।"

চকুপানী সামৰি তাই ক'লে: "দেখিছেনে, ইমান মৰম লাগে। [illegible] মোৰে সৈতে শুইছিল; মোৰ ডিঙিত সাৱতি ধৰিছিল!"

"উ— লোকৰ কেঁচুৱাৰ বাবে ইমান দৰদ! নিজৰ হ'লে যে কি— ।"

মুন্নী দৌৰি ওলাই গ'ল। অলপেক পাছত গাখীৰ লৈ আহি তাই দেখে যে প্ৰফেছৰে পোছাক পিন্ধি সাজু হৈছে। তাইৰ মুখমণ্ডল এন্ধাৰ হৈ গ'ল। গাখীৰৰ গিলাচটো হাতত লৈ তেওঁ ক'লে: "মই অকলে গাখীৰ নাখাও।" মুন্নী দৌৰি গৈ নিজৰ বাবে গাখীৰ লৈ আহিল। গাখীৰ খাই খাই তেওঁ তাইলৈ চাই চাই কৌতুকেৰে হাঁহিবলৈ ধৰিলে আৰু ক'লে: "কালিলৈ জ্যোতিহঁতৰ ঘৰলৈ যাম! হেপাহ পলুৱাই কেঁচুৱা ওমলাবা।"
তললৈ মূৰ কৰি মুন্নীয়ে ক'লে: "আপোনাৰ যদি এটা কেঁচুৱা থাকিলহেঁতেন।"

"সদায় উমলিবৰ বাবেইনে?"

"মোৰ লগত সদায় শুৱাই ৰাখিলোঁহেঁতেন। তাক আপদাল কৰিলোঁহেঁতেন। কেঁচুৱাই কি মৰম লগাকৈ গাখীৰ খায়।"

"Mother instinct! Alright, my little one, I am in Search of a father."

প্ৰফেছৰ ওলাই গ'ল।

জোনাকীৰ কেচুৱাটোৰ অন্নপ্ৰাশনৰ পৰা উভতি আহিল পিছ-দিনাখন। নিশা ন মান বজাত প্ৰফেছৰে এঠ ইব পৰা আহি হাত-মুখ ধুই নিজৰ কোঠাত বিৰবি লৈছে আৰু নিশাৰ আহাৰৰ বাবে অপেক্ষা কৰিছে। ধনীৰাম সোমাই আহোঁতে মুন্নীৰ খবৰ কৰি জানিব পাৰিলে যে মুন্নীয়ে নিজহাতেৰে ছয়টা ছট দি মাছ ভাজি কৰিছে আৰু মাছৰ কণীৰ বৰা কৰি থৈছে। তাৰ পাছত নিজৰ কোঠাত সোমাই আছে। চাৰে দহমান বজাত ডিনাৰ খাব বুলি কৈ মুন্নীক তেওঁ আহি খবৰটো দিবলৈ পঠিয়াই দি তেওঁ ভাবিবলৈ ধৰিলে। নিজৰ ছোৱালী এজনী থাকিলে তেওঁ ইমান সুখী হ'লহেঁতেন যে নাই তেওঁ নাজানে। তেওঁৰ আচৰিত লাগিল — এনেকুৱা নিষ্ঠাৱান অন্তৰৰ গৰাকী, কৰ্তব্য পৰায়ণ, সহজ সৰল [illegible] বুদ্ধিমতী আৰু বহিয়াল ছোৱালী এজনীক কিজনী কেনেকৈ স্নেহৰ পাত্ৰী কোন নিষ্ঠুৰ নবৌয়েকে নিজ মগাবে [illegible] গঢ়িয়াই দিলে? তেওঁৰ আৰু আচৰিত লাগিল এইবাবেই যে মুন্নীৰ পবিত্ৰতা আৰু ব্যক্তিত্বৰ প্ৰতি কৰা এই দুৰ্ব্যৱহাৰ হয়তো কোনোবা অজ্ঞাত শক্তিয়ে সহিব পৰা নাছিল সেয়েহে মুন্নী তেওঁৰ সন্মুখত পৰিছিলহি। নহ'লে হয়তো মুন্নী নামৰ ছোৱালী এজনীৰ যে জন্ম হৈছিল তাক কোনেও নাজানিলেহেঁতেন হয়তো কোনোবা পিশাচৰ হাতত — মাই; প্ৰফেছৰে আৰু ভাবিব নোৱাৰিলে। হঠাতে কোনো এক অদৃশ্য শক্তিৰ ওচৰত কৃতজ্ঞতাত তেওঁৰ মূৰ দোঁ খাই গ'ল। প্ৰফেছৰে সিদ্ধান্ত কৰিলে— মুন্নী যিদৰে তেওঁৰ বাবে শান্তিৰ দেৱদূতী হৈ আহিছে তেওঁও সেইদৰে মুন্নীৰ আনন্দ আৰু মঙ্গলামঙ্গলৰ বাবে যত্ন কৰা [illegible]।

ধনীৰামে ডিনাৰ খাবলৈ মাতিবলৈ আহিল। [illegible]

মেজলৈ নামি গৈ মুন্নী কিয় তেওঁৰ ওচৰলৈ অহা নাই বুজিলে। ধনীৰামে ক'লে যে মুন্নীক নীৰৱে কান্দি থকা দেখা গৈছিল। প্ৰফেছৰৰ মনটো সেমেকি গ'ল। ককায়েকলৈ মনত পৰি কন্দা বুলি তেওঁ বুজিব পাৰিলে। কিন্তু এই ক্ষেত্ৰত তেওঁ নিৰুপায়; ককায়েক বিদেশলৈ গৈছে বুলি মুন্নীয়ে নিজেই কৈছে। তেওঁ নিজে গৈ মুন্নীক মাতি আনিবলৈ উদ্যত হ'ল। কিন্তু মুন্নী দুৱাৰ দলিত থিয় হৈছেহি। তাইৰ ৰঙা পৰা চকুলৈ চাই তাইক হুঁহুৱাবৰ নিমিত্তে তেওঁ ৰগৰ কৰিলে:

"Oh, delicious dishes! কিন্তু হায়!
কিদৰে ইয়াক মই কৰো উপভোগ?
উপহা বত্তীশ এজুৰি নয়নে যে মোক কৰিছে বিব্ৰত!"

মুন্নীয়ে খুক্ খুক্কৈ অস্পষ্ট হাঁহিৰে আহি মেজৰ ওচৰত থিয় হ'ল।' প্ৰফেছৰে উঠি আহি বাওঁহাতেৰে তাইৰ নাকটোত ধৰি টানি উচ্চাৰণ কৰিলে:

"Crying for a divine baby? হে ঈশ্বৰ, দেৱশিশু এটি মই বিচাৰি যাওঁ কলৈ?"

"বাঃ, মই কন্দা নাই!"

"চিন্তাৰ কোনো কাৰণ নাই,
বন্ধু চৌধুৰীক কৈ আহিছোঁ মই,
অতিশীঘ্ৰে ব্যৱস্থা হব কইনা-দ'বাৰ।
সেয়েহে মই কৰোঁ প্ৰাৰ্থনা:
Oh baby, baby, Divine baby,
where are you hiding?
Come down to earth to little Munni!
And Console her — Call her your darling Mammy!"

প্ৰফেছৰে ওপৰলৈ হাত দুখন দাঙি ঠেং ধৰি ধৰি ঘূৰিবলৈ ধৰিলে। মুন্নী হাঁহি হাঁহি নিজৰ চিয়ৰত বহি পৰিল।

খোৱাৰ শেষত প্ৰফেছৰ উঠি গৈ যেলকি ত জোনৰ পোহৰত বহিলগৈ। তেওঁ একান্তমনে কিবা এটা চিন্তা কৰি আছে। এনেতে মুন্নীয়ে তেওঁৰ অজ্ঞাতে চকীত পাছফালে থিয় হৈ কাণৰ ওচৰত 'ভক' কৈ শব্দ কৰিলে। চক খাই তেওঁ জপিয়াই উঠিল। তাই খিল খিলকৈ হাঁহিবলৈ ধৰিলে।

দুষ্ট ছোৱালী সৌ জোনটোৰ ওচৰলৈ দলিয়াই দিম।

"উ বৰ ভাল হ'ব মই জোনৰ দেশৰ পৰা আপোনালৈ চাই চাই হাঁহি থাকিম।

কিন্তু এটা বিপদ হ'ব নহয়।

কি বিপদ ?

ইফালে দ'ৰাই কইনা বিচাৰি নাপাই বলিয়া হ'ব। আনহাতে কইনাই যেতিয়া দেখিব যে জোনবাই এজনী জিৰোতা মানুহ বেৰী দিব নোৱাৰে তেতিয়া কান্দি কান্দি কইনা এদিন ভলুক মৰি পৰিব।

"বা" মই আপোনাৰ বেৰী এটাৰ কথাহে কৈছিলোঁ।

মোৰ বেৰী ? মোৰ বেৰী ? ছি ছি বেৰীৰ মাক দেখোন কানিবাই মৰি ভূত হ'ল। ভূতৰ পৰা ভূতৰ পোৱালি হয়

পুনৰ মানুহৰ ছোৱালী বিয়া কৰালে মানুহৰ বেৰী হ'ব।

পুনৰ ? বিয়া ? হা হা হা। বাক তোমাৰ ব'ৰজন নাগিবলৈ যদিও তৎক্ষণাত তোমাৰ বিয়া পাতিব নোৱাৰো আইন উপায় অবলম্বন কৰিম। বঙালী বিহুৰ বন্ধত শিলঙলৈ গৈ সম্পূৰ্ণ এসপ্তাহ তোমাক ঘূৰাই ফুৰাই আনিম।

শিলঙলৈ ? শিলঙত ক'ত থাকিম ?

"প্ৰফেছৰ বৰুৱাদেৱৰ ঘৰত। এদিন যে আমাৰ ঘৰলৈ আহিছিল, তুমি যে মনমোহা চিলি চিকেন বান্ধিছিলা আমেৰিকেন শবিয়তৰ ভুক্তিলগা ভাকৰী বান্ধিছিলা !"

মুন্নীয়ে খুক খুককৈ হাঁহি এবাৰ পাকঘূৰণি খাই [illegible]

[illegible]

"উ— বন্ধাৰ বৰ্ণনা দিব নালাগে।

বন্ধাৰ বিষয়ত তুমি ইমান পাকৈত যে তোমাক যিয়ে পায় সি স্বৰ্গত আছে নে মৰ্ত্তাত আছে ধৰিবই নোৱাৰিব। মোৰ হিসাবে আছে নেই।

"শ্বিলঙৰ কথা কওঁকনা।

Alright, my tender one! প্ৰফেছৰ বৰুৱাৰ তোমাৰ দৰে এজনী ছোৱালী আছে— মমতা। তাইও তোমাৰ দৰে মমতাৰ ভঁৰাল। তাই চিঠি দিছে তোমাৰ লগত চিনাকী হব বিচাৰি তোমাক লৈ যাবলৈ মাতিছে। এইমাত্ৰ মই তাকেই ভাবি আছিলোঁ। কিছুৰ বন্ধটো আমি তাতে কটাই আহিম।

তাই আপোনাক কি বুলি মাতে?

আংকল বুলি! তুমিহে মোক একো বুলি নামাতা! অৰ্থাৎ মই তোমাৰ কোনো নহয়।

নহয়! মানে মই কি বুলি মাতো বিচাৰি পোৱা নাই। দূৰত্ব বুজোৱা সম্বোধনবোৰ ভাল নালাগে। সেয়েহে— ।

হা হা হা হা। প্ৰফেছৰে মুখীৰ গুৰিতে ক্লি পৰে বান্ধি পিঠিত পেলাই থোৱা চুলিকোচা মুঠি মাৰি ধৰি প্ৰকাশ কৰিলে ঐ ছোৱালী ওচৰ বুজোৱা সম্বোধন বিচাৰি বিচাৰি গৱেষণা চলাইছানে? ককায়েৰা উক্তি অহাৰৈ যদি গৱেষণা শেষ নহয় মই তোমাৰ একো মোহোৰাকৈ বৈ থাকিম? জ্যোতি আহিলে তাইকেই সুধিবা— সম্বোধন এটা বিচাৰি উলিয়াব পাৰিব। তাই তোমাতকৈ বয়সত ডাঙৰ।

নালাগে মই নিজে উলিয়াম। বয়সৰ লগত এনেকুৱা সম্বোধনৰ কি সম্পৰ্ক? আপুনি মোক সক ছোৱালী বুলি ভাবে যদিও মই সৰু নহয়। মই ডাঙৰ হৈছো।"

"সৰু নহয়নে? মনে মনে ঠেং পাতি থকা ছোৱালীবোৰ ডাঙৰ হব লাগিলে সম্বোধন বিচাৰি উলিয়াবও নোৱাৰে।"

[illegible]

প্ৰফেছৰৰ আচৰিত লাগিল। তেও বিশ্বান দূৰ জানে ছোৱালীবোৰে সাধাৰণতে নিজৰ বয়স লুকুৱাই সক হৈ থাকিব বিচাৰে। এইজনী দেখোন তেনেই ওলোটা। ডাঙৰ হব বিচাৰে! মুন্নীৰ উত্তৰ আহিল:

"মই পাৰিম! বিচাৰি উলিয়াইছো! ক'ম নে?"

"কোৱা, কেলেই বৈ আছা?"

"আপুনি—মোৰ—মোৰ—'বন্ধু'—হয়!"

হোহোকৈ হাহি খিয় হৈ প্ৰফেছৰে ক'লে: "বয়সক চেৰ পেলাই বহু দূৰ আগুৱাই আহিলা বন্ধু! Thats your idea of nearness! Alright, my nanghty little friend!"

হঠাৎ মুন্নী তেওঁৰ ওচৰ চাপি গৈ চকুলৈ চাই প্ৰশ্ন কৰিলে:

"মোক বেয়া পাইছে?"

তাইৰ মূৰৰ ওপৰত হাত থৈ তেওঁ সহৃদয়ৰে হাহি ক'লে: "বেয়া? কেতিয়াও নহয়। বৰ ভাল পাইছো। এই সময়বোৰ অমূল্য।"

তাই তাইৰ মৰটো তেওঁৰ বুকুৰ ওপৰত পেলাই দিলে। তাকে লক্ষ্য কৰি প্ৰফেছৰে এহাতেৰে তাইক সাবটি আনহাতেৰে তাইৰ কঁপালৰ চুলিখিনি দাঙি ধৰি ক'লে:

"Strange! yet pleasing! ভাল লাগিছেনে বন্ধু? শুই থাকাগৈ যোৱা। Good Night!"

"Good Night!" মুন্নী আঁতৰি গ'ল।

[ক]

খিলঙৰ পৰা উভতি অহাৰ দিনাখন নিশা ডিনাৰৰ সময়ত প্ৰফেছৰে মাতিলে: "খাই উঠি শুব নোৱাৰা। মোৰ পঢ়াকোঠালৈ যাব লাগিব।"

তেওঁৰ গম্ভীৰ স্বৰ শুনি মুন্নীয়ে থতমত খালে। খাই উঠি মুন্নীয়ে নিজৰ কোঠালৈ যায় সঁচা! কিন্তু বেছিয়া দেখে যে তেওঁৰ

পঢ়া কোঠাৰ লাইট নিশা বাৰ বজালৈ জ্বলি আছে, তেতিয়া তাই তেওঁৰ পঢ়া কোঠালৈ গৈ তেওঁক শুবলৈ বাধ্য কৰিবলৈ নানান ভঙ্গিমা অৱলম্বন কৰে। মাজে মাজে খং উঠি তেওঁ কঠোৰ হয়, কিন্তু তাইও জিদ ধৰি টোপনিয়াই টোপনিয়াই যেতিয়া বহি থকা দেখে, তেওঁ উঠি শুবলৈ যায়। এক কথাত, তেওঁ নুশুলে, মুন্নীও টোপনি নাহে। জ্যোতিয়ে অৰ্পণ কৰি যোৱা দায়িত্ব মুন্নীয়ে আখৰে আখৰে পালন কৰি আছে।

মুন্নী তেওঁৰ পঢ়াকোঠাত সোমোৱাৰ লগে লগে প্ৰফেছৰে তাইক একাষৰ বেৰত লাগি থকা দীঘল ডিভানটোৰ ওচৰলৈ যাবলৈ ক'লে; আৰু তাৰ ওপৰত দীঘল বস্তু এটা ঢাকি থোৱা মখমলৰ কাপোৰখন আঁতৰাই চাবলৈ নিৰ্দ্দেশ দিলে। কাপোৰখন আঁতৰাই মুন্নী অবাক্ হৈ গ'ল; কাৰণ তাতে এখন প্ৰকাণ্ড চেতাৰ আছে। প্ৰফেছৰ আগুৱাই গৈ মাতিলে:

"মমতাৰ সৈতে লগ লাগি চেতাৰ বজাইছিল, ভজন গাইছিলা; আৰু ইমান দিনে মোৰ পৰা এই টেলেণ্ট লুকাই ৰখাৰ বাবে শাস্তি স্বৰূপে এতিয়া একেলগে দুটা ভজন গাই শুনাব লাগিব।"

মুন্নীৰ ওঁঠত হাঁহি বিৰিঙি উঠিল, তাইৰ মুখেৰে প্ৰকাশ পালে: "এইখন ইমান ধুনীয়া চেতাৰ! মই দেখাই নাছিলোঁ।"

"মোৰ শোৱাকোঠালিৰ ওখ আলমাৰীটো যে দেখিছা, সদায় বন্ধ হৈ থাকে; তাতে সোমাই আছিল এইখন, এয়া লোৱা চাবি; এতিয়াৰ পৰা সেই আলমাৰীৰ দায়িত্ব তোমাৰ। চেতাৰ বজাই ভজন গোৱা ক'ত শিকিছিলা বন্ধু? সঙ্গীত স্কুলত?"

"নহয়: অনুপমাৰ ঘৰত। সিহঁত ধনী মানুহ, তাইৰ চেতাৰ আছে। তাই মোক বৰ ভাল পাইছিল; আমি অইন গীতো অনুশীলন কৰিছিলোঁ।"

"এতিয়া তোমাৰো চেতাৰ আছে, এইখন জ্যোতিৰ নবোৰেকৰ আছিল। তোমাৰ দৰে তেওঁও ভজন গাইছিল। এইখনেৰে তুমি গীত

চৰ্চা কৰিবা; মই শুনি থাকিম।"

"আপুনি গীত বৰ ভাল পায়?"

"এৰা। বৰ ভাল পাওঁ; গোৱা।"

মুন্নীয়ে ডিভানটোৰ ওপৰত বহি সুৰৰ সৈতে চেতাবখন আয়ত্ত আনিবলৈ চেষ্টা চলাই থাকোঁতে প্ৰফেছৰ ভাইৰ ওচৰত নিজ্জীৱ পদাৰ্থৰ দৰে থিয় হৈ আছে। প্ৰায় দহ ফুট দীঘল কুশ্বনেৰে আবৃত ডিভানটোৰ আনটো মূৰে খালী হৈ পৰি থকা ঠাইখিনিলৈ তেওঁ এক ধ্যানে চাই আছে। তেওঁ যেন দেখিলে তেওঁৰ পত্নী মনালিছা সেই খালী ঠাইখিনিত বহি তেওঁলৈ চাই চাই হাঁহি আছে। পত্নীৰ ওঁঠ আৰু চকুৰ চেলাউৰীত বিচ্ছেদৰ ক্লেশ যেন প্ৰকট হৈ উঠিছে। তেওঁৰ হাত দুখন পত্নীৰ ওচৰলৈ আগুৱাই গ'ল। শূন্যতে খেপিয়াই খেপিয়াই অৱশেষত তেওঁ কুশ্বনৰ ওপৰত হাত ফুৰাবলৈ ধৰিলে; হঠাৎ তেওঁ মুন্নীৰ মাত শুনিলে: "কি হৈছে আপোনাৰ? খালী ঠাইখিনিত এইদৰে কি বিচাৰিছে?"

"হা? ক'তা? এতিয়াই আছিল।"

"কি আছিল এতিয়াই? তাত দেখোন একো নাই।"

"হু? এৰা, একো নাই। বাৰু, গীত গোৱা।"

মুন্নীৰ মুখমণ্ডলত কপা ডাৱৰ ধূপ খালে। প্ৰফেছৰৰ মুখেৰে নিৰ্গত হ'ল:

"তেওঁ মোক কৈছিল যে আমাৰ ছোৱালী একনী হ'লে সংগীতত পাকৈত কৰি তুলিব লাগিব।"

"আপোনাৰ গা-মন ভাল নহয়; আপুনি আজি শোৱঁক; মই কালিলৈ গীত গাম।"

"নহয়! মুঠিবা; গোৱা; এয়া মই মনযোগ দিছোঁ।"

মুন্নীয়ে গীত আৰম্ভ কৰিলে; প্ৰফেছৰে আৱামী চকীত বহি শুনি থাকিল। তেওঁৰ মুখমণ্ডল সুখ আৰু আনন্দত উজ্জ্বল হৈ উঠিল। গীতৰ শেষত মুন্নীৰ ওচৰলৈ আহি তাইৰ কঁপালৰ ওপৰত

ওঁঠ লগাই তেওঁ উচ্চাৰিলে :

"Heaven is here! ভাগৰ লাগিছে নহয়? শুই থাকাগৈ যোৱা।"

কিন্তু মুন্নীয়ে প্ৰশ্ন কৰিলে : "এষাৰ কথা সোধোনে? জ্যোতিক সুধিলে উত্তৰ দিয়াৰ পৰিৱৰ্তে মুখখন গোমোঠা কৰি আঁতৰি যায়।"

"কি কথা?"

'জ্যোতিৰ নবৌয়েৰক হেনো চিতাৰ ওপৰৰ পৰা জলৈ পৰি গৈছিল। কেনেকৈ?"

প্ৰফেছৰৰ মুখ অসন্তুষ্টিৰে উপচি পৰিল। মুন্নীৰ ফালে পিঠি দি তেওঁ মৌন হৈ থাকিল। পোন্ধৰ বছৰৰ পুৰণি ঘাঁ খুচৰিছে কিয় এইজনীয়ে? তাইৰ শিশুসুলভ প্ৰকৃতি আৰু নিভাঁজ মৰম চেনেহেৰে তেওঁৰ জীৱনলৈ সুৰৰ মন্দাক্ৰান্তা যোৱাই অনা ওঠৰ-উনৈশ [illegible]ৰ বয়সৰ এই নাবালিকাই আজি তেওঁৰ মৰ্ম্মন্তুদ অতীত জানিব খোজে কিয়? মৃত্যুমুখী পত্নী মনালিছাৰ চটফটনি যেন তেওঁ কাণেৰে শুনিবলৈ পালে। অশান্তিৰ দাবানলত দগধ হোৱা তেওঁৰ যন্ত্ৰণাকাতৰ আত্মাই যেন তেওঁক কঠোৰ হবলৈ বাধ্য কৰালে। তেওঁৰ মুখেৰে বিস্ফোৰিত হ'ল : 'তোমাক শুই থাকিবলৈ কৈছোঁ! কি সাহসত তুমি এই প্ৰশ্ন কৰিছা।"

মুন্নীৰ অন্তৰাত্মা কঁপি উঠিল, তাইৰ মুখমণ্ডল বিবৰ্ণ হ'ল। শঙ্কাকুল অনুশোচনাৰে কান্দো কান্দো হৈ মুন্নী লাহে লাহে পিছুৱাই যাবলৈ ধৰিলে আৰু পাছৰ ফালে দুৱাৰত খুন্দা খাই দুৱাৰমুখতে পৰি গ'ল। চোক গিলি গিলি উঠি তাই দুৱাৰত খামোচ মাৰি ধৰিলে। উত্তেজিত ও ৰুষ্ট প্ৰফেছৰে সাউতকৈ গৈ তাইৰ হাত এছাৰি টানি তাইক বাহিৰলৈ উলিয়াই লৈ গ'ল, আৰু একেকোবে ড্ৰইং ৰুমৰ ফালে নামি যোৱা খটখটীৰ ওচৰত থিয় হ'লগৈ। তেওঁৰ বক্তব্য ঝংকৰিত হ'ল :

"পোন্ধৰ বছৰ আগৰ দুৰ্দান্ত ট্ৰেজেডি জানিব খুজিছা নহয়?

শুনা— তেওঁ মনমোহা চেণ্ডুইচ প্ৰস্তুত কৰিব জানিছিল। মই ডিপাৰ্টমেণ্টৰ পৰা উভতি আহি চেণ্ডুইচ খাম বুলি কৈ ওলাই গছিলো। তেও মোৰ বাবে চেণ্ডুইচ প্ৰস্তুত কৰিবলৈ হেনো লৰাসৰিকৈ তাৰ পৰা নামিব খুজিছিল— আৰু— বাগৰি পৰিছিল। এবৰ পাই মই ঘৰি আহিছিলো। কিন্তু মই আহি পোৱাৰ পাঁচ মিনিট পাছতেই তেওঁৰ প্ৰাণবায়ু উৰি গৈছিল। মই আৰু মোৰ চেণ্ডুইচ দুৰ্ঘটনাৰ অপৰাধী। মই চেণ্ডুইচ পৰিত্যাগ কৰিলো। আমাৰ বিয়া হোৱা সম্পূৰ্ণ এবছৰো অতিক্ৰম কৰা নাছিল। She died with a child।"

বেলিকৈত কিলাকুটি ৰাখি প্ৰফেছৰ নীৰৱ হৈ ৰ'ল। মুন্নীয়ে জঠৰ মূৰ্তিৰ দৰে ক্ষন্তেক নিৰ্ব্বাক হৈ থাকি অৱশেষত তেওঁৰ পাছফালে থিয় হৈ অনুনয়ৰ সুৰত প্ৰকাশ কৰিলে: "মোক ক্ষমা কৰক! মই আৰু কেতিয়াও এইবোৰ কথা সুধিম, কেতিয়াও।"

প্ৰফেছাৰ নামাতিলে, তাইৰ ফালে ঘূৰিও নাচালে। তেও নিজক প্ৰকৃতিস্থ কৰিব পৰা নাই। মুন্নী অতিষ্ঠ হৈ কান্দি কান্দি তেওঁৰ ভৰিত খামুচি ধৰিলে। প্ৰফেছাৰে তাইক থিয় কৰাই দি মাতিলে: "Dont Cry My little friend yes, I forgive you! নিশা বহুত হ'ল; শুই থাকাগৈ যোৱা।"

"আগতে আপুনি শুই থাকিব লাগিব, আৰু মই আপোনাক শুৱাই থম।"

হাঁহি মাৰি প্ৰফেছৰ মান্তি হ'ল। আৰু ভিতৰ সোমাই গৈ নিজৰ বিচনাত পৰিল। তেওঁৰ আঠুৱাখন টানি আনি বিচনাৰ চাৰিওকাষে খুচি দি মুন্নী ওলাই গ'ল।

কেইদিনমান পাছত প্ৰফেছৰৰ সাতচল্লিচতম জন্মদিনটো আহি উপস্থিত হ'ল। জন্মদিনৰ আগৰ দিনাখন সন্ধিয়া তেওঁ মুন্নীৰ হাতত এটা টোপোলা দি ক'লে: "কালিলৈ মোৰ জন্মদিন; এইবাৰ ভাল দৰে পাতিম। জ্যোতিহঁত বাতিপুৱাতে ওলাবহি, সন্ধিয়া বহুত

মানুহ আহিব। এইযোৰ নতুন কাপোৰ পিন্ধি তুমি কাইলৈ গীত গাব লাগিব, বুজিলা বন্ধু ?”

মুৰ দুপিয়াই কাপোৰযোৰ খুলি মুন্নীয়ে দেখে যে গোলাপী ৰঙৰ দামী চিল্ক কাপোৰৰ গেঞ্জীয়া ডিজাইনৰ আকৰ্ষণীয় কামিজ আৰু চেলোৱাৰ, হালধীয়া ৰঙৰ ফিৰফিৰিয়া দোপাট্টা। মুন্নীয়ে তেওঁৰ ফালে চাই কৃতজ্ঞতাৰে হাঁহিলে।

পিছদিনাখন আবেলি নিমন্ত্রিত অতিথি অহাৰ আগেয়ে জ্যোতিৰ সৈতে মুন্নী সাজি-কাচি ওলাল। জ্যোতিয়ে ককাযেকৰ কোঠাত সোমাই দেখে যে তেওঁ ষ্টিল গ্রে ৰঙৰ পেন্ট আৰু কোট পৰিধান কৰি গড্ৰেজটোত হাত ৰাখি কিবা ভাবত নিমগ্ন হৈ আছে। জ্যোতি আগুৱাই গৈ গড্ৰেজটো খুলি বৰ্গক্ষেত্ৰাকৃতিৰ নীলা ডিজাইন থকা টাই এডাল উলিয়াই তেওঁৰ ডিঙিত গাঁঠি দিলে। প্ৰফেছৰে সুধিলে, “জ্যোতি, নবৌৱেৰাৰ গহনাবোৰ ইমান বছৰে এনেয়ে পৰি থাকিল। তাৰে কেইপদমান মুন্নীক দি দিম নেকি ? তই দেখোন লবলৈ ইচ্ছা নকৰ: আৰু মুন্নীৰ ডিঙি, হাত, কাণ উদং হৈয়েই আছে।”

“কেইপদমান কিয় ককাইদেউ ? আটাইখিনি দেখোন তাই পিন্ধিব পাৰে।”

“আটাইখিনি পিন্ধিলে বিয়াৰ কইনা যেন দেখা যাব। এতিয়া চেইন এডাল আৰু ব্ৰেচলেট এপাত দি দিওঁ। বাকীখিনি তেওঁৰ বিয়াত উপহাৰ দিম।”

“ককাইদেউ, কথা এষাৰ— ।”

“হু ? কি কথা ? ক।’

“মানে— মুন্নীক দেখোন— ।”

“কি হ’ল ? বৈ গলি কিয় ?”

“ককাইদেউ, মুন্নীক দেখোন আমি ৰাখি থব পাৰো।— চিৰদিনৰ বাবে।”

"চিৰদিনৰ বাবে ? কি বলকিছু এইবোৰ ?"

"এৰা। তাইৰনো আৰু কোন আছে ? আৰু তাই ইমান ভাল।"

"উঁ— মুন্নীৰ পিতৃমাতৃয়া মইমতালিয়ে তোকো লক্ষিছে। তেওঁৰ ককাযেক আছে বুলি পাহৰিলি নেকি ? ককায়েক এদিন আহি দাবী কৰিব, তেতিয়া তেওঁ নিজেই গুচি যাব।"

"ককায়েক যদি কেতিযাও নাহে। তাইৰ মৃত্যু হোৱা বুলি যদি ভাবে।"

"মৃত্যু হোৱা বুলি ভবাৰ পৰিবৰ্ত্তে পুলিচ লগাই বিচাৰিব। আৰু কেতিযাও বিচাৰি নাপালেও আমি মুন্নীক ৰাখিব নোৱাৰোঁ। প্ৰত্যেকৰে এটা স্বতন্ত্ৰ জীৱন আছে, মোৰ সুবিধাৰ বাবে অইনে বঞ্চিত হব লাগে কিয় ?"

"বঞ্চিত কিয় হব ? তাই স্বতন্ত্ৰ হৈয়ে থাকিব।"

"তই এটা মস্ত মূৰ্খক। তোক যিদৰে বিয়া দি উলিয়াই দিছো, ভাল ল'ৰা এটা চাই মুন্নীকো বিয়া দিম, যদিহে তেওঁক বিচাৰি কোনো নাহে। মোৰ কৰ্ত্তব্য মই কৰি থাকিম; বুজিলি ?"

"এৰা। অইনৰ প্ৰতি কৰ্ত্তব্যৰ কথা ভাবি থাকক আপুনি, নিজৰ জীৱনৰ প্ৰতি কৰ্ত্তব্য নাই নেকি ?"

এক্কেছৰে নিঃশব্দে হাঁহিলে আৰু বস্ত্ৰ কেইপদ আগবঢ়াই দি ক'লে: "বক্‌বক্ নকৰিবি; এইবোৰ লৈ যা; মুন্নীক পিন্ধাই দেগৈ।"

"আপুনি নিজ হাতে পিন্ধাই দিব। জানে ককাইদেউ, তাইৰ বয়স তেনেই কম হলেও দেখিবলৈ বৰ ধুনীয়া! ওখপাখ ধুনীয়া চেহেৰাৰ ছোৱালী।"

এক্কেছৰে কোনো উত্তৰ নিদি ওলাই যাব বিচৰাত জ্যোতিয়ে বাধা দি ক'লে: "উঁহু। মই মুন্নীক ইয়ালৈ পঠিয়াই দিম। মই তাইক পিন্ধাই দিব নোৱাৰোঁ।"

জ্যোতি দৌৰি ওলাই গ'ল, বস্ত্ৰ কেইপদ নিনিলে। কন্তেক

পাছতে মুন্নী সোমাই আহিল। গোলাপী ৰঙৰ পোছাক যোৰেৰ তাইক কাৰিকৰে গঢ়া মুৰ্ত্তি এটাৰ দৰে লাগিছে। প্ৰফেছৰে তাইলৈ চাই হঁহা দেখি লাজত তাই তলমূৰ কৰিলে। তেওঁ দেখিলে যে তাইৰ কাণত এযোৰ ডিম্বাকৃতিৰ সৰু সৰু মুক্তা ওলমি আছে— হয়তো ককায়েকে দিছিল। তেওঁ এক চেণ্টিমিটাৰ বহল পাতল ডিজাইনৰ চেইন এডাল আৰু ব্ৰেচলেট এপাত তাইলৈ আগবঢ়াই দি ক'লে: 'এইবোৰ কি এনেয়ে পৰি থাকিব লাগে? তুমি পিন্ধিবা, লোৱা।"

এইবোৰ তেওঁৰ পত্নীৰ আছিল মুন্নীয়ে হয়তো বুজিলে'। বস্তুবোৰ লাৰি-চাৰি কওঁ নকওঁকৈ তাই ক'লে: "সদায় পিন্ধিলে এইবোৰ নষ্ট হৈ যাব কিজানি। তাতকৈ দেখোন ভিতৰতে থকা ভাল।"

"সোণ নষ্ট হৈ নাযায়! মই ধনকুবেৰ নেকি যে ব্যৱহাৰ নকৰাকৈ সাঁচি থম?"

কথাষাৰ খঙত কোৱা শুনি মুন্নী বিব্ৰত হ'ল। সেয়েহে কি তাই ক'লে: "জ্যোতিয়ে দেখোন পিন্ধিব পাৰিলেহেঁতেন!"

"বাদ্ৰিছ! জ্যোতিয়ে তোমাক দিবলৈ কৈ গ'ল। নিপিন্ধা যদি মোক নামাতিবা।"

তেওঁক সন্তুষ্ট কৰিবলৈ মুন্নীয়ে বস্তুকেইপদ পিন্ধি ল'লে। আনন্দেৰে জন্মদিনৰ কাৰ্য্যাৱলী শেষ হ'ল। কিন্তু প্ৰফেছৰে গোটেই সময়খিনি সুস্থিৰভাৱে কটাব নোৱাৰিলে, সকলোৰে অজ্ঞাতে তেওঁৰ হৃদয় ঠানবান হৈ যোৱা যেন তেওঁ অনুভৱ কৰি থাকিল। কাৰণ, মুন্নীয়ে যিটো গীত সমজুৱাৰ আগত গাইছিল, সেয়া ভজন অথবা আনন্দৰ আধুনিক গীতো নাছিল, সেয়া আছিল নিৰ্ম্মম, হৃদয় বিদাৰক নিঃসঙ্গতাৰ সঙ্গীত— পুলক বেনাৰ্জ্জীৰ-"মই আজি সংগী বিহীন উদাসীন ক্লান্ত পথিক এই বিশাল পৃথিৱীত, ও সোঁৱৰণি, নিদিবি আমনি"

তেওঁ কাকো মাতবোল নকৰাকৈ বিচনাত শুইপৰিলগৈ। তেওঁৰ

চকুত ভাঁহি উঠিল মুন্নীৰ কাৰুণ্যভৰা মুখমণ্ডল, যত ক্লেশ আৰু চকুলোৰ থুপ খাইছিল আৰু এনাবৰে সুকণ্ঠা বিচাৰি আছিল। নিঃসঙ্গতাৰ কৰ্কটাবুৰে খুলি খুলি খোৱা তেওঁৰ জীৱনটোলৈ এই অকামানি ছোৱালীজনীয়ে স্বৰ্গীয় সুখৰ নিজৰা বোৱাই আনিছে. কিন্তু মাজে মাজে তাইক নিজৰ দুৰ্ভাগ্যক স্মৰণ কৰি তেওঁৰ নিৰ্মম অতীতটো স্মৰণ কৰিবলৈ বাধা কৰায়। কিয় ? গীত গাই থাকোঁতে তাইক ইমান ধুনীয়া লাগিছিল। অথচ, গীতৰ গূঢ়াৰ্থই সেই সৌন্দৰ্য উপভোগ কৰিবলৈ তেওঁক স্বাধীনতা নিদিলে।

এনেতে দুৱাৰত শব্দ হ'ল। জ্যোতি বুলি ভাবি তেওঁ মাতিলে :

“কি হ'ল ? মই শুইছো।”

দুৱাৰত টুক্ লগোৱা অভ্যাস প্ৰফেছৰৰ নাই, কেতিয়াবা কাচিৎহে লগায়। কাৰণ, তেওঁ মাজে মাজে উঠি বেলকনিলৈ যায়। বাহিৰৰ পৰা মাত ভাঁহি আহিল . মাতত আড়ষ্টতা : “মই মুন্নী।”

“মুন্নী ? কি হ'ল ? সোমাই আহা।”

নাইট গাউন পিন্ধি অপ্ৰস্তুত মুন্নী সোমাই আহি মজিয়াত থিয় হ'ল। তেওঁ বিচনাত উঠি বহি তাইক পৰ্যবেক্ষণ কৰিলে। তাই অলপ আগতে কান্দিছিল বুলি তেওঁৰ অনুমান হ'ল। তাই লাহেকৈ ক'লে. ‘দে ভিগা লোক পঠিয়ালে, আপোনাৰ হেনো মূৰ কামুৰিছে।”

মূৰ কামুৰিছে ? শোৱাৰ সময়ত তাইৰ নিজৰ দুখকো কাতি কৰি থৈ জ্যোতিয়ে বোৱা মিছা কথাষাৰক সৰোগত কৰি মুন্নী আহিছে তেওঁৰ মূৰ কামোৰণি উপশম কৰিবলৈ ? জ্যোতিৰ উদ্দেশ্যৰ বিষয়ে জানিলে মুন্নীয়ে কি ভাবিব বাৰু ? মুন্নীৰ ত্যাগৰ সন্মুখত জ্যোতিৰ উদ্দেশ্য কিমান নিকৃষ্ট। এবা নিকৃষ্ট। অৰ্থাৎ স্বাৰ্থ বিজড়িত। কিন্তু জ্যোতিৰ উদ্দেশ্য অসৎ নহয়। তাই ককায়েকৰ অস্তিত্ব ৰক্ষাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাই আহিছে— সমৰ্থ হোৱা নাই। কিন্তু এই সৰু ছোৱালীজনীক লৈ চলোৱা এই চেষ্টা নিকৃষ্ট এই বাবেই

যে মুন্নী বৰ সৰু, আৰু দুৰ্ভাগ্য পিড়ীতা। তেওঁ মুন্নীৰ আশ্ৰয়দাতা; তেওঁ মুন্নীৰ ভবিষ্যত সুখ আৰু মঙ্গল কামনা কৰে। কিন্তু জ্যোতিৰ উদ্দেশ্যৰ বিষয়ে কোনো কথা মুন্নীক জানিবলৈ নিদি তেওঁ শুই পৰিল, আৰু মাতিলে:

"এবা! মুৰ কামুৰিছে! মাত্ৰ পাঁচমিনিট কঁপালখনত আঙুলি বুলাই দিবা, নহ'লে টোপনি নাহে।"

মুন্নীয়ে মূৰ শিতানত থিয় হৈ তেওঁৰ কঁপালত আঙুলি পিছলাই নিবলৈ ধৰিলে। তেওঁ প্ৰশ্ন কৰিলে: "মুন্নী, মই তোমাক বেযা পাইছো, কিয় জানা?"

মুন্নী মৌন। তেওঁ কৈ গ'ল: "আজি আনন্দৰ দিনটোত তুমি দুখৰ গীত গাইছিলা আৰু মোক লুকাই লুকাই কান্দিছিলা। কিয়? ইয়াত তুমি অকণো মৰম-চেনেহ পোৱা নাই নেকি?"

মুন্নীয়ে তেওঁৰ ওঁঠ আঙুলিৰে বন্ধ কৰি ধৰি প্ৰকাশ কৰিলে: 'সেই কাৰণে নহয়। ককাইদেউক যে বহুদিন ধৰি দেখা নাই। মই মৰি গলোঁ বুলি ভাবিছে চাগৈ।"

"ককায়েৰা হেনো বিদেশলৈ তিনি বছৰৰ বাবে গৈছে, এবছৰহে পাৰ হ'ল। উন্নতি অহাই নাই নিশ্চয়। তুমি ঘৰত থকা বুলি ভাবি আছে। বাৰু, তোমাৰ ঘৰৰ ঠিকনাটো মোক দিবা, তিনি বছৰ পূৰ্ণ হোৱাৰ লগে লগে মই তেওঁক লগ ধৰি তোমাৰ কথা জনাম।"

"নালাগে। ককাইদেৱে নিজে মোক বিচাৰেনে নিবিচাৰে চাম! মোলৈ কিমান মৰম আছে, তেতিয়া দেখা যাব!"

"তেনেহলে আৰু নাকান্দিবা; দুখৰ গীত নাগাবা। প্ৰমিচ?

মুন্নীয়ে এইবাৰ হাঁহিবলৈ ধৰিলে। তাইৰ দুখ ক'ৰবালৈ উৰি গ'ল! "প্ৰমিচ"। বুলি দোহাঁৰি তাই তেওঁৰ চুলিবোৰ লাৰি-চাৰি ব্যক্ত কৰিলে:

'আকৌ পকাচুলি কেইডালমান ওলাইছে; কাইলৈ উঘালি দিম।"

"পকাচুলি উঘালিলে বয়স কমি নাযায়!"

"বয়সৰ লগত কি কথা আছে? আপোনাৰ চুলিবোৰ বৰ ধুনীয়া! আৰু আপোনাৰ কপালখন—।"

"মোৰ কপালখন, কি?

"আপোনাৰ ৰেকত যে এখন ডাঙৰ কিতাপ আছে; তাৰ বেটুপাতত যে এজন ইংৰাজ কবিৰ ফটো আছে! ইমান ধুনীয়া ফটো। তেওঁৰ নাম কি সোধোঁতে আপুনি কৈছিল, লর্ড বাইৰণ! সেই কবিতাবোৰ মই এটাও নুবুজো। কিন্তু তেওঁৰ নিচিনা আপোনাৰ কপালখন।"

প্ৰফেছৰ আনন্দিত হৈ উঠি বহিল। অৰ্থাৎ মুন্নী লর্ড বাইৰণৰ প্ৰতি আকৃষ্ট হৈছে! মুন্নী সাহিত্যৰ ছাত্ৰী হোৱা উচিত আছিল নেকি? মুন্নীয়ে থকথকৈ হাঁহিবলৈ ধৰিলে।

"Now, you are happy! যোৱা শুই থাকাগৈ।"

"আপোনাৰ মূৰ কামোৰণি ভাল হ'ল নে?"

"তুমি প্ৰশংসা কৰিলা সুখী হ'লো। মোৰ মূৰ কামোৰণিও ভাল হৈ গ'ল। জোনতিলে নিজৰ অজ্ঞাতে কিছুমান ভাল কাম কৰে।"

"নিজৰ অজ্ঞাতে?"

"যোৱা! মোৰ টোপনি ধৰিছে। Good Night।"

"Good Night।" মুন্নী ওলাই গ'ল। প্ৰফেছৰৰ মনটো বৰ ভাল লাগিল।

[দহ]

এদিন ডিপাৰ্টমেণ্টৰ পৰা ঘূৰি আহি থাকোঁতে ডাক্তৰ চলিহাই প্ৰফেছৰক ৰাস্তাৰ পৰা মাতি লৈ গৈ ক'লে যে তেওঁৰ খুলশালীয়েক শিৱসাগৰৰ পৰা আহিছে উভতি যোৱাৰ আগেয়ে বশিষ্ঠাশ্ৰমখন চাই যাব খোজে। কিন্তু তেওঁৰ গাড়ীখন গেৰেজত সোমাই আছে, সেয়েহে প্ৰফেছৰ হাতীবৰুৱাই তেওঁলোকৰ

পিকনিক, ট্রিপ টোত সহায় কৰিব লাগে, গাড়ীৰ পেট্ৰোলৰ খৰচ দিয়াৰ বাবে ডাক্তৰ চলিহাই সাজু হ'ল। কিন্তু এবেছৰৰ তেলৰ খৰচ লবলৈ মাত্তি নহৈ মুন্নীকো লগত লৈ ফুৰি অংটোক ঠিৰাং কৰিলে।

আনহাতে ভনীয়েকৰ সৌন্দৰ্যৰ গৰ্ব্বত গৰ্ব্বিতা চলিহানী আৰু ভনীয়েক মিলিৰ লোপালো আভিজাত্যৰ ঢং আৰু অহংকাৰ চূৰ্ণ কৰিবলৈ এবেছৰৰ ভিতৰি ভিতৰি জেদ বাঢ়িল। চলিহানীয়ে যেতিয়াই তেতিয়াই মাথো ভনীয়েক মিলিৰ সৌন্দৰ্য্যৰ প্ৰশংসাত শতমুখ হৈ পৰে। চলিহানীৰ মতে মিলিতকৈ সুন্দৰী ছোৱালী সেইঅঞ্চলত নাই। প্ৰকৃততে, তেওঁ ভাবে যে, মুন্নী বস্তুত বেচি সুন্দৰী যদিও সৰু হৈ আছে আৰু নিজক সুন্দৰী সজাবলৈ মুন্নী মুঠেই তৎপৰ নহয়।

খৰ পাই তেওঁ মুন্নীক মাতি প্ৰ'গ্ৰেমৰ কথা ক'লে, চলিহা চলিহানী আৰু মিলিৰ কথাও ক'লে যদিও সিহঁতৰ অহংকাৰ চূৰ্ণ কৰা সন্দৰ্ভত তেওঁ মুন্নীক একো জানিবলৈ নিদিলে। তথাপি তেওঁৰ জেদ পূৰণৰ অভিব্যক্তি এইদৰে প্ৰকাশ পালে : "My beautiful little friend, tomorrow, myself will decorate your hair and face, O K ?"

মুন্নী আচৰিত হ'ল।

পিচদিনাখন সন্ধিয়া এবেছৰে মুন্নীৰ চুলি, মুখ, ডেলা-চকু আৰু ওঁঠ বেছকৈ মেকাপেৰে কৰিব লাগে আৰু মিলাই দিলে, আটাইতকৈ ধুনীয়া আৰু দামী চুৰিদাৰযোৰ পিন্ধিবলৈ তাইক নিৰ্দেশ দিলে। তাইৰ বাবে নিজৰ মুক্তাযোৰ খুলি থবলৈ নিৰ্দেশ দি তেওঁৰ স্বামীয়ে পত্নীৰ তিনিটা তিনিটা অকণি অকণি মুক্তা ওলমি থকা এযোৰ ধুনীয়া ডুল তাইক পিন্ধিব দিলে। এটি তৰাৰ পৰা অকণমানি চেইন একাডালত ওলমি থকা মুক্তাৰ ডুলযোৰ পিন্ধিব দিয়া দেখি মুন্নী হতভম্ব হৈ গ'ল।

"কি ভাবিছা ? এইযোৰ আজিৰ পৰা তোমাৰ। মোৰ ছোৱালী এজনী থাকিলে তোমাতকৈ মাথো দুবছৰমানহে সৰু হ'লহেতেন। কিন্তু তুমিতো মোৰ বন্ধু হৈহে আৱিৰ্ভাৱ হ'লা। আৰ্চীত এবাৰ নিজক চাই পোৱাচোন, গিনি বন্ধু মোৰ।"

মুন্নীয়ে খুক্ খুক্ হৈ হাঁহি আৰ্চী চাই সাঁজকাছি ওলাল। তাই দেখি-বাৰ এনেকুৱা অপূৰ্ব্ব সুন্দৰী হৈ পৰিল যে প্ৰফেছৰৰ মুখেৰে প্ৰকাশ পালে: "Child। I am happy।"

চলিহাৰ পদূলিত এখন গাড়ী ৰৈ আছে। চলিহাই তেওঁলোকক ভিতৰলৈ মাতি নি ক'লে যে যোৱানিশা তেওঁৰ খুলশালীৰ হবলগীয়া স্বামী আমি মেজৰ চাংকাকতি আহি পাইছেহি। ভালেই হ'ল, আটাইকেইজন বশিষ্ঠলৈ যাব। চলিহানীয়ে মুন্নীক দেখি আচৰিত হৈ চাই থকা দেখি প্ৰফেছৰে চিনাকী কৰি দিলে। চলিহানীয়ে মুন্নীলৈ তীক্ষ্ণদৃষ্টি নিক্ষেপ কৰি ব্যক্ত কৰিলে: "উ'— এওঁহে আপোনাৰ ঘৰ উজলোৱা বন্তি। কিন্তু তাই নিজৰ ঘৰলৈ নাযায় নেকি? তাইক হেনো আপুনি পঢ়িবও দিছে। আপুনিও এজন মানুহ দেও,"

চলিহাই মাত লগালে: 'হেৰা, কি কথাবোৰ সোধাহে? জ্যোতিয়ে মুন্নীক নিজ ঘৰলৈ যাব নিদিলে, কাৰণ মুন্নীৰ একমাত্ৰ ককায়েকজন বিদেশত আছে। তোমাতকৈ জ্যোতিৰ মগজু বেছি উন্নত, বুজিলানে,"

"বুজিলোঁ। কিন্তু হাতীবৰুৱাদেৱ, আপুনি Crazy হবলৈ আৰম্ভ কৰিছে।"

পুনৰ চলিহাই মাতিলে: "হাতীবৰুৱাৰ জগতখনৰ সৈতে তোমাৰ জগতখনৰ পাৰ্থক্য সেইখিনিতে। তুমি যাক craziness আখ্যা দিছা, সেয়া হাতীবৰুৱাৰ নিমিত্তে relief হব পাৰে, অথবা self confidence."

চলিহানীয়ে বিদ্ৰূপেৰে হাঁহিলে, আৰু ভিতৰলৈ সোমাই যাওঁতে মুন্নীৰ ফালে মাৰি পঠিওৱা ঈৰ্ষাপৰায়ণ দৃষ্টি মুন্নী অথবা প্ৰফেছৰৰ হাত সাৰি যাব নোৱাৰিলে। চলিহাই চলিহানীক সোনকালে লোৱালৈ

নির্দ্দেশ দি নিজে বাৰান্দাত চাংকাকতিক কিবাকিবি নির্দ্দেশ দিবলৈ ধৰিলে। প্ৰফেছৰ আৰু মুন্নী গাড়ীৰ ওচৰলৈ যাবলৈ বুলি থিয় হ'ল। এনেতে পৰ্দ্দাৰ ভিতৰৰ পৰা চলিহানীৰ ব্যঙ্গোক্তি শুনিবলৈ পোৱা গ'ল: "বুজিছু মিলি ক'ৰ যে ছোৱালী আনি ঘৰ সুন্দুৰাই ৰাখিছে। ঘৰ থাকিলেনো তাই নিজ ঘৰলৈ নাযায়নে? আৰু ঘৰৰ মানুহে নিবলৈ নাহিলেহঁতেন নে? ককাযেক বিদেশত থকা কথা এটা অজুহাত মাথোন। শইকীয়াৰ লগুৱাটোৱে কি কৈছে জান? কৈছে যে, এদিন নিশা তিতি বুৰি থকা ছোৱালীজনীক তুমি ককায়েক-ভনীয়েকে গাড়ীৰ পৰা নমাইছা। সিহঁতৰ ওচৰৰ ঘৰৰ লগুৱাটোৱে তাক কৈছে হেনো, ছোৱালীজনীৰ ঘৰ নাই, ৰাস্তাই ৰাস্তাই ঘূৰি ফুৰা ছোৱালী। কোনে জানে, কি কাৰণত তাই মৰিবলৈ গৈছিল? মৰিবলৈ দিয়াতকৈ নিজৰ কামত আহিব, সেয়েহে হাতীবৰুৱাই লৈ আহিল।" মিলিৰ প্ৰশ্ন শুনা গ'ল: "তেন্তে তাইক ইমান আদৰ যত্ন কৰি পঢ়ুৱাব কিয়? চাকৰণি হৈ থাকিলেও তেওঁৰ কামত আহিব।"

"সেইবোৰ কথা বেচেৰা হাতীবৰুৱাক কোনে বুজাব? সেইবোৰ ছোৱালী বৰ চয়তান হয়। কি কি মানুহৰ লগত থাকি আহে, চয়তান নহবনে? মৰম চেনাই চেনাই হাতীবৰুৱাৰ পৰা আদায় কৰি লৈছে আৰু। হাতীবৰুৱাই কেৱল পঢ়া-শুনা কৰিবহে জানে, সিহঁতৰ মহিমা কি বুজিব? আমি হলে গতিয়াই বাহিৰ কৰি দিলোহঁতেন।"

কথাবোৰ শুনি আতঙ্কত মুন্নীৰ কান্দোন ওলাই অহাৰ উপক্ৰম হ'ল। ইঙ্গিতেৰে তাইক সান্ত্বনা দি মাতি লৈ গৈ তেওঁ গাড়ীত বহিল। চলিহানীৰ সেতেৰা দাম্ভিকতাক ঈৰ্ষাৰ জুইৰে দ্বিগুণ জ্বলাবলৈ তেওঁ বাট চাই থাকিল।

বশিষ্ঠত। গাড়ীৰ ভিতৰৰ পৰা প্ৰকাণ্ড চেতাৰখন উলিয়াই কান্ধত ওলোমাই লৈ প্ৰফেছৰে মুন্নীৰ হাতত ধৰি সন্ধ্যা, ললিতা কান্তাৰ মিলন তীৰ্থলৈ গতি কৰিলে। চলিহা তেওঁলোকৰ লগে লগে গৈ আছে। পিছে পিছে মিলিয়ে ভায়োলিন এখন কঢ়িয়াই লৈ

চাংকাকতি আৰু চলিহানীৰ মৈতে লৈ আছে। চলিহানীয়ে বাঙ্গালীক সুধিলে: আপুনি আচৰিত চেতাৰ বজায় নেকি হাতীবন্ধাদেৱ?"

"চেতাৰ মুন্নাই বজায়। সেয়েহে প্ৰকৃতিৰ মৈতে ক'লাৰ সংগত ঘটাবলৈ প্ৰয়াস কৰিছোঁ।"

"মুন্নাৰ বাবে এজন সঙ্গীত শিক্ষকো ৰাখি দিছে নেকি হাতীবন্ধাদেৱ?"

"নাই দিয়া, তেওঁ আগৰ পৰাই সঙ্গীত জানে। মই মাথো চেতাৰখন ডাঙৰ দিছোঁ।"

নিজৰাৰ পাৰৰ বাৰে শিলৰ মাজে মাজে কিছুদূৰ ওপৰলৈ গৈ তেওঁলোকে সুবিধাজনক শিল কিছুমানত প্ৰত্যেকজন বহি পৰিল। [illegible] গ্ৰ[illegible] কিছুদূৰ আঁতৰি গৈ মুন্নীক ইঙ্গিতেৰে মাত দিলে। আৰু সুবিধাজনক ঠাইত চেতাৰখনৰ গুৰিটো [illegible] ওপৰত ৰাখি মুন্নাৰ কোলাত তুলি দি ক'লে: 'Little friend, [illegible] তোমাৰ গীত মুক্ত কৰি তোলা। [illegible] কৰিবা নেকি?

"[illegible] আছে। [illegible] কেনেকুৱা [illegible]?'

'[illegible] মুন্নী। [illegible] চাই থাকোতে [illegible] ভিতৰ [illegible] হয়, [illegible] চকুপানী মচা। গীত গাইছে শুনিম। মোৰ বাবে [illegible] জানা?'

মুন্নীৰ মুখত হাঁহি বিৰিঙি উঠিল; 'গাম' বুলি তাই চেতাৰখন ধৰি সাজু হ'ল। ডাঙৰ চলিহাই চিঞৰ মাৰিলে: "হাতীবন্ধাদেৱ, গীত মুন্নীয়ে আগতে গাব নে মিলিয়ে গাব?"

মুন্নীয়ে ক'লে: "গাবলৈ দিয়ক তেওঁক আগতে।"

'বাৰু' বুলি হাতীবন্ধাই চিঞৰি মিলিক গান গাবলৈ ক'লে।

মিলিয়ে গীত আৰম্ভ কৰিলে। পপ্‌চঙৰ লেখীয়া আধুনিক গীতটো নিজৰাৰ বুকুত, বশিষ্ঠ মুনিৰ পৱিত্ৰ আশ্ৰমৰ কোণাত প্ৰফেছৰৰ এক খাপ্‌চাৰা চিঞৰৰ দাখৰ যেন লাগিল। তেওঁৰ মুখখন বিকৃত হোৱা দেখি মুন্নীয়ে খুক্‌খুক্‌কৈ হাঁহিবলৈ ধৰিলে।

"দুষ্ট ছোৱালী, হাঁহিব নালাগে, গীত গোৱা।"

মুন্নীয়ে গালে, শিলে শিলে ঠেকাখালে নিজৰাৰে পানী।"

প্ৰফেছৰ তন্ময়। ডাক্তৰ চলিহাৰ প্ৰশংসাসূচক সঁহাৰি শুনিবলৈ পোৱা গ'ল। প্ৰফেছাৰ মুৰ দৌবাই দৌবাই হাঁহি থাকোঁতে মিলিযে গালে আন এটা গীত। কিন্তু সেইটো শেষ হোৱাৰ লগে লগে মুন্নীয়ে আৰম্ভ কৰিলে:

"মৈঁ তো ৰামৰ তন ধন পাঁউ

তাৰ পাছত— "মেৰে গিৰিধাৰী গোপাল

ভজন শুনি শুনি তন্ময় হৈ অৱশেষত প্ৰফেছৰে ৰসিকতা কৰিলে, "মীৰা ৰাণী; কৃষ্ণ গোসাঁই এতিয়া নামি আহিব, এই আৰু বিচাৰি ফুৰাৰ দৰ্কাৰ নহ'ব।"

এনেতে চলিহাই চিঞৰিলে: 'আৰু এটা গীত গোৱা মুন্নী, আশ্ৰম আজি মুখৰিত হৈছে।"

চলিহা আগুৱাই আহিল; আহোঁতে কৈ আহিল; ' Morning shows the day।" কিন্তু মুন্নীয় বঙা চিঙা পৰি তললৈ চাই থকা দেখি আচৰিত হৈ তেওঁ পুনৰ প্ৰশ্ন কৰিলে: "কি হ'ল মুন্নী, বৎসী? হাতীবৰুৱাৰ জন্ম দিনত যে গাইছিলা তেনেকুৱা এটা গীত গোৱানা।"

প্ৰফেছৰে পুনৰ ৰগৰ কৰিলে: "মীৰা ৰাণী শ্ৰীকৃষ্ণৰ বাবে অস্থিৰ হৈছে, তেনেকুৱা গীত গাব নোৱাৰে।"

চলিহাই কৌতুহলেৰে দুয়োজনকে পৰ্য্যবেক্ষণ কৰি কৰি অৱশেষত হাঁহি মাৰি প্ৰকাশ কৰিলে: "ঠিক আছে, হাতীবৰুৱাই সেউজী অসমীৰ বিষয়ে গালে আনন্দিত হব যেন পাওঁ। লগতে

মইও শুনিব পাম।"

মুন্নীয়ে পিঠ মুখ দিলে, কিন্তু আৰম্ভ কৰিলে:

"সেউজী, সেউজী, সেউজী ঐ -

ইতিমধ্যে বশিষ্ঠাশ্ৰমৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ অহা সকলোবোৰ অচিনাকী যাত্ৰীয়ে ৰ'ভে আছিল তাতে থিয় হৈ এচাম্ভমনে মুন্নীৰ গীত শুনি আছিল। প্ৰফেছৰে চাৰিওফালে দৃষ্টি নিক্ষেপ কৰি শ্ৰোতাসকলক আপ্লুত হৈ থকা দেখি হাঁহিবলৈ ধৰিলে। চলিহাই শুনিলে যে চলিহানীয়ে মিলিক জেৰা কৰিব লাগিছে আৰু মিলিয়ে খং কৰি কথা কটাকটি কৰি আছে। চলিহা আঁতৰি তেওঁলোকৰ ওচৰলৈ গ'ল। প্ৰফেছৰে প্ৰকাশ কৰিলে: 'মিলি বন্ধু মোৰ, দেখিলানে? কাজিয়া আৰম্ভ হ'লেই।"

সঁচাকৈ সিহঁতৰ তৰ্কাতৰ্কিৰ সুৰ প্ৰকট হৈ উঠিল। চলিহানীৰ কৰ্কশ উক্তিবোৰ শুনা গ'ল: "তেনেই নগণ্য ছোৱালী এজনীক তই চেৰ পেলাব নোৱাৰিলি। বিউটি পাৰ্লৰলৈ গৈ গৈ আৰু সঙ্গীত অনুষ্ঠানলৈ গৈ কি লাভ হ'ল? তাই বি, এচ, চি শ্ৰেণীৰ প্ৰথম বছৰত ভৰি দিছেহে মাথোন, তই দেখোন পি, জি, পৰীক্ষা দিয়া ছোৱালী। প্ৰতিযোগিতাৰ মনোভাৱ থাকিলেহে! তোক লৈ মই গৰ্ব্ব কৰিছিলোঁ।"

"মই ভজন প্ৰেকটিছ কৰা নাই; মই আধুনিক গীতহে গাওঁ। তইঁতেনো মোৰ লৈতে ৰাস্তাৰ পৰ বুটলি অনা এজনীৰ তুলনা কৰ কিয়?"

"অ: মনে মনে থাকাচোন। মানুহে শুনিলে কি ভাবি?"

আনহাতে প্ৰফেছৰে চেতাৰেৰে লৈতে মুন্নীৰ কেইখনমান ফটো ল'লে। ফটোৰ বাবে প'জবোৰ কেনেকৈ দিব লাগে সেইকথা প্ৰফেছৰে নিজে প'জ দি শিকাই থাকোঁতে থাকোঁতে মুন্নীয়ে শব্দ কৰি হাঁহিবলৈ ধৰিলে। হঠাৎ মিলিৰ আক্ষেপৰ অভিব্যক্তি শুনা গ'ল: "সেইটোক দেখিছানে? কেমেৰা লৈ আগুৱাই গৈছে; যেন

আগেয়ে ছোৱালী দেখাহে নাছিল। ইয়ালৈ আহি মোৰ তিক্ত অভিজ্ঞতা হ'ল। মই অকণো শুচি যাম।"

সঁচাকৈ আমি যেতিয়াৰ চাংকাকতি আপোনাই আজি আহি প্ৰফেছৰৰ জ্ঞানদীপাৰ ওচৰত থিয় হৈ মুন্নীৰ ফটো লবলৈ প্ৰস্তুত হ'ল। বাধা দি প্ৰফেছৰে ক'লে: "ৰ'ব ভাৰতীয়া! বীৰৰ বীৰ। আগতে মুন্নীৰ অনুমতি লব লাগিব।"

"কেনেকৈ আপুনি তেওঁৰ অনুমতি লৈছিল জানো?"

"লৈছিলোঁ মহাশয়, মই তেওঁৰ স্বাধীনতাপ্ৰিয়তা মনটোক সন্মান কৰোঁ।"

ইতিমধ্যে মুন্নীয়ে থিয় হৈ ডিঙিত চেতাৰখন ওলোমাই লৈ চিঞৰিলে: "মই ইয়াৰ পৰা যাওঁ, আন কোনোৱে মোৰ ফটো লোৱা উচিত নহয়, মোক ইয়াৰ পৰা লৈ যাওক; মোক লৈ যাওক।"

প্ৰফেছৰে মুন্নীৰ হাতত ধৰি পাৰলৈ লৈ আহিল। চাংকাকতিয়ে চকু টেৰাটেৰি কৰি আঁতৰি গ'ল। মুন্নীৰ মুখেৰে প্ৰকাশ পালে: "সেই মিলিটাৰীটোৰ চকুৰ চাৱনিটোৰ মোৰ বৰ ভয় লাগে। অথনি গাড়ীৰ পৰা নামোতে সি [illegible]তে আহি মোৰ চোলাটো-খনত টানি ধৰিছিল।"

প্ৰফেছৰে মুন্নীক মনে মনে থাকিবলৈ ইংগিত দি বাকীবোৰৰ ওচৰলৈ আহিবলৈ খোজ পেলালে। কিন্তু চলিংহা পাৰেখাপটো মন্দিৰৰ ভিতৰত প্ৰৱেশ কৰিলে। প্ৰফেছৰে মন্দিৰৰ কাষত থিয় হৈ প্ৰশ্ন কৰিলে:

"তুমি মন্দিৰলৈ নোযোৱা জানো? তুমি বন্তি নিদিয়ানে?"

"উহু! মই আগতে এবাৰ ককাইদেউ নবৌৰ লগত ইয়ালৈ আহি বন্তি দিছিলোঁ; বন্তি দিলে কেনো মানস কৰা বস্তু পায়? কতা? মই দেখোন নাপালো!"

"তুমি কি মানস কৰিছিলা বন্ধু? কোৱাচোন, কিজানি মইয়েই দিব পাৰো।"

মুন্নীৰ হাঁহি ; খুৰি খুৰি হাঁহিছে। প্ৰফেছৰ অবাক্ হৈ তাইৰ ফালে চাই থাকিল। আচৰিত! এপাহ ফুলৰ দৰে হাঁহি থাকে!

"সঁচাকৈ দিবনে? মই যি বিচাৰো আপুনি মোক দিব?"

"সামৰ্থ্যৰ ভিতৰত হ'লে দিম। জোনলৈ লৈ যাব ক'লে কিন্তু নোৱাৰিম। সেইকাম কৰিবলৈ আমেৰিকাৰ বৈজ্ঞানিকসকলক অনুৰোধ কৰিব লাগিব।"

"আমেৰিকাৰ বৈজ্ঞানিকেও নোৱাৰে; কাৰণ, —মই—মই—মানুহ—গুটি—আপোনাৰ—চেতাৰখনৰ তাঁৰ হ'ব বিচাৰো! বু-জি-লে?'

"বুজিলোঁ! তুমি চেতাৰখনৰ তাঁৰ হৈ থোৱাৰ পাছত চেতাৰখন পুনৰ আলমাৰীত বন্দী কৰি থব লাগিব। নহ'লে কোনোবাই বজাই বজাই যদি তাঁৰবোৰ ছিঁৰি পেলায়, তুমি দেখোন মৰি থাকিবা।"

"তেতিয়া—আপোনাৰ আলমাৰীটোক মই আপোনাৰ কলিজাটো বুলি ভাবিম।" কৈয়েই মুন্নীয়ে খিল্‌খিল্‌কৈ হাঁহিবলৈ ধৰিলে। তাইৰ হাঁহিবোৰে নিজৰাৰ বুকুত খুন্দা খাই চাৰিওফালে প্ৰতিধ্বনি তুলিলে। প্ৰফেছৰে দেখিলে যে চাংকাকতিয়ে হেড্‌িং ব্ৰীজখনৰ ফালে লৈ থাকোঁতে থমকি ৰৈ মুন্নীৰ ফালে তধা লাগি চাই আছে। তেওঁ মুন্নীক ধমকনি দি ক'লে:

" Naughty child। হাঁহি বন্ধ কৰা! নহলে বশিষ্ঠমুনিৰ গুহাৰ মাজত এৰি থৈ যাম।"

বাকীবোৰ মন্দিৰৰপৰা ওলাই অহাত সন্মুখৰ সমতল ঘাঁহনি খিনিত বহি আটাইকেইজনে জলপান খাবলৈ সাজু হ'ল। মিলিয়ে তেওঁলোকক ফলমূল আৰু কেক বিলি কৰিলে। তাৰ পাছত মুন্নীয়ে, নাৰিকলৰ লাৰু আৰু বৰাচাউলৰ পিঠা গাজৰৰ হালোৱা ভগাই দিলে। অৱশেষত চেণ্ডুইচৰ টুকুৰাবোৰ বিলাই দি থাকোঁতে প্ৰফেছৰে চলিহাক কলে:

" চলিহা, চেণ্ডুইচ নাখাওঁ বুলি প্ৰতিজ্ঞা কৰিছিলো। কিন্তু মুন্নীৰ

বাধাত পৰি আজি আৰম্ভ কৰিলো পোন্ধৰ— বছৰ পাছত । মুন্নীৰ মতে পৱিত্ৰ ঠাইত মিছিজুলি প্ৰতিজ্ঞা ভঙ্গ কৰিলে ভাল ফল পায়, ভাল ফলক আশা কৰি নহয় পিছে। ইমান জেদী ছোৱালী যে মই ছেণ্ডুইচ খাম বুলি আশ্বাস দিয়াৰ পাছতহে আহিবলৈ মান্তি হৈছিল ।"

চলিহানীয়ে নাকৰ তলেৰে বিদ্ৰূপেৰে উচ্চাৰিলে :— "উঃ ।"

চলিহাই অৰ্থপূৰ্ণভাবে এবাৰ মুন্না আৰু এবাৰ প্ৰফেছৰৰ ফালে চাই প্ৰশ্ন কৰিলে : "ছেণ্ডুইচ্ কোনে প্ৰস্তুত কৰিছে ? মুন্নীয়েনে ?"

"এৰা ! তেওঁ হেনো নিজ ঘৰত ককায়েকক ছেণ্ডুইচ্ কৰি খুৱাইছিল । মোৰ দৰে ককায়েকৰো হেনো খোৱাৰ চখ আছে ।" চলিহানীৰ উক্তি শুনা গ'ল : 'আপুনি বৰ চাধাচিধা মানুহ দেওঁ হাতীবৰুৱাদেৱ । খোৱাৰ চখ থকা সম্ভ্ৰান্ত পৰিয়ালৰ ছোৱালীয়ে নিজ ঘৰ এৰি অইনৰ ওচৰত থাকিবলৈ আহেনে ? কাৰোবাৰ ঘৰত শিকিছিল চাগৈ !"

চলিহাৰ খণ্ডৰ অভিব্যক্তি : "তুমি মুখ বন্ধ কৰা । মুন্না নিজে হাতীবৰুৱাৰ ঘৰত থাকিবলৈ অহা নাই ।"

"তেনেহলে কোনেনো থলে ? হাতীবৰুৱাই নিজে গৈ লৈ অহা হলে পৰিয়ালটোক চিনি পাব লাগিছিল ।"

হাতীবৰুৱাই গহীনাই উত্তৰ দিলে : কোনেও ৰাখি থৈ যোৱা নাই, মই মাথো বিপদত পৰা ছোৱালী এজনীক উদ্ধাৰ কৰি আনিছো । ইমানেই ।" মুখখন কোমোৰা এটাৰ দৰে কৰি চলিহানীয়ে প্ৰশ্ন কৰিলে : 'মুন্নীয়ে আগৰ পৰা সঙ্গীতত পাকৈত কাৰণেই হয়তো বিপদত পৰিছিল ! মই ভাবোঁ, মুন্নী ক'ৰবাত প্ৰফেশ্বনেল নৰ্ত্তকী ।"

এইবাৰ প্ৰফেছৰৰ ধৈৰ্য্যৰ বান্ধ স্খলিল । তেওঁৰ মুখেৰে বিৰক্তি প্ৰকাশ পালে : গীত গাব জানিলে নৰ্ত্তকী নহয় নিশ্চয়,

কণ্ঠশিল্পী হয়। চলিহাই চলিহানীক সাবধান কৰাৰ মুৰত কলে:

মুখ বন্ধ কৰিবানে তুমি? কি উদ্দেশ্য লৈ ইয়ালৈ আহিছা সেইটো পূৰণ হলেনে নাই তাকে ভাবা। কইলৰ কাপে চাই চকু জুৰাইছা কিয়

আপোনাৰনো ইমান খ উঠিব লাগে কিয়? পিক নিক্‌লৈ অহি মইনো মুখ বন্ধ কৰিম কিয়? মই যেনিবা হাতীৰকৰাৰ সৈতে ধগৰ কৰিলে কিনো হল?

মুন্নীয়ে মাতিলে মোৰ ক্লাছৰ বান্ধৱী অনুপমা চহৰীয়া সঙ্গীতত পাকৈত আছিল। অইৰ বায়েক এজনী অনাতাঁৰ শিল্পী। স্কুলত পঢ়ি থকা সময়ৰ পৰাই মই তেওঁলোকৰ ওচৰত সঙ্গীত শিকিছোঁ। তেওঁ পাকে মোক অনাতাঁৰ কেন্দ্ৰলৈ লৈ যোৱাৰ কথাও আছিল।

এনেতে চলিহাই কলে: চাংকাকতিৰ যেখোন চেংকুইচ নাৰিকলৰ লাড় এডা খোৱাই নহল। পোৱা লোহাৰ ৰেলিং ওঁৰাত থিয় হৈ আছে। মিলি খোৱাচোন তেওঁক লাড়-পিঠা দি আহাগৈ।

মই নোৱাৰো কিনো হল, আঁতৰি গুচি যাবলৈ? আহিবৰ পৰা দেখিছো কেৱল আঁতৰি ফুৰিছ।

চলিহানীৰ ব্যঙ্গাত্মক উক্তি মুন্নীৰ হাতৰ বস্তু মুন্নীয়ে দি আহিবনে। চাংকাকতিৰ প্ৰশংসাও পাব।

চলিহাই চাংকাকতিক হাত বাউল দি মাতিলে; কিন্তু চাংকাকতি নাহিল। মিলিক লাড়-পিঠা দি আহিবলৈ বাৰম্বাৰ অনুৰোধ কৰা স্বত্তেও মিলি ওফোন্দ মুখে বহি থাকিল। শেষত চলিহাই মুন্নীক কলে:

মুন্নী আইটী তুমিয়েই দি আহাগৈ যোৱা। যেনেবাই প্ৰাকৃতিক দৃশ্য উপভোগ কৰাত ব্যস্ত।"

এফেছৰৰ মুখত বিদ্ৰূপৰ ভাব ফুটি উঠিল— প্ৰাকৃতিক দৃশ্য

উপভোগ কৰাত ব্যস্ত নে পৈশাচিক চিন্তাত নিমগ্ন ? এতিয়া মুন্নীয়ে তেওঁলোকৰ অবাধ্য হলে কথা বেয়া হয়। চলিহাৰ ইনো চেষ্টক প্ৰফেছৰে মনে মনে ধিক্কাৰ দিলে। মুন্নীৰ মুখত সন্ত্ৰাসৰ চিহ্ন প্ৰকট হৈ উঠিল। অৱশেষত প্ৰফেছৰে মুন্নীক নিৰ্ভয় হবলৈ ইঙ্গিত দি নিজে চেতাৰখন আৰু টিফিন কেৰিয়াৰৰ মোনাখন লৈ ক'লে চলিহা চা কাকতিক বস্তুখিনি দি উঠি আমি যামগৈ। মই অলপ সোনকালে ঘৰ যাবলৈ লাগে।

তেনেহলে আপুনি কিয় যাব লাগিছে ? মই নিজে গৈ চা কাকতিক বস্তুখিনি দিম। মোক বেয়া নাপাব প্ৰফেছৰ।

নাই নাই বেয়া পোৱা নাই। চাংকাকতিক মাক লগাই যাম।

মুন্নীক লগত লৈ প্ৰফেছৰে চা কাকতিৰ ফালে গৈ থাকোঁতে চলিহাৰ মন্তব্য শুনিলে তাই সা ঘাতিক ছোৱালী। প্ৰফেছৰক কেনেকৈ বশ কৰিছে চাচোন। তাইক অকলে নাঠিয়ায।

চলিহাই ব্যঙ্গ কৰিলে মিলিতৈলে বেচি ধুনীয় আৰু বেচি ... মিয়িকা বুলি মানি লৈ ... তেন্তে অসাৱ ... ঠিযাটো কিয় বিচাৰিছা ? মিলিৰ আক্ষে। ম চ বা। ... এসেক দিম নহয় ! ধুনীয়া হল বুলি তলৰ শ্ৰেণীৰ ছোৱালী এজনীৰ ওচৰত মোক অপমানিত কৰিছে ! তাইৰ গুণানুকীৰ্ত্তন কৰে। তাইৰ ফটো লবলৈ যায়

প্ৰফেছৰ আৰু মুন্নী চা কাকতিৰ ওচৰ পালেগৈ। ত্ৰীজৰ ওপৰত তেওঁলোকৰ বাহিৰে আৰু কোনো মানুহ নাই। প্ৰফেছৰে চাংকাকতিৰ মুখামুখীকৈ থিয় হৈ ক'লে মুন্নী চা কাকতিক বস্তু দিয়া আৰু সোনকালে বলা আমি ঘৰলৈ যাওঁ।

মুন্নীয়ে চা কাকতিৰ ফালে বস্তুৰ প্লেটখন আগবঢ়াই দিলে। কিন্তু বস্তুখিনি লৈ চা কাকতিয়ে প্ৰফেছৰৰ ফালে কুটিল দৃষ্টি নিক্ষেপ কৰি ব্যক্ত কৰিলে আপোনাৰ ইচ্ছামতে মুন্নী চলিবলৈ বাধ্য নহয়। আপুনি মুন্নীৰ স্বাধীনতা হৰণ কৰিছে—সোনকালে

উন্নতি যাবলৈ বাধা কৰিছে।

এবা। ইয়ে যেন কাৰণ মুন্নীৰ স্বাধীনতাৰ লৈগে যোৰ ইচ্ছা অনিচ্ছা জড়িত হৈ আছে। জীৱৰ সৌপাঁৰ কোনো মানুহ নোযোৱা ঠাইখিনিলৈ গৈ বস্তু খাই খাই আপুনি পৈশাচিক ডিজাইন প্ৰস্তুত কৰিব পাৰে।

সাবধা কথ কৰ প্ৰফেছৰ! বস্তু দিবলৈ নিশ্চয় আপোনাক কোনেও পঠোৱা নাই ল।

এবা। মিশিয়ে খ কৰি ৰহি আছে বাবে মুন্নীক পঠিয়াৰ বুলি আশাপালি হৈ থকা কথাটো এজন প্ৰফেছৰক বুজোৱাৰ প্ৰয়োজন নাই। চলি ইহি মতা স্বত্বেও আপুনি কিয় বস্তু খাবলৈ নগ ল তাকো কোনেও মোক বুজোৱাৰ প্ৰয়োজন নাই। কিন্তু ডিজাইন পকাবলৈ আমিৰ নিয়মানুৱৰ্ত্তিতাৰ নিজ মগজু পুৰঠ ন য মুন্নীক নই অকলশৰে আহিব নিদিম বুলি আপোনাৰ নিজৰ চিন্তা কৰিব নোৱাৰিলে।

আপোনাৰ সমাধ মই হয়তো তাৰ পৰৱৰ্ত্তী ৰচনা কৰিব পাৰো।

নে। কাৰণ আপুনি আম মেম্বৰ। মুন্নী প্লেটখন তাৰ হাতৰ বস্তু পোৱ

মুন্নীয়ে প্লেটখন চা কাকতিৰ হবিৰ বস্তু পোৱা ৰ জীৱজন্তুৰ ডাঙৰ ডাঙৰ ফুচাৰ ও ৰক্তে থলে। জৰি থকা জীৱজন্তুৰ ওপৰত প্লেটখন জোকাৰণি খাই খাই পৰি যাওঁ পৰি যাওঁ হৈ আছে। চা কাকতিয়ে প্লেটখন ধৰি ধৰি প্ৰফেছৰৰ কাষে আক্ৰমণাত্মক দৃষ্টিৰে চালে। মুন্নীয়ে টিফিন কেৰিয়াৰৰ বেগটো প্ৰফেছৰৰ হাতৰ পৰা নিজৰ হাতলৈ নিলে। মুন্নীক নিজৰ পাছ ফাললৈ ঠেলি দি প্ৰফেছৰে পুনৰ কলে মিলিটাৰী অফিচাৰবোৰে বন্দুক বৰটোপৰ জোৰাৰে তাৰে জীৱন সংগ্ৰামৰ বাবে প্ৰয়োজনীয় ইলেক্ট্ৰনিক গ্ৰীড়ি, পাবলৈ তেওঁলোকে হেজাৰবাৰ জন্ম লব লাগিব।

প্ৰেকেছৰে মুন্নীৰ হাতত ধৰি উভতি আহিল। চাং কাকতিয়ে লাক-পিঠাৰ প্লেটখন দলিয়াই দি যেগাই আছি পাছফালৰ পৰা মুন্নীৰ হাত এখনত ধৰি টান মাৰিলে। মুন্নীয়ে চিঞৰ মৰাৰ লগে লগে প্ৰেকেছৰে চাং কাকতিৰ গালতে প্ৰচণ্ড চৰ এটা মাৰি তাৰ জোতাৰে গুৰিয়াই তেওক ঠেলি পঠিয়ালে আৰু মুন্নীক লৈ যেগাযেগীকৈ ট্ৰীজৰ পৰা নামি আহিল।

গাড়ীৰ ভিতৰত মুন্নীয়ে ক'লে আপুনি আৰু এইবোৰ মানুহৰ লগ নলব।

চলিহা ভাল মানুহ; তেওঁ তোমাকো ভাল পায়। বাকীবোৰ gone case। জ্বলি মৰিব লাগিছে!

[এঘাৰ]

মুন্নী প্ৰফেছৰৰ ঘৰলৈ অহাৰ দ্বিতীয় বছৰ এটি ঘটনা। আবেলিৰ পৰা সন্ধিয়াৰ সময়খিনিৰ ভিতৰত বাহিৰলৈ ওলাই যাবলগীয়া নহলে প্ৰেকেছৰে তেওঁৰ ঘৰৰ সন্মুখৰ বহল বেলকনিৰ বাওঁফালে বাগিচাৰ ভিতৰত বহে। বাগিচাখন মালীটোৱে দেশী বিদেশী ফুলেৰে চাপে চকুবোৰা কৰি ৰাখিছে। প্ৰধান আলিৰ পৰা মুকলি মুৰীয়াকৈ ৰাস্তাৰ মানুহে নেদেখিবৰ বাবে মালীয়ে হেজ আৰু বাঁহ গছৰ ডাঠ ওখ বেৰ নিৰ্মাণ কৰি বাগিচাখন আঁৰৰি ৰাখিছে। সেই মাজৰ মুকলি ঘাহনিডৰাত প্ৰেকেছৰে মাজে মাজে লগুৱাটোৰ হতুৱাই ডাঙৰ টিপয় এখন আৰু তাৰ চাৰিওকাষে চকী কেইখনমান পৰাই লৈ বহি আবেলিৰ জলপান খায়। সেই সময়ত বন্ধু বান্ধৱ আহিলেও তাতেই তেওঁৰ লগতে কথাবতৰা হয়।

এদিন তেওঁ ডিপাৰ্টমেন্টৰ পৰা আহি বাগিচাত চকী মেজবোৰ পাৰি থোৱা দেখি বহি ল'লে আৰু লগুৱাক চাহ-জলপান পঠিয়াই দিবলৈ গৃহিনীক চিঞৰি মাতি নিৰ্দেশ দিয়ালে। মুন্নী লগে লগে

[illegible]

নামি আহিল। তাই পাতল সেউজীয়া বঙৰ টিল। হাউচকোট এটা পিন্ধি আছে। প্ৰফেচৰে হাঁহি মাৰি সুধিলে: "প্ৰকৃতিৰ জীয়াৰী, কলেজৰ পৰা আজি অকলে আহি প্ৰকৃতিৰ সৈতে মিলনৰ ব ন্দাৰম্ভ কৰি থৈছানে ইয়াত ?'

মুন্নীয়ে হাঁহিলে আৰু তেওঁৰ মুখামুখীকৈ বহিল।

"তুমি কলেজৰ পৰা অকলে আহি ভাল কাম কৰা নাই কিন্তু ?"

"অকলে অহা নাই; জুপিতৰা আৰু পখিলীৰ লগত আহিলোঁ। আপুনি মোক বিচাৰিছিল ?"

"মোক বৰ্ণনাতীত উদ্বিগ্নতাত ৰখাৰ বাবে 'আজি শাস্তি স্বৰূপে— ।"

হাঁহি হাঁহি মুন্নী তেওঁৰ ভৰিৰ ওচৰত থাঁহনিত বহি পৰিল আৰু তেওঁৰ জোতাযোৰ খুলি দি ভৰি দুখন চকী এখনৰ ওপৰত তুলি দি কলে: 'অলপ আৰামৰ প্ৰয়োজন; আপুনি আৰু মোক অনানিয়া কৰিব নালাগে, মই বান্ধৱীহঁতৰ লগতে অহাযোৰা কৰিম।"

দিনে দিনে বৃদ্ধি পাই যোৱা মুন্নীৰ নিৰ্ভাজ আদৰ যত্নৰ পৰিমাণ লক্ষ্য কৰি তেওঁ চকীৰ পিঠিত মূৰ পেলাই বহি উচ্চাৰিলে: "আঃ, মুন্নী ! পুলিচে বাস্তাতে পালে তোমাক ধৰি লৈ যাব।"

"ইমান ডাঙৰ মানুহ হৈ আপুনি পুলিচক ভয় কৰেনে ?"

কৰো ! কাৰণ পলৰীয়া ছোৱালীক আশ্ৰয় দিয়া বাবে মোৰ যে কি শাস্তি হব। ঠিক নাই; ফাঁচী কাঠটো উঠিব পাৰোঁ।"

"উঁ— কেতিয়াও নহয়।"

"তুমি কোৱামতে তোমাৰ খিৰুনীকে নবোৱেৰা, তোমাক চুৰ কৰি অনা বুলি মোৰ বিৰুদ্ধে গোচৰ তুলিব; ফুলচুৰি কেচত পেলাই মোৰ পানীত হাঁহ নচৰা অৱস্থা কৰিব। সেয়েহে তোমাক মই কলেজলৈ অনানিয়া কৰিব লাগিব।"

যীকৰে চাহ-জলপান দি গ'ল। মুন্নীক খাবলৈ নিৰ্দ্দেশ দি নিজেও খাই খাই তেওঁ পুনৰ ক'লে: "মুন্নী, তোমাৰ নামটোকে

মই বদলাই দিওঁ দিয়া, যাতে তোমাক কোনেও বিচাৰি নাপায় ? কি নাম দিম ?"

"আপুনি দেখোন ককাইদেউ আহিলে মই গুচি যাব লাগিব বুলি কয়! নাম বদলালে মোক মই বুলি কেনেকৈ কব ?"

"তোমাক যদি ৰাস্তাৰ পৰা কবাবোবাই লৈ যায়, মই আৰু জীয়াই নাথাকিম দেই। চিন্তাত মোৰ অণ্ট-কণ্ঠ শুকাই যায়।"

খুক্ খুক্ কৈ হাঁহি মুন্নীয়ে মন্তব্য দিলে: "মোৰ নাম বদলাই আপুনি মোক লুকাই ৰাখিব বিচাৰে ? অৰ্থাৎ ককাইদেউ আহিলে মই গুচি যাব লাগিব বুলি এনেযেহে কৈ থাকে। হয়নে ?"

"এনেযে নহয়। বাৰু, তুমি ককাযেৰাক ৰাস্তাত লগ পালে ঘৰলৈ মাতি আনিবা। মই কম যে পুলিচৰ ভয়ত নাম বদলাই-ছিলোঁ— এওঁবে আপোনাৰ মণ্ড মূৰ্খ আৰু মহা চাপাক ভনীয়েৰা; লৈ যাওঁক। লৈ যাবলৈ দিলে মোৰ খিৰুদ্ধে গোচৰ নিদিয়ে।"

"আৰু যদি ককাইদেৱে মোক বিচাৰি নাপায় ? আৰু নাম বদলোৱা বাবে পুলিচেও যদি বিচাৰি নাপায় ? মই দেখোন ইয়াতে থাকিম লাগিব।"

"তেতিয়াহলে তোমাৰ গা-ৰক্ষী হৈ নাথাকিলে মোৰ উপায় নাই। বস্তুতেই তোমাক কেওঁ কিছু নোহোৱা ছোৱালী বুলি জানে; কোনোবাই কিড্ নেপ্ কৰি লৈ যাব লাগিলে! হে ঈশ্বৰ, এজনী পলৰীয়া ছোৱালীৰহে গা-ৰক্ষী হলোঁ মই।"

মুন্নীৰ ঠেহ লাগিল। মুখ ওন্দোলাই ক'ৰ্জ' গছৰ বেৰৰ ওচৰলৈ গৈ পাতবোৰ চিঙিবলৈ ধৰিলে। প্ৰফেছৰে ভিতৰি ভিতৰি আমোদ পাই পুনৰ মাতিলে: "মুন্নী, শুনাচোন, কথা এষাৰ কওঁ।"

মুন্নী লাহে লাহে আহি তেওঁৰ পাচফালে থিয় হ'ল। এন্ধাৰ নামিছিল। চাৰিফালে লাইট জ্বলিছে। কিন্তু প্ৰফেছৰ বহি থকা ঠাইখিনিত বেলকনিৰ ওচৰৰ গ্ল'ৰি অৱ ডি গাৰ্ডেন্স ফুল

গছজোপাৰ ছাঁবোৰ বিচ্ছুৰিত হৈ পৰিছে। এক্কাৰ পোহৰৰ মাজত প্ৰফেছাৰে মুন্নীৰ কাণে মূৰ দাঙি চাই প্ৰশ্ন কৰিলে : সাধাৰণ পৰুৱাৰ দৰে তোমালোক নহয়, অসাধাৰণ। তুমি যদি যাব লগীয়া হলে মোৰ কি হ'ব ?"

"তেন্তে যদি যাব লাগিব বুলি মোক সোঁৱৰাই থাকে কিয় ?"

মুন্নী বেতৰ দৰে এখনত থৰ্প্পকৈ বহি পৰিল।

"কাৰণ, তোমাৰ ওপৰত মোৰ কোনো অধিকাৰ নাই। ভাবিছোঁ— মই নগুনলৈকে যদি যাম— আৰু কেতিয়াও ঘূৰি নাহোঁ।"

মুন্নী তৎক্ষণাৎ থিয় হ'ল আৰু দৌৰি ঘৰৰ ভিতৰ সোমাই যাব বিচাৰিলে। কিন্তু চকীখন কুম্ভনেৰে সৈতে বাগৰি গ'ল। মুন্নী উজুটি খাই পৰি ভৰি এখন চকীৰ খুড়াৰ তলত সোমাই মোচোকা খালে। প্ৰফেছৰে তাইক হাতত ধৰি তুলিবৰ চেষ্টা কৰাত ভৰিৰ বিষত তাই পুনৰ তললৈ হালি পৰিল। তেওঁ তাইৰ ভৰিখন চালে, ভৰিৰ গাঁঠিটো ফুলি উঠিছে। খোজ কাঢ়িব নোৱাৰে দেখি তেওঁ ক'লে :

"তোমাক মই কঢ়িয়াই লৈ যাম, ওপৰলৈ।"

তেওঁ তাইক দুহাতৰ ওপৰত তুলি ধৰিলে। লগে লগে তাইৰ যন্ত্ৰণাকাতৰ মুখৰ পৰা এটা আবেগ প্ৰৱল হৈ পৰিল। তাকে দেখি তেওঁ তাইৰ মোচোকা খোৱা ভৰিখন সাৱধান ভাবে চকীত লগাই দিলে আৰু তাইৰ মুখৰ ফালে চালে। অসহ্য যন্ত্ৰণাৰে তাই অস্ফুট চিঞৰ মাৰিলে। তেওঁ অস্পষ্ট স্বৰত ক'লে : "চিঞৰিবা ; এতিয়াই ভাল হৈ যাব।"

তেওঁ তাইক কঢ়িয়াই চিৰিৰ ওপৰেদি উঠি গ'ল।

প্ৰফেছৰে মুন্নীৰ বিচনাত বহি কাষৰে দি থৈ গৰম পানীৰ চৰিয়াটোত তাইৰ ভৰিখন জুবুৰিয়াই তল-ওপৰ কৰি দি আছে। তাইৰ আঠুৰ তলত ধৰি থকা তেওঁৰ হাত দুখন তাই আঁতৰোৱাৰ চেষ্টা চলাই থকা দেখি তেওঁ এক প্ৰচণ্ড ধমকনি দি ক'লে :

"Don't disturb me, you careless creature !"

তাই নিশ্চল হৈ পৰি থাকিল। তাইৰ ভৰিখনত ক্ৰেপ্ বেণ্ডেজ এটা বান্ধি থকা সময়ত "ভৰি চুব নালাগে" বুলি তাই পুনৰ বাধা দিব খোজোঁতে তেওঁ খণ্ডেৰে তাইৰ হাত দুখন গামোচা এখনেৰে বান্ধি ৰাখিলে, আৰু তাইক বিচনাৰ ওপৰত পেলাই দিলে। এইবাৰ ভৰিখন শোৱা প্যাণ্টেৰ ভৰি শিতানৰ ওখ তক্তাপোছৰ ওপৰত তুলি দি তেওঁ ক'লে : "মাথোন এটা গাৰু লৈ কোনোবাই শুই থাকেনে ? ভৰিখনৰ তলত দিবলৈ আৰু এটা গাৰু লাগিছিল।"

প্ৰফেছৰে চিঞৰি লগুৱাক মাতি জোঁতি থকা বিচনাৰ পৰা আৰু এটা গাৰু অনালে, আৰু তাইৰ ভৰিখন গাৰুৰ ওপৰত তুলি ৰাখিলে। যন্ত্ৰনাৰ মাজতো মুন্নীয়ে দুষ্টালিৰ হাঁহি মাৰি তেওঁৰ চকু-মুখ নিৰীক্ষণ কৰি থাকিল।

"অলপ আগতে দুখ লাগিছিল, এতিয়া হাঁহিছা ?"

তাই বন্ধ হৈ থকা দুয়োখন হাত আগবঢ়াই দি তেওঁৰ কঁপালৰ ওচৰৰ পৰা পকাচুলি এডাল উঘালি লৈ হাঁহি হাঁহি ক'লে : "মই এই চুলিবোৰ উঘালি উঘালি গোটাই থৈছো। আপুনি শুই থাকিলে মই চুলি উঘালি থাকো। এইবোৰ মই বৰ ভাল পাওঁ।"

"stupid and mischievous !"

তাইৰ হাত মোকোলাই দি তেওঁ ওলাই যাব খোজোঁতে হঠাতে মুন্নীয়ে প্ৰশ্ন কৰিলে : "দুটা গাৰুৰে মই কি কৰিম ? মই এজনীহে মানুহ।" থমকি ৰৈ তেওঁ উত্তৰ দিলে : "দুজন মানুহ থাকিলেহে দুটা গাৰু লাগে নেকি ? মই দেখোন এজন মানুহ ; মোৰ বিচনাত কিয় দুটা গাৰু আছে ?"

"সেই দুটা আপোনাৰ বিয়াৰ সময়ৰ পৰা আছে নিশ্চয়। দ্বিতীয় গাৰুটো পত্নীৰ চিন হিচাবে ৰাখিছে !"

প্ৰফেছৰে তাইলৈ চালে। মুন্নীয়ে তাইৰ চকু দুটা ঢাকি ধৰি এক অপূৰ্ব হাঁহি মাৰিলে আৰু ক'লে : "কিন্তু গাৰুটো বেছি বছৰ জীয়াই

নাথাকে। জীৱনৰ নৈ বোৱাই ৰাখিবলৈ হ'লে জীৱনহে প্ৰয়োজন।"

"ইমান কথা ক'ত শিকিলা বন্ধু?"

"আপোনাৰ নিঃসঙ্গ জীৱনটোৱে শিকাইছে।"

"এৰা, জীৱ এটা লাগিছিল, কিন্তু নহল, মই কি কৰিম?"

"বিয়া কৰাওঁক।"

গাৰুত মুখ গুজি তাই হাঁহিবলৈ ধৰিলে। প্ৰফেছৰে কৌতুকেৰে তাইৰ চুলিত ধৰি মুখটো জোকাৰি দি কোঠাৰ পৰা ওলাই গ'ল।

সেইবছৰবে পূজাৰ বন্ধত এদিন আবেলি, প্ৰফেছৰ জ্ঞানদীপ ক্ৰিম ৰঙৰ চেলোৱাৰ-কামিজ এযোৰ পিন্ধি বাগিচাত বেতৰ আৰ্ম-চেয়াৰ এখনত বহি কিতাপ পঢ়ি আছে। এনেতে ধনীৰামে আহি খবৰ দিলে যে আৰ্টিষ্টজন আহিছে। আচৰিত হৈ তেওঁ কোন আৰ্টিষ্ট কিয় আহিছে সুধিলে। উত্তৰত শুনিবলৈ পালে যে সিদিনা জ্যোতি আহি পোৱাৰ পাছত মুন্নীয়ে জ্যোতিৰ লগত গৈ তেখেতৰ [প্ৰফেছৰৰ] চিত্ৰ এখন অইল পেইন্টিং কৰাৰ বাবে আৰ্টিষ্টজনক ঘৰলৈ মাতি আহিছিল। কথা শুনি প্ৰফেছৰৰ খং উঠিল। আদৰ-সমাদৰৰ অন্তৰালত বন্ধি হৈ থকা প্ৰভুত্বজ্ঞাপক কাৰ্য্যপ্ৰণালীক তেওঁ প্ৰশ্ৰয় দিবলৈ কুণ্ঠাবোধ কৰিলে। কঁপাল কোঁচাই ওঁঠচেপি ধৰি তেওঁ আৰ্টিষ্টজনক ওচৰলৈ মাতি পঠিয়ালে। আৰ্টিষ্ট উপস্থিত হৈ কথাবাৰ সঁচা বুলি কোৱাত তেওঁ জ্যোতিক মতাই আনি বজ্ৰনিনাদেৰে ধমকনি দিলে। মুন্নী বাগিচাৰ কোণত থিয় হৈ আছিল। তাইক দেখি তেওঁৰ ইমান খং উঠিল যে তেওঁ খপ্‌কৈ থিয় হৈ চিঞৰি উঠিল: "What the hell do you want? You obstinate creature! Paint your own picture, not mine!"

মুন্নী ভয়ত সেঁতা পৰিল। প্ৰফেছৰে খঙেৰে চকীখন সমুখলৈ দলিয়াই দি ঘৰৰ ভিতৰলৈ চাপলি মেলিলে। জ্যোতি দৌৰি গৈ বেলকনিত তেওঁক আগচি ধৰি কোমল সুৰেৰে সুধিলে: "ককাইদেউ,

ছবি আঁকাটো জানো বেয়া কথা?"

"মনে মনে থাক। তোৰ আসৈ পাই পাই সেইজনী ইমান বাঢি গৈছে! I can never opprove of this sort of authoritative habit!"

খঙৰ ভমকত তেওঁ পোছাক পিন্ধি বাহিৰলৈ ওলাই গুচি গ'ল। আৰ্টিষ্টজন কন্তেক আমন-জিমনকৈ থাকি অৱশেষত গুচি গ'লগৈ। মুন্নী কান্দি কান্দি শুই থাকিল। নিশা তাই ভাত খাবলৈ নামি নাহিল। প্ৰফেছৰেও তাইক নামাহিলে। জ্যোতিয়ে বহুত জোৰ কৰা স্বত্বেও মুন্নী একো নোখোৱাকৈ শুই থাকিল। পিছদিনাখন গোটেই দিন প্ৰফেছৰে মুন্নীক নামাতি মাথো খঙৰ প্ৰকোপত ওপৰৰ বেলকনিক বহি থকা দেখি কোনেও তেওঁক মতাৰ সাহস নকৰিলে। নিশা মুন্নীৰ তীৱকঁপে জ্বৰ উঠিল। জ্যোতিয়ে তাইৰ কঁপালত হাত দি শিঁয়ৰি উঠি দৌৰি গৈ ককাযেকক খবৰ দিলে। প্ৰফেছৰ মুন্নীৰ কোঠালৈ আহি কঁপালত হাত দি উচপ্ খাই উঠিল। ধনীৰামক ডাক্তৰৰ ওচৰলৈ পঠিয়ালে। জ্যোতিয়ে ক'লে যে মুন্নীয়ে যোৱা নিশা বাহিৰত বহি বহি কটাইছিল - এই কথা আজি মালীয়ে দেখা পাইছিল। দিনৰ ভাগতো তাই একাপ পানীও খোৱা নাই। ডাক্তৰ আহি দৰব দিলে, বেজী দিলে। কিন্তু দৰব খাবলৈ অস্বীকাৰ কৰি মুন্নী পিছমুখ দি পৰি থাকিল। প্ৰফেছৰৰ আচৰিত লাগিল— এই ছোৱালীজনী ইমান চাইলডিছ আৰু ইমান চেন্টিমেন্টল কিয় বাৰু? তেওঁ মুন্নীৰ মুখখন ঘূৰাই লৈ খঙেৰে চকু ৰঙা কৰি নিজে তাইৰ মুখত টেবলেট গুজি দিলে। মুন্নীয়ে কঁপা কঁপা ওঁঠৰ মাজেৰে পানীৰ লগতে দিয়া টেবলেটটো গিলিলে।

নিশা ভালেমান হোৱাৰ পাছত প্ৰফেছৰ মুন্নীৰ কোঠালৈ আহিল। বিচনাতে বহি তাইৰ কঁপালত হাত দি থাৰ্মমিটাৰটো তাইৰ ওঁঠৰ মাজত ভৰাই দিলে। তেওঁৰ কৰুণ অসন্তুষ্ট মুখমণ্ডললৈ চাই চাই তাই ভয়তে থাৰ্মমিটাৰটো ওঁঠেৰে চেপি ৰাখিলে।

জ্বৰ কিছু কমি যোৱা যেন দেখি তেওঁ তাইৰ চকুলৈ চালে। তাইৰ অৱশ চকুজুৰি মুদ খাই আছিল। মাক'বাপ নকৰাকৈ তেওঁ ওলাই আহিল। ৰাতিপুৱা তেওঁ জ্যোতিৰ মুখত শুনিলে যে মুন্নীৰ জ্বৰ নাইকিয়া হৈছে, নিজৰ কোঠাতে ব্ৰেকফাষ্ট খাইছে। প্ৰফেছৰে কলিজাৰ ভিতৰত যেন এক অজান শঙ্কা উপলব্ধি কৰিলে। মুন্নী ইমান একচেন্‌ট্ৰিক্‌ কিয়? মুন্নীৰ অৱশ চকু-জুৰিলৈ চালে তাত প্ৰভুত্বপিয়াসী মতলব থকা বুলি অনুমান নহয়। তেওঁ নিজে কাৰ ওপৰত ইমান অসন্তুষ্ট হৈছে কব নোৱাৰে। কিন্তু তেওঁৰ ইচ্ছা হৈছে যেন সকলো পৰিত্যাগ কৰি কোনো পৰ্ব্বতৰ নিৰ্জ্জন গুহালৈ গুছি যাব। এৰা! মুন্নীৰ লগত আৰু হাঁহি, ফুৰ্ত্তি, ৰসিকতা কৰা উচিত নহয়। তাই ভীষণ একচেন্‌ট্ৰিক, তাইৰ প্ৰতি কঠোৰ হব লাগিব।

প্ৰফেছৰ মুন্নীৰ ওচৰলৈ যোৱা নাই; তাইক মতাও নাই। তেওঁৰ অসন্তুষ্ট খঙাল চেহেৰা মুন্নীয়ে আঁতৰৰ পৰা লক্ষ্য কৰি থাকিল। কিন্তু দুদিন পাছত জ্যোতি আৰু মুন্নীয়ে দেখিলে যে সেই আৰ্টিষ্টজনৰ সৈতে ড্ৰইং ৰুমত দেউতাকে কথা পাতি আছে। আবেলি ধনীৰামে ডাঙৰ চোকা এখন বাগিচালৈ কঢিয়াই নি পাৰি দিলে। মাস্তুক পাছত প্ৰফেছৰ ভাঠ নীতা চুৰিদাৰ পৰিধান কৰি নামি হৈ হাতত কিতাপ এখন লৈ চোফাত বহিলহি। ছবি অঁকা কাম আৰম্ভ হ'ল। জ্যোতিয়ে মুন্নীক চিকুটি দি মুখটিপি হাঁহিলে। কিন্তু প্ৰফেছৰে মুন্নীক মাতবোল নকৰে, মুন্নীৰ ফালে নাচায়। তেওঁৰ কোঠালৈ মুন্নী যাব নালাগে বুলি কৈ পঠিয়াইছে। তেওঁ ভাবিলে যে এইদৰে কিছুদিন কঠোৰ ব্যৱহাৰ কৰিলে তাইৰ চইল্‌ডিছ হইমছ্‌ আঁতৰ হব।

প্ৰায় এসপ্তাহৰ মূৰত পচি থকা অৱস্থাত বাগিচাৰ ভিতৰত অঁকা প্ৰফেছৰৰ ডাঙৰ অইল পেইণ্টিংখন সম্পূৰ্ণ হৈ উঠিল। এটা কাঠৰ বড়ীণ ক্ৰেমৰ ওপৰত ড্ৰইং ৰুমৰ একাষে বেৰৰ কাষত

চিত্ৰখন থিয় কৰাই থোৱা হ'ল। চিত্ৰখন স্থাপিত হোৱাৰ পিছ দিনাখন প্ৰফেছৰে সম্মুখৰ বাৰান্দাত জ্যোতিৰ কেঁচুৱাটোক নচুৱাই, ৰঙীণ বল এটা দলিয়াই খেলা-খেলি থাকোঁতে এবাৰ বলটো উফৰি গৈ ড্ৰইং ৰুমৰ অইল পেইণ্টিংখনৰ তলত সোমালগৈ। কেঁচুৱাটে থপ্ থপ্ কৈ খোজ কাটি গৈ ছবিখনৰ ওচৰত বৈ হাত বাউলদি প্ৰফেছৰক মাতিবলৈ ধৰিলে আৰু বলটো আনি দিবলৈ খুতুৰিলে। তেওঁ সোমাই গৈ বলটো হাতত তুলি লবলৈ নৌপাওঁতেই কেঁচুৱা-টোৱে বলটোৰ কথা পাহৰি ছবিখনৰ দাঁতিত তাৰ অকণি অকণি আঙুলিৰে হেঁচি হেঁচি মুখেৰে বেবেৰিবাং উচ্চাৰণ কৰিবলৈ ধৰিলে। প্ৰফেছৰে তাৰ ওচৰত আঠুকাঢি বহি তাক কবলৈ ধৰিলে:

"কি বৈ আছ বাব্লু? এইখন তোৰ মোমায়েৰৰ ছবি। মোমাযেৰৰ মৃত্যুৰ সময় হৈছেহি নহয়, সেযেহে ছবি আঁকোৱা হৈছে। আৰু বেছিদিন নাই বাব্লু, এই ছবিখনৰ ওপৰত ফুলৰ মালা ওলমিব, মৃত্যু দিৱস পালন কৰা হব।"

মুন্নী ড্ৰইংৰুমৰ খিৰিকিৰ ওচৰত বহি উলৰ কাম কৰি আছিল। প্ৰফেছৰৰ কথাবোৰ শুনি তাই চক্ খাই উঠিল। তেওঁ তাইলৈ একাষেঁকাকৈ চালে। তাই স্বৰগ পৰা মানুহৰ দৰে থিয় হৈ থকা দেখি তেওঁ বাব্লুৰ হাতত ধৰি বাহিৰলৈ উলিযাই নিওঁতে ব্যঙ্গ কৰি গ'ল: "আঃ, মৃত্যুৰ আগেযে তোৰ সৈতে অলপ খেলা খেলো।"

মুন্নী দৌৰি ওপৰলৈ উঠি গ'ল।

দুপৰীয়া ডাইনিং টেবুলৰ ওচৰত থিয় হৈ জ্যোতিয়ে ভয়ত অস্থিৰ হৈ ক'লে: "ককাইদেউ, মুন্নী ঘৰত নাই।"

"কি? ক'লৈ গৈছে কোনেও দেখা নাইনে?"

"কোনেও কব নোৱাৰে। আপুনি তাইক নমতা হ'ল কিয়? কি হব এতিযা?"

"ধনীৰাম, তৎক্ষণাত্ গেৰেজটো খুলি দে। মই ভাত নাখাওঁ।"

তেওঁ ঘৰত পিন্ধি থকা চেলোৱাৰ-কামিজেৰে সৈতে টেবুলৰ

তলতে ভৰিৰ চেণ্ডেল এৰি গাড়ীলৈ ঢাপলি মেলিলে। তেওঁৰ বুকুৰে ধান বনাদি বানিছে। কিন্তু গেৰেজৰ ওচৰ নোপাওঁতেই দেখিলে যে মুন্নী গেট খুলি সোমাই আহিছে। পিন্ধনত তাইৰ তাঁতৰ পাৰী থকা চিক্কৰ শাৰী এখন। হাতত তাইৰ ফুল, বেলপাত, মন্দিৰৰ সেন্দুৰ আৰু প্ৰসাদেৰে সৈতে এখন তামৰ ঠাল। প্ৰফেছৰ আচৰিত হ'ল— এয়া আকৌ কোন পূজাৰিণীৰ বেশ? তাইৰ কঁপালত আৰু চুলিত মন্দিৰৰ সেন্দুৰ আৰু নিৰ্মালি। প্ৰফেছৰে বাৰান্দাৰ ওচৰৰ ঘাঁহৰ ওপৰত থিয় হৈ মুখখন বিকৃত কৰি অইন ফালে চালে। জ্যোতি আৰু ধনীৰামহঁতে আচৰিত হৈ চাই আছে। জ্যোতিক সম্বোধন কৰি তেওঁ ব্যক্ত কৰিলে: "জ্যোতি, কৈ দে, ৰাস্তাৰ পৰা যদি কোনোবাই উঠাই লৈ যায় নাইবা পুলিচৰ হাতত পৰে মই উদ্ধাৰ কৰিবলৈ নাযাওঁ। একচেন্ট্ৰিক্। ডেম।"

মুন্নীয়ে সেমেকা নযনেৰে তেওঁৰ মুখৰ পৰা ভৰিলৈ দৃষ্টি নিক্ষেপ কৰি ঠোঁট কিছুমান ফুল তেওঁৰ মুখৰ ওপৰত ছটিয়াই দিলে আৰু কিছুমান তেওঁৰ ভৰিত পেলাই দিলে। জ্যোতিয়ে আচৰিত হৈ সুধিলে: "এইবোৰ কি কৰিছা মুন্নী? তুমি কলৈ গৈছিলা?"

প্ৰফেছৰে অবাক হৈ চাই থাকোঁতে মুন্নীয়ে অতৰ্কিতে সেন্দুৰ এফোটা তেওঁৰ কঁপালত লগাই দি প্ৰসাদখিনি জ্যোতিৰ হাতত গুজি দি ক'লে: "শুক্লেশ্বৰ মন্দিৰলৈ গৈছিলোঁ। দীৰ্ঘায়ু কামনা কৰিবলৈ। মোৰ আয়ুসখিনিৰেও যদি পাৰি দীৰ্ঘায়ু বৰদান দিবলৈ প্ৰাৰ্থনা জনাই আহিছোঁ। এই প্ৰসাদখিনি খুৱাই দিয়া জ্যোতি। প্ৰসাদ যদি নাখায় মই আজি এটোপা পানীও নাখাওঁ।"

মুন্নী দৌৰি ভিতৰ সোমাই গ'ল। প্ৰফেছৰে ডাঙৰকৈ হাঁহিবলৈ ধৰিলে আৰু ডাইনিং টেবুলৰ ওচৰত বহি ক'লে: "জ্যোতি আন, প্ৰসাদ খাই লওঁ। নহলে আজি কি দুৰ্ঘটনা ঘটে ঠিকনা

নাই। হে ঈশ্বৰ, ৰাস্তাত যে একো নঘটিল।"

জ্যোতিয়ে প্ৰসাদ দি দি ককাযেকৰ ফালে টেঁৱাটেৰিকৈ চাবলৈ ধৰিলে।

সন্ধিয়া লাইব্ৰেৰীৰ পৰা উভতি আহি প্ৰফেছৰে ওপৰৰ বাৰান্দাত ভৰি দিছেহে মাথোন। জ্যোতিৰ কোঠাৰ খোলা হৈ থকা দুৱাৰমুখেৰে মুন্নী আৰু জ্যোতিৰ কথোপকথন ভাঁহি আহিল। জ্যোতিযে শিকাইছে, "ককাইদেউৰ খংবোৰ ওপৰুৱা; আচলতে তোমাক ককাইদেৱে অসম্ভৱ মৰম কৰে। তুমি এইদৰে আঁতৰি ফুৰাৰ বাবে পুনৰ নিশা জাগিবলৈ লৈছে। নিশা জাগিবলৈ নিদিবা মুন্নী। ককাইদেউৰ অসুস্থ হোৱাটো তুমি বিচাৰা নেকি ?"

"মই কি কৰোঁ জ্যোতি ? মোকতো নামাতেই, মোৰ বাবে আজিকালি ভিতৰৰ পৰা দুৱাৰ বন্ধ কৰি ৰাখে।"

"দুৱাৰ কিয় বন্ধ কৰি ৰাখে মোৰ বুজিবলৈ বাকী নাই। আজি মই তোমাক এষাৰ কথা কবই লাগিব। কাৰণ কাইলৈ মই গুচি যাম। তুমি পাৰিবা। ককাইদেউৰ দ্বাৰ যিবোৰ কাম আইনে কৰিবলৈ সাহস নকৰে তুমি তাক হেলাৰঙে কৰা। সেয়েহে তুমি পাৰিবা।"

"মই কি পাৰিম জ্যোতি ?"

প্ৰফেছৰে মুহূৰ্ত্ততে সিদ্ধান্ত ল'লে যে জ্যোতিৰ মনোবাঞ্ছাৰ বিষয়ে মুন্নীক ঘুণাক্ষৰেও জানিব দিয়া উচিত নহয়। কাৰণ জ্যোতিৰ মনোবাঞ্ছা পূৰ্ণ কৰিব নোৱাৰি। তেওঁ দুৱাৰ মুখত থিয় হৈ খঙেৰে চিঞৰিলে: "জ্যোতি। তললৈ যা। মই কিবা খাম।" থত্ মত্ খাই জ্যোতিযে মুন্নীৰ ফালে চাই মাতিলে: "মুন্নী, যোৱাচোন।"

প্ৰফেছৰে তিক্তভাবে আদেশ কৰিল : "মই তোক কৈছোঁ। তই গুচি যোৱাৰ পাছত বীৰুৱে মোৰ সকলো কাম কৰিব।"

উত্তেজনাত কাণ-মুখ গৰম হৈ গ'ল মুন্নীৰ, তাই দৌৰি

ওপাই গৈ নিজৰ কোঠা পালেগৈ। দুৱাৰ বন্ধ হোৱাৰ শব্দ শুনি জ্যোতিষে ককাদেউৰ ফালে আশ্চৰ্য্যৰে চাই আঁতৰি যাবলৈ দুৱাৰমুখ পালেগৈ। প্ৰফেছাৰে মাতিলে: "ৰ'বি! দুৱাৰখন জপাই এইফালে আহ।"

জ্যোতিষে দুৱাৰ জপাই তেওঁৰ ওচৰ চাপিল। তেওঁ কঠোৰ ভাবে প্ৰশ্ন কৰিলে: "মুন্নীক কি শিকাইছিলি? মুন্নীয়ে কি কৰাটো তই বিচাৰ? তোক মই সাৱধান কৰি দিছোঁ, মুন্নীক কোনো ধৰণৰ প্ৰলোভন দিলে মই ক্ষমা নকৰিম।"

"মই যদি মুন্নীক প্ৰলোভন দিব খুজিছোঁ আপোনাৰ বাবেহে ককাইদেউ, আপুনি অতি নিষ্ঠুৰভাবে দেউতাৰ বংশৰ আৰু আপোনাৰ পণ্ডিতাপূৰ্ণ সাত্ত্বিক ব্যক্তিত্বৰ পৰিসমাপ্তি বিচাৰিছে। আপুনি কোনো কালেই বংশৰক্ষাৰ কথা চিন্তা নকৰিলে। এই ঘৰ-সম্পত্তিৰ অধিকাৰী হবলৈকে, আপোনাৰ সুখ দুখৰ সমভাগী হবলৈকো ইয়াত কোনো নাই। মৰিশালীৰ দৰে হয় এইখন ঘৰ।"

"আৰু সেইকাৰণে কাকো নাপাই মুন্নীক খামুচি ধৰিব খুজিছনে? তেনেই কোমলমতি কুৰি বছৰ বয়সো পূৰ্ণ নোহোৱা কিশোৰী এজনীক? বংশ ৰক্ষা কৰাটো ইমানেই ইম্পৰ্টেণ্ট কথা হ'লনে যে আশ্ৰিতা অকণমানি ছোৱালী এজনীৰ স্বাধীন পছন্দ-অপছন্দৰ কথা বিচাৰ নকৰি ফুচুলাই আমাৰ স্বাৰ্থ পূৰণ কৰিব লাগিব? বয়স হলে মুন্নীয়ে যেতিয়া বুজিব, তেতিয়া তোক আৰু মোক দোষাৰোপ কৰিব বুজিছনে?"

"ককাইদেউ, মুন্নী তেনেকুৱা ছোৱালী নহয়, দোষাৰোপ কৰাৰ পৰিৱৰ্ত্তে তাই কৃতজ্ঞ হব। কম বয়স হলেও তাই বৰ্ত্তমান বিবাহৰ উপযুক্ত। তাই আপোনাৰ দীৰ্ঘায়ু কামনা কৰিবলৈ আজি মন্দিৰলৈ গৈছিল।"

"কৈছোঁ দেখোন, কোমলমতি, নিৰ্ব্বোধ! এই নিৰ্ব্বুদ্ধিতাৰ সুবিধা গ্ৰহণ কৰা উচিত কাম নহয়— অন্ততঃ মোৰ দৰে এজন

বিজ্ঞলোকৰ দ্বাৰা। তেওঁ নিজৰ ফালৰ পৰা যি ভাবে ভাবি থাকক—তাৰ মই ব্যৱস্থা লব পাৰিম। কিন্তু তোৰ ফালৰ পৰা যাতে কোনোধৰণৰ প্ৰলোভন আগবঢ়োৱা নহয়। কোমলমতি ছোৱালী এজনী তোৰ ফুচুলনিত পৰি যদি বলিয়া হয় মই তোক সঁচাকৈ বেয়া পাম। তই মুন্নীৰ সৈতে এই সন্দৰ্ভত কোনো কথা নাপাত বুলি মোক কথা দে।"

জ্যোতি নিমাত।

"জ্যোতি! শুনিছনে নাই?"

মোক গিলি গিলি জ্যোতিয়ে কথা দিলে। তাৰ পাছত কফি আনিবলৈ নামি গ'ল।

পিছদিনাখন বাগিচাত বহি বাতৰি কাগজ এখন পঢ়ি থাকোতে ডাক্তৰ চলিহা আহি উপস্থিত হ'ল। ডাক্তৰৰ সৈতে প্ৰফেছৰে বহুত সময় ধৰি কথা পাতিলে। কিন্তু মুন্নীক দেখা নাপাই চলিহাই কৌতুহলেৰে সুধিলে: "মুন্নী ঘৰত নাই নেকি? আজি ওলাই অহা নাই কিয়?"

"God knows! A nuisance!"

"Nuisance? কি হৈছে প্ৰফেছৰ?"

crazy girl! ড্ৰইংৰুমৰ দুৱাৰমুখত থিয় হৈ ভিতৰলৈ চাওঁক।"

চলিহা গৈ ড্ৰইংৰুমৰ ভিতৰলৈ চাই পঠিয়ালে। মুন্নীয়ে প্ৰফেছৰৰ এখন প্ৰকাণ্ড অইল পেইণ্টিংৰ ওচৰত থিয় হৈ নীৰৱে উচুপি আছে। দুৱাৰদলিত থিয় হৈ ক্ষন্তেক তভক লাগি চাই তেওঁ কিবা চিন্তা কৰিলে। তাৰ পাছত মাতিলে: "মুন্নী!"

উচপ্‌খাই উঠি মুন্নীয়ে প্ৰথমে চকুপানী সামৰি ল'লে। তাৰ পাছত ঘূৰি চাই আংকল, "কেতিয়া আহিল?" বুলি চলিহাক ভিতৰলৈ মাতি নি বহুৱালে। চলিহাই মুন্নীক পৰ্য্যবেক্ষণ কৰি কৰি সুধিলে: "এই ছবিখন কোনে আঁকালে? তোমাৰ কি হৈছে? কান্দিছা যে?"

"নাই, একো হোৱা নাই। আপোনাৰ ভালনে আংকল?

অকণ বহক নেই, মই ভিতৰৰ পৰা আহোঁ।"

"নহয, প্ৰফেছৰক ইযালৈ মাতি আনাতোন, মই বেচি সময় ৰবহো। দূৰ ঠাই এখনলৈ গৈছিলোঁ; ঘৰ পোৱাগৈ নাই।"

মুন্নী নিমাত, অনৰ-অচল, প্ৰস্তৰৰ দৰে থিয় হৈ থাকিল।

'কি হ'ল ? কান্দিযা লাগিছে ?"

"তোখাত মোক নামাতে, কিন্তু মই জ্যোতিক লগত লৈ গৈছে আৰ্টিষ্টজনক মতাই আনিছিলোঁ।"

"অৰ্থাৎ ছবিখন তুমিহে আঁকোৱাইছা। বুজিছোঁ বৎসী!"

প্ৰফেছৰ সোমাই আহি চোফাত বহি কবলৈ ধৰিলে:

"আৰ্ট মই ভাল পাওঁ। কিন্তু যি ছবিয়ে মানুহৰ মানসিক আৰু বৌদ্ধিক বিকাশত সহায কৰে, মই ভাল পাওঁ সেই ছবি— পাৰ্লীয়া সহজ-সৰল জীৱন, পথাৰ, নৈ, জীৱ-জন্তু, প্ৰকৃতি আৰু মানুহৰ সম্পৰ্ক ইত্যাদি। এই জাকজমকতাপূৰ্ণ চকীত বহি- পঢ়া নাই কিন্তু পঢ়ি থকাৰ ভাওঁ ধৰি কৃত্ৰিম ভঙ্গিমাত আঁকা এই ছবিবোৰ মই মুঠেই ভাল নাপাওঁ।"

"মুন্নীযে বাধ্য কৰিলে নেকি আপোনাক ছবি আঁকাবলৈ ?"

"বাধ্য ? এনেকুৱা একাচেকা প্ৰাণী মই দ্বিতীয়টি দেখা নাই। মোৰ খং উঠা দেখিলেই দুদিন ধৰি তীব্ৰকঁপে জ্বৰ। মোৰ নিশা টোপনি খতি। দৰৱ নাখাব, পথ্য নাখায়, মৰাৰ বাবে প্ৰস্তুত। উপায় নাই, ছবি আঁকালোঁ।"

চলিহাই হাঃ হাঃ হাঃ কৈ হাঁহিব ধৰিলে। মুন্নী বিব্ৰত হৈ ছবিখনৰ পাছফালে লুকাল। প্ৰফেছৰে গুৰুত্ব সহকাৰে ক'লে: "আপুনি হাঁহিছে ? এখন আনইম্পৰ্টেণ্ট ছবিৰ বাবে মোৰ যিমান টকা খৰচ হ'ল সেই টকাৰে মই সাতখন মূল্যবান গ্ৰন্থ কিনিব পাৰিলোঁহেতেন! এসপ্তাহ ধৰি চিত্ৰকৰৰ সমুখত বহি বহি যিমান সময় অপব্যয় হ'ল— মই এখন মূল্যবান লিখনি লিখি অতাঁৰ পাৰিলোঁহেতেন। Can I approve of such obstinate

intrusion ?'

"হাঃ হাঃ। পৃথিৱীত মাথো এক ব্যক্তি আছে যি'য় আপোনাক বাধ্য কৰাব পাৰে। সেয়াই মুন্নী। আপোনাৰ চেৰ্তুইচৰ প্ৰতিজ্ঞা ভঙ্গ কৰালে মুন্নীয়ে। ছবি আঁকালে মুন্নীয়ে, আপোনাৰ জীৱনটোক অভিনৱ কৰি তুলিলে মুন্নীয়ে! I say, she is great!"

মুন্নী দৌৰি ভিতৰ সোমাল। প্ৰফেছৰ নিমাতে থকা দেখি চলিহাই সৰু সৰুকৈ প্ৰকাশ কৰিলে: "প্ৰফেছৰ, She is no more a child। যুগমীয়া ছবি এখন আঁকাই আপোনাৰ ইণ্টেলেক্টুক আৰ্টৰ মাজেৰে চিৰজীৱী কৰি ৰাখিব বিচৰা মুন্নী মুঠেই আৰ্টিফিছিয়েল নহয়। সেয়া আপুনি জানে; কিন্তু স্বীকাৰ নকৰে।"

প্ৰফেছৰ গহীন হ'ল। এৰা। তেওঁ জানে যে মুন্নীৰ ইণ্টেলেক্ট সৰ্ব্বসাধাৰণ ছোৱালীৰ উদ্ধত। কিন্তু আৱশ্যকতকৈ বেচি চেণ্টি-মেণ্টেল হোৱা মানে এক্‌চেন্‌ট্ৰিক হোৱা বুজায়।

"প্ৰফেছৰ, কথা এষাৰ কম, চক্‌ নাখাব।"

"কি কথা?"

The child is in love with you। সেইবাৰ বশিষ্ঠ মুনিৰ আশ্ৰমত মই এই বিষয়ে সচেতন হৈ উঠিছিলোঁ। আজি মই ইয়াক আৱিষ্কাৰ কৰিলোঁ।"

প্ৰফেছৰে সজোৰে হাঁহিবলৈ ধৰিলে। হাঁহি হাঁহি তেওঁ ব্যক্ত কৰিলে: হেৰি চলিহাদেৱ, শিশুৰ দৰে অবিশ্বাস্যক বিশ্বাস কৰিবলৈ লৈছে আপুনি। She is only a kid— a crazy kid! মোৰ মূৰত কেইডাল চুলি পকিছে তাকে গণি থাকে। একমাত্ৰ ককায়েকৰ স্নেহৰ সৃষ্টি— ককায়েকে কেনেকৈ মৰম কৰে তাকে কৈ থাকে— Very delicate। Very affectionate। আপুনি affection ৰ এটা ভুল নাম দিলে।"

"হ'ব পাৰে। কিন্তু মোৰ সন্দেহ হয়।"

মুন্নী চাহ জলপান লৈ হাজিৰ হ'ল। প্ৰফেছৰে চলিহাক

খাবলৈ কৈ বাৰান্দালৈ ওলাই গ'ল। চলিহাই তেওঁক খাবলৈ মতাত তেওঁ গম্ভীৰ স্বৰে ক'লে: "তেওঁৰ হাতেৰে কোনো বস্তু মই নাখাওঁ। চলিহা, এইজনীৰ ককাযেকজন সোনকালে আহি পালে মই ৰক্ষা পাওঁ। কিজ অভিভাৱকৰ হাতত গটাই দিব পাৰিলে মই নিশ্চিন্তে লিখা-পঢ়া কৰি থাকিব পাৰিম। Who will tolerate indefinite excess ?"

মুন্নী গোঁ গোঁৱাই ভিতৰ সোমাই গ'ল। অলপ পাছত ধনীৰামে নতুনকৈ খোৱা বস্তু কিছুমান আনি দিলে আৰু মুন্নীয়ে দি থৈ যোৱা প্ৰফেছৰৰ ভাগৰ বস্তুখিনি আঁতৰাই লৈ গ'ল। চলিহাই ধনীৰামক সুধিলে:

"মুন্নী এতিয়া ক'ত আছে ?"

"কিবা কাৰণত বাইদেউৰ খং উঠিছে। পাছফালে চৌবাচ্চাৰ দাঁতিত বহি মাৰি এভাগেৰে পানীবোৰ কোবাই আছে আৰু নিজৰ গায়ে-মূৰে পানীবোৰ ছিটিকাই আছে।"

প্ৰফেছৰৰ মুখেৰে প্ৰকাশ পালে: "Utter Childishness!"

নিশা ডিনাৰ খাবলৈ নামি আহি প্ৰফেছৰে মুন্নীক মাতি পঠিয়ালে। কিন্তু তাই খাবলৈ নামি নাহিল। তাই কৈ পঠিয়ালে যে তাই আৰু এইখন ঘৰৰ কোনো বস্তু স্পৰ্শ নকৰে। প্ৰফেছৰে মুন্নীৰ কোঠালৈ খোৱা বস্তুখিনি পঠিয়াই দিবলৈ কৈ নিজে খাই উঠি শুবলৈ গ'ল। এইকেইদিন মুন্নী তেওঁৰ ওচৰলৈ অহা নাই বাবে তেওঁ একেৰাহে কেইবাঘণ্টা ধৰি কিতাপ পঢ়িছিল। মানসিকভাবে ভাগৰ অনুভৱ কৰি তেওঁ টোপনি গ'ল। কিন্তু এবাৰ খক্‌মক্‌কৈ সাৰ পাই উঠি বাহিৰলৈ গৈ বেজকলি ওচৰৰ পৰা মুন্নীৰ কোঠাৰ ফালে চালে। তাইৰ কোঠাৰ দুৱাৰ খোলা দেখি ওচৰ চাপি গৈ দেখে যে মুন্নী ভিতৰত নাই; খোৱা বস্তুবোৰ তেনেকৈয়ে পৰি আছে। তেওঁৰ বুকুখন চিৰিংকৈ গ'ল।

নিশা এক বজাৰ সংকেত শুনা গ'ল। তেওঁ দৌৰ ভলালৈ

নামি আহিল। তদৰ বেণকনিত থিয হৈ চাৰিওকালে চাই তেওঁ দেখিলে যে বাগিচাত আঠুৰ মাজত মুখ গুজি ঘাঁহনিৰ ওপৰত মুন্নী বহি আছে। তেওঁ ওচৰ চাপি গৈ তাইৰ হাতত ধৰি টানি থিয় কৰাই দিলে। তাই তেওঁৰ হাত একৰাই আঁতৰি গৈ উচুপিব ধৰিলে। তেওঁ মাতিলে: "মুন্নী, আহা, শুই থাকিবা। ধনীৰামহঁত সাৰ পালে বেয়া কথা হব।"

'মোৰ টোপনি ধৰা নাই। মই আপোনাৰ ঘৰত থকাটো আপুনি নিবিচাৰে। আচলতে এই জীযাই থকাটোৱে উচিত নহয়।"

"ইযাৰ এষাৰ কথাও সঁচা নহয়। সঁচা কথা হ'ল এই যে মই তোমাক নিবলৈ আহিছোঁ— তোমাৰ কোঠালিলৈ।"

মুন্নী পিছমুখ দিলে আৰু নিঃশব্দে ফেঁকুৰি থাকিল। প্ৰফেছৰে তাইৰ কান্ধত ধৰি তেওঁৰ ফালে ঘূৰাই গৈ মৰমেৰে ক'লে: "Darling friend, shouldn't I make fun? তুমি ভিতৰলৈ নাহিলে মইও শুই থাকিব নোৱাৰো। আহা প্লীজ।"

"মই আপোনাৰ কোনো নহয়। মোৰ মৃত্যু হলেও আপুনি শুই থাকিব পাৰিব।"

"এৰা। মোৰ একমাত্ৰ মৰমৰ পত্নীৰ মৃত্যুৰ পাছতো মই শুব পাৰিছোঁ। শোৱাটো কেনেকৈ বন্ধ কৰোঁ এতিয়া? এই কেইদিন তোমাক মতা নাছিলোঁ তোমাৰ মইমতালিবোৰ বন্ধ হোৱাৰ আশা কৰি; তোমাক বেয়া পোৱাৰ বাবে নহয়। যদি শুবলৈ নাহা, এইবাৰ সঁচাকৈযে বেয়া পাম।"

মুন্নী নিমাত। লাচিত নগৰৰ ভিতৰ ফালৰ কিছু পৰিমাণে পাতল জনবসতিৰ এই অঞ্চলটোত নিশাৰ নিস্তব্ধতাৰ মাজে মাজে দুই এটা পোহনীয় কুকুৰৰ ভুকনি শুনিবলৈ পোৱা যায়, মাজে মাজে দূৰৈত দুই এটা মদাহীৰ অসংলগ্ন চিঞৰ-বাখৰো শুনা যায়। অনতিদূৰত এঘৰ মানুহৰ কুকুৰ এটাই ভুকা শব্দ শুনি প্ৰফেছৰে ক'লে:

"তেন্তে তুমি নাহা ? এই দোভাগ নিশা কোনো মদাহী নাইবা দুগুাই সোৱা গেটৰ ওচৰৰ পৰা তোমাক ভালদৰে দেখা পাব ।"

মুন্নী সচকিত হৈ ইফালে সিফালে চাবলৈ ধৰিলে, তাই তেওঁৰ মুখখনলৈ চাই পঠিয়ালে। তেওঁ ওচৰ চাপি আহি ক'লে: "ক'ব গছৰ বেৰৰ সিপাৰে ওৱালৰ ওপৰত কোনোবা যদি লুকাই আছে। বহি যাওঁ।"

মুন্নীয়ে আতংকত তেওঁক সাৱতি ধৰি তেওঁৰ বুকুত মুখখন গুজি দিলে। ৰাস্তাৰে দুটা কুকুৰে দৌৰাদৌৰি কৰি ভেউ ভেউ কৰা শুনি তাই তেওঁৰ গাত সিপিত খাই লাগি উশাহ লবলৈ ধৰিলে। তেওঁও তাইক সাৱতি ধৰি উচ্চাৰিলে: "এতিয়াহে ভয় লাগিছে ? বলা ওপৰলৈ।"

তাইৰ কান্ধত ধৰি ওপৰলৈ তুলি আনি বেলকনিত থিয় হৈ তেওঁ তাইৰ মুখমণ্ডল দুহাতৰ মাজত লৈ লাইটৰ পোহৰত চালে। মুখ খোৱা দুচকুৰ নোম'বোৰত চকুলোৰ টোপাল ওলমি আছে, দুগাল তিতি আছে, ওঁঠজুৰি ভয় আৰু বেদনাত জৰ্জ্জৰিত। তাইৰ গাল আৰু চকুৰ তল আঙুলিৰে মচি দি তেওঁ অস্ফুট স্বৰত মাতিলে: "মুন্নী।"

তাইৰ মুখমণ্ডল আবেগত ডপাচ পৰিল, কিন্তু চকু নেমেলিলে।

"চকু মেলা। মোক ইমান জোৰে সাৱতি ধৰিছা কিয় ? এতিয়া কোনো ভয় নাই, শুই থাকাগৈ যোৱা।"

মুন্নীয়ে চকু মেলিলে। কিন্তু তাইৰ চকুত উন্মাদনা। তেওঁৰ চকু-মুখৰ ফালে বিগলিত নয়নে চাই চাই তাই তন্ময়। ওঁঠজুৰি কঁপিছে। কিবা যেন অব্যক্ত নৈৰাশ্যৰ বেদনাই তাইৰ সৰ্ব্বশৰীৰ অস্থিৰ কৰি তুলিছে। প্ৰফেছৰ শিয়ঁৰি উঠিল। তেওঁ ততাতৈয়াকৈ তাইৰ হাত একৰাই তাইক আঁতৰ কৰিবলৈ চেষ্টা চলালে। কিন্তু তাই তেওঁৰ হাত দুখন খামুছি ধৰি তাইৰ বুকুত হেঁচি ধৰিলে। তাইৰ কাৰুণ্য-জৰ্জ্জৰিত ওঁঠৰ মাজেৰে নিৰ্গত হ'ল:

"মোক আপোনাৰ ওচৰত থাকিবলৈ দিয়ক সদায়! আপোনাক এৰি যাবলৈ মোক বাধ্য নকৰিব।"

তেওঁৰ মুখৰ পৰা ভৰিলৈ এক শঙ্কাকুল কম্পন বাগৰি গ'ল। এয়া যেন মুন্নী নহয়।

এয়া সৰু ছোৱালীৰ শিশুমতীয়া উত্তেজনা নহয়। এয়া ক্ষণিকৰ উন্মাদনাও নহয়। এয়া চিৰন্তন হেপাহৰ এক আকুল বিননি। তাইৰ ওঁঠৰ কঁপনিত সেই বিননিৰ সুৰ ঝঙ্কাৰিত হব লাগিছে! চকুৰ কাতৰ চাঁৱনিত আৰু কেঁকুৰণিত সেই বিননিৰ প্ৰবণতা মূৰ্ত্ত হৈ উঠিছে! তাইৰ নীৰৱ চকুলোৰ ধাৰবোৰ নামি আহি আহি তেওঁৰ দুহাত তিয়াই পেলালে। অথনি চলিহাৰ কথা কেইষাৰে তেওঁক এতিয়াহে খুন্দিয়াবলৈ ধৰিলে— এৰা! মুন্নীৰ মুখাবয়ব এক অসহায় বিৰহ যন্ত্ৰণাত যেন দগ্ধ হবলৈ ধৰিছে। কিন্তু এয়া যে এক আচহুৱা অনুভূতিৰ তাড়না! ইয়াক প্ৰশ্ৰয় দিব নোৱাৰি। বিব্ৰত হৈ প্ৰফেছৰে মুখ জোকাৰিলে। তাইৰ কোমল বুকত ঘহঁনি খাই থকা তেওঁৰ হাত দুখন ততাতৈয়াকৈ টানি একৰাই আনি তেওঁ সেপচুকি ব্যক্ত কৰিলে,

"No! You are prone to absurd thought!"

তেওঁ আঁতৰি থিয় হৈ তাইক পৰ্যবেক্ষণ কৰিবলৈ ধৰিলে। তাইৰ চকু নৈৰাশ্যৰ বেদনাত ভাৰাক্ৰান্ত। তাইৰ ওঁঠযুৰি অব্যক্ত প্ৰেমৰ কাৰুণ্য-তাৰে জৰ্জ্জৰিতা। কিংকৰ্ত্তব্যবিমূঢ় প্ৰফেছৰে সান্ত্বনাৰ সুৰত ক'লে: "মুন্নী, নিশাটো পাৰ হব এতিয়া। অবুজ নহবা; খোৱা-লোৱা নকৰিলা নাই; এতিয়া শুই থাকাগৈ।"

প্ৰফেছৰৰ ওঁঠৰ ফাকেদি সহানুভূতিৰ পাতল হাঁহি বাগৰি গ'ল। কাৰণ, তেওঁৰ মতে মুন্নীৰ ইণ্টেলেক্ট জন্মগত; সেয়েহে জেনুইন। কিন্তু তাইৰ প্ৰেম অপৈণত; তাই পিছত অনুতাপ কৰিব।

তেওঁ নিজৰ শোৱাকোঠালৈ গুচি আহিল।

পিছদিনাখনৰ পৰা প্ৰফেছৰে আগৰ দৰে হাঁহি-ধেমালিৰ চলেৰে মুন্নীৰ খং অভিমানবোৰ হেলাৰঙে আওকাণ কৰি মাথো শিশুসুলভ

স্নেহৰ মাজত আবদ্ধ হৈ থাকিবলৈ ধৰিলে। অথবা মুন্নীক পৰোক্ষভাবে বুজাব বিচাৰিলে যে বয়সৰ তাৰতম্যৰ সুউচ্চ প্ৰাচীৰৰ তলত থিয় হৈ তাই যিবোৰ কল্পনা কৰিব খোজে সেইবোৰ অলীক, ভিত্তিহীন অথবা বিপদ-সঙ্কুল। এক কথাত প্ৰফেচৰৰ জ্ঞানদীপ পাৰ্যমানে মুন্নীৰ পৰা আঁতৰি থাকিবলৈ ধৰিলে।

[বাৰ]

মুন্নী প্ৰফেচৰৰ ঘৰলৈ অহাৰ তৃতীয় বছৰৰ এটা ঘটনা এইদৰে ঘটিছিল। এদিনাখন ডিপাৰ্টমেণ্টৰ পৰা সোনকালে উভতি আহি মুন্নীক লৈ আহিবলৈ বুলি তেওঁ তাইৰ কলেজ পালেগৈ। কিন্তু তাইৰ ক্লাছ শেষ নোহোৱা বাবে তেওঁ লৈ ওচৰৰ পাৰ্ক এখনত বহি অপেক্ষা কৰি থাকিল। তেওঁ বহি থকা বেঞ্চখনৰ পাছফালে এটা ঘন ফুলগছৰ জোপোহা আছে। জোপোহাটোৰ আনটো ফালৰ ব' দুজনী ছোৱালীৰ কথোপকথনৰ শব্দ তেওঁৰ কাণত পৰিছিল, যদিও তালৈ তেওঁ মনযোগ দিয়া নাছিল। কিন্তু হঠাতে মুন্নীবিষয়ক কথোপকথন শুনি তেওঁ সজাগ হ'ল। একজনীয়ে কৈছে: কালি মুন্নীয়ে সেই ল'ৰাজনৰ লগত যি কৌতুক কৰিলে। সি হেনো এটা প্ৰেমৰ কবিতা লিখি ঝাওঁজোপাৰ তলত বহি আছিল। তাৰ বন্ধু এজনে মাগি আনি গৈ কবিতাটো থাপ মাৰি আনি মুন্নীক দেখুৱালেগৈ। আৰু তাই কি কৰিলে জান? তাই ধুমুহাৰ দৰে তাৰ ওচৰলৈ লৰি আহি কবিতাৰ কাগজখন বাগি এসোপাৰ তলত পুতি থলে আৰু উদাং মাৰি গুচি আহিল। হাঃ হাঃ হাঃ। বেচেৰা ল'ৰাজন মুন্নীৰ প্ৰেমত বলিয়া; কিন্তু তাই তাক কেৰেপকে নকৰে। তাই তাক যেনেকুৱাকৈ দুৰ্ব্যৱহাৰ কৰে তই দেখিলে আচৰিত হবি।"

"কি কৈছিলি ল'ৰাজনৰ নাম? দেউতাক হেনো বৰ ডাঙৰ মানুহ?

"তাৰ নাম অৰুণজ্যোতি। দেউতাক ডাঙৰ মানুহ হলেও পিছে

তাব মুঠেই গপচ্ নাই। সি বৰ ধীৰস্থিৰ। তাৰ দৰে বুদ্ধিমান, শিল্পানুৰাগী আৰু অধ্যৱসায়ী ল'ৰাক মুন্নীয়ে এইদৰে ওফৰাই দিব নালাগিছিল। জান, আন বহুত ছোৱালীয়ে অৰুণজ্যোতিৰ প্ৰেম বিচাৰে, কেইজনীমানে তাৰ চিঠিও লিখিছিল। কিন্তু সি চিঠিবোৰ বিমলক দি দিছে। সি মুন্নীকহে ভাল পায়, অথচ মুন্নীয়ে তাক বৰ নিষ্ঠুৰ ব্যৱহাৰ কৰে। তাই হেনো কোনো ল'ৰাকে ভাল নাপায়। কোনোবাই সেই মতলবত আহিলে হেনো পস্তাব।"

"কোনো ল'ৰাক ভাল নাপায় যদি কাক ভাল পাব তাই? ছোৱালীকনে? মোৰ কিন্তু মুন্নীক বৰ অহংকাৰী যেনহে লাগে। নামজ্বলা প্ৰফেছৰৰ ঘৰত আছেতো। গাড়ীৰে কলেজলৈ অহাযোৱা কৰিছে।"

"অৰুণজ্যোতিৰ দেউতাকৰ অকল গাড়ীহেনে, বহুত সম্পত্তি আছে। আনহাতে তাইৰ ককায়েকৰ গাড়ী নাই যদিও তাই দেখোন কেতিয়াও কাহানিও ককায়েকক সৰু বুলি নকয়।"

"তেন্তে তাই নিজৰ ঘৰতনো নাথাকে কিয়?"

"তাইৰ ককায়েক হেনো বিদেশলৈ গৈছে। নবৌয়েকজনী হ'ল চিত-পখিলা— দেউতাকৰ ধনৰ গৰ্ব্বত ওফন্দি থাকে। আকৌ বোলে নাৰী স্বাধীনতাৰ হে প্ৰচাৰ কৰি ফুৰে, অথচ ননন্দক দেখিব নোৱাৰে। বেচেৰীৰ মাক-দেউতাক নাই, সেয়েহে ককায়েকে তাইক প্ৰফেছৰৰ ঘৰত এৰি থৈ গৈছে বুলি সকলোৱে কয়।"

"ইচ, নাৰী স্বাধীনতাৰ প্ৰচাৰ। বুজেনে সিহঁতে নিজে সৰ্ব্ব-সাধাৰণ নাৰীৰ মনোবেদনা কি? বৰ দেখুৱায় সেই কেইজনীমান গঙ্গাটোপ যেন তিৰোতাই।"

"সঁচা পায়! মইও ভাবো মুন্নী যেনেকুৱাহে স্পষ্টবাদী সাহসী ছোৱালী। নবৌয়েকৰ লৈতে কাজিয়া লাগি ঘৰৰ পৰা ওলাই অহা নাইতো?"

"এ বাদ দে — ঐ, সেইজন অৰুণজ্যোতি নহয়নে? তই সিদিনা দেখুৱাই দিছিলি নহয়। মোৰ ভালদৰে মনত আছে।"

“হয়। বেচেৰাই কবিতা লিখিবলৈ আহিছে চাগৈ। অ’, সেয়া দেখোন মুন্নী? আজি কিয় তাই পার্কৰ ভিতৰলৈ আহিল?”

প্ৰফেছাৰ কাটি হৈ চাই দেখা পালে যে মুন্নী লৰি আহি ল’ৰা এজনক পাছ পোনাই লৈ আহিল। ল’ৰাজনে মাতিলে:

“মুন্নী, ক’লৈ যোৱা?”

মুন্নী উত্তৰ নিদি মুখখন বিৰক্তিৰে বিকৃত কৰি উচাং মাৰি আহি থাকিল। ছোৱালী দুজনাৰে প্ৰফেছৰৰ কাষেৰে আঁতৰি যাওঁতে কৈ গ’ল: ‘দেখিছিলে মুন্নীৰ দেমাক। অৰুণজ্যোতিলৈ মোৰ বেয়া লাগে।”

প্ৰফেছৰে তৎক্ষণাত ভাবি লোৱালে— অৰুণজ্যোতি নামৰ ডেকা ল’ৰাজনক— যাক আন বহুত ছোৱালীয়ে ভালপাব বিচাৰে. কিন্তু যিহেতু মুন্নীকহে ভাল পায়— মুন্নীয়ে কিয় ভালপাব নোৱাৰে? এই সুন্দৰ, স্বাস্থ্যবান আৰু হয়তো মেধাবী ল’ৰাজনৰ প্ৰেমৰ পথ বন্ধ হৈ আছে কিহৰ বাবে? তেওঁৰ বাবে? তেওঁৰ বুকুৰ ধপ্‌ধপনি উঠিল। নহয়, মুন্নীৰ ইচ্ছামতে সকলো কাম হব নোৱাৰে। এয়া অতীতত সংসাৰৰ চিন্তা মাথোন। মুন্নীৰ বিয়া হব লাগিব; উপযুক্ত ল’ৰা এজনৰ সৈতে— হয়তো অৰুণজ্যোতিৰ সৈতে। তেওঁৰ ফালে ধাবিত হোৱা মুন্নীৰ সত্তাক তেওঁ স্বীকৃতি দিব নোৱাৰে। এটি শিশুৰ মইমতালিক তেওঁ প্ৰশ্ৰয় দিব নোৱাৰে!

তেওঁৰ ওচৰ পাই মুন্নীয়ে সুধিলে: “বহুত সময় অপেক্ষা কৰিলে নেকি? মোৰ ক্লাছ শেষ হ’ল।”

“পোন্ধৰ মিনিট। বাক, সেই ল’ৰাজনক মাতাচোন।”

“কোনজন ল’ৰা?”

“সেই অৰুণজ্যোতি নামৰ ল’ৰাজনক।”

মুন্নীয়ে থতমত খালে। “তাক কেনেকৈ চিনি পায়?”

“প্ৰশ্ন নকৰিবা। তোমাক যি কৈছোঁ তাকে কৰা।” মুন্নীয়ে ঠেৰোগেৰো কৰিলে—

"কি হ'ল ? সি যেয়া ল'ৰা নেকি ?"

"ন-নহয়। সি ভাল ল'ৰা।"

"তেন্তে যোৱা, তাক মই মাতিছোঁ বুলি কোৱাগৈ।" অসন্তুষ্টিৰে তেওঁৰ চকুলৈ চাই হুমুনিয়াহ ছাৰিলে। তেওঁৰ চকু-মুখত বিৰক্তিৰ চিহ্ন দেখি তাই লাহে লাহে গৈ অৰুণজ্যোতিক মাতি আনিলে। নোটবহী এখন হাতত লৈ অৰুণজ্যোতি আহি নমস্কাৰ দিলে। প্ৰফেছৰে প্ৰথমে তাৰ ক্লাচ, বিষয় আদি সুধি জানি ল'লে। তাৰ পাছত প্ৰশ্ন কৰিলে : "অৰ্থাৎ তুমি মুন্নীৰ ক্লাছফ্ৰেণ্ড, নহয়নে ? ঘৰ ক'ত ? দেউতাৰাই কি কৰে ?"

"ঘৰ গোৱালপাৰাত, দেউতা ডিষ্ট্ৰিক্টডেপুটি কমিচনাৰ।"

"তোমাৰ চেহেৰা আৰু তোমাৰ কথাবতৰাই তোমাৰ প্ৰকৃত পৰিচয়। দেউতাৰাৰ কথা এনেয়ে সুধিলো— জানিবলৈ। এতিয়া তোমাৰ ক্লাছ আছে নেকি ?"

'ক্লাছ শেষ হ'ল।"

"তেন্তে আহা, আমাৰ ঘৰলৈ যাওঁ। মোৰ ঘৰ চিনি পোৱানে ?"

উচপ্খাই উঠি মুন্নী পিছমুখ দি থিয় হ'ল। অৰুণজ্যোতিয়ে দোধোৰ-মোধোৰ অৱস্থাত উত্তৰ দিলে : "আপোনাক ভালদৰে জানো। কিন্তু যেয়া নাপাব, আজি যাব নোৱাৰিম।"

"কেলেই ? তুমি হোষ্টেলত নাথাকা জানো ? সন্ধিয়া হলেও উভতিব পাৰিবা। তুমি হেনো কবিতা লিখা, সেযেহে তোমাৰ প্ৰতি মোৰ কৌতূহল বাঢ়িছে।"

মুন্নীয়ে ঠৰঙা হৈ একাবেঁকাকৈ প্ৰফেছৰৰ ফালে চাই থিয় হৈ থাকিল। ল'ৰাজনে ইতস্ততঃ কৰা দেখি প্ৰফেছৰে তাৰ হাতত ধৰি মাতি লৈ আহি গাড়ীত বহিব দিলে। মুন্নী ধীৰে ধীৰে পাছে পাছে আহিল। মুন্নীয়ে সন্মুখৰ চিটত বহিব খোজাত প্ৰফেছৰে তাইক পিছৰ চিটত ল'ৰাজনৰ সৈতে বহিবলৈ আদেশ দিলে। পিছৰ চিটত মুন্নী একেবাৰে দৰ্জাৰ গাত হেঁচি ধৰি

ল'ৰাজনৰ পৰা বিমানদূৰ পাৰে সিমান আঁতৰি বহিল। প্ৰফেছৰে গাড়ী চলাই চলাই সমুখৰ 'মিৰৰ' খনৰ মাজেৰে দুয়োকো লক্ষ্য কৰি থাকিল। ল'ৰাজনে মুন্নীৰ ফালে চাই মাজে মাজে কথা কব খোজে। কিন্তু মুন্নী টৰঙা, অসন্তুষ্ট আৰু গোমোঠা। এবাৰো অৰুণজ্যোতিৰ ফালে নাচায়।

প্ৰফেছৰে শুনিলে আৰু দেখিলে যে ল'ৰাজনে এখন আলোচনী মেলি মুন্নীৰ ফালে দাঙি ধৰি কৈছে :

"মুন্নী, তুমিও মোৰ কবিতাক অপমান কৰা; অইন মানুহে ভাল পায়। এয়া চোৱা, মোৰ কবিতা প্ৰকাশ পাইছে।"

"সেইবোৰ মোক দেখুৱাই কোনো লাভ নাই। তোমাৰ বস্তু তোমাৰ লগত ৰাখা।"

"এইখন তোমাৰ লগত ৰাখিব কোৱা নাই। এবাৰ পঢ়ি চোৱা মুন্নী। তুমি মোক বেয়া পোৱা। কিন্তু মোৰ কবিতাটোৰ গাত কি দোষ?"

এইবুলি ল'ৰাজনে আলোচনীখন মুন্নীৰ কোলাত ৰাখিলে। কিন্তু মুন্নীয়ে আলোচনীখন দুহাতেৰে মোহাৰি ভাঁজ কৰি খিৰিকিৰে দলিয়াবলৈ উদ্যত হ'ল।

"নদলিয়াবা, প্লীজ মুন্নী। পঢ়িব নালাগে, মোক ঘূৰাই দিয়া।"

"তুমি যাতে পুনৰ মোৰ বাবে নিলিখা। তোমাৰ লগত মোৰ কোনো সম্পৰ্ক নাই।"

তাই আলোচনীখন খিৰিকিৰে দলিয়াই দিলে। মুন্নীৰ স্পৰ্দ্ধা দেখি প্ৰফেছৰে গাড়ী ৰাখি মুন্নীক ধমকনিৰে আদেশ দিলে : "মুন্নী, নামি গৈ আলোচনীখন তুলি লৈ আহা।"

মুন্নীয়ে নামি যাবলৈ অনিচ্ছুক হোৱাত ল'ৰাজনে নিজে নামিব খুজিলে। কিন্তু প্ৰফেছৰে তাক বাধা দি খঙেৰে মুন্নীক আদেশ দিলে : "মুন্নী, এনেকুৱা ব্যৱহাৰ মই ঘৃণা কৰোঁ। সেইখন বুটলি লৈ আহা!"

মুখ ওন্দোলাই তাই নামি গৈ আলোচনীখন বুটলি আনি চিতৰ ওপৰত টেকেচা মাৰি থবলৈ উদ্যত হ'ল। প্ৰফেছৰে তাইৰ হাতৰ পৰা আলোচনীখন কাঢ়ি আনি ব্যক্ত কৰিলে: Obstinate girl! Anger begets anger। Do you hear? অৰুণজ্যোতি, এইখন মই তোমাক মোৰ ঘৰত দিম।"

মুন্নীয়ে মুখ ঢাকি উচুপি থাকিল। অৰুণজ্যোতিয়ে অনুনয়ৰ সুৰত ক'লে: "আজি মোক [illegible] যাবলৈ দিয়ক, ছাৰ, মই মুন্নীৰ অশান্তি কৰিছোঁ।"

"তুমি মোৰ ঘৰলৈকে আহিছা! তাত মুন্নীয়ে অশান্তি পাবলগীয়া কি আছে? অশান্তি পাইছে যদি পাই থাকক।"

ইয়াৰ পাছত প্ৰফেছৰে অৰুণজ্যোতিক ড্ৰইংৰুমত বহুৱাই মুন্নীক আদেশ দিলে: "অৰুণজ্যোতিৰ বাবে চাহ-জলপান আনিবলৈ বৌৰুক কোৱাগৈ।"

অতিশয় বিষণ্ণ মনে মুন্নী ভিতৰ সোমাই গ'ল। প্ৰফেছৰে অৰুণজ্যোতিৰ কবিতাটো পঢ়ি অনুমান কৰিলে যেন তাৰ প্ৰতিটো শব্দই এক অব্যক্ত ব্যৰ্থ প্ৰেমৰ বেদনা কঢ়িয়াই লৈ ফুৰিছে। আলোচনীখন ওভোটাই দি তেওঁ তাৰ ভৱিষ্যত জীৱনৰ পৰিকল্পনাৰ বিষয়ে সুধিলে। সি জনালে যে সি প্ৰথম শ্ৰেণীত মেজৰ পোৱাৰ আশা কৰিছে। দেউতাকে তাক ভৱিষ্যতে প্ৰশাসনিক কাৰ্য্যৰ ফালে মনোনিৱেশ কৰাৰ কথা কৈছে যদিও এম, এচ, চি, পৰীক্ষাত ভালদৰে উত্তীৰ্ণ হব পাৰিলে সি গৱেষণা কৰাৰ কথাহে চিন্তা কৰি আছে। বৰ্ত্তমান ক্লাছত তাৰ ফাষ্ট প'জিচন। সি গল্প-কবিতাও লিখে। প্ৰফেছৰে অৰুণজ্যোতিৰ কান্ধত মৃদুভাৱে থপৰিয়াই মৰম কৰি উদ্যমেৰে পঢ়া-শুনা কৰি যাবলৈ উপদেশ দি তেওঁৰ ঘৰলৈ আহি থাকিবলৈ আমন্ত্ৰণ জনালে।

ধনীৰামে খোৱা বস্তবোৰ দি গ'লহি। ল'ৰাজনে কিছুমান খালে, কিছুমান এৰিলে। প্ৰফেছৰক ধন্যবাদ জনাই সি বিদায়

মাগিষলৈ ওলাল। প্ৰফেছৰে ধনীৰামৰ হতুৱাই মুন্নীক মতাই আনিলে। মুন্নী উপস্থিত হৈ গোমোঠা মুখেৰে থিয় হৈ থকা দেখি অৰুণজ্যোতিয়ে ক'লে : "মুন্নী, অনিচ্ছা স্বত্বেও তোমাক আমনি কৰিলোঁ। বেয়া নাপাবা।"

"মই ভাবোঁ মোৰ বেয়াপোৱাৰ ওপৰত তুমি গুৰুত্ব নিদিয়া-টোৱেই ভাল।"

প্ৰফেছৰৰ খং উঠিল। তেওঁ নিৰ্দ্দেশিলে : মুন্নী, অৰুণজ্যোতিক হাঁহি মুখেৰে বিদায় দিয়া আৰু আহি থাকিবলৈ মাতা।"

কিন্তু মুন্নী ডুৱাৰত মুখ গুজি বৈ থাকিল। প্ৰচণ্ড ধমকনিৰ সুৰ প্ৰফেছৰৰ মুখেৰে নিৰ্গত হ'ল "মুন্নী।"

অভিমানী মুন্নীৰ ঠেহৰ অভিব্যক্তি প্ৰকাশ পালে : "এইখন মোৰ ঘৰ নহয়। ম-মই কিদৰে কাক মাতিম?"

অৰুণজ্যোতি মুন্নীৰ ওচৰ চাপি গৈ ক'লে : 'মুন্নী, মই যাওঁ; মই যদি নিজৰ অজ্ঞাতে কিবা অশোভনীয় কাম কৰিছোঁ ক্ষমা কৰি দিবা।" অৰুণজ্যোতি প্ৰফেছৰক নমস্কাৰ জনাই গুছি গ'লগৈ।

মুন্নীয়ে শঙ্কাজনক চাৱনিৰে প্ৰফেছৰৰ ফালে চাবলৈ ধৰিলে। ধনীৰামে কাপ-প্লেটবোৰ সামৰি থাকোঁতে প্ৰফেছৰে মুন্নীৰ ফালে বিদ্ৰুপেৰে চাই ধনীৰামক ক'লে : "ধনী, মোৰ জলপান মোৰ কোঠাত তই দি আহিবি। এতিয়াৰ পৰা তই মোৰ খোৱা-লোৱাৰ যত্ন লব লাগিব, আন কোনেও নহয়।"

তেওঁ ওপৰলৈ উঠি গ'ল।

অলপ পাছত দেখিলে মুন্নীয়ে ট্ৰে এখনত তেওঁৰ জলপান লৈ তেওঁৰ সমুখত হাজিৰ হৈছেহি। তাইৰ মুখমণ্ডলত কোনো অভিমান বা অসন্তুষ্টিৰ চিন নাই। কিন্তু তেওঁৰ খং উঠিল। মুন্নীৰ চকুৰ আগৰ পৰা অদৃশ্য হৈ যাবলৈ তেওঁৰ প্ৰবল হেঁপাহ জন্মিল। তেওঁ কোঠাটোৰ পৰা ওলাই যাবলৈ উদ্যত হ'ল। কিন্তু তেওঁ ডুৱাৰমুখ পোৱাৰ আগে আগে ট্ৰেখন মেজৰ ওপৰত থাকি দৌৰি আহি মুন্নীয়ে তেওঁৰ

সন্মুখত থিয় হৈ তেওঁৰ কাপোৰত খামুচি ধৰিলে আৰু তেওঁৰ চকুৰ ফালে চাই অনুৰোধ কৰিলে: "প্লীজ, মোক খং নকৰিব, মই যদি আপোনাৰ কোনো কাম কৰিব নালাগে, মই এলেহুৱা হৈ কেনেকৈ থাকো?"

"The hell with your impertinence। You are trading on a jewel, stupid girl!"

প্ৰফেছৰে তাইৰ হাত গোকোলাই দলিয়াই দি আঁতৰি থিয় হ'ল। তেওঁ চকুৰ কোণেৰে ঘিৰি চাই দেখা পালে যে মন্নীয়ে নিজৰ ওঁঠচেপি ধৰি অদৃশ্যভাৱে হাঁহি আছে। তাইৰ চকুৰ চাৱনি ৰোমাঞ্চকৰ। সেই চাৱনিয়ে যেন তেওঁৰ ব্যক্তিত্ব গ্ৰাস কৰিবলৈ ওলাইছে। তেওঁৰ সৰ্ব্বশৰীৰ জ্বলি যাব যে অনুমান হ'ল। তেওঁৰ বিমুঢ়তা অস্থিৰ অসন্তুষ্টি চাই চাই তাই আমোদ কৰি থকা যেন অনুমান হ'ল। খঙেৰে তেও বিতাপৰ ৰেক এটাৰ ওচৰত তাইৰ ফালে পিঠি দি চকী এখনত বহি পৰিল। মুন্নীয়ে আনুগত্যৰে জলপানে সৈতে টিপয়খন দাঙি আনি তেওঁৰ সন্মুখত থলে আৰু খাবলৈ অনুৰোধ কৰিলে। তেওঁ নিজৰ ওঁঠৰ বিকৃত ভঙ্গিমা তুলি নিৰ্দ্দেশ দিলে: "এইবোৰ লৈ যোৱা। মই কোনো বস্তু খাব নোৱাৰোঁ। এজন ব্যক্তিত্বসম্পন্ন মেধাবী ল'ৰাৰ অমূল্য জীৱন এটাক তৃণখুটাৰ দৰে গুচৰি পেলোৱা কাৰ্য্য মোৰ সহিষ্ণুতাৰ বাহিৰত। তাৰ পুৰুষত্বক অপমান কৰা মানে সমগ্ৰ পুৰুষ জাতিটোক অপমান কৰা বুজায়। আঁতৰি যোৱা মোৰ ওচৰৰ পৰা।"

কাঠৰ খুটা এটাৰ দৰে মুন্নী থিয় হৈ থাকিল। অৱশেষত তাই ক'লে: "আপুনি মোক ভুল বুজিছে। মই অৰুণজ্যোতিৰ ব্যক্তিত্বক প্ৰশংসা কৰোঁ।"

"Silly girl। তেন্তে নিজৰ সৌভাগ্যক ভৰিৰে মোহাৰি পেলাইছা কিয়? ঠিকনাবিহীন ছোৱালী এজনীক ভাল পাবলৈ সাহসেৰে আগবাঢ়ি অহা অৰুণজ্যোতিৰ দৰে উপযুক্ত ল'ৰা এজনক অৱমাননা

কৰাটো নিৰ্ঘাট অন্যায় আৰু মূৰ্খামি।"

"মই ঠিকনাবিহীন বাবে কোনো ভাল মানুহ যদি মোৰ ওচৰ চাপিবলৈ ভয় কৰে অৰুণজ্যোতিযেনো মোৰ ওচৰ চাপিব বিচাৰে কিয় ?"

প্ৰফেচৰ বিমুগ্ধ! মুন্নীয়ে এনেকুৱা যুক্তি দৰ্শাবলৈ জ্ঞান আৰু সাহস পাইছে। তেওঁ মুন্নীৰ ইণ্টেলেক্টক মৌনভাবে প্ৰশংসা নকৰি নোৱাৰিলে। "ভাল মানুহ" বুলি বাক্যটোৰে তাই যে তেওঁকেই বুজাইছে তাক তেওঁৰ বুজিবলৈ বাকী নাথাকিল। কিন্তু সৰু ছোৱালী এজনীয়ে তাইৰ দুগুণতকৈও অধিক বয়সৰ মানুহ এজনৰ পৰা বিচাৰে ? তেওঁ ফুটাই ক'লে :

"ঠিকনাবিহীন কাৰণে হওঁক বা নহওঁক, এক্‌ষ্ট্ৰিম এক্‌চেনট্ৰিছিটিৰ কাৰণে কিন্তু কোনেও ওচৰ নাচাপে বুলি মই জানো।"

"নাচাপিলে নাই। মই যাযাবৰ। যিভাবে আছোঁ মই সেইভাবে থাকিবলৈ নিদিয়ে কিয় ? কাৰোবাৰ ওচৰলৈ মোক ঠেলি পঠিয়াব লাগে কিয় ?"

"তুমি মোৰ ওচৰত এগ্ৰেছিভ্‌ হবলৈ আৰম্ভ কৰিছা, সেই-কাৰণে মই তোমাক মোৰ ওচৰত ৰাখিব নোৱাৰিম! I mean it।"

মুন্নী তেওঁৰ ভৰিৰ ওচৰত বহি কাতৰ কণ্ঠে ক'লে : 'নহয়। আপুনি মোৰ দুখ নুবুজে কিয় ?"

ভৰি আঁতৰাই তেওঁ ঘূৰি বহিল আৰু মুহূৰ্ততে ভাবিলে যে তাইৰ দুখ বুজোঁতা লোক একমাত্ৰ তেওঁৰ বাহিৰে আন কোনোবা আছে বুলি তেওঁৰ সন্দেহ হয়। কিন্তু কঠোৰ নহলে তাই আঁতৰি নাযায়।

"তুমি অৰুণজ্যোতিক পুনৰ মোৰ ওচৰলৈ মাতি আনিব লাগিব। অন্যথাই মোৰ লগত সম্পৰ্ক পৰিত্যাগ কৰিব লাগিব, তোমাক মোৰ ঘৰত ৰাখিব নোৱাৰিম— অইন ব্যৱস্থা কৰিব লাগিব।"

আতঙ্কত চিঞৰি মুন্নী তেওঁৰ ভৰিত লুটি খাই পৰিল।

তেওঁৰ ভৰি দুখনত কঁপাল ঘঁহি ঘঁহি উচুপি উচুপি কবলৈ ধৰিলে : “আপুনি মোক অইন যি কাম কৰিবলৈ কয় মই তাকে কৰিম। কিন্তু মই তাক মাতি আনিব নোৱাৰোঁ। মই তাৰ ওচৰলৈ যাব নোৱাৰোঁ। আপুনি মোক আগোনাৰ ওচৰৰ পৰা খেদি নিদিব।”

তেওঁৰ ওচৰৰ পৰা খেদি দিব নালাগে ? অৰুণজ্যোতিৰ ওচৰলৈ যাব নোৱাৰে। এইজনী বলিয়া হৈছে! অন্ধকাৰ গুহাত প্ৰবেশ কৰিব বিচাৰে। নহয়, তাই আঁতৰি যাব লাগিব।

কিন্তু মুন্নী কান্দি কান্দি অস্থিৰ হৈছে। তেওঁৰ দুভৰি চকুলোৰে প্লাৱিত হৈছে। তেওঁৰ চকুমুখ পৰম আৰু সহানুভূতিত আৰ্দ্ৰ হৈ উঠিল। পিতৃ-মাতৃহীন, কাৰোবাৰ হিংসা আৰু অন্যায়ৰ চিকাৰ হৈ নিৰ্মম বাস্তৱতাৰ সৈতে অকলে যুঁজিবলৈ বুলি দৌৰি পলোৱা এই ছোৱালীজনী তেওঁৰ অবিহনে কিমান নিঃসহায়। কিন্তু তাই অৰুণজ্যোতিৰ প্ৰতি ইমান বিকৰ্ষিত হোৱাৰ কাৰণ কি? তাইৰ ককাযেক কেতিয়াবা উপস্থিত থাকিলেও নিশ্চয় অৰুণজ্যোতিক অপছন্দ নকৰিব। তেওঁ বুজি নাপায় নাৰীপ্ৰাণ ইমান জটিল কিয়।

মুন্নীয়ে নীৰবে ফেকুৰি থকা দেখি তাইক তুলি থিয় হৈ তেওঁ সান্ত্বনাৰ সুৰত ক'লে : “Little friend, কোৱাচোন, কিয় তাক তুমি মাতিব নোৱাৰা ? সি দেখোন তোমাক ভাল পায়। তাৰ ব্যক্তিত্ব প্ৰশংসনীয়।”

“মই তাক বেয়া ল'ৰা বুলি কাহানিও কোৱা নাই। কিন্তু মই তাক ভালপাব নোৱাৰোঁ।”

“কিন্তু কিয় ? বহুত ছোৱালীয়ে তাৰ দৰে ল'ৰা পালে নিজকে ধন্য মানিব, তোমাৰ আপত্তি কিহৰ বাবে ?”

মুন্নী নিমাত। প্ৰফেছৰে এইবাৰ ৰসিকতা কৰাৰ সুৰত ক'লে :

“মোৰ ভয় হৈছে, তোমাক নাপাই অৰুণজ্যোতিয়ে যদি আত্মহত্যা কৰে। তাৰ কবিতাত কেৱল হতাশা আৰু বেদনাৰ

স্থবত একটু হৈ আছে। Really, I feel for him!"

মুন্নী এইবাৰ সপ্তম হ'ল। তাই দৃঢ়ভাবে প্ৰকাশ কৰিলে :

"But you cannot feel for yourself!"

"আচৰিত। Why should I feel for myself? অৰুণ-জ্যোতি ডাঙৰ মানুহ হব, তাত কোনো সন্দেহ নাই। সেয়েহে তাৰ ইচ্ছাত সহাঁৰি দিবলৈ তোমাক মই বাধা কৰিব খুজিছিলোঁ। মোৰ ছোৱালী এজনী থাকিলে তোমাক জোৰ নকৰি মই তাইকেই তাৰ সৈতে বিয়া দিলোঁহেতেন।'

"এতিয়াও আপোনাৰ ছোৱালী হলে তাৰে বিয়া দিব। কোনেনো আপোনাক বাধা দিব?"

'হাঃ? হাঃ? কি কৈছা? এইমাত্ৰ দেখোন কান্দিছিলা; এতিয়া মোৰে সৈতে ৰসিকতা কৰিব ধৰিছানে?"

তেওঁ মুন্নীৰ চুলিকোচাৰ গুৰিতে মুঠি মাৰি তাইৰ মুখখন ওপৰ মুৱাকৈ ধৰি প্ৰকাশ কৰিলে : "উ-হু। ডিঙিৰ ওপৰৰ এই মগজুটোৰ অপ্ৰয়োগচাৰ নকৰিলে হব। কথা বিষম হ'ল।"

তেওঁ তাইক ঠেলামাৰি আঁতৰাই দিলে। মুন্নীৰ মুখেৰে প্ৰকাশ পালে : "বিয়া কৰালে ছোৱালী এজনী হবলৈ কিমান পৰ? অৰুণ-জ্যোতি যিহেতু ইমানেই প্ৰিয়ভাজন— ।"

"বিয়া কৰাবলৈ যে মোক উপদেশ দি আছা, ক'ৰবাত ছোৱালী নে বুঢ়ী ঠিক কৰি ৰাখিছা মোৰ বাবে? নিজে মোৰ পকাচুলি উঘালি আছাতো।"

"চুলি দুই এডালহে পকিছে। বুঢ়ী বিয়া কৰিবলগীয়া নহয়! ছোৱালী দৌৰি আহিব।"

প্ৰফেছৰ স্তম্ভিত হৈ গ'ল। ইমান নিৰ্ভীক ছোৱালী এইজনী! ভিতৰি ভিতৰি তেওঁ অপদস্থ হোৱা যেন অনুমান হ'ল। তেওঁ গোমোঠা মুখেৰে ওলাই গৈ ছাদৰ ওপৰত পৰি থকা কোচিং চেয়াৰ এখনত বহি থাকিল গৈ। চিন্তাত নিমগ্ন প্ৰফেচৰে কিন্তু মুহূৰ্ত্তে

মুহূর্ত্তে মুন্নীৰ উপস্থিতিৰ আশংকা কৰি থাকিল। নাই, মুন্নী ছাঁদৰ ওপৰলৈ উঠি অহা নাই। মুন্নীৰ যুক্তিবোৰ ৰোমন্থন কৰি কৰি প্ৰফেছৰে এক বিশেষ আনন্দ উপভোগ কৰিছে। মুন্নীৰ মইমতালি-বোৰো তেওঁৰ বাবে ৰেলিছিংছ্। খং উঠিলেও তেওঁ বিচাৰে যে তাই সেইদৰেই থাকক। আজি তিনি বছৰে নিঃসঙ্গ জীৱনৰ ক্লেশ তেওঁৰ উপলব্ধি হোৱা নাই।

ধনীৰামে তেওঁৰ জলপানখিনি ছাঁদলৈকে কঢ়িয়াই আনিলে। জলপান খোৱা শেষ হোৱাৰ পাছতো তেওঁ বহিয়েই থাকিল। ধনীৰামে পুনৰ উপস্থিত হৈ ক'লে যে সন্ধিয়া হৈছে, ছাঁদৰ ওপৰত মহে কামুৰিব, সেয়েহে ভিতৰলৈ আহিব লাগে। কিন্তু প্ৰফেছৰ নুঠিল। আচৰিত হৈ ধনীৰাম আঁতৰি গ'ল। অৱশেষত মুন্নী আহি উপস্থিত হ'ল। তাইৰ হাতত এখন বিচনী। বিচনী'ৰ মহ খেদি খেদি তাই সুধিলে: "এতিয়া কফি খাব নে চাহ খাব?" জোনৰ অস্পষ্ট পোহৰৰ মাজত তাইৰ মুখ'ৰ ফালে দৃষ্টি নিক্ষেপ কৰি তেওঁ উচ্চাৰিলে: "একো নাখাওঁ। সদায় খোৱাৰ কথা চিন্তা কৰি থাকে। মই কেঁচুৱা নেকি?"

"মোৰ ওপৰত খং কৰি মহৰ কামোৰ খাই ইয়াত বহি থাকিব নালাগে। মই নকৰলগীয়া কথা কোৱা নাই। আপোনাৰ বিয়া হোৱাটো জানো অপৰাধ?"

"মই যেনিবা বিয়া কৰালোঁ। কিন্তু মোৰ ছোৱালী ডাঙৰ হোৱালৈ দেখোন অৰুণজ্যোতি বৰ্ত্তমান মোৰ দৰে বুঢ়া হ'ব। তেতিয়া মোৰ ছোৱালীয়ে তাক পছন্দ কৰিবনে? এতিয়াই— সি চফল ডেকা হৈ থাকোঁতে— তুমি দেখোন তাক অপছন্দ কৰিলা।"

"আপুনি বুঢ়া হোৱা নাই, আৰু আপোনাৰ ছোৱালীয়ে অৰুণজ্যোতিক পছন্দ কৰিব। তিৰোতাবোৰ কেৱল বাহ্যিক সৌন্দৰ্য্য অভিলাসী মগজুবিহীন প্ৰাণী নহয়, ভোগবিলাসৰ সামগ্ৰীও নহয়। তিৰোতাৰ অন্তদৃষ্টি আছে। চফল ডেকা ল'ৰাও অপছন্দৰ বস্তু

হৈ পৰিব পাৰে; আৰু সমাজৰ অপৰিহাৰ্য। মহান ব্যক্তিক বৃদ্ধ হলেও পছন্দ কৰিব পাৰে। বাৰ্দ্ধক্য প্ৰেমৰ পথত কেতিয়াও হেঙাৰ হব নোৱাৰে।"

প্ৰফেছৰ গম্ভীৰ হৈ গুচি যাবলৈ থিয় হ'ল। মুন্নীয়ে তেওঁৰ সমুখত থিয় হৈ সাহসেৰে ঘোষণা কৰিলে: "নগণ্য মস্তিষ্কৰ আজে-বাজে প্ৰাণীবোৰৰ বংশবৃদ্ধি হোৱাটো মানৱ জাতিৰ বাবে অমঙ্গল। পৰিয়াল-পৰিকল্পনাৰ দাৰে হৈ থকা সেই বংশবৃদ্ধি ৰোধ কৰা উচিত। কিন্তু কি যুক্তিত আপোনাৰ বংশ লোপ পাব লাগে? আপুনি সন্তানক বৈজ্ঞানিক, দাৰ্শনিক কৰি গঢ়ি তুলিবলৈ সক্ষম। আপুনি নিঃসন্তান হৈ থাকি ভৱিষ্যত মানৱক বঞ্চিত কৰা উচিত নহয়।"

এনে উশাহতে কথাখিনি কৈ মুন্নী দৌৰি গুচি গ'ল। প্ৰফেছৰ বিস্মিত। এই সৰু ছোৱালীজনীৰ এনেকুৱা শক্তিশালী আচৰিত যুক্তি? নোট্চেই নাৰী জাতিক ঘৃণা কৰিছিল, কিন্তু আজি নাৰীৰ মুখৰ পৰা ওলাইছে নোট্চেৰ দৰ্শন? এৰা! থিয়োৰ নাৰী প্ৰকৃততে শাৰীৰিক আৰু আত্মিক দুৰ্যোগদিশৰ পৰা নিভাঁজ আৰু শক্তিমতি সেইবোৰৰ প্ৰেম ভালপোৱাবোৰ হয়তো হব পাৰে উদ্দেশ্য ভিত্তিক অথবা অন্তদৃষ্টিপৰায়ণ। কিন্তু দাৰ্শনিক দৃষ্টিভঙ্গী আহৰণ কৰিবলৈ মুন্নীৰ জানো বয়স হৈছে?

নাই হোৱা। আধুনিক যুগত পঁচিশ বছৰতো যদি যৌৱন আৰম্ভ হয়, তেন্তে মুন্নী এতিয়াও কিশোৰী হৈয়ে আছে। তাইৰ বাইশ বছৰত পদাৰ্পণ কৰিবলৈ এতিয়াও কিছুদিন বাকী আছে। এই বয়সত ছোৱালীৰ প্ৰেম ঘনিষ্টতাৰ ওপৰত নিৰ্ভৰ কৰিহে গঢ়ি উঠে। তেওঁৰ সৈতে মুন্নীৰ ঘনিষ্ঠতা ইমান বেছি হৈ পৰিছে যে কোমলমতি হৈ থকা হেতুকে আইন কোনো মানুহৰ ছবি মুন্নীৰ অন্তৰত নোসোমায়। আইনক অন্তৰত স্থান দিলে তেওঁৰ প্ৰতি অবিচাৰ কৰা হব বুলি মুন্নীয়ে ধৰি লৈছে। হয়তো, পাৰম্পৰিক সূত্ৰমতে এবাৰ

এজনক অন্তৰত স্থান দিলে তেওঁৰ প্ৰতি বিশ্বাসী হৈ থকা উচিত— এই ভাবধাৰাৰ দ্বাৰা মুন্নী পৰিচালিতা হৈছে। কিন্তু এযা যে এক ধ্বংসাত্মক চিন্তাধাৰা– অন্ততঃ মুনীৰ বাবে। গতিকে মুন্নীৰ যুক্তি-বোৰ অখণ্ডনীয় হলেও তেওঁ নিজক মুন্নীৰ ইচ্ছা বা পাৰম্পৰিক বিশ্বাসৰ ওচৰত মূৰ দোঁৱাবলৈ এৰি দিব নোৱাৰে। তেওঁ মুন্নীৰ ওচৰত হাৰ মানিব নোৱাৰে।

[তেৰ]

কিন্তু অ জি—মুন্নীক নিষ্ঠুৰভাবে খেদি পঠিওৱাৰ তিনি মাহ পাছত— প্ৰফেছৰ জ্ঞানদীপৰ চকুৰ সন্মুখত বিস্তৃত হৈ ৰৈ থকা অদৃশ্য পৰ্দ্দা এখন হঠাতে খোল খাই গ'ল। পৰ্দ্দাৰ সিপাৰে দেখা পালে তেওঁ অপূৰ্ব্ব সৌন্দৰ্য্যৰে মহিমামণ্ডিত হৈ বহি আছে প্ৰকৃতিৰ জীয়াৰী মুন্নী। মুন্নীয়ে দি পঠোৱা লেখাবোৰে প্ৰফেছৰ জ্ঞানদীপৰ জ্ঞানচকু মুকলি কৰিলে। আজিহে তেওঁ উপলব্ধি কৰিলে যে সম্পূৰ্ণ তিনিটা বছৰ ধৰি তেওঁৰে সৈতে একেলগে বাস কৰি মুন্নী হয়তো ভিতৰি ভিতৰি গুজৰি-গুমৰি ছটফটাই আছিল। তেওঁ হৃদয়ঙ্গম কৰিলে যে এযা পাৰম্পৰিক সূত্ৰ সঙ্কলিত প্ৰেম নহয়— এযা এক অভিনৱ ইণ্টেলেক্‌চুৱেল জীৱন দৰ্শন। এই অভিনৱ ইণ্টেলেক্‌চুৱেল জীৱন দৰ্শনে সৰু ছোৱালী এজনীৰ মনোজগত এইদৰে আচ্ছন্ন কৰি ৰাখিছিল বুলি তেওঁ কেনেকৈ জানিব? এৰা, মুন্নীয়ে তেওঁৰ আলমাৰী খুলি যিবোৰ কিতাপ পঢ়িছিল— হয়তো দৰ্শনৰ কিতাপবোৰ পঢ়িছিল। আৰু সঁচাকৈ তাইৰ নিভাঁজ মানৱী-সত্তাবোধ সৰগ চুইছিল, তেওঁৰ জীৱনটোক লৈ তাই হয়তো দাৰ্শনিক তত্ত্ববোৰ চাপি-জুৰি চাইছিল। মহাবিশ্বক আকোঁৱালি লোৱা মুন্নীৰ দাৰ্শনিক মনে হাবাথুৰি খাই আছিল ভৱিষ্যতৰ গৰ্ভত লীন হৈ থকা মানৱ জাতিৰ প্ৰগতি, সুখ আৰু শান্তিৰ পথ বিচাৰি। ইণ্টেলেক্টৰ দ্বাৰা পৰিচালিত এই প্ৰেম কিমান শক্তিশালী। আৰু

তাইক সম্পূৰ্ণৰূপে আওকাণ কৰি তাইৰ যুক্তিবোৰক অপৰিণত মগজুৰ প্ৰলাপ আখ্যা দি তেওঁ তাইক উচ্ছেদ কৰি পঠিয়াই দিলে। আজি তিনিমাহ ধৰি মুন্নীৰ খবৰ এটাও তেওঁ নল'লে।

প্ৰফেছৰ জ্ঞানদীপ অস্থিৰভাৱে কোঠাটোত বিচৰণ কৰিবলৈ ধৰিলে। মুন্নী আঁতৰি যোৱাৰ ক্ষণটিৰ কেঁকুৰণিবোৰ যেন কোঠাটোৰ চাৰিওকালে প্ৰতিধ্বনিত হ'বলৈ ধৰিলে। মুন্নীৰ দাৰ্শনিক বক্তৃতাখিনিয়ে বাৰে বাৰে তেওঁৰ অন্তৰ-দুৱাৰত খুন্দিয়াবলৈ ধৰিলে:

'মই মৰ্ত্যত আপোনাক চিৰদিন জীৱিত কৰি ৰাখিব খুজিছিলোঁ'

"তেজাৰ বিজ্ঞাৰ ভৱিষ্যত মানৱক শিক্ষা দিয়াৰ বাবেহে আপোনাৰ ব্যক্তিসত্বাৰ জন্ম হৈছিল। সেই ব্যক্তিসত্বাক এই এটা যুগতে শেষ হৈ যাবলৈ কিয় দিব লাগে? আপুনি মানৱ জাতিক বঞ্চিত কৰিবলৈ ওলাইছে। এটা পৰিষ্কাৰ জীৱনস্ফূৰ্তিক বন্ধ কৰি গতিৰোধ কৰাৰ অধিকাৰ কাৰো নাই। আপোনাৰ অস্তিত্ব আপোনাৰ সন্তানৰ ভৱিষ্যতে বৰ্তি থাকিব লাগিব।"

প্ৰফেছৰে নিজৰ কাণ দুখন দুহাতেৰে বন্ধ কৰি ধৰিলে। তেওঁৰ মুখেৰে কোনো কথা প্ৰকাশ পোৱা নাই। কিন্তু হৃদয়ে তেওঁৰ বিননি তুলিলে – মুন্নীয়ে কেতিয়া কৈশোৰ অতিক্ৰম কৰিলে মই নুবুজিলোঁ, অন্তদৃষ্টি পৰায়ণা বোধিসত্ব গুণেৰে বিভূষিতা মুন্নীৰ প্ৰেমক মই সাধাৰণ কিশোৰীৰ প্ৰেম আখ্যা দি অৱজ্ঞা কৰিলোঁ।' অকণজ্যোতিক মাতি অনাৰ দিনাখন সন্ধিয়া ছাদৰ ওপৰত বহি থাকোঁতে মুন্নীয়ে তোলা সেই প্ৰশ্নৰ গূঢ়াৰ্থ তেওঁ এবাৰো কিয় ভাবি নাচালে? মাথো মুন্নীৰ বয়সটোৰ ওপৰতহে তেওঁ কিয় ইমান গুৰুত্ব দি থাকিল? তেওঁৰ এই একচেতীয়া মনোভাৱৰ কাৰণে জ্যোতিয়ে যেতিয়া মুন্নীৰ বাবে প্ৰস্তাৱ দিব খুঁজিছিল তেওঁ জ্যোতিকো কঠোৰ বাক্য শুনাইছিল। কিন্তু সেই যুক্তিৰ, সেই প্ৰশ্নৰ সত্যতাক তেওঁ জানো উলংঘণ কৰিব পাৰিব? সেই যুক্তি, সেই প্ৰশ্নই পুনৰ তেওঁৰ কাণত বিণিবিণাবলৈ ধৰিলে।

যেন মুন্নীৰ কণ্ঠত ঝঙ্কাৰিত হোৱা সেই যুক্তি আৰু সেই প্ৰশ্নই আকাশে বতাহে মুখৰিত হৈ কল্লোলৰ সৃষ্টি কৰিব ধৰিলে : " নগণ্য মস্তিষ্কৰ আজে-বাজে প্ৰাণীবোৰৰ বংশবৃদ্ধি হোৱাটো মানৱ জাতিৰ বাবে অমঙ্গল, পকৰা - পিপৰাৰ দৰে হৈ থকা সেই বংশবৃদ্ধি ৰোধ কৰা উচিত। কিন্তু কি যুক্তিত আপোনাৰ বংশ লোপ পাব লাগে? আপুনি সন্তানক বৈজ্ঞানিক, দাৰ্শনিক কৰি গঢ়ি তুলিবলৈ সক্ষম !"

অস্থিৰতা আৰু অসন্তুষ্টিত চট্‌ফটাই প্ৰফেছৰে অধ্যয়ন কোঠা-লৈ দৌৰি গ'ল। তেওঁ আলমাৰী খুলিলে আৰু স্ক'পেনহৱাৰ, ন্যেটচে, বাৰ্গছন আদিৰ দৰ্শনৰ কিতাপবোৰ উলিয়াই আনি মেজৰ ওপৰত থলে। কোমলমতি মুন্নীয়ে এইবোৰ পঢ়িছিল। এৰা. মুন্নীৰ মগজু তীক্ষ্ণ; এইবোৰ পঢ়িছে আৰু বুজিছে। এইবোৰৰ ওপৰত লিখা তেওঁৰ নিজৰ অসমীয়া প্ৰবন্ধও মুন্নীয়ে পঢ়িছে ! কিন্তু, মুন্নীৰ হাত ভৰিৰ কোমল আঙুলিবোৰ, তাইৰ গালৰ তেনেই কোমল সজীৱতা তেওঁৰ মানস চক্ষুত ভাঁহি উঠিল। তেওঁৰ তুলনাত তাইৰ বয়স ইমান কম ! ইমান কম। হে ঈশ্বৰ, তেওঁৰ যদি আৰু পাঁচ বছৰৰ ভিতৰত মৃত্যু হৈ যায় মুন্নীয়ে অকলশৰে কিদৰে জীৱন-যাপন কৰিব? ত্ৰিশটা বছৰ পূৰ্ণ হবলৈ চাৰিবছৰ বাকী থাকোঁতেই মুন্নী বিধৱা হব লাগিবনে? নহয়— ! এয়া ঘোৰ অন্যায়। খঙেৰে তেওঁ দৰ্শনৰ কিতাপবোৰ দলিয়াই পেলাবলৈ উদ্যত হ'ল। কিন্তু হঠাতে তেওঁ যেন মুন্নীৰ হাঁহি শুনিবলৈ পালে ! তেওঁ চক্ খাই উঠিল। হাঁহি হাঁহি মুন্নীয়ে যেন সংকিয়ণি দিলে :

"কিতাপৰ গাত কি দোষ? দৰ্শন আপুনি নিজেই। পৃথিৱী-খনেই দৰ্শন; মানুহৰ জন্ম দৰ্শন; মৃত্যু দৰ্শন, আকাশ, বিশ্ব, ব্ৰহ্মাণ্ড সকলো দৰ্শন। এয়া প্ৰকৃতিৰ নিয়ম, এয়া সৃষ্টিৰ ৰহস্য। আপোনাৰ ভিতৰত সেই ৰহস্য, সেই নিয়ম, সেই স্পৃহা বিদ্যমান।

সেযেহে প্ৰকৃতিয়ে আপোনাৰ ওচৰলৈ মোক পঠিয়াইছিল। আপোনাৰ জীৱনৰ নৈখনক এতিয়া জোৰ কৰি বান্ধি ৰাখিব নোৱাৰে। মোক খং কৰি লেখাফাটো ঘূৰাই পঠিয়ালেও লেখাটোৰ ভিতৰৰ বস্তুখিনিয়ে আপোনাৰ বান্ধোন শিথিল কৰি পেলাইছে। গতিকে মই তাক ভাগদাৰ সোণোকাই নৈৰ সোঁত বোৱাবই লাগিব। ভয় নকৰিব, মোৰ নাৰীত্বৰ শক্তিৰ ওচৰত আপোনাক মৃত্যু পিছ চুহকিবলৈ বাধ্য হব। জীৱন নৈৰ সোঁত বব লাগিব; কাৰণ, বন্ধ হৈ থাকিলে পানীবোৰ পুৰণি হৈ লেতেৰা হব। পানীবোৰ স্বচ্ছ হৈ বৈ থাকিবলৈ দিয়ক, বৈ থাকিবলৈ দিয়ক, বৈ থাকিবলৈ দিয়ক।"

লগে লগে প্ৰফেছৰ জ্ঞানদীপৰ অন্তৰ আৰু মগজুৰ মিলিত প্ৰবৃত্তিয়ে মুন্নীক বিচাৰি হাবাথুৰি খাবলৈ ধৰিলে। নিশা এতিয়াও ভালেখিনি আছে। প্ৰফেছৰে দুৱাৰ খুলিলে আৰু মুন্নীৰ কোঠালৈ গৈ কিতাপৰ আলমাৰীৰ ভিতৰত দেখা পালে কুৰি চেণ্টিমিটাৰ ওখ আৰু চৈধ্য চেণ্টিমিটাৰ বহল এখন মুন্নীৰ ৰঙীণ হাঁহি থকা ফটো। মুন্নীৰ শিশুসুলভ হাঁহিটো ধৰি ৰখাৰ বাবে ফটোখন তেৱেঁই তুলিছিল। তেওঁ আলমাৰীটো খুলি ফটোখন হাতেৰে স্পৰ্শ কৰিবলৈ ধৰিলে। তাৰ পাছত আবেগ প্ৰবল হৈ মতীয়মা মুন্নীৰ হাঁসামুখৰ ফটোখন উলিয়াই আনি চাই চাই ভাবিলে:

"এৰা। মুন্নী ডাঙৰ ছোৱালী। সিদ্ধাৰ্থইও কৈছে, মুন্নী অপৈণত হৈ থকা নাই। কিন্তু কিন্তু— এইগন পৃথিৱীত মানুহ যদি বৃদ্ধ নহ'লহেঁতেন। সময়ৰ সৌৰাত্ম যদি নাথাকিলহেঁতেন। "প্ৰফেছৰ জ্ঞানদীপৰ ডেকা বয়সলৈ উভতি যাবৰ প্ৰবল হেঁপাহ জন্মিল। তেওঁৰ সমস্ত সত্তা মুন্নীত কেন্দ্ৰীভূত হ'ল।

প্ৰফেছৰে ফটোখন নিজৰ বুকুত চেপি ধৰিলে। আৰু নিজৰ কোঠালৈ গৈ আৰু গাৰুৰ ওচৰত থিয় কৰাই ৰাখি তেওঁ শুই পৰিল। দোকমোকালিতে উঠি মুন্নীৰ ফটোখন তেওঁ নিজৰ আলমাৰীত ভৰাই থলে আৰু ভাবিলে: "লেখাটো ওভোটাই দিয়াৰ বাবে মুন্নীয়ে

যদি অঘটন ঘটায়। সিদ্ধাৰ্থই খবৰ দিব বুলি বাট চোৱা জানো উচিত হ'ব? নহয়। মুন্নীয়ে যদি আত্মহত্যা কৰে! প্ৰফেছৰৰ সমস্ত শৰীৰ জিকাৰ খাই উঠিল। তেওঁ তত্‌তাতৈ গা ধুই পোছাক পিন্ধি ল'লে আৰু দইকৰমৰৈ নামি আহি বেলকনিত বহি ব্ৰেকফাষ্টৰ বাবে যি মিলে তাকে দিবলৈ লগুৱাৰ আগত কৈ পঠিয়ালে। তত্‌তাতৈয়াকৈ ব্ৰেকফাষ্ট খাই তেওঁ গাড়ীখন লৈ সিদ্ধাৰ্থৰ ঘৰ অভিমুখে ৰাওনা হ'ল। মুন্নীয়ে আত্মহত্যা কৰাৰ ভয়ত তেওঁৰ ইমান বেগি হ'ল যে দহ মিনিটৰ ভিতৰতে তেওঁ সেই ঠাই পালেগৈ যি ঠাইত মুন্নীক ৰৰষুণৰ মাজত পৰা বুটলি আনিছিল। সিদ্ধাৰ্থৰ ঘৰ তেওঁ চিনি নাপায়। মুন্নীয়ে তেওঁৰ গাড়ীৰ আগেৰে দৌৰি দৌৰি গৈ থকা দৃশ্যটো মনত পেলাই অনুমান কৰি তেওঁ আগুৱাই গ'ল। তেতিয়া বাতিপুৱা মাত্ৰ ছয় বাজিছিল।

এনেতে এখন ঘৰত গুণ্ডগুল লগাৰ শব্দ শুনা গ'ল। বুকুৰ ঢপ্‌ঢপনিত প্ৰফেছৰৰ মূৰ আচন্দ্ৰাই কৰাৰ দৰে অনুমান হ'ল। কোনোমতে তেওঁ গাড়ীৰ পৰা নামি ঘৰখনৰ পদূলি পালেগৈ। এনেতে ল'ৰা এজন দৌৰি ওলাই আহি তেওঁৰ গাড়ীখন দেখিয়েই ব্যস্তভাবে তেওঁলৈ চাই সুধিলে: "এইখন আপোনাৰ গাড়ীনে? আমাক দিবনে? যি ভাড়া লাগে তাকেই দিম।"

"কি হৈছে খুলি কোৱাচোন।"

"সিদ্ধাৰ্থ ফুকনৰ পত্নীৰেকৰ পেটতে কিবা এটা হৈছে। হস্পিতাললৈ নিব লাগে।"

"ব'লা ভিতৰলৈ।"

তেওঁ বাৰান্দাত উঠিবলৈ নৌপাওঁতেই সিদ্ধাৰ্থই মুন্নীক দুহাতৰ ওপৰত তুলি ধৰি বলিয়াৰ দৰে কান্দি কান্দি ওলাই অহা দেখিলে। নিৰ্ব্বাক-নিস্পন্দ হৈ প্ৰফেছৰে হাত দুখন মেলি মুন্নীক তেওঁৰ হাতত দিবলৈ বুলি সিদ্ধাৰ্থক চকুৰে অনুৰোধ কৰিলে। সিদ্ধাৰ্থই মুন্নীক আগবঢ়াই দিলে। সিদ্ধাৰ্থ আৰু তাৰ পত্নী মুন্নীক কোলাত লৈ গাড়ীৰ

ভিতৰত বহিল। গাড়ী ডাউন টাউন হস্পিতাললৈ গতি কৰিলে।

তিনজন ডাক্তৰ বিষক্ৰিয়া বৰ্জন কৰাত ব্যস্ত হৈ পৰিল। দুই ঘণ্টা বাৰমান বমি কৰোৱালে। মুন্নী অচেতন। প্ৰফেছৰ খিৰিকিৰ ওচৰত প্ৰস্তৰৰ দৰে থিয় হৈ থাকিল। ডাক্তৰ, নাৰ্চ আৰু সিদ্ধাৰ্থৰ পাৰ্টী মুন্নীৰ লগত ব্যস্ত হৈ থাকোঁতে সিদ্ধাৰ্থ প্ৰফেছৰৰ ওচৰ চাপিল। সি কিবা কবলৈ লৌপাওঁতেই দেখিলে যে তেওঁৰ দুচকু চকুলোৰে সিক্ত হৈ উঠিছে। তেওঁ সিদ্ধাৰ্থৰ হাতত ধৰি অস্থিৰভাবে অনুৰোধ কৰিলে: "সিদ্ধাৰ্থ, মই মুন্নীক নিষলৈ আহিছিলে"।। এতিয়া তেওঁৰ যি অৱশিষ্ট বয়, তাকেই মই লৈ যাম; তেওঁৰ প্ৰতি কৰা নিষ্ঠুৰ ব্যৱহাৰৰ বাবে প্ৰায়চিত্ত কৰিম।"

"নিজক দোষী সাব্যস্ত নকৰিব, ছাৰ। আচলতে আমি কোনেও তাইক বুজি নাপালোঁ। মই লেফাফাটো তাইক নেদেখাকৈ লুকাই থব লাগিছিল।"

"তেও কি খাইছিল, সিদ্ধাৰ্থ ?"

সিদ্ধাৰ্থই জনালে, "মুন্নীক লেফাফাটো ঘূৰাই দিয়াৰ সাহস নকৰি মই মোৰ টেবুলৰ ওপৰত ৰাখিলোঁ, আৰু আপোনাৰ স্বাস্থ্য ভালে আছে বুলি তাইক জনালোঁ। কিন্তু তাই সন্তুষ্ট নহৈ লেফাফাটো আপুনি গ্ৰহণ কৰিলেনে নাই জানিব বিচাৰিলে। আপুনি গ্ৰহণ কৰিছে বুলি উত্তৰ দি মই সেই লেফাফাটো মোৰ পেণ্টৰ পকেটত ভৰাই থলোঁ, আৰু বাগিচাৰ গছ-পুলিবোৰ ভালদৰে বাচিছেনে নাই চাবলৈ গ'লোঁ। আজি মিচেই পুৱাতে— প্ৰায় পাঁচটা বজাৰ সময়ত মুন্নীয়ে দুৱাৰৰ বাহিৰৰ পৰা নবৌৱেকক মাতি ক'লে যে ধুবাটো আহিছে, লেতেৰা কাপোৰ আছে যদি দিব লাগে। মোৰ টোপনি সম্পূৰ্ণ হোৱা নাই বাবে শুটিলোঁ। মাল্লিকাই ধৰফৰকৈ উঠি অইন কাপোৰৰ লৈতে মোৰ সেই পেণ্টটোও মুন্নীৰ হাতত গুজি দি পুনৰ শুই থাকিলহি। লেফাফা-টোৰ বিষয়ে মল্লিকাই একো নাজানিছিল। ছাবে পাঁচ বজাত

মই উঠি মুখ-হাত ধুই আহি মুখখন মচিবলৈ লৈছোঁ। এনেতে বাগিচাৰ ভিতৰত লগুৱাটোৰ চিঞৰ শুনি দৌৰি গৈ দেখো যে মুন্নী মাটিত পৰি আছে, তাই মুখেৰে ফেন বাহিৰ হৈছে। তাইৰ এখন হাতৰ মুঠিত এসোপামান কৰবীৰ গুটি আছে। আনখন হাতত লেফাফাটো আছে। মল্লিকাক মই চৰিয়ালো, কোবালোঁ। কিন্তু দোষ জানো মল্লিকাৰ? দোষ মোৰ; মই মল্লিকাক জনাই থব লাগিছিল।"

"প্ৰধান দোষী মইহে সিদ্ধাৰ্থ। মই বুজিব লাগিছিল যে গোটেই পৃথিৱীখনৰ ঘৃণা তেওঁ সহিব পাৰে; সহিব নোৱাৰে মাথো মোৰ ঘৃণা।"

দিনৰ এক বজাত মুন্নীয়ে লৰচৰ কৰা দেখি ডাক্তৰৰ পৰামৰ্শ-মতে সিদ্ধাৰ্থৰ পত্নীয়ে আঙ্গুৰ আৰু পেস্তাবোৰৰ বাকলি গুছাই লাহে লাহে মুন্নীক খুৱাবলৈ ধৰিলে, পাখীৰৰ সৈতে পকা বেলগল মিহলাই যত্ন সহকাৰে খুৱালে। তাকে দেখি প্ৰফেছৰে ভাবিলে— এইজনী নাৰী প্ৰগতিৰ জুইত ঘিঁউ ঢলা নাৰীৰ পৈশাচিক মনোবৃত্তিয়ে মুন্নীক তেওঁৰ ওচৰলৈ গতিয়াই দিছিল, সেয়া হয়তো ব্লেছিং ইন্ ডিছ্গাইছ আছিল। আৰু এতিয়া মুন্নী তেওঁৰ ওচৰৰ পৰা আঁতৰি আহোঁতে এইজনী হয়তো ভাল মানুহ হ'ল। হওঁক তেওঁ, বেচেৰা সিদ্ধাৰ্থৰ জীৱন ৰক্ষা পৰিব।

মুন্নীয়ে চকু মুদি মুদি খাই থকা দেখি সিদ্ধাৰ্থ আৰু সিদ্ধাৰ্থ-পত্নীৰ মুখত হাঁহি বিৰিঙি উঠিল। প্ৰফেছৰ উৎফুল্লিত হৈ আগুৱাই আহি মুন্নীৰ ওচৰত থিয় হ'ল। মুন্নীৰ শুকান বেদনাক্লিষ্ট ওঁঠ-জুৰি আৰু অৱশ দুচকুৰ পতা নিৰীক্ষণ কৰি কৰি তেওঁৰ আকাঙ্খা জন্মিল— তেওঁ যেন সকলোকে ঠেলি আঁতৰাই সেই ওঁঠ আৰু চকুৰ পতা নিজৰ ওঁঠৰ উষ্ণতাৰে সজীৱ কৰি তুলিব। চকুমুদি পৰি থকা মুন্নীৰ উশাহৰ প্ৰতিটো চৌ তেওঁ অপলক নেত্ৰে প্ৰশংসাসূচক দৃষ্টিৰে চাবলৈ ধৰিলে। এৰা, মুন্নী ডাঙৰ ছোৱালী।

মুন্নীৰ দৰ্শনবোৰ মুন্নীৰ অঙ্গ-প্ৰত্যঙ্গত যেন প্ৰতিভাত হ'ব লাগিছে! আজি মুন্নীৰ ওচৰত দুকুৰি দহ বছৰত পদাৰ্পণ কৰা প্ৰফেছৰ হাতীবৰুৱাৰ নিজকে এজন ত্ৰিশ বছৰীয় যুৱক যেন অনুমান হৈছে।

নিশা আহিল। ডাক্তৰ আহি জনালে যে অত্যন্ত দুৰ্ব্বল হৈ থকা বাবে মুন্নীয়ে চকু নেমেলে। এবাৰ ভাল টোপনি হোৱাৰ পাছত চকু মেলিব, আৰু তেতিয়া খাবলৈ ইচ্ছা কৰিলে প্ৰথমে এগিলাচ কমলাৰ ৰস খুৱাই দিব পাৰে। প্ৰফেছৰে ক'লে যে বজাৰৰ বস্তু কিনিব নালাগে; তেওঁৰ ঘৰত ৰস উলিওৱা মেচিন আছে, তেওঁ নিজহাতে ৰস প্ৰস্তুত কৰি লৈ আহিব। তেওঁ নিজ ঘৰলৈ উভতি আহিল। কিন্তু কমলাৰ ৰস প্ৰস্তুত কৰি উঠাৰ লগে লগে সিদ্ধাৰ্থই ফোন যোগে জনালে যে তেওঁ এতিয়া হস্পিতাললৈ নগ'লেও হ'ব, মুন্নীয়ে শুইছে। তেতিয়া নিশা দহ বাজিছে। তেওঁ জনালে: 'কিন্তু যিকোনো মুহূৰ্ত্তত মুন্নীয়ে সাৰ পাব পাৰে, কাৰণ তেওঁৰ পেটত গাখীৰৰ বাহিৰে আইন একো বস্তু পৰা নাই।"

"এবো খাবৰ ইচ্ছা কৰা নাই ছাৰ, গাখীৰৰ লৈতে ব্ৰেড মিহলি কৰি দিয়া হৈছিল, উলিয়াই পেলালে। ডাক্তৰে কৈছে যে এবাৰ শুই উঠাৰ পাছতহে খাবলৈ ইচ্ছা কৰিব। আপুনি শোৱক, দৰ্কাৰ পৰিলেই মই আপোনাক মাতিম।"

"ডাক্তৰৰ কথামতে নহ'ব! হোপলেচ ডাক্তৰ!"

তেওঁ গাড়ী লৈ ৰাওনা হ'ল।

তেওঁ গৈ দেখিলে যে মুন্নীৰ সেয়া টোপনি নহয়; দুৰ্ব্বলতাৰ বাবে নিশ্চল হৈ পৰি আছে। তেওঁ কোনোকালে ভ্ৰূক্ষেপ নকৰাকৈ মুন্নীক বহুৱাই লৈ তেওঁৰ বুকুৰ ওপৰত আঁওজাই ল'লে আৰু কমলাৰ ৰসৰ গিলাছটো তাইৰ ওঁঠত লগাই দিলে। তাই ওঁঠ খোলা নাই, চকু মেলা নাই। তাই অত্যন্ত অৱশ। প্ৰফেছৰে তাইৰ কঁপালৰ চুলিবোৰ লাৰি-চাৰি আৰ্দ্ৰ কণ্ঠ মাতিলে: 'Munni,

my little friend, please take this ।"

মুন্নীয়ে চকু মেলিলে আৰু আশ্চৰ্যৰ চাৱনিৰে তেওঁৰ মুখলৈ চাবলৈ ধৰিলে। সিদ্ধাৰ্থ বৰ আবেগ প্ৰৱণ হৈ পৰিল। সি মুন্নীৰ হাত এখনত ধৰি কম্পিত কণ্ঠে মাতিলে :

"খা, মুন্নী! তই জনা নাই তই কিমান ভাগ্যৱতী।"

মুন্নীয়ে ওঁঠ পখিলে। সন্তুষ্টিজনক উত্তেজনাৰে তাই প্ৰফেছৰৰ বুকুত মুখখন গুজি দিলে। তাইৰ চুলিত হাত বুলাই প্ৰফেছৰে উচ্চাৰিলে : 'আগতে খাই লোৱা মুন্নী। তুমি বৰ দুৰ্ব্বল হৈ আছা।"

তেওঁৰ চকুৰ ফালে চাই চাই মুন্নীয়ে কমলাৰ ৰসখিনি খালে। সিদ্ধাৰ্থৰ পত্নীয়ে আচৰিত হৈ প্ৰস্তৰৰ দৰে থিয় হৈ থাকিল। সিদ্ধাৰ্থই মুন্নীক নিৰীক্ষণ কৰি কৰি মৰমেৰে ক'লে : "এতিয়া আলু-ভাজি আৰু পৰঠা অকণ খাই ল'। তেতিয়াহে ৰাতিপুৱা শৰীৰত বল পাবি। ভোক লাগিছে নিশ্চয় তোৰ?"

মুন্নীয়ে মূৰ দুপিয়ালে। কিন্তু প্ৰফেছৰৰ চকুমুখৰ ফালে মন্ত্ৰমুগ্ধৰ দৰে চাই থাকিল। প্ৰফেছৰে তাইৰ চকুত চকু ৰাখি হাঁহি মাৰি উচ্চাৰিলে :

"জীৱনৰ চাকৰিটো লাভ কৰিবলৈ মোৰ ইণ্টাৰভিউৰ প্ৰয়োজন হ'ল। ইণ্টাৰভিউত উত্তীৰ্ণ হব পাৰিছোনে।"

মুন্নীয়ে লজ্জাবোধ কৰিলে আৰু তেওঁৰ গাৰ পৰা আঁতৰি গাৰুৰ ওপৰত পৰি মুখ লুকুৱালে। প্ৰফেছৰে থিয় হৈ প্ৰকাশ কৰিলে : "সিদ্ধাৰ্থ, ইণ্টাৰভিউ চাক্চেচ্ফুল। কালিলৈ ৰাতিপুৱাতে আহি চাকৰীত জইন কৰিম। এতিয়া আলুভাঁজি আৰু পৰঠা খুৱাই দিবা। কালিলৈ ৰাতিপুৱা এগিলাচ গাখিৰ খুৱাই সাজু কৰি ৰাখিবা।"

মুন্নীয়ে মূৰ দাঙি প্ৰফেছৰ ওলাই যোৱাৰ ফালে কেৰাহিকৈ চালে। অবাক্ হৈ চাই থকা মল্লিকাই মুন্নীক আলুভাঁজি আৰু পৰঠা খাবলৈ দি থাকোঁতে মুন্নীৰ মুখৰ উজ্জ্বলতা আৰু আবেগ প্ৰৱণতা পুঙ্খানুপুঙ্খ অধ্যয়ন কৰি থাকিল। মল্লিকা নিজে বৰ ভাৱ-

প্ৰৱণ হৈ পৰিছে। মুন্নীৰ খোৱা শেষ হোৱাৰ পাছত মল্লিকাই ক'লে: 'মই আজি মুন্নীৰ লগতে শুম। তাই আজি মোক এক অমূল্য সত্য উদ্‌ঘাটন কৰিবলৈ উদগণি দিছে। মই মুন্নীৰ ভিতৰত মোক নিজক বিচাৰি পাইছো যেন লাগিছে। মই যেন বুজি পাইছো পৰ্বত সদৃশ নিৰ্বিকাৰ নিশ্চল পুৰুষ প্ৰফেছৰ জ্ঞানদীপ আজি কিয় মুন্নীৰ ওচৰত ইণ্টাৰভিউত অৱতীৰ্ণ হৈছে।"

'এবা ভুল কৈছানে ?"

"এৰা। লোক ভুল নুবুজিব। মুন্নী, তোৰ দেহৰ উত্তাপেৰে মই মোৰ অন্তৰ পৱিত্ৰ কৰিব খোজো।"

মল্লিকাই মুন্নীক নিজৰ বুকুত সাৱটি ধৰি শুই পৰিল। সিদ্ধাৰ্থই দেখিলে যে মল্লিকাৰ চকুত চকুলো বিৰিঙিছে।

পিছদিনাখন প্ৰফেছৰ আহি যেতিয়া হস্পিতাল পায় সিদ্ধাৰ্থই তেতিয়া মুন্নীৰ বিচিত্ৰ মন প্ৰফেছৰৰ বাবে বাট চাই আছে। প্ৰফেছৰে এটা ক্ৰিমৰঙৰ পাৰিৰ পাঞ্জাবী আৰু প্ৰায় এক চেণ্টিমিটাৰ বহল মুগাৰঙৰ পাৰী থকা মিহি সূতাৰ উৎকৃষ্ট চুৰিয়া পিন্ধি আহিছে। মল্লিকাই বস্তু সামগ্ৰি লোৱাত ব্যস্ত হৈ আছিল। মুন্নীয়ে গা ধুই ওলাই মুখ ফনীয়াই আছিল। প্ৰফেছৰে কন্তেক মুন্নীৰ ভৰিৰ পৰা মূৰলৈ দৃষ্টি নিক্ষেপ কৰি আগুৱাই গৈ তাইৰ কান্ধত ধৰি উচ্চাৰিলে: "Victorious little friend, Glorified Munni, মই হাৰ মানিছো! ইমান বছৰৰ বাধাপ্ৰাপ্ত হৈ থকা জীৱন-নৈৰ সোঁত খুলি পেলাইছো—তোমাৰ আহ্বানত। তুমি গৰবিনী বসুন্ধৰা তুমি মাতৃ, তুমি প্ৰকৃতি। I love you! I need you! এতিয়া তুমি মোৰ লগতে যাবলৈ সাজুনে ?"

মুন্নীয়ে মূৰ দুপিয়ালে। প্ৰফেছৰে পেকেট এটা আৰু গহনাৰ বাকচ এটা সিদ্ধাৰ্থৰ হাতত দি ক'লে: "মনালিছাক বিবোৰ বস্তু দিছিলো, সেই সকলোবোৰ মুন্নীৰ বাবে। কাৰণ মনালিছা আৰু মুন্নী একেজনী ছোৱালী। তদুপৰি এই কাপোৰজোৰ

মনালিছাই মাথো হোমৰ গুৰিত বহাৰ সময়তহে শিকিছিল।"

মল্লিকাই মুন্নীক কইনা সজাই দিলে। প্ৰফেছৰে তাইৰ হাতত ধৰি সিদ্ধাৰ্থৰ ওচৰলৈ আহিল আৰু সিদ্ধাৰ্থৰ সন্মুখত তেওঁৰ দুহাত পাতি ধৰি বাক্ত কৰিলে: "সিদ্ধাৰ্থ, মুন্নীৰ উজ্জ্বল ভৱিষ্যতৰ নিশ্চয়তা মই কৰি দিব নোৱাৰোঁ। যদিও তেওঁৰ শাৰীৰিক আৰু মানসিক শান্তিৰ নিশ্চয়তা মই দিব পাৰোঁ। তোমাক অনাহকত যন্ত্ৰণা দিবলগীয়া হোৱা বাবে মই বৰ দুখিত। এতিয়া মোক মুন্নী-ভিক্ষা দিয়া।"

সিদ্ধাৰ্থই মুন্নীৰ হাত দুখন তুলি ধৰি প্ৰফেছৰৰ হাতৰ ওপৰত থৈ কঁপা কঁপা মাতেৰে উচ্চাৰিলে: "মুন্নী, এয়া মই মানুহৰূপী এজন ঈশ্বৰৰ হাতত তোক সমৰ্পণ কৰিলোঁ। তোৰ জীৱন আদৰ্শৰ ভেঁটি অচ্ছিন্ন-অভগ্ন হৈ যুগ যুগ ধৰি বৰ্তি থাকক।"

মুন্নীয়ে ককাযেক-নবৌয়েকক সেৱা কৰিলে। কিন্তু সিদ্ধাৰ্থই খিৰিকিৰ লোহাত কঁপালখন ৰাখি তললৈ চাই বৈ থাকিল। তাৰ চকুৰ পৰা টোপাটোপে চকুলো সৰিব ধৰিলে। তাকে দেখি মুন্নীয়ে তাৰ চকুলোবোৰ মচি দিবলৈ ধৰিলে। সিদ্ধাৰ্থই মন্নীক সাৱটি ধৰি তাইৰ চুলিৰ মাজত তাৰ নাক-মুখ ঘঁহি ঘঁহি বেদনাৰ উপশম কৰিব বিচাৰিলে। মুন্নীয়েও তাক সাৱটি ধৰি কান্দি কান্দি ক'লে: "ককাইদেউ, মোক ক্ষমা কৰিবা; মই তোমাৰ মনত আঘাট দিছোঁ।"

"নহয় মুন্নী; য'ত মনৰ সুখ আৰু আনন্দত জীৱন কটাব পাৰ সেই ঠাই তই নিজে বাছি লৈছ। তাত মোৰ আঘাট পাবলগীয়া একো নাই। মইও সুখী— মই অত্যন্ত সুখী, মুন্নী।"

প্ৰফেছৰে সিদ্ধাৰ্থৰ কান্ধত হাত ৰাখি সান্ত্বনাৰ সুৰত ক'লে:

"সিদ্ধাৰ্থ, মোৰ ঘৰ তোমাৰ ঘৰৰ পৰা বৰ বেছি দূৰ নহয়। মন গ'লে তুমি দিনত তিনি-চাৰিবাৰ মুন্নীক লগ পাবলৈ যাব পাৰিবা। দুখ নকৰিবা, মুন্নী তোমাৰ চকুৰ আগতে থাকিব।"

"কিন্তু মুন্নী অবিহনে মোৰ ঘৰ নীৰস বেদনাৰ ধ্বংসস্তূপত পৰিণত হ'ল।"

মল্লিকা আগৰাই আহি সিদ্ধাৰ্থৰ সন্মুখত থিয় হৈ আগ্ৰহেৰে ক'লে: "নহয়। এজনী মুন্নী আঁতৰি গ'লেও আন এজনী মুন্নী আম'ৰ ঘৰলৈ আহিব। আমাৰ ঘৰ উদং হৈ নাযায়।"

এইকথা শুনি মুন্নীয়ে আশা আৰু আনন্দৰ চাৱনিৰে চাই নাবৌয়েকৰ কান্ধত ধৰি প্ৰশ্ন কৰিলে: "সঁচানে নবৌ? তুমি মুন্নী এজনীক ককাইদেউৰ ওচৰলৈ আনিবানে?"

"আনিম মুন্নী। ইমান বছৰে মই এক অলীক সপোন ৰাজ্যত ভ্ৰমৰ ৰংচঙত ওপঙি ফুৰিছিলোঁ। তোৰ ব্যক্তিত্ব, আদৰ্শ আৰু নাৰীত্বৰ শক্তিয়ে মোৰ চকু মুকলি কৰি দিছে। মুন্নী, তোক মই যিবোৰ দুৰ্ব্যবহাৰ কৰিছিলোঁ পাহৰি যাবি। তোৰ ককায়েৰৰ অমূল্য জীৱনটোক সৃষ্টিশীল আৰু গতিশীল কৰি সজীৱ কৰি তুলিবলৈ মই প্ৰস্তুত। মোক ক্ষমা কৰি দে মুন্নী।"

"নাকান্দিব নবৌ। তোমাৰ ওচৰত মোৰ কোনো অভিমান নাই। তোমালোক দুয়ো সুখী হোৱাটো মই বিচাৰোঁ।"

প্ৰফেছৰে ঘোষণা কৰিলে: "কালিলৈ মুন্নী আৰু মোৰ বিবাহোৎসৱ। সিদ্ধাৰ্থ, তোমালোক দুয়ো নিশ্চই পুৱাতে হাজিৰ হবাগৈ।"

[চৈধ্য]

প্ৰফেছৰ জ্ঞানদীপ মুন্নীক লগত লৈ লাহে লাহে নিজ বাসভৱন অভিমুখে ৰাওনা হ'ল। কিন্তু তেওঁৰ পদূলি মুখত থিয় হৈ আছে অৰুণজ্যোতি— মুন্নীৰ প্ৰেমপূজাৰী অৰুণজ্যোতি। সহানুভূতিশীল জগদীয়া ভাৱত গাড়ীৰ পৰা নামি প্ৰফেছৰে অৰুণজ্যোতিৰ মুখা-মুখী হৈ থিয় হ'ল। লগে লগে মুন্নীয়েও গাড়ীৰ পৰা নামিল। মুন্নীৰ পোছাক, শিৰ কঁপাল, আৰু গহনাৰ ফালে চাই চাই অৰুণ-

জ্যোতি বোবাৰ দৰে থিয় হৈ থাকিল। মস্তেক পাছত অৰুণজ্যোতি আঁতৰি যাবলৈ ওলাল। প্ৰফেছৰে তাৰ হাতত থাপ মাৰি ধৰি ক'লে: "নহয়, তুমি গুচি যাব নোৱাৰা।"

অনুগ্ৰহ কৰি মোক যাবলৈ দিয়ক ছাৰ। মুন্নীয়ে মোক জানিবলৈ দিলেও তেওঁৰ বিয়াত মই কোনো প্ৰতিবন্ধকৰ সৃষ্টি নকৰিলোঁহেঁতেন!"

"তেন্তে মুন্নীক আশীৰ্ব্বাদ এটা দি যোৱা।"

"আপোনাৰ আশীৰ্ব্বাদ তেওঁলোক দুৰি-পত্নীৰ বাবে যিমান মূল্যবান তাৰ তুলনাত মইনো কোন?"

"Ah Arunjyoti। It can't be helped।"

"What do you mean Sir?"

"Arunjyoti, please do not trea tme as a traditional rival I am sorry that it has happened."

এইবাৰহে অৰুণজ্যোতিয়ে প্ৰফেছৰৰ মুখৰ পৰা ছবিলৈ তীক্ষ্ণ-ভাবে পৰ্য্যবেক্ষণ কৰিলে। হঠাতে সি ইমান ভয়ানকভাবে চক্‌খাই উঠিল যে আতঙ্কগ্ৰস্ত হৈ সি চিঞৰি উঠিল: "নহয়। নহয়।"

অৰুণজ্যোতি পলাবলৈ উদ্যত হোৱাত প্ৰফেছৰে তাৰ কান্ধত ধৰি নম্ৰভাৱে ক'লে: "অৰুণজ্যোতি, আহা ভিতৰলৈ আহা।"

বলিয়াৰ দৰে অৰুণজ্যোতিয়ে প্ৰফেছৰৰ হাত এছাৰ মাৰি ব্যক্ত কৰিলে: "নহব। আপোনাক শিক্ষিত সমাজৰ গুৰুতৰা আখ্যা দিয়া হৈছে। আপুনি হেজাৰ-বিজাৰ ল'ৰা-ছোৱালীক উপযুক্ত মানুহ হোৱাৰ পথ দেখুৱায়। অথচ আপুনিয়ে মোৰ চিতাগ্নি ৰচনা কৰিছে। আপুনি মোক ভাৱৰীয়া সজাইছে।"

কিংকৰ্ত্তব্যবিমূঢ় প্ৰফেছৰে কোনো কথা ব্যাখ্যা কৰিব নোৱাৰি অৰুণজ্যোতিৰ হাতত পুনৰ খামুচি ধৰিলে — জানোচা সি পলাই যায়। আনখন হাতেৰে অৰুণজ্যোতিৰ কান্ধত ধৰি তেওঁ মাতিলে: "অৰুণজ্যোতি তুমি বলিয়া হলেও এতিয়া মোৰ কোনো উপায়

নাই। তোমাৰ মোৰ কিছু কথা কবলগীয়া আছে।

',মুন্নীক আপোনাৰ ঘৰত নিৰাপত্তাৰ বাবে ককায়েকে এৰি থৈ গৈছিল। এতিয়া মই ভালদৰে বুজিছোঁ— মুন্নীৰ অবিবেচনাৰ কাৰণ আপুনি। মই আপোনাৰ পুত্ৰৌ কিঁচাৰি অণা নাছিলোঁ। আহিছিলোঁ পৰামৰ্শ বিচাৰি। কিন্তু নহব, মোক আপোনাৰ কোনো পৰামৰ্শৰ দৰ্কাৰ নাই। আপোনাৰ সুউচ্চ ডিগ্ৰী, আপোনাৰ শিক্ষা, আপোনাৰ লিখনি কোনোটোকে আজি মই মূল্য দিয়াৰ বাবে প্ৰস্তুত নহয়। মোৰ সৈতে আপোনাৰ কোনো কথা থাকিব নোৱাৰে।"

মুন্নীযে মাতিলে: "অৰুণজ্যোতি, বলিয়াৰ দৰে কথা নকবা। কি যুক্তিত তুমি তেখেতৰ ওপৰত আক্ৰমন চলাইছা ?"

"মুন্নী, তোমাৰ কপালৰ সেন্দুৰ দেখি মই খাপয়া হোৱা নাছিলো।"

"এৰা। বলিয়া হৈছা মোৰ স্বামী কোন বুজিব পাৰি। কিন্তু মোৰ স্বামী যিয়েই নহওঁক। তুমি ইমান গুণ্ডোটগোৰে নাচিব লাগিছা কেলৈ ?"

অৰুণজ্যোতিয়ে বিদ্ৰুপাত্মক ভঙ্গিমাৰে ওচি যাবলৈ খোজ পেলালে, কিন্তু মুন্নীয়ে তৎক্ষণাত তাক আগচি ধৰি কলে: "তুমি মোৰ স্বামীৰ ওপৰত কোনো আথেঁজ লৈ গুছি যাব নোৱাৰা। তেখেতে তোমাক ভিতৰলৈ মাতিছে।"

"মুন্নী, প্ৰফেচৰ হাতীবৰুৱাই তোমাৰ দৰে ছোৱালীক কথাৰে বশ কৰিব পাৰে। মোক বিশ্বাস জন্মাবলৈ অপচেষ্টা নকৰাই ভাল।"

"অৰুণজ্যোতি মোৰ শৰীৰ বৰ বেছি ভাল নহয়। মই এই মাত্ৰ হস্পিতালৰ পৰা ওলাই আহিছোঁ, বাহুত কথা বহল কৰিবলৈ মোৰ মন নাই। সেয়েহে কৈছোঁ, তুমি এখেতৰ ওপৰত যিমান কঠোৰ উক্তি বৰ্ষণ কৰিছা তাৰ কোনো এটাই তেখেতৰ চৰিত্ৰক স্পৰ্শ কৰা নাই। এজন নিৰ্দোষী মানুহক এইদৰে কুঠাৰাঘাট কৰি তুমি গুছি যাব নোৱাৰা। সেয়েহে তোমাক আগেয়ে

কোনোদিনে নিমন্ত্ৰণ নকৰা মই আজি তোমাক অনুৰোধ কৰিছোঁ। আহা অৰুণজ্যোতি।”

“মই তোমাৰ নিমন্ত্ৰণ গ্ৰহণ কৰিব নোৱাৰো।”

“অৰুণজ্যোতি তুমি মোক যি বুলি ভাবা ভাবি থাকিবা। কিন্তু মোৰ স্বামীয়ে তোমাক ভাল পায়। তেখেতৰ বিৰুদ্ধে কোনোধৰণৰ আক্ষেপ লৈ যাবলৈ তোমাক মই এৰি দিব নোৱাৰো। তেখেত নিৰ্দ্দোষী।”

অৰুণজ্যোতিয়ে ক্ষন্তেক তভক মাৰিলে আৰু মুন্নীৰ ফালে সন্দেহৰ চাৱনিৰে চাবলৈ ধৰিলে। ইমান পৰে নিজৰ চৌহদৰ পদূলিৰ গেটৰ ওচৰত এথুজি-হুখুজিকৈ খোজ কাঢ়ি ফুৰা প্ৰফেছৰে প্ৰকাশ কৰিলে: “মুন্নী, ব'লা আমি ভিতৰলৈ যাওঁ। কোনো প্ৰমাণ দাখিল কৰাৰ প্ৰয়োজন নাই।”

মুন্নী ভিতৰ সোমাই গ'ল। প্ৰফেছৰে গাড়ীখন ভিতৰলৈ নিম্নাই লৈ গৈ গেৰেজত ৰাখি তলা লগাই থলে। তেওঁ ঘৰৰ ভিতৰলৈ সোমাবলৈ উদাত হোৱাৰ লগে লগে দেখিলে যে লগুৱা-টোৱে বন্ধ কৰি থোৱা ঘিলৰ গেটখনত ধৰি অৰুণজ্যোতিয়ে তেওঁলৈ চাই আছে। তেওঁ অলপ বিৰক্ত হ'ল। মুন্নাৰ ফালৰ পৰা সি কোনোদিনেই কোনো সহাৰি পোৱা নাই, তেনেস্থলত সি ইমান কষ্ট হব লাগে কিয়? এই ল'ৰা-ছোৱালীবোৰ সকলো এক চেণ্টিমেণ্টিক হৈ গ'ল নেকি? তেওঁ অৰুণজ্যোতিক আওঁকাণ কৰি পিছমুখ দিলে। অৰুণজ্যোতিৰ মাত শুনা গ'ল:—

“ছাৰ প্লীজ।”

তেওঁ লগুৱাটোক গেটখন খুলিবলৈ নিৰ্দ্দেশ দিলে। গেট খোলাৰ লগে লগে অৰুণজ্যোতি সোমাই আহি নম্ৰভাৱে ক'লে: “মোক খং নকৰিব ছাৰ। মই—মই—।”

প্ৰফেছৰে তাক মাজতে বাধা দি আৰু প্ৰশ্ন কৰিলে: “তুমি কব খোজা নেকি যে মুন্নীয়ে তোমাৰ প্ৰতি অন্যায় কৰিছে? তুমি

যদি মুন্নীক এশভাগৰ এভাগো চিনি পালাহেঁতেন। ইয়ং মেন নিশ্চয়কৈ জানিবা যে মুন্নী অকল স্বাধীনচিন্তীয়াই নহয়, মুন্নী সৃষ্টিপিযাসী, অন্তদৃ'ষ্টি পৰাৰণা।"

"কিন্তু মুন্নীৰ অহিত মই কোনো দিনেই চিন্তা কৰা নাছিলো। মুন্নীযে মোক কোনো দিনেই বুজিবৰ চেষ্টা নকৰিলে।"

"তেওঁৰ অনিচ্ছা স্বত্ত্বেও তুমি বুজাবলৈ যত্নপৰ হৈছিলা কিয়? তুমি প্ৰখৰ বুদ্ধিৰ ল'ৰা। কিন্তু তুমি নাজানা, যে তোমাৰ প্ৰতি ন্যায় বিচাৰ কৰিবলৈকে তেওঁ কঠোৰ হৈছিল, তেওঁক লৈ ব্যস্ত থাকি থাকি তোমাৰ উজ্জ্বল ভৱিষ্যতটোক নষ্ট কৰি পেলোৱা মুন্নীৰ উদ্দেশ্য নহয়। জীৱনৰ ওপৰত তোমাৰ কোনো জ্ঞান নাই। সেযেহে মুন্নীয়ে কৈছিল যে বিদ্যা আহৰণত প্ৰখৰ হোৱা ল'ৰাবোৰ জীৱনৰ প্ৰকৃত সত্য বুজিবলৈ অপাৰগ– ছা এটাকৈ মানুহ বুলি ভুল কৰি বিপদত পৰে।"

"মই যদি নুবুজো মুন্নীয়ে কিয় বুজে? মুন্নীৰ বয়স মোতকৈ বেচি নহয়। মুন্নীৰ কাৰ্যবোৰ নিখুঁত বুলি আপুনি কব খোজে নেকি?"

"মানুহ মাত্ৰেই খুঁত থাকিব। কিন্তু কেতিয়াবা কেতিয়াবা খুঁতবোৰো নিখুঁত হৈ যায়। বিদ্যা আহৰণৰ ক্ষেত্ৰত তোমাৰ বুদ্ধি যিমান প্ৰখৰ, উপলব্ধি আৰু অন্তদৃ'ষ্টি সম্পৰ্কত মুন্নীৰ বুদ্ধি তেনেকুৱা প্ৰখৰ আৰু দূৰদৃষ্টিসম্পন্ন। মুন্নীয়ে লক্ষ লক্ষ ভৱিষ্যত নাগৰিকৰ ফালে দৃষ্টি নিক্ষেপ কৰিহে বৰ্ত্তমানৰ কাৰ্য সম্পাদন কৰে। এৰা! বয়সক চেৰ পেলাই মুন্নী আগুৱাই গৈছে! কেনেকৈ জানা? তেওঁৰ জন্মগত অদম্য স্পৃহাত অবিৰণা যোগাইছে অধ্যয়নে আৰু মোৰ নিঃসঙ্গ জীৱনে। মোৰ অজ্ঞাতে তেওঁ মোৰ আলমাৰীৰ প্ৰায়ভাগ কিতাপ পঢ়ি পেলাইছিল; আৰু সেই জ্ঞানক মোৰ জীৱনৰ লৈতে বিজাইছিল। কাৰণ, মুন্নী স্বয়ং প্ৰকৃতি— সৰ্ব্বসাধাৰণতকৈ ওপৰৰ নাৰী।"

"প্লীজ ছাৰ, মই ইযাত দৰ্শন শুনিবলৈ অহা নাই।"

"হু ? তেনহলে শুনা। তুমি ভবামতে ককায়েকে মুন্নীক মোৰ ঘৰত এৰি থৈ যোৱা নাছিল। তেওঁৰ ককায়েকক মই চিনিকে পোৱা নাছিলোঁ। এক দুঘটনাইহে তেওঁক মোৰ ওচৰলৈ গতিযাই দিছিল।"

"দুঘটনা ?'

"এৰা। সেয়া হ'ল নাৰীয়ে নাৰীৰ ওপৰত চলোৱা অত্যাচাৰ। মই মাথো, বিপদগ্ৰস্তা, অপমানিতা, আৰু গৃহহাৰা মুন্নীক মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ কৰি আনিছিলোঁ। ঘটনাক্ৰমে মই আৰু মোৰ ভনী জ্যোতি যদি সেই ঠাই নাপালোঁহেঁতেন, তুমি মুন্নীৰ অস্তিত্ব নেদেখিলাহেঁতেন।"

আশ্চৰ্য্যত অৰুণজ্যোতিৰ চকু স্থিৰ হ'ল।

"কিন্তু অৰুণজ্যোতি, মোৰ অন্ধকাৰ গৃহত বন্তি উজ্জ্বলন কৰা একমানি মুন্নীৰ সৈতে বৃদ্ধত্বৰ দুৱাৰদলিলৈ অগ্ৰসৰ হোৱা মই প্ৰেম কৰি আছিলোঁ বুলি যদি তুমি ভাবি আছা, তেন্তে মোৰ প্ৰতি দুঘোৰ অন্যায় কৰা হব। মুন্নাযে যদি ভৱিষ্যতলৈ দৃষ্টি নিক্ষেপ কৰি মোৰ অস্তিত্ব ৰক্ষাৰ বাবে সংগ্ৰাম কৰিব পাৰে, তেওঁৰ জীৱন ৰক্ষাৰ্থে মই তেওঁক গ্ৰহণ কৰাটো কোনো অপৰাধ ? মুন্নীয়ে বিষ খাইছিল। মই তেওক হস্পিতালৰ পৰা এইমাত্ৰ উলিয়াই লৈ আহিছোঁ। হস্পিতালতে ককায়েকে মুন্নীক মোৰ হাতত সমৰ্পণ কৰিলে।"

এনেতে মুন্নীয়ে কিছুমান ফলমূল আৰু মিঠাইৰ প্লেট আনি অৰুণজ্যোতিৰ সমুখত থৈ বাক্ত কৰিলে : "এৰা অৰুণজ্যোতি, তিনি বছৰৰো অধিক কাল মই তেখেতৰ সমুখত অহৰ্নিশি কটালোঁ, অথচ তেখেতে মোক দেখাকে নাপালে। মৃত্যুৰ দুৱাৰ-দলিলৈ খোজ দিয়াৰ মুহূৰ্ত্তহে দেখা পালে। তোমাৰ দৰে উৎকৃষ্ট মস্তিষ্কৰ প্ৰতিশ্ৰুতি পৰায়ণ ল'ৰা বিৰল। কিন্তু তোমাৰ সমুখত গোটেই

জীৱনটো পৰি আছে ; তেখেতৰ সন্মুখত সময় তেনেই তাকৰ। মোৰ অবিহনে তেখেতৰ অস্তিত্ব ৰক্ষা নপৰে ! কিন্তু তোমাক মই বিমুখ নকৰো অৰুণজ্যোতি। তুমি যদি অইন কোনো ছোৱালীক পছন্দ কৰিব নোৱাৰা, মোৰ ছোৱালী এজনী হলে তোমালৈ বিয়া দিম।"

অৰুণজ্যোতি থপ্‌কৈ থিয় হৈ পিছমুখ দিলে। প্ৰফেছৰ সন্থম হ'ল। তেনেই কোমল মনৰ এই ল'ৰাজনে নিজৰ কেৰিয়াৰৰ বাহিৰে অইন কথা নুবুজে। তেওঁ নিজেও আগতে তেনেকুৱা আছিল। প্ৰেমৰ লৈতে সৃষ্টি আৰু প্ৰাকৃতিক উদ্দেশ্য জড়িত হৈ থকা কথাষাৰ বুজা বৰ টান। তেওঁ অৰুণজ্যোতিক থাবলৈ অনুৰোধ কৰিলে। কিন্তু অৰুণজ্যোতিৰ মুখেৰে প্ৰকাশ পালে : "ক্ষমা কৰিব, মই কোনো বস্তু খাব নোৱাৰো। আপোনাৰ অস্তিত্ব ৰক্ষা যদি তেওঁৰ বাবে ইমানেই প্ৰয়োজনীয় হৈছে, মোক আপোনাৰ লৈতে বিজনি কৰি হেয় প্ৰতিপন্ন নকৰাকৈও সি সম্ভৱ হ'লহেঁতেন। আপোনাৰ বাবে তেওঁ অইন ছোৱালী ব্যৱস্থা কৰিব পাৰিলেহেঁতেন।"

বিৰক্তিৰে প্ৰফেছৰে সাৱধান কৰি দিলে : "অৰুণজ্যোতি, এই সময়ত তুমি কোনো কথা বুজিবলৈ অক্ষম। মনে মনে থাকা।"

"মুন্নীক মই কবই লাগিব ছাৰ, তেওঁ আপোনাৰ দৰে প'জিছনৰ প্ৰফেছৰ এজন বিচাৰিছিল। আপোনাৰ উদাসীনতাৰ বাবে বিষ খাই উদ্দেশ্য পূৰণ কৰাটো মুন্নীৰ দৰে দুঃসাহসী ছোৱালীৰ পক্ষে স্বাভাৱিক। কিন্তু মইও এজন প্ৰফেছৰ হব নোৱাৰিম বুলি মুন্নীয়ে ধৰি লোৱা উচিত নহয়।"

মুন্নীয়ে মাতিলে : "তুমি এজন নামজলা প্ৰফেছৰ হোৱাটো মইও কামনা কৰোঁ, তুমি হবা বুলিও মোৰ বিশ্বাস। কিন্তু অৰুণজ্যোতি, তুমি আশা কৰামতে নাৰীৰ আত্মাৰ বিকাশ নহয় ; বিকাশ হয় প্ৰকৃতিৰ নিয়ম মতে। মই তোমাক হেয় প্ৰতিপন্ন কৰাটো সমূলি মিছা কথা। মই মাথো বিচাৰো মোৰ সন্তানৰ

পিতৃ প্ৰফেছৰ জ্ঞানদীপ হাতীবৰুৱাৰ বাহিৰে অইন কোনো হ'ব নোৱাৰে।"

"ঠিক আছে মুন্নী—।"

"মুন্নী নহয়। প্ৰফেছৰ হাতীবৰুৱাক তুমি গুৰু মানি লৈছা। গুৰু-পত্নী মাতৃতুল্যা হয়।"

প্ৰফেছৰ স্তম্ভিত হৈ গ'ল। এয় মুন্নীৰে কৈ আছে যে 'মোৰেলিটি প্লে'ৰ কোনো এক অভিজ্ঞ নাৰী চৰিত্ৰই নীতি কথা শিকাইছে।

অৰুণজ্যোতিৰ বক্তব্য শুনা গ'ল: "সেয়েহে শাস্ত্ৰত কেনো কৈছে— তিৰোতাৰ চৰিত্ৰ দেৱতাৰো দুৰ্বোধ্য। কিন্তু— তোমাৰ ভৱিষ্যগৰ্ভা ছোৱালীলৈ মই বাট চাই থাকিম বুলি আশা নকৰিবা, গুৰু-পত্নী। তোমাৰ ভৱিষ্যগৰ্ভা ছোৱালীক মই গ্ৰহণ কৰা দূৰৰ কথা চকুৰে চাবলৈকো নাহোঁ; বেতিয়াও নাহোঁ। মোৰ ওচৰত তুমি আঁচল পাতি মাগিলেও মই তোমাৰ ছোৱালীৰ পাণিপ্ৰাৰ্থী নহওঁ। এয়া মোৰ প্ৰতিজ্ঞা!"

অৰুণজ্যোতি ওলাই গুচি গ'ল।

পিছদিনাখন প্ৰফেছৰৰ বিবাহ উৎসৱ। জ্যোতি আনন্দত আত্মহাৰা। নাচি নাচি তাই মানুহক আতিথ্য প্ৰদান কৰিছে, মুন্নীক প্ৰদৰ্শন কৰিছে। কিন্তু প্ৰফেছৰ নিৰ্ব্বাক, নিস্পন্দ, তেওঁৰ মন ভাৱাক্ৰান্ত। তেওঁৰ স্বৰ্গীয়া পত্নী মনালিছাৰ ছবিখন বাৰে বাৰে তেওঁৰ মনলৈ আহিছে। মুন্নীৰ চাৰিত্ৰিক বৈশিষ্ট্যবোৰ লক্ষ্য কৰি কৰি মাজে মাজে তেওঁৰ মুন্নীকেই মনালিছা বুলি ভাব হৈছিল। সেয়েহে হয়তো চলিহাই ভবাৰ দৰে একমাত্ৰ মুন্নীয়েহে তেওঁক বাধ্য কৰিব পাৰিছিল। এতিয়া তেওঁও ভাবিছে যে মনালিছাৰ অদৃশ্য ছাঁটোক সাৱতি ধৰি থাকিলে তেওঁৰ জীৱনৰ গতি অতিশীঘ্ৰে অস্ত পৰিল। এয়া মনালিছাৰ প্ৰতি বিশ্বাসঘাটকতা কৰা নিশ্চয় মুবুজায়; বৰং মুন্নীয়ে মনালিছাৰ দ্বাৰা আধৰুৱা কাম সম্পূৰ্ণ কৰিবলৈ ওলাইছে।

তেন্তে মুন্নী মনালিছা হব নোবাৰিব কিয় ?

কিন্তু নিশা ; মুন্নীক ফুলশয্যাত অনিন্দ্য সুন্দৰী হৈ বহি আছে। দ'ৰাৰূপী প্ৰফেছৰ ধীৰে ধীৰে সোমাই মুন্নীক লক্ষ্য কৰি থিয় হৈ থাকিল। মুন্নী উঠি তেওঁৰ ভৰিত সেৱা কৰা দেখি তাইক তুলি ধৰি তেওঁ হাঁহিলে। এইবাৰ মুন্নীৰ লাজ লাগিছে, তাইৰ মুখমণ্ডল স্বৰ্গানুভূতিত ৰঙীণ হৈ উঠিছে। তেওঁ প্ৰশ্ন কৰিলে : "ভাল লাগিছে তোমাৰ ? কিয় ভাল লাগিছে ?"

উত্তৰ নিদি মুন্নীয়ে তেওঁৰ বুকুত মুখ লুকুৱালে।

"তোমাৰ যৌৱন শেষ নহওঁতেই যদি মোৰ মৃত্যু হয়, তুমি কি কৰিবা ?"

"সেয়া নহয়, মই আপোনাক জীয়াই ৰাখিম— মোৰ মৃত্যুৰ সময়লৈ !"

তেওঁ ভাবিলে— অদ্ভুত মানসিক শক্তি ! এয়াই নেকি আদ্যা-শক্তি ? তেওঁ মুন্নীক ফুলেৰে সুসজ্জিত মিহজ বিচনাত বহুৱাই দিলে। তাৰ পাছত গড্ৰেজ খুলি এযোৰ দামী চিকমিকিয়া পাটত কাপোৰ উলিয়াই বিচনাৰ ওপৰত থৈ ক'লে : "এইযোৰ জ্যোতিৰ আগবঢ়নী নবৌৱেকৰ আছিল। কিন্তু এইযোৰ তেওঁ মাথোন এবাৰেই পিন্ধিছিল— ফুলশয্যাৰ দিনাখন। তুমিও আজি এইযোৰ পিন্ধা।"

জ্যোতিয়ে কইনা সজাই দিয়া নতুন কাপোৰযোৰ খুলি থৈ মুন্নীয়ে তেওঁ পিন্ধিব দিয়াযোৰ পিন্ধিলে। তেওঁ তাইৰ মূৰৰ পৰা ভৰিলৈ দৃষ্টি নিক্ষেপ কৰি কৰি তাইৰ দুযো কান্ধত ধৰি সন্তুষ্টিৰে হাঁহিলে। মুন্নীৰ তন্ময়তাক উপলক্ষে কৰি তেওঁ উচ্চাৰিলে : "ডাৰ্লিংকেও, এতিয়া তোমাক মই কি কৰোঁ ?"

মুন্নীয়ে খুক্ খুকৈ হাঁহিবলৈ ধৰিলে।

"নাহাঁহিবা, ইমানকৈ হাঁহিলে মোৰ মনত পৰে।"

"কি মনত পৰে ?"

"মনালিছাইও এইদৰে হাঁহিছিল। কিন্তু তেওঁ মোক এৰি গুচি গ'ল।"

"মুন্নীয়ে আপোনাক এৰি নাযায়! তাই পুনৰ হাঁহিলে।

"তোমাক কি কৰিম নকলা দেখোন।"

"মোক? মোক?— হস্পিতালত আপুনি মোক মাতৃ বুলি মাতিছিল নহয়। মাতৃ কেনেকৈ হয় শিকাই দিব লাগে।"

হাঁহি হাঁহি মুন্নীয়ে তেওঁৰ কান্দিজত টানি ধৰি তেওঁৰ চাৰিও-ফালে ঘূৰিবলৈ ধৰিলে। কৌতুকেৰে তেওঁ তাইক দুহাতেৰে ওপৰলৈ তুলি ধৰি তেওঁৰ মূৰৰ ওপৰলৈ দাঙি ধৰিলে। তাইৰ ওলমি থকা দুভৰিৰ উৰুৰ ওপৰৰ খম্‌খমীয়া কাপোৰৰ ওপৰত তেওঁ নিজৰ মুখখন গুজি দিলে, তাই হাঁহি হাঁহি নমাই দিবলৈ কৈ থাকোঁতে তেওঁ তাইক এপাক ঘূৰাই লৈ বিচনাৰ ওপৰত ধুপুচকৈ পেলাই দিলে। তাই বিচনাৰ ওপৰত বাগৰি বাগৰি হাঁহি থাকোঁতে হঠাতে তেওঁ কাইপে বিস্ময়ৰ চাৱনিৰে চাবলৈ ধৰিলে। মুন্নী আচৰিত হৈ উঠি বহিল। তেওঁ মুন্নীৰ মুখমণ্ডল দুহাতৰ মাজত লৈ চকুবোৰ ডাঙৰ ডাঙৰকৈ চাই উচ্চাৰিলে: "ম-না-লি-ছা।"

মুন্নী উচপ খাই উঠিল। হয়তো এই মুহূৰ্ত্তত তেওঁ মৃত পত্নীৰ স্মৃতিৰ সাগৰত ডুবি মুন্নীক পাহৰি যোৱা কথা মুন্নীয়ে কল্পনা কৰা নাছিল। কিন্তু প্ৰফেছৰে সঁচাকৈয়ে মুন্নীৰ অস্তিত্ব পাহৰি গ'ল। মুন্নীৰ হাত দুখন নিজৰ দুহাতৰ মাজত লৈ লাৰি-চাৰি থাকোঁতে প্ৰথম পত্নীৰ সৈতে কটোৱা ফুলশয্যাৰ প্ৰতিটো মুহূৰ্ত্তৰ ছবিয়ে তেওঁৰ মনোজগত আলোড়িত কৰিবলৈ ধৰিলে। বিচনাখনৰ ইমূৰৰ পৰা সিমূৰলৈ বাগৰি বাগৰি যেন মনালিছাই তেওঁৰে সৈতে খেলা খেলিবলৈ ধৰিছে। আকৌ, হঠাতে যেন দেখিলে, তেওঁৰ বাবে ছেণ্ডুইচ্‌ প্ৰস্তুত কৰিবলৈ মনালিছা দৌৰি তললৈ নামি যাব খুজিছে। প্ৰফেছৰ জঁপিয়াই উঠি সন্ত্ৰাসৰ চাৱনিৰে দুৱাৰৰফালে চালে। ভয়ত মুন্নী ঠৰঙা লাগিল। প্ৰফেছৰৰ

হাত দুখন সাৰটি ধৰি তাই আক্ষেপেৰে উচ্চাৰণ কৰিলে :

"মই আপোনাৰ মুন্নী; মোৰ ফালে চাওঁক।"

কিন্তু মুন্নীৰ প্ৰফেচৰৰ ভ্ৰূক্ষেপ নাই। তেওঁ ভীষণভাবে অস্থিৰ হৈ পৰিল। কাৰণ ড্ৰইংৰুমৰ চিৰিৰ তলৰ পৰা তেওঁৰ পত্নী মনালিছাই যন্ত্ৰনাকাতৰ চিঞৰ মৰা যেন শুনিবলৈ পালে। নিজৰ হাত দুখন টানি আজুৰি আনি মুখেৰে "মনালিছা। মনালিছা!" উচ্চাৰণ কৰি কৰি তেওঁ কোঠাৰ বাহিৰলৈ দৌৰ মাৰিলে। মুন্নী হামকুৰি খাই পৰিল যদিও উঠি তেওঁৰ পাছে পাছে দৌৰিলে। ড্ৰইংৰুমলৈ নামি যোৱা চিৰিৰ ওচৰত থিয় হৈ মুন্নীয়ে দেখিলে যে প্ৰফেচৰে চিৰিৰ তলত থিয় হৈ দুহাতেৰে নিজৰ চুলিত খামুচি ধৰি চিঞৰি উঠিছে : "ম-না-লি-ছা! ম-না-লি-ছা!"

মুন্নী ৰেলিংত মূৰ থৈ কেঁকুৰিবলৈ ধৰিলে। জ্যোতি আৰু তাইৰ স্বামী ইতিমধ্যে মুন্নীৰ ওচৰত থিয় হৈছিলহি। জ্যোতি দৌৰি চিৰিয়েদি তললৈ নামি গ'ল। বাঁক আৰু ধনীৰামকো দেখা পোৱা গ'ল। জ্যোতিয়ে ককায়েকৰ হাতত ধৰি ওপৰলৈ তুলি আনিলে। কান্দি থকা মুন্নীৰ হাতত ধৰি আগুৱাই নি জ্যোতিয়ে ককায়েকৰ হাতৰ ওপৰত মুন্নীৰ হাত তুলি ধৰি ক'লে : "ককাইদেউ, মনালিছা নবৌয়ে পুনৰ্জন্ম লাভ কৰিছে। সেয়েহে অকণমানি মুন্নীৰূপ লৈছে। চকুপালি লওঁক ককাইদেউ।"

"মনালিছা—মুন্নী? মনালিছা—মুন্নী? কিন্তু? কিন্তু! আমাৰ সন্তানটিৰ কি হ'ল? তাইৰ নাম অপৰাজিতা থোৱাৰ কথা আছিল নহয়!"

"অপৰাজিতাৰ জন্ম হোৱা নাই ককাইদেউ। এতিয়াহে হব।"

এইবুলি জ্যোতিয়ে মুন্নীক ককায়েকৰ গাৰ কাষলৈ হেঁচুকি দি মুন্নীক ক'লে : "ককাইদেউক ভিতৰলৈ লৈ যোৱা নবৌ। সকলোবোৰ নিৰ্ভৰ কৰিছে তোমাৰ ওপৰত।"

মুন্নীয়ে এয়া প্ৰথমবাৰৰ বাবে প্ৰফেচৰৰ মানসিক দুৰাৱস্থাৰ

সন্মুখীন হৈ বৰ বিব্ৰত হৈছিল। তাই যেঁকুৰি যেঁকুৰি উচুপি গৈ জ্যোতিক সাৱটি ধৰিলে।

"নবৌ, ইমানকৈ ভাগি পৰিলে তুমি ককাইদেউক চম্ভালিবা কেনেকৈ? তোমাক মিহুনত আগবাঢ়িবা কেনেকৈ?"

চকুপানী সামৰি মুন্নীয়ে গৈ প্ৰফেছৰৰ হাত দুখন জপটিয়াই ধৰি তেওঁৰ চকুৰ ফালে চাই মাতিব খুজিলে; কিন্তু তাইৰ পুনৰ চকুলো সৰিল, ওঁঠজুৰি কঁপিবলৈ ধৰিলে। এইবাৰ প্ৰফেছৰে মুন্নীৰ চকুমুখ হাতেৰে স্পৰ্শ কৰি কৰি মাতিলে: 'মুন্নী, কান্দিছা কিয়?"

"আপুনি মোক চিনি পাইছেনে? মনত পেলাব পাৰিছেনে? আজিযেই আপুনি দেখোন মোক পাহৰি গৈছিল।"

"Don't cry, my precious little wife। আহা, নিশা বহুত হল, শোৱাকোঠালৈ যাওঁ।"

জ্যোতিহঁত আঁতৰি গ'ল। মুন্নীক লৈ প্ৰফেছৰ শোৱাকোঠা পালেগৈ। প্ৰকাণ্ড পালঙ্কখনত মুন্নীক বহুৱাই দি তেওঁ তাইৰ ওচৰত আঠুকাঢ়ি বহি তাইৰ চকুমুখ আৰু শৰীৰত হাত ফুৰাবলৈ ধৰিলে। মুন্নীৰ মুখত হাঁহি ফুটি উঠিল। তেও সন্তুষ্ট চিত্তে প্ৰশ্ন কৰিলে:

"অপৰাজিতাৰ জন্ম হোৱা নাই? এতিযাহে হব?"

লাজ লাজকৈ মুন্নীয়ে মুৰ দুপিয়ালে। তেও পালঙ্কৰ ওপৰত উঠি মুন্নীক গাৰুৰ ওপৰত পেলাই দি প্ৰশ্ন কৰিলে:

"তাৰ পাছত কাৰ জন্ম হব?"

"তাৰ পাছত— তাৰ পাছত– ছানদীপৰ!"

"আৰু তাৰ পাছত?"

"উহু! তাৰ পাছত আৰু কাৰো জন্ম নহয়।"

"ঠিক আছে। কিন্তু আগে কাৰ জন্ম হব? অপৰাজিতাৰ, নে ছানদীপৰ?"

"নাজানো" বুলি মুন্নীয়ে লাজ আৰু অপৰিসীম আনন্দৰ উত্তেজনাৰে বিচনাৰ আনটো মূৰলৈ বাগৰি পৰিল। তাইৰ চাদৰৰ আচলটো তেওঁৰ হাতত মেৰ খাই লাগি থকা হেতুকে ব্লাউজৰ ওপৰেদি 'মেজেষ্টিক যেশ্বনন্ত' থিয় হৈ থকা তাইৰ প্রসন্ন যৌৱনে চিনেমাৰ পৰ্দাত প্রতিভাত হোৱাৰ দৰে তেওঁৰ চকুৰ পৰ্দাত চমক লগালে। তেওঁৰ সৰ্ব্বশৰীৰ ৰোমাঞ্চিত হৈ পৰিল। চাদৰখন টানি এৰুৱাই তেওঁ আঠুৱাৰ ওপৰলৈ দলিয়াই দিলে আৰু নিজৰ দুহাত আৰু দুভৰিৰে মুন্নীৰ দেহাটো নিজৰ শৰীৰত চেপি ধৰিলে আৰু প্রশ্ন কৰিলে : মাতৃহে হব খোজা? পত্নী হব নোখোজা নেকি?

মুন্নীয়ে তেওঁক সাৱটি ধৰি উচ্চাৰিলে : 'আচৰিত প্রশ্ন। পত্নী নোহোৱাকৈ কোনোবাই মাতৃ হব পাৰে জানো? বিয়া হওঁক বা নহওঁক মাতৃ হবলৈ পত্নী হবই লাগিব।'

"বিজ্ঞানৰ ছাত্রী হৈ এতিয়াও নাজানা?"

'জানো। কিন্তু মোৰ পতি বৈজ্ঞানিক নহয়, সাহিত্যিক আৰু দাৰ্শনিকহে মানুহৰ আবেগ অনুভূতি আৰু আত্মাৰ হেঁপাহক মষিমূৰ কৰিব খোজা সেই বৈজ্ঞানিক পদ্ধতিবোৰক মই ঘৃণা কৰো।"

"তেন্তে মই তোমাৰ সন্তান লাভৰ এটি উপায় মাথোন? সন্তান লাভ হোৱাৰ পাছত মোৰ প্রয়োজন নাথাকিব নেকি, জীৱন সঙ্গীনি মোৰ?"

তেওঁৰ মুখখন বন্ধ কৰি ধৰি মুন্নীয়ে ক'লে : অমঙ্গলীয়া কথা-বোৰ কিয় কয়? আপোনাক মৃত্যুঞ্জয়ী কৰিব খোজা হেঁপাহৰ নাম প্রেম—অমৰ প্রেম। আপোনাৰ প্রতিমূৰ্তিটোক হৃদয়ৰ পৰা আঁতৰ কৰিব নোৱাৰা বাবেহে বিষ খাইছিলোঁ। মই দেখোন বিষ নাখালেও অইন কৰবাত মাতৃ হব পাৰিলোঁহেতেন।"

"My illustrious little wife। তেন্তে তুমি মোৰ পত্নী হোৱাৰ বাবে ব্যাকুল। পত্নীৰ কৰ্ত্তব্য কি জানা জানো? কমল-নয়নী অৰ্দ্ধাঙ্গিনী মোৰ?"

"অভিজ্ঞতা মোৰ নাই যদিও অনুমান কৰিব পাৰোঁ। পতিৰ শৰীৰ আৰু মনক সন্তুষ্ট কৰি ৰখাটো পত্নীৰ কৰ্ত্তব্য।"

কুৰি বছৰ আগৰ দিনবোৰলৈ মই উভতি গৈছোঁ, ৰাণী মোৰ You are making me immortal. সেযেহে তোমাৰ শৰীৰ আৰু মনক সন্তুষ্ট কৰি ৰখাটো মোৰ কৰ্ত্তব্য। সেই কৰ্ত্তব্য পালনৰ এয়াই উপযুক্ত সময়; এইখন পোঁৱাপাটী আমাৰ কৰ্ত্তব্য পালনৰ ক্ষেত্ৰ। কিন্তু তোমাৰ শৰীৰটোক আৱৰি থকা এই কাপোৰবোৰ যাৰ শত্ৰু। ইহঁতক দূৰীভূত কৰিলোঁ।"

মুন্নী খকখুককৈ হাঁহি হাঁহি উবুৰি খাই পৰিল। তেওঁৰ মুখেৰে নিৰ্গত হ'ল: "How beautiful! My queen! My Goddess!'

[পোষ্কৰ]

নিশা প্ৰায় দুই বাজিছে। অৰুণজ্যোতিৰ এনেহেন লাগিল যেন কোনো এক ৰোমাঞ্চকৰ নাটৰ মঞ্চস্থ এইমাত্ৰ সম্পূৰ্ণ হৈ উঠিল। মুন্নীৰ অতুলনীয় নাৰীত্বৰ মহত্বই অৰুণজ্যোতিক যেন সজাগ কৰি তুলিলে। অপৰাজিতা অন্য এক মুন্নী। প্ৰফেচৰ জ্ঞানদীপৰ ইন্টেলেক্ট আৰু মুন্নীৰ উইল এই দুটাৰ সমন্বয় ঘটিছে অপৰাজিতাৰ চৰিত্ৰত। অপৰাজিতাই কোৱামতে তাইৰ ককাযেক একন বৈজ্ঞানিক লণ্ডনতে শিক্ষা সাং কৰি স্বদেশলৈ উভতিছে— জ্ঞানদীপৰ দ্বিতীয় সংস্কৰণ। জ্ঞানদীপক চাবলৈ অৰুণজ্যোতিৰ প্ৰবল ধাউতি জন্মিল।

ডায়েৰীখন সামৰি থৈ অৰুণজ্যোতি উঠি বহিল। আৰু ভাবিবলৈ ধৰিলে— এৰা, মুন্নীৰ অন্তদৃষ্টি অভূতপূৰ্ব্ব অবিস্মৰণীয়। নহলেনো মুন্নীয়ে কেনেকৈ কব পাৰিছিল যে তেওঁৰ ছোৱালী একনী হলে অৰুণজ্যোতিলৈ বিয়া দিব? প্ৰফেছৰ জ্ঞানদীপ আৰু মুন্নীৰ ছোৱালীক বিচাৰি অৰুণজ্যোতি নিজেও গুৱাহাটীলৈ ঘূৰি অহা নাছিল। প্ৰথম শ্ৰেণীত স্নাতকোত্তৰ লাভ কৰি গুৱাহাটী

বিশ্ববিদ্যালয়তে শিক্ষকতাৰ স্থান পোৱাৰ পাছত তেওঁ অধ্যয়নৰ বাবে গুছি গৈছিল কলিকতালৈ। দেউতাকে তেওঁক বিদেশলৈ পঠিয়াব খুজিছিল, যদিও অৰুণজ্যোতিয়ে স্বদেশকে বাছনি কৰি ল'লে তেওঁৰ পাণ্ডিত্য লাভৰ ক্ষেত্ৰ হিচাবে। কলিকতাত ডায়েনা আহিছিল তেওঁৰ জীৱনলৈ। কিন্তু ডায়েনাৰ সৈতে জীৱন যাত্ৰাৰ প্ৰাৰম্ভতে অকস্মাতে তেওঁৰ ডায়েনা অদৃশ্য হৈ গ'ল। ডায়েনাক লগ পাই কলিকতাতে থাকি আজীৱন কটাই দিব বুলি সিদ্ধান্ত কৰা অৰুণজ্যোতিয়ে কলিকতা চিৰদিনৰ বাবে পৰিত্যাগ কৰি গুছি আহিল ডায়েনাৰ শোকাবহ মৃত্যুৰ পাছত। অহৰ্নিশে মাথো ডায়েনাইহে তেওঁৰ মনোজগত আৱৰি ৰাখিছিল। কিন্তু আজি অপৰাজিতাৰূপী নতুন ডায়েনাই তেওঁক এনেদৰে যুগস্ৰষ্টা কবি নৱৰূপত ৰূপায়িত কৰিলে যে ই চিৰদিন ৰহস্য হৈয়ে ৰ'ব। পুনৰ্জন্মৰ দৰ্শনৰ কিবা সত্যতা আছেনে নাই অৰুণজ্যোতিয়ে বুজি নাপায়, নাই বুলিয়ে তেওঁৰ ধাৰণা হৈছিল। কিন্তু ডায়েনাৰ মৃত্যুৰ দিনাখন অপৰাজিতাৰ জন্ম আৰু প্ৰকেহৰ জানদীপে অপৰাজিতাক তেওঁৰ ওচৰলৈ পঠিওৱা অনাহুত কাৰ্যাবোৰৰ তাৎপৰ্য্য কি? আনহাতে অপৰাজিতাক প্ৰথম লগ পোৱাৰ পাছৰ পৰা অপৰাজিতাৰ ব্যৱহাৰবোৰে হুবহু ডায়েনাৰ ব্যৱহাৰক নকল কৰি তেওঁক বিস্ময়াভিভূত ও বিমূঢ় কৰি তুলিছিল। তেওঁৰ নিজৰ বয়সৰ তুলনাত অপৰাজিতা তেনেই সৰু ছোৱালী। কিন্তু অপৰাজিতাৰ চেহেৰা, মান, অভিমান আৰু ডায়েনা হ'বলৈ বিচৰা প্ৰবল থাউতি অৰুণজ্যোতিৰ বাবে এক প্ৰহেলিকা। অৰুণজ্যোতিৰ মনত পৰিল....

অপৰাজিতাই ডায়েনা নাম পোৱাৰ পিছৰ ৰহস্যৰ এটি ঘটনা। অপৰাজিতাৰ জন্মদিন উৎসৱৰ আগদিনাখন, আইদ এটা হাতত লৈ অপৰাজিতা অৰুণজ্যোতিৰ ওচৰলৈ আহিল আৰু তাইৰ নেছিহ সংক্ৰান্তীয় কিছুমান নিজৰ লিখনি তেওঁক দেখুৱালে। তেওঁ সেই-বোৰ পঢ়ি পঢ়ি ঢুলকচিবোৰ আঙুলিয়াই দি থাকোঁতে হঠাতে

তাই সুধিলে: "কাইলৈৰ দিনটো আপোনাৰ বাবে স্মৰণীয় দিন, নহয় জানো?" মুখ নোতোলাকৈ তাইৰ ফালে এবাৰ দৃষ্টি পেলাই তেওঁ উচ্চাৰিলে:

"তুমি মোক স্মৰণ কৰাই দিয়াৰ দৰ্কাৰ নাই!"

"মোৰ নিজৰ বাবে স্মৰণ কৰাই দিছিলোঁ।"

তোমাৰ বাবে? তোমাৰ বাবে স্মৰণ কৰাৰ কি দৰ্কাৰ!

"আপুনি পাহৰি গৈছে বুলি জানিছিলোঁ।"

"কি কথা পাহৰিছোঁ মই?"

"মোৰ জন্মদিনটোৰ কথা।"

"অ— সেইকথা। সেইকথা মনত ৰখাৰ মোৰ প্ৰয়োজন নাই। মই তোমাৰ নিমন্ত্ৰণ কোনোকালে পোৱা নাই।"

"কিন্তু মই নিজেই আপোনাৰ ওচৰলৈ আহিব পাৰোঁ। যোৱা বছৰ আহিছিলোঁ।"

অৰুণজ্যোতিৰ নাকৰ ওপৰ ভাগতে চেলাউঁৰিহাল থুপ খালে। কাইল সামৰি থৈ তেওঁ অসন্তুষ্ট হোৱাৰ দৰে মৌন হৈ বহি থাকিল। অপ্ৰস্তুত হৈ অপৰাজিতাই কি হ'ল সুধিলে, কিন্তু তেওঁ ফিজিক্সৰ ডাঙৰ কিতাপ এখনৰ পাত লুটিয়াই লুটিয়াই নীৰৱে বহি থাকিল। অপৰাজিতা বিব্ৰত হৈ থিয় হ'ল আৰু নম্ৰভাৱে প্ৰশ্ন কৰিলে:

"মই আপোনাৰ ওচৰলৈ আহি মোৰ জন্মদিন পালন কৰাটো আপুনি ভাল নাপায়! কিন্তু মোৰ ঘৰত ইমান অসুবিধা যে—।"

অপৰাজিতাই তেওঁক কি অসুবিধাৰ বাবে নিজ ঘৰলৈ নিমন্ত্ৰণ কৰিব নোৱাৰে অৰুণজ্যোতিয়ে বুজি নাপায়। স্কুল শিক্ষকৰ ছোৱালী বুলি অপৰাজিতাক তেওঁ কাহানিও সৰু বুলি গণ্য কৰা নাই— অপৰাজিতাই সেই কথা জানে। হয়তো অইন অসুবিধা আছে। তেওঁ তাইলৈ তীক্ষ্ণদৃষ্টি নিক্ষেপ কৰি ব্যঙ্গ কৰিলে: "সেয়া তোমাৰ ব্যক্তিগত ইচ্ছা বা অনিচ্ছাৰ কথা। মই কিয় বেয়া পাম? কিন্তু তোমাৰ এই ৰহস্যপূৰ্ণ জন্ম তাৰিখটোত তুমি

নিজ ঘৰৰ পৰা আঁতৰি থাকিবলৈ ইচ্ছা কৰাটোৱে প্ৰমাণ কৰে যে তোমাৰ জন্ম হয়তো ধৰিত্ৰীৰ বুকুত জনকনন্দিনী সীতাৰ দৰে হৈছে। সেয়েহে অবিশ্বাস্য হলেও মই তোমাক ডায়েনা বুলি ভাবিবলৈ বাধ্য হৈছোঁ।”

‘বিশ্বাস কৰিবলৈ টান পাই, অৰ্থাৎ বাধাত পৰি, ডায়েনা বুলি নামাতিলে হ’ল। অন্তৰে যদি ডায়েনা বুলি স্বীকাৰ নকৰে।”

অৰুণজ্যোতিয়ে সূক্ষ্মভাবে অপৰাজিতাক পৰ্যবেক্ষণ কৰিব ধৰিলে। তাই অভিমানৰ সুৰত প্ৰকাশ কৰিলে: “মোলৈ আপুনি কিয় সেইদৰে চায়? মইতো আপোনাৰ ডায়েনা নহয়। সেয়েহে মই কাইলৈ নাহোঁ।”

“হাঃ হাঃ। হাঃ হাঃ। হাঃ হাঃ হাঃ! কিহৰ বাবে ইমান ঠেহ অভিমান? অপৰাজিতা হৈ জন্ম লাভ কৰি ডায়েনা হব খোজা কিয়?”

“কাৰণ ডায়েনাৰ স্মৃতিৰ বন্যাত উটি আপুনি মোক পাহৰি যায়।”

“সেয়া ক্ষণিকৰ বাবে। কিন্তু তুমি ডায়েনা হৈ নিজৰ অস্তিত্বক পাহৰিব খোজাটো অস্বাভাৱিক।”

“নামৰ পৰিবৰ্তনে অস্তিত্ব লোপ পোৱাটো সুবুজায়। আপুনিয়ে কৈছে— মই যেনো সাইলাখ ডায়েনা— মোৰ মুখৰ মাত, ভাৱভংগী পৰ্যন্ত।”

“এৰা। কিন্তু পৃথিৱীৰ অগণন মানুহৰ ভিতৰত কোনো বা নহয় কোনোবা একে হৈ জন্ম লোৱাটো আচৰিত কথা নহয়। আকস্মিক ভাবে তুমি ডায়েনাৰ ৰূপ ল’লা। সেইবুলি ডায়েনা কেনেকৈ হ’বা? তুমি অপৰাজিতাহে।”

“ঠিক আছে, কাইলৈৰ দিনটোত মই কেতিয়াও আপোনাৰ ওচৰলৈ নাহোঁ। আহিলে আপোনাৰ ব্যাঘাট জন্মিব।”

বিষণ্ণমনে অপৰাজিতাই কাইল সামৰি লৈ ভেঙৰ কালে পিঠি দি দুৱাৰ-দলিলৈ গতি কৰিলে। চোকা এখন্তেক থাহি থাহি ওঁঠ চেপি হাঁহি অৰুণজ্যোতিয়ে মাতিলে: “অভিমানী বন্ধু, শুন সুমুৱিৰা

পাহৰি নাথাৰা !”

অপৰাজিতা তৎক্ষণাত ঘূৰি তেওঁৰ ফালে চাই এনেকুৱা এটা মহিমামণ্ডিত হাঁহি মাৰিলে যে অৰুণজ্যোতি স্তব্ধ হৈ গ'ল। এয়া দেখোন স্বয়ং ডায়েনা। নাই, কোনো ভুল হোৱা নাই। ডায়েনাৰ মৃত্যু হোৱা বুলি তেন্তে তেওঁ মিছাকৈয়ে ভাবি আছে। তেন্তে ডায়েনাৰ চিতাগ্নিত তেতিয়া কাক তুলি দিয়া হৈছিল ? এয়া। ডায়েনা জীয়াই আছে ! এয়া ডায়েনা ! বিমুগ্ধ, বিচলিত অৰুণজ্যোতি থিয হৈ মন্ত্ৰমুগ্ধৰ দৰে আগুৱাই আহিল। তেওঁৰ অপলক অভিভূত দৃষ্টি অপৰাজিতাৰ মুখমণ্ডলত নিবিষ্ট হ'ল। তেওঁৰ মুখেৰে উচ্চাৰিত হ'বলৈ ধৰিলে : “Diana । Diana । My Diana !” তেওঁ স্থান, কাল, পাত্ৰ পাহৰি কি কৰিব খুঁজিছে নিজে কব নোৱাৰা হৈ আগুৱাই আহি আহি অপৰাজিতাক সাৱটি ধৰিলে। অজান সপোনপুৰীৰ অলকা-নন্দাত তেওঁ যেন ডুব মাৰিছে। মুদিত নয়নে অপৰাজিতাৰ চুলিৰ ওপৰত গাল পেলাই তেওঁ প্ৰস্তৰৰ দৰে বৈ থাকিল। আচলতে তেওঁৰ কি হৈ গ'ল তেওঁ জানিবলৈ অপাৰগ। অপৰাজিতাই হয়তো লৰচৰ কৰি তেওঁৰ মুখমণ্ডল চাব বিচাৰিছিল। হঠাতে অৰুণজ্যোতিৰ সম্বিত ঘূৰি আহিল। চকুমেলি দেখিলে যে তেওঁ কাৰোবাক দুহাতেৰে সাৱটি ধৰি আছে। তেওঁ অপৰাজিতাৰ মুখমণ্ডল দাঙি ধৰি দেখা পালে যে তাই তেওঁৰ চকুলৈ সজল নয়নেৰে চাই আছে। অশোভনীয় পৰিস্থিতি এটাৰ কথা হৃদয়ঙ্গম কৰিব পাৰি তেওঁ লজ্জাবোধত ম্ৰিয়মান হ'ল। অপৰাজিতাক ঠেলি আঁতৰাই দি মূৰ জোকাৰি জোকাৰি গৈ তেওঁ চকীত বহিল। নিজৰ ওপৰত তেওঁৰ ধিক্কাৰ জন্মিল। আজি একুৰি চাৰি বছৰ পাৰ হৈ গ'ল তেওঁ নিজ হাতেৰে ডায়েনাৰ মৃতদেহ কঢ়িয়াই নিছিল। অথচ এই ছোৱালীজনীৰ উপস্থিতিয়ে তেওঁক বাৰে বাৰে ভ্ৰমৰ চাকনৈয়ালৈ টানি নিয়ে কিয় ? মহৰ, আজিৰ পৰা শিলৰ দৰে চেষ্টা আৰু কঠিন হব লাগিব ; হৃদয়ক পাঁজৰৰ মণিকূটত আবদ্ধ কৰিব লাগিব। হয়তো অপৰা-

জিতাই ঠিকেই কৈছিল যে তেওঁক ডায়েনা বুলি মাতিলে মৃত ডায়েনাৰ ইন্দ্ৰজালৰ পৰা তেওঁ মুক্ত হব পাৰিব। তেওঁ নাহেঁকৈ ক'লে: "অপৰাজিতা, I didn't mean it। মোক ক্ষমা মাগবা। সন্ধিয়া হবৰ হ'ল; ঘৰলৈ যোৱা। মই আক কঠত বহি তপস্যা নকৰোঁ।"

"মোৰ ওপৰত খং উঠিছে আপোনাৰ?"

"তাৰ পৰিবৰ্তে আনবিৰোলটিৰ অদ্ভুত ইন্দ্ৰজালযুক্ত জগতৰ পৰা মই মুক্ত হৈ আহিলোঁ। তোমাৰ বয়স তেনেই কম— অথচ তোমাৰ শক্তি অপাৰ। তুমি মোক বাস্তৱ জীৱনৰ ঐতিহাসিক তথ্যৰ দীক্ষা দিলা।"

"মানুহৰ অন্তৰ একেই। মগজুৰ বিভিন্নতাৰ বাবে মানুহৰ চৰিত্ৰ বিভিন্ন হয়। আপুনি মোক সদায় ডায়েনা যেন দেখে। মই যদি বাস্তৱ ডায়েনা হৈ পৰোঁ আপোনাৰ আত্মাক আৱৰি থকা ভ্ৰমৰ ইন্দ্ৰজাল আঁতৰিব, অন্ততঃ এয়া মোৰ বিশ্বাস। আপুনি মোক ডায়েনা বুলি মাতিবনে?"

"তুমি দেখোন ডায়েনা নাম পাইছা।"

তেওঁ বুজিলে যে এই ইন্দ্ৰজাল তেওঁৰ নিঃসঙ্গ মানসিকতাৰ অচেতন আকাঙ্খাৰ পূৰ্ণ অভিব্যক্তি। সেয়েহে এইবাৰ তেওঁ নিষ্ঠুৰ বাস্তৱতাৰ সৈতে যুদ্ধ পাতিব। ডায়েনাৰ স্মৃতিক তেওঁ সজীৱ কৰি ৰাখিব বিচাৰে, কিন্তু অপৰাজিতাৰ ওচৰত অপদস্থ হোৱাটো নিতান্তই মূৰ্খামি। অপৰাজিতাৰ মাত শুনিলে:

"আপুনি ডায়েনাৰ প্ৰেমক অমৰ কৰি ৰাখিব বিচাৰে। তেওঁ ইন্দ্ৰজালত নমজি ডায়েনাৰ আত্মাক অইনৰ মাজত বিচাৰক! আপোনাক অমৰ প্ৰেম প্ৰদান কৰি আঁতৰি যোৱা ডায়েনাক মইও শ্ৰদ্ধা কৰোঁ। মোৰ মাজেৰে তেওঁৰ আত্মাক আপুনি স্মৰণ কৰক। কৌতুকেৰে নহয়, সঁচা অৰ্থত আপুনি মোক ডায়েনা বুলি মাতক।"

"অপৰাজিতা নামেৰে তুমি সুন্দৰী, স্বাস্থ্যৱতী, উচ্চশিক্ষিতা, বুদ্ধিমতী আৰু ভাগ্যৱতী হোৱানী। এজনী অচিনাকী চুৰ্ভগীয়া মৃত

ছোৱালীৰ নামেৰে নামাঙ্কণ কৰিলে যদি তুমিও দুৰ্ভগীয়া হৈ পৰা। মোৰ ভয় লাগে অপৰাজিতা; তোমাৰ দিগ্‌বিজয় নামটোৰ সম্পূৰ্ণ বিপৰীত অৰ্থ কৰিব মই নিবিচাৰো।"

"এই চিৰন্তন মানসিক বিকাৰগ্ৰস্ততাৰ পৰা মই আপোনাক মুক্ত কৰিব বিচাৰো। ইয়াৰ একমাত্ৰ উপায় হ'ল অপৰাজিতা নামটো পাহৰি গৈ মোক ডায়েনা বুলি মানি লোৱা। কওঁক মোক ডায়েনা বুলি মাতিবনে?

অৰুণজ্যোতিয়ে মাতমাতিলে। অপৰাজিতাই কৈ গ'ল: "আন সকলোৰে বাবে মই অপৰাজিতা, মাথো আপোনাৰ বাবে মই ডায়েনা। সন্মতি দিয়ক; নহলে মই কাণিলৈ নাহোঁ, হয়তো মই গবেষণাকে পৰিত্যাগ কৰিম, কাৰণ, আপোনাৰ মানসিক অন্তৰ্দ্বন্দ্বৰ কাৰণ মইহে। মোক লগ পোৱাৰ আগলৈকে আপুনি ডায়েনাক নিয়মিত স্মৰণ কৰিছিল যদিও অন্তৰ্দ্বন্দ্বত ভোগা নাছিল।"

নীৰস হাঁহি মাৰি অৰুণজ্যোতিয়ে ক'লে: "মই কৈছো নহয় ডায়েনাক আৰু মই স্মৰণ নকৰো; গৱেষণা তুমি কিয় বাদ দিবা? ঠিক আছে, আজিৰ পৰা তুমি ডায়েনা। Are you happy, my little Diana?"

অৰুণজ্যোতিয়ে ওচৰত শুই থকা অপৰাজিতাক লক্ষ্য কৰিবলৈ ধৰিলে। অপৰাজিতাৰ হাত এখন আলফুলে নিজৰ হাতৰ মাজত লৈ তেওঁ ভাবিলে — হৃদ্‌ৰোগী ডায়েনাৰ মৃত্যু নহলেও ডায়েনাৰ লৈতে হোৱা বিবাহে কোনো নতুনত্ব কঢ়িয়াই আনিব নোৱাৰিলে-হেঁতেন। তেন্তে অপৰাজিতাৰূপী ডায়েনাক লাভ কৰাৰ অৰ্থে ডায়েনাৰ মৃত্যু হৈছিল নেকি? অপৰাজিতাৰূপী ডায়েনাক অৰুণজ্যোতিয়ে জীৱন-সঙ্গিনী কৰি লোৱাৰ বাবে দৃঢ়প্ৰতিজ্ঞ হ'ল। কিন্তু এই-ক্ষেত্ৰত মুন্নী আৰু প্ৰফেছৰ জ্ঞানদীপক প্ৰত্যক্ষভাবে অবগত কৰাইহে অপৰাজিতাক গ্ৰহণ কৰিব লাগিব। এসময়ত কৰা উত্তেজনা-পূৰ্ব্বক প্ৰতিজ্ঞাক অমনোযোগভাবে ভঙ্গ কৰিলে মুন্নী আৰু প্ৰফেছৰ জ্ঞানদীপৰ

ওচৰত তেওঁৰ ব্যক্তিত্ব দোষমুক্ত হৈ নাথাকে। সেয়েহে বিবাহ পাশত আৱদ্ধ নোহওঁতেই অপৰাজিতাক তেওঁৰ অৰ্দ্ধাংগিনী কৰাটো উচিত কাম নহব। মুন্নী আৰু প্ৰফেচৰৰ জ্ঞানদীপে অপৰাজিতাক বিচাৰি আহিব বুলি অৰুণজ্যোতি নিশ্চিত। অৰুণজ্যোতি অতি সন্তৰ্পণে উঠি দুইংৰুমলৈ আহিল আৰু দীঘল চোফাখনত কাণ-মূৰ ঢাকি শুই পৰিল।

ৰাতিপুৱা পাঁচ বজাত অপৰাজিতাই সাৰ পাই অৰুণজ্যোতিক নেদেখি বিচুৰ্তি খালে। ততাতৈয়াকৈ উঠি তাই বাথৰুম, পেন্ট্ৰি সকলোতে অৰুণজ্যোতিক বিচাৰিলে। অৱশেষত ড্ৰইংৰুমলৈ আহি তেওঁক চোফাত শুই থকা দেখি ওচৰৰ চোফা এখনত বহি থাকিল। লগুৱাটোৱে দুৱাৰত টোকৰ মৰা শুনি দুৱাৰ খুলি দি তাই পলমকৈ ব্ৰেকফাষ্ট দিবলৈ ক'লে। ছাৰে সাতমান বজাত অৰুণজ্যোতিয়ে সাৰ পাই অপৰাজিতাক আমন-জিমনকৈ বহি থকা দেখি নিশা টোপনি হ'লনে নাই সুধিলে। অভিমানত মুখ কুৰাই তাই ক'লে: "আপোনাক কষ্ট দিয়াৰ বাবে মই ইয়াত থকা নাছিলোঁ। মই চোফাত শুব পাৰিলোহেঁতেন। মোক নজগালে কেনেই?"

"Take patience clever girl. চোফাখনৰ ওপৰত খং নকৰিবা। তোমাৰ মা-দেউতা আহি মোক এৰেষ্ট কৰিব খুজিলে দুয়োজনে চোফাখনৰ ওপৰত একেলগে বহিব। তেতিয়া দুয়োজনকে একেলগে এৰেষ্ট কৰিব।"

"মা-দেউতাই এৰেষ্ট নকৰে, কৰিলে দাদাই এৰেষ্ট কৰিব।"

"কোৱাচোন দাদাৰাৰ বিষয়ে। মুন্নীৰ উদ্দেশ্য ভিত্তিক বিবাহ সফল কাম হৈছেনে নাই বুজি পাম। অৱশ্যে তোমাৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু বুদ্ধি দেখা পাই মুন্নীৰ যশস্যাক মই নধলাগি নোৱাৰিলোঁ। Really, she is a glorified woman." "দাদাই লণ্ডনৰ পৰা উচ্চতি আহি দিল্লীতে আই, আই, টি বিভাগত এপ্ৰেন্তৰ এজন নিউক্লিয়াৰ ফিজিছিষ্ট হৈ আছে।"

"তুমি কিয় ইমান দিনে মোৰ পৰা সকলো লুকাই ৰাখিছিলা ?"

"কি কৰিম, দেউতাৰ আদেশ। এতিয়া মইও ভাবিছোঁ দেউতাই উচিত কামকে কৰিছিল। নহলে আপুনি মোক আপোনাৰ ওচৰৰ পৰা কাঢ়ানিবাই খেদিলেহেঁতেন।"

"হয়তো খেদিলোহেঁতেন! আৰু মইও মৃত ডায়েনাৰ অদৃশ্য ছা-টোক সাবটি ধৰি থাকি থাকি ধ্বংস হৈ গলোহেঁতেন! মুন্নী সচাঁকৈয়ে বসুন্ধৰা, তুমি তেওঁৰ সুযোগ্য সন্তান।"

"তেন্তে দাদাৰ কথা শুনক। আজি-কালি কিমানযে ছোৱালীৰ 'ওকাৰ' দাদাৰ বাবে আহি আছে। তুজনীমানেতো নিজে নিজে চিনাকী হৈ আমাৰ ঘৰলৈ চাপলি মেলিছে। কিন্তু মাৰ এজনীও পছন্দ হোৱা নাই।"

"কেলেই ? বিয়া দাদাৰাইহে কৰাব।"

"দাদা ? দাদা ব্ৰহ্মচাৰী। ব্ৰহ্মচাৰী! বুজিছেনে ? দাদাই কয় যে তেওঁৰ বিয়া সেৰবেটৰীৰ লৈতে হৈ গৈছে— ছোৱালীক দেখিব নোৱাৰে— কৰ্ত্তব্য পালনত হেনো ছোৱালীয়ে বাধা দিয়ে।"

"তোমাক আৰু তোমাৰ মাক এক ?"

"মোক ইমান ভাল পায় যে অইন ছোৱালীৰ লগ হব নিদিয়ে ; সদায় চিঠিত লিখি থাকে যে মই অধ্যয়নৰ বাহিৰে অইন চিন্তা মুঠেই কৰিব নালাগে ; গ্ল'ৰিথাইড্ মানুহ হেনো মোৰ ওচৰলৈ আপোনা আপুনি লৰি আহিব। আৰু মা! মাৰ বাবে দাদাই আত্মাহুতি দিব পাৰে। দাদাই কয় যে দেউতাই নিজৰ ব্যক্তিত্ব আৰু বোধশক্তি দাদাক প্ৰদান কৰিছে, কিন্তু মায়ে উৎকৃষ্ট জীৱনৰ প্ৰেৰণা দিছে। আৰু কয় যে মাৰ দৰে গ্ল'ৰিফাইড্ ছোৱালী যদি পায় বিয়াৰ কথা ভাবিব।"

"এৰা। মুন্নীৰ মিশ্বন আৰু সাফল্যতাৰ কথা হৃদয়ঙ্গম কৰিব পৰা ছোৱালী আছেনে নাই মই নাজানোঁ। তুমি কি ভাবা ?"

"মই বৰ ভয় খাওঁ। ছোৱালীৰ অৱণ্যত যে সঁচা অৰ্থত নাৰী

পাৰলৈ নাই। মই লগ পাই অভা সকলোবোৰেই দেখোন আমোদ প্ৰমোদ আৰু বিষয় লিপ্সাত অন্ধ হৈ আছে; আৰু ইজনীয়ে সিজনীৰ লাগ দেখা পালে হিংসা। ষড়যন্ত্ৰ আদিত লিপ্ত হৈ থাকে। বৰ দুখ লাগে যে উচ্চ শিক্ষাই মানুহক চয়তান হ'বলৈকে উদ্‌গনি দিছে।"

'চয়তান ?"

"এৰা! এদিন কি হ'ল জানে ? মই লাইব্ৰেৰীৰ পৰা উভতি হৈ দেখো যে দাদা মোৰ ওপৰত অগ্নিশৰ্ম্মা হৈ আছে— মই হেনো বৰ্ব্বৰ ছোৱালী কিছুমানৰ লগ লাগি নিজৰ কেৰিয়াৰ ধ্বংস কৰিবলৈ ওলাইছো। মা ঘৰত নাই, মা স্কুলৰ পৰা আহি পোৱাহি নাই।"

"কি ক'লা ? তোমাৰ মা স্কুলত কাম কৰে ?"

"এৰা! মই আপোনাক কবলৈকে পাহৰিছো। মা এখন চেণ্ট্ৰেল স্কুলৰ শিক্ষয়িত্ৰী। সেইভাইহে ক'লে যে মোৰ লগৰ ছোৱালী স্বৰ্ণা আহিছিল, মোৰ কিতাপ এখন মই দিবলৈ দিয়া বুলি কৈ মোৰ পঢ়া কোঠাত সোমাইছিল। তাই ওলাই যাওঁতে দাদাৰ লগত ভেটা-ভেটি হ'ল। তাই মোৰ থেছিছৰ ফাইল এটা কাষলতিৰ তলত লৈ গৈছে। দাদাই তাইক প্ৰশ্ন কৰোঁতে তাই ভালদৰে উত্তৰ দিব পৰা নাই— ফাইলটোৰ ভিতৰত তাইৰ নোটবহী থকা বুলি ঠেৰাগেৰোকৈ উত্তৰ দিলে। দাদাই সন্দেহ কৰি ফাইলটো কাঢ়ি খুলি চায় যে ভিতৰত মই যুগুত কৰি উলিওৱা চেপ্তাৰৰ কাগজবোৰ। দাদাই তাইক গতিয়াই বাহিৰ কৰি দিলে।"

"তাইৰ ইমান সাহসনে ঘৰৰ ভিতৰ সোমাই বস্তু চুৰ কৰে ?"

"তাই মোৰ লগত দুদিনমান মোৰ পঢ়াকোঠালৈ গৈছিল। পিছত তাইৰ লৈতে মই বন্ধুত্ব পৰিত্যাগ কৰিলোঁ— বৰ ক্ষেত্ৰেলাছ! সিদিনা তাই মোৰ দাদা ঘৰত নাই বুলি ভাবিছিল চাগে। দাদা দিল্লীতহে থাকে। সেইভাই প্ৰায়তাগ সময় বাহিৰত বহি পঢ়ি থাকে। দাদাৰ বাবে মোৰ চিন্তা হয়। ভাল ছোৱালী এজনী

মিলিব জানো।"

"Don't worry, darling Diana. মই তোমাক বিদেশে লগ পালোঁ, তোমাৰ দাদাইও এদিন কাৰোবাক লগ পাব।

ব্ৰেকফাষ্ট খাই উঠি অৰুণজ্যোতিয়ে বগা চলোৱাৰ আৰু পাজাৰী পৰিধান কৰি ইংৰাজী আলোচনী এখন পঢ়ি ড্ৰইংৰুমত গপচত বহি আছে। তেওঁৰ জীৱনৰ এটি নতুন অধ্যায় সূচনা কৰা এক আগন্তুক ঘটনা অথবা দৃশ্যৰ বাবে তেওঁ সাঁজু হৈ আছে। ন-মান বজাত কলিং বেল বাজি উঠিল। কাঞ্চা দৌৰি গৈ দুৱাৰ খুলি দিলে। প্ৰফেছৰ জ্ঞানদীপ, মুন্নী আৰু ছানদীপ ভিতৰ সোমাল। মুন্নীৰ চেহেৰাত ছোৱালী কালৰ চপলতা নাই, চুলি কেইডালমান পকিছে। চিনাকী নাথাকিলেও ছানদীপক দেখি অৰুণজ্যোতি অভিভূত হৈ পৰিল। এয়াই ছানদীপ— প্ৰফেছৰ জ্ঞানদীপৰ ব্যক্তিত্ব ও বোধিত্বৰ continuation বহল ভাবগধুৰ কঁপাল, প্ৰতিশ্ৰুতি পৰায়ণ জ্ঞানপিপাসু চকুৰ দৃষ্টি আৰু ওঁঠৰ দৃঢ়তা, জ্ঞানদীপৰ দৰে চুলিৰ গঢ় আৰু ঢৌ, চেহেৰাৰ উচ্চতা আৰু খোজৰ গাম্ভীৰ্য্যতা! চকু, ওঁঠ আৰু নাকৰ আকৃতি পিছে মুন্নীৰ দৰে, কঁপাল আৰু চুলিৰ আকৃতি, হাত-ভৰিৰ দৈৰ্ঘ্যতা প্ৰফেছৰৰ দৰে। অৰুণজ্যোতি থিয় হৈ প্ৰফেছৰ জ্ঞানদীপৰ ফালে হাতজোৰকৈ ৰৈ থাকিল আৰু তেওঁৰ জিলিকি থকা বৰফৰ দৰে বগা চুলিবোৰৰ ফালে তধা লাগি চাই থাকিল। জ্ঞানদীপ আৰু মুন্নীয়ে অৰুণজ্যোতিক মূৰৰ পৰা ভৰিলৈ তীক্ষ্ণভাবে পৰ্য্যবেক্ষণ কৰিব ধৰিলে। অৱশেষত অৰুণজ্যোতিয়ে তেওঁলোকক বহিবলৈ অনুৰোধ কৰাত মুন্নীৰ মুখেৰে নিৰ্গত হ'ল :

"অৰুণজ্যোতি ?"

"এৰা ! মই।"

"মোৰ ছোৱালী অপৰাজিতা ক'ত ? তাই কালি ঘৰলৈ উভতি যোৱা নাই। তোমাৰ ওচৰলৈ নাহি আমাৰ আইন উপায়

নাছিল।"

"অপৰাজিতা ইযাতে আছে।"

ছানদীপ আগুৱাই আহি অৰুণজ্যোতিৰ মুখামুখি হৈ দাবী কৰিলে : "ড° অৰুণজ্যোতি মহন্ত, ল'ৰা-ছোৱালীক গাইড কৰা বহুতো প্ৰফেছৰ দেখিছোঁ। কি সাহসত আপুনি তাইক নিশা ৰাখি থৈছিল? ইয়াৰ কৈফিয়ৎ দিব লাগিব।"

ছানদীপৰ ৰুষ্ট স্বভাৱটোও এসময়ৰ জ্ঞানদীপৰ দৰেই লাগিল অৰুণজ্যোতিৰ। প্ৰফেছৰ জ্ঞানদীপে মুন্নীক উদ্দেশ্য কৰি ক'লে : "এতিয়া তুমি তাক চম্ভালা। তাক উত্তেজিত নহ'বলৈ শিকাই আহিছিলোঁ।"

মুন্নীয়ে ছানদীপৰ হাতত ধৰি টানি পিছুৱাই নৈ ক'লে : "ছান, ইমান চট টেম্পাৰ নহ'বিচোন! তই ৰহি থাক। যি কব লাগে মই কম।"

"মই ৰহি নাথাকো মা। তোমাৰ কলেজীয়া জীৱনৰ বন্ধু বাবে তুমি একো নোকোৱা বুলি মই জানো। ভুল অপুৰে কৰা নাই; কৰিছা তোমালোকে। মোৰ উপস্থিতিত মই তাইক এজন প্ৰৌঢ় বেচেলৰৰ ওচৰলৈ থেছিছ লিখিবলৈ কেতিয়াও নপঠিয়ালোঁহেঁতেন!"

"অৰুণজ্যোতিৰ ওচৰলৈ আৰু কেবাজনীও ছোৱালী থেছিছ লিখিবলৈ আহে।"

"মোৰ সন্দেহ হয়, যিবোৰ ছোৱালীয়ে থেছিছ লিখিবলৈ আহে সেইবোৰে কেৱল উপাধিটো লবলৈ আহে নে সঁচাকৈ গৱেষণা চলাই কিবা তথ্য উদ্‌ঘাটন কৰিবলৈ আহে! অপুক মোৰ লগত ৰাখি এক উৎকৃষ্ট গৱেষক কৰি গঢ়ি তুলিব পাৰিলোঁহেঁতেন। দেউতাই এতিয়া কৰ্মফল পাইছে নহয়।"

প্ৰফেছৰ জ্ঞানদীপে মাতিলে : "ছান, এইখন অইনৰ ঘৰ। মই কোনো কৰ্মফল পোৱা নাই। তই একো নাজান।"

এইবাৰ অৰুণজ্যোতিয়ে মাতিলে : "এৰা, গৱেষণাৰ নামত

উপাধি লাভ কৰাটো আজি-কালিৰ এটা ধৰণ হৈ পৰা নহয়। পিছে মই বাহানি কৰিহে গাইড কৰোঁ। সেয়েহে অপৰাজিতাৰ দৰে মাথোঁ দুজনী ছোৱালী আৰু এজন ল'ৰা বাছি লৈছোঁ। গুৱাহাটীৰ দৰে ঠাইত লণ্ডনৰ পৰিবেশ বিচাৰিলে নোপোৱাটো স্বাভাৱিক।"

ছানদীপে খঙেৰে বিস্ফোৰণ কৰিলে: "অকল লণ্ডনৰেই নহয়, পৃথিৱীৰ যিকোনো ঠাইৰ উৎকৃষ্ট গৱেষণাৰ পৰিবেশ অনুসৰণ কৰা উন্নতিৰ লক্ষণ।"

"সেই পৰিবেশ গঠন অকল মোৰ দৰে এজনৰ দ্বাৰা হ'ব বুলি আশা কৰি বহি থকাতকৈ সকলোৱে চোন একেলগে চেষ্টা চলাব পাৰে; আপুনিও পাৰে।"

"এৰা। চেষ্টা চলাবলৈকে মোৰ ভনীক গৱেষণা কৰিবলৈ দিছিলোঁ। মোৰ গাইডেন্সত তাই এই বিশ্ববিদ্যালয়ৰ পৰিবেশ পূৰ্ণ বিকাশৰ পথলৈ আনিব পৰিবলৈহেঁতেন। এতিয়াও মই সেই চেষ্টাৰ ত্ৰুটি নকৰোঁ। মাথোঁ তাইৰ দৰে অধ্যাৱসায়ী ছোৱালী এজনীক আপোনাৰ দৰে গাইডে মিছগাইড্ কৰা বাবে তাই কালি নিশা ঘৰলৈ উভতি নগ'ল। তাইক ভালে ভালে উলিয়াই আনক।"

তৰ্কাতৰ্কিৰ এই গোটেই সময়খিনিত প্ৰফেছৰ জ্ঞানদীপ আৰু মুন্নী ইছাতি-বিছাতিকৈ থাকিল, কাৰণ, ছানদীপক তেওঁলোকে বাধা দি ৰাখিব নোৱাৰে। অৰুণজ্যোতিও এনে দিঘা বিধৰ লোক নহয়। থিয় হৈ ছানদীপৰ মুখামুখী হৈ তেওঁ সাহসেৰে ব্যক্ত কৰিলে: "অপৰাজিতা স্কুল গাল নহয়; নিজেই ওলাই আহিব পাৰে, মই তেওঁক ৰাখিও ৰখা নাই। মোৰ আচৰিত লাগিছে— ইমান প্ৰভাৱশালী অভিভাৱক থাকোঁতে ছোৱালী এজনী নিজঘৰ এৰি বাহিৰত কিয় নিশা কটাবলগীয়া হ'ল? তেওঁক ইমান পৰ লৈ যোৱা নহ'লে কিয়?"

মুন্নীয়ে ছানদীপৰ মুখ বন্ধ কৰি ধৰি ৰাখিলে। প্ৰফেছৰ

ছানদীপে আপচোচেৰে ক'লে "অৰুণজ্যোতি, মইতো সুবিধা আৰু লক্ষিত যে মই তাইক লৈ সাৱধান থাকিব নোৱাৰিলোঁ। ছাৱে চহৰৰ কোনো কৰ্মস্থলত যোগ দিবলৈ বুলি নৈহটিলৈ গৈছিল; সি ভতডি আৰিছে নিশা কাৰ বসত। মোৰ বাতে ভুবি-ভুবা গাড়ী চলোৱা কষ্ট কৰা — এইবোৰ ডাক্তৰে বন্ধ কৰি দিছে। বাকুক কৰবালৈ যোৱাটো মোৰ সামৰ্থ্যৰ অতীত; গাড়ীখনো ছাৱে লৈ গৈছিল। মুনীয়ে গোটেই নিশা কান্দি কান্দি উজাগৰে কটালে। ছাৱে কোনো কথা নাজানে তাৰ খং উঠিব বুলি আমি তাক কোনো কথা জনোৱা নাই। তোমাৰ ওচৰত আহি আছে বুলি মই পিতৰি ফিতৰি নিশ্চিন্ত হৈছিলোঁ।

হাব মোৰ ওপৰত আপোনালোকৰ ইমান আস্থা। মই আশা কৰিছিলোঁ যে ম গোমাৰ পৰিবাৰক আপুনি বুজাই কব পাৰিব।"

ছানদীপে আক্ৰমণাত্মক ভাবেৰে ক'লে অৰুণজ্যোতি মহন্ত মোৰ দেউতাক দোষী সাব্যস্ত কৰিবলৈকে আপুনি তাইক নিজে লৈ গৈ তাইৰ ঘৰত থৈ আহিবলগীয়া কৰ্তব্যকো নকৰিলে চাগে?

সীমা অতিক্ৰম নকৰিবলৈকে আপোনাক মই পৰামৰ্শ দিব খুজিছো। অৰুণজ্যোতি মহন্তৰ চাৰিত্ৰিক দিশৰ বিষয়ে জানিব খুজিলে আপুনি নিজৰ পিতৃমাতৃক সুধি লব পাৰে। এনে, মই অপৰাজিতাক নিজে থবলৈ যোৱা নাছিলোঁ দুটা কাৰণত। প্ৰথম কাৰণ তেওঁ বেলৰ আগত পৰিবলৈ চাপনি মেলিছিল বুলি মই মই তেওঁক ওচোটাই আনিছো। দ্বিতীয় কাৰণ তেওঁৰ পিতৃমাতৃ অথবা অভিভাৱক কোন সেই বিষয়ে মই নিশ্চয় পোৱাকৈ জনা নাছিলো।। অপৰাজিতাৰ প্ৰকৃত পৰিচয় মই আজিহে জানিব পাৰিছো।

চৰণাই উঠি মুনীয়ে চিঞৰিলে; "তেওঁৰ আগত পৰিবলৈ গৈছিল তাই? [illegible]
[illegible] "মই আপোনাক কৈছিলো যে অৰুণজ্যোতিৰ [illegible]

[illegible]

আপুনি সকলো বিপত্তি কৰক আপুনি মকৰিবে। অৰুণজ্যোতিৰ মন্তব্যটোক ভাই যদি বেজৰ আগত পৰিৱেশ সংমৃদ্ধেতেম !"

জ্ঞানদীপে কৌতুক কৰিলে ; তোমাৰহে জোৱানী ! ইমান সহজে মৰবে ; বুজিছ ? মৃত্যুৱেও তোমালোকক ভয় কৰে।

মুখীয়ে মাতিলে অৰুণজ্যোতি এসময়ত মই মোৰ জোৱানীৰ কথা শুনিতে তুমি বুজিবৰ চেষ্টা নকৰিলা বৰ প্ৰতিজ্ঞা কাঢ়িলা। এতিয়া কোৱা মোৰ অপুৰ জীৱনটোকৈ তোমাৰ প্ৰতিজ্ঞা বেচি মূল্যবান নেকি ?

প্ৰফেছৰ জ্ঞানদীপে একে কথাকেই সুধিলে এবা আমাৰ কালি তুমি চাব নালাগে অপুৰ কাষে চাই কোৱা তাইৰ জীৱনটোৰ মূল্য তোমাৰ প্ৰতিজ্ঞাতকৈ কম বুলি ভাবা নেকি তুমি ? তাই কিয় মৰিবলৈ গৈছিল মোৰ বুজিবলৈ বাকী নাই

অৰুণজ্যোতিয়ে উত্তৰ দিদিলে। মুখী অৰৈব ; হে পাৰি প্ৰফেছৰ জ্ঞানদীপক ওচৰত আঠু কাচি পৰি কান্দন কান্দো। কৈ কৰলৈ মৰিবে "অপু এতিয়াও বঁচাই মৰা নাই। অৰুণজ্যোতিয়ে প্ৰতিজ্ঞা ভঙ্গ নকৰে। তাইক বিচাৰ কৰক তাই কিয় মৰিবলৈ ওলাই গৈছে কিজানি।

এনেতে অপৰাজিতা ওলাই আহিল। মুখীয়ে তাইক সাবটি ধৰিবলৈ গৈ। কিন্তু জ্ঞানদীপে অপৰাজিতাৰ হাতত খামোচ মাৰি ধৰি তাইক মুখৰ পৰা ভৰিলৈ পৰীক্ষা কৰি কৰি সুধিলে "তই আত্মহত্যা কৰিবলৈ গৈছিলি ? কিয় মাৰে ? এই অৰুণজ্যোতি মইছুৰ মাৰিছিলে ? ব ল বাবত তোক এতিয়াৰ দিম। অৰুণজ্যোতিৰ বৈভে তোক কোনো দণ্ডক খাঁকিব নোৱাৰে।"

দাদা !

কিন্তু অৰুণজ্যোতিয়ে এইবাৰ উচ্চস্বৰে ঘোষণা কৰিলে "My vow was nullified. অপৰাজিতাক এইবাৰে মই মাৰলৈ দিবা নহয়। She is going to be my wife !"

জ্ঞানদীপে 'হং' আৰু কিবিলিবে গৰ্জন কৰিলে "[illegible]

nonsense! কোনো প্রতিজ্ঞাৰ কথা মই নাজানো, জানিবৰ ইচ্ছাও নকৰোঁ। মোৰ ভনীক আঁতৰাই নিয়াৰ সম্পূৰ্ণ অধিকাৰ মোৰ আছে। তাই আপোনাৰ অনুগতা নহয়।"

"দাদা।"

অৰুণজ্যোতিয়ে গহীনভাৱে মন্তব্য দিলে: "সেয়া যদি অপৰাজিতাৰো মতামত হয়, মোৰ কবলগীয়া একো নাছিল। তেওঁ নিজ ইচ্ছাত মোৰ ওচৰলৈ আহিছে।"

"মূৰ্খ ছোৱালী, ব'ল ঘৰলৈ। হিপ্নোটাইজড্ হ'বলৈ ঠাই নাপালি?"

"দাদা, অৰুণজ্যোতিৰ বাহিৰে অইন কোনো মোৰ স্বামী হ'ব নোৱাৰে। তুমি মোক বাধা নিদিবা।"

"মই জানিছিলোঁ— তাইক চলাহী কথাৰে ফুচুলোৱা হৈছে। গাইডেন্সৰ অজুহাতত তাইক প্ৰলোভিত কৰা হৈছে। বহুত দেখিছোঁ এনেকুৱা প্ৰফেছৰ। প্ৰফেছৰ জ্ঞানদীপৰ ইমান খং উঠিল যে তেওঁ ছানদীপক চৰিয়াবলৈ উদ্যত হ'ল, মুন্নীয়ে ধৰি ৰাখিলে। প্ৰফেছৰে গৰ্জ্জন কৰিলে: "তোৰ মাৰকো মই ফুচুলাইছিলোঁ নেকি মূৰ্খ?"

"দেউতা? এইবোৰ কি কৈছে আপুনি?"

মুন্নীয়ে ছানদীপৰ কান্ধত ধৰি বুজালে: "দেউতাৰে ঠিকেই কৈছে। অপু শিক্ষিতা জনা-বুজা ছোৱালী। তাইজানো কেতিয়াবা কাৰোবাৰ দ্বাৰা প্ৰলোভিতা হৈছে? তাই যি কৰিছে ভাবি-গুণি কৰিছে। এসময়ত মইও সেয়াই কৰিছিলোঁ। সেয়েহে দেউতাৰৰ খং উঠিছে।"

"তুমি কি কৰিছিলা মই নাজানো। কিন্তু তুমি যি কৰিছিলা অপুৱেও সেই কৰিব লাগিব বুলি কিবা নিয়ম আছে নেকি মা?"

অপৰাজিতাই এইবাৰ দৃঢ়ভাৱে ক'লে: "দাদা ড° অৰুণজ্যোতি মহন্তৰ ছোৱালী ফুচুলোৱা স্বভাৱ থাকিলে কাহানিবাই সংসাৰত

থাকিব পাৰিলোহেঁতেন । কেৱল মোক ফুচুলাবলৈকে তেখেতে ভাবেনায় মৃত্যুৰ পাছত কুৰি বছৰেৰে অধিক কাল অপেক্ষা কৰি থাকিব নালাগিলহেঁতেন । দাদাৰ তেখেত এজন নিষ্ঠাবান লোক মা দেউতাক নজনোৱাকৈ তেখেতে মোৰ সন্দৰ্ভত কোনো কাম কৰিবলৈ অগ্ৰসৰ হোৱা নাই । কালি নিশা মোক কষ্ট নিদিবাকৈ বিচনাত শুবলৈ দি তেখেতে নিজে চোকাৰ ওপৰত নিশা কটাইছে ।”

ছানদীপ নিৰ্ব্বাক বিষণ্ণ । মুন্নীয়ে নিৰ্দ্দেশ দিলে : “ছান, তই নিজে তাইক লৈ আহ অৰুণজ্যোতিৰ ওচৰত থিয় কৰাই দে । দেউতাৰৰ মনত যদি দুখ দিব নোখোজ তাইক তাই বিচৰামতে অৰুণজ্যোতিৰ হাতত অৰ্পণ কৰা।”

বিব্ৰত যন্ত্ৰচালিত ছানদীপ দেউতাক জ্ঞানদীপৰ আঠুৰ ওচৰত বহি অনুনয়েৰে কলে “দেউতা, আপোনাক মনোকষ্ট দিয়াৰ বাবে মই সেইকথা কোৱা নাছিলোঁ । প্ৰৌঢ় প্ৰাপ্তবয়স্ক এজন মানুহৰ লৈতে তেনেই কোমল বয়সৰ মোৰ ভনীজনীক বিয়া দিবলৈ মোৰ মত নাছিল সেয়েহে কৈছিলোঁ ।”

ছানদীপৰ মূৰত হাত বুলাই জ্ঞানদীপে কলে “অৰুণজ্যোতি আৰু অপুৰ বয়সৰ পাৰ্থক্য যিমান মোৰ আৰু তোৰ মাৰৰ বয়সৰ পাৰ্থক্য তাতকৈ বেছি । মই যদি আজি তইত দুটাক লাভ কৰিছোঁ একমাত্ৰ তোৰ মাৰৰ অনুগ্ৰহসূচক আৰু তাৰ গৌৰীশালিৰ বাবেহে । সেয়েহে তই তাইক বাধা নিদিবি । সকলোতকৈ নাৰীৰ বোধশক্তি আৰু উপলব্ধি বল এক নহয় ।

জ্ঞানদীপে অপৰাজিতাক হাতত ধৰি আনি অৰুণজ্যোতিৰ ওচৰত থিয় কৰাই দিলে আৰু দুয়োৰো হাত মিলাই দি কলে – ‘মই আপোনাক যিমান কথা শুনালোঁ সেইবোৰৰ বাবে মোৰ ওপৰত আপুনি কিবা প্ৰতিক্ৰিয়া নকৰিব, কিন্তু আপুনি তাৰ বাবে কোনো খেদ নুকৰিব । তাইৰ বাবে মই আপোনাক সকলো আশ্বাস দিব পাৰিম নে


উত্তৰ স্বৰূপে অৰুণজ্যোতিয়ে জ্ঞানদীপক সাবটি ধৰিলে। অৱশেষত হাঁহি হাঁহি ক'লে: "আপোনাৰ দৰে বিদগ্ধ বৈজ্ঞানিকৰ সৈতে তৰ্ক কৰিলে মনত স্ফূৰ্তি আছে, আপোন আপোন মনোভাৱত মন পাতল হৈ যায়। মই সৰ্ব্বান্তঃ কাৰণে আশা কৰিছোঁ। মুন্নী আৰু অপৰাজিতাৰ দৰে শক্তিশালী ইণ্টেলেক্ট আৰু উইল থকা কোনো মহিয়সী নাৰী আপোনাৰ জীৱনলৈকো আহক।"

প্ৰফেছৰ জ্ঞানদীপ উঠি আহি হাঁহি হাঁহি প্ৰশ্ন কৰিলে: "অৰুণজ্যোতি, মুন্নী এতিয়া তোমাৰ মাতৃতুল্যা হব পাৰিছে, নহয় জানো?"

"Yes father। Forgive me, mother!"

মুন্নী থিয় হৈ অৰুণজ্যোতিৰ ফালে আশীষহস্ত দাঙি ধৰিলে। মুন্নীৰ মুখমণ্ডলত অসীম আনন্দ আৰু পুত্ৰস্নেহৰ ফুলৰেণুবোৰ সিঁচৰিত হবলৈ ধৰিলে।

—সমাপ্ত—



মাতৃ আৰু পৃথিৱী

ভুল সংশোধনী

পৃ	ভুল শব্দ	সংশোধিত শব্দ
ক—	আসক্ত—	সত্ত্বা
খ—	প্ৰগতিও —	প্ৰগতিত
ঘ—	ঔপন্যাসিক—	ঔপন্যাসিকা
২—	চুনয়ণ —	চুনয়ন
৬—	বিকলডিং—	বিল্ডিং
১১—	What—	Whats
৫—	গত্ৰেষণা—	গৱেষণা
২ —	আগ ধৰি—	আগচি ধৰি
২৮—	স্বৰ্ণাক্ষৰেও—	স্বৰ্ণাক্ষৰেও
২৯—	Prospsrous—	Prosperous
৩১ —	চেষ্টা—	চেষ্ট
৩৪—	ওম্ৰোলাই —	ওম্লোলাই
৩৫—	টেগনেষ্ট	টেগ নেক্ট
৩৯—	বক্কনতা—	কক্কতা
৪২—	চলিযাবলৈ —	ঢপলিয়াবলৈ
৯ —	শান্তি -	শাস্তি
৯৩ -	স্তৱত -	সুৱত
১ —	tomorrow myself-	tomorrow I myself
১১৫ -	ওচৰত -	ওপৰত
১১৮ -	opprove -	approve
" —	এজোপ -	এটোপা
১২৪ -	erazy -	crazy
১২৭ -	excess	excesses
" -	পৰিছিল -	পড়িছিল
১৪৮—	ড্ৰইংৰুমলৈ—	ডাইনিং ৰুমলৈ
৫২—	পৰিল—	পৰিব
১৬৩ —	পাটত	পাটৰ
১৬৪—	কাইলৈ	তাইলৈ
১৬৬—	তোমাক বিছনত—	তোমাৰ বিছনত
১৭৫—	আই আই চি -	আই আই টি
১৮২—	জ্ঞানদীপ -	জ্ঞানদীপে

'মুদ্ৰী শব্দটো বহুবাৰ 'মুদ্ৰী' হৈছে; হাহি হাহি' বহুঠাইত
'হাহি হাহি হৈছে।